# সূ. চী. প. ত্র


**সম্পাদকীয়**

গদ্য শিল্প ঃ

ইণ্টাৰনেট অফ থিংছ • **বিনীতা হাজৰিকা** ।। ১৩
চিন্তা শক্তিৰ কৃতিত্ব • **ৰৌজলিন আলি** ।। ১৬
জলবায়ু পৰিৱৰ্তন আৰু খাদ্য সংকট • **নৰমী ভূঞা** ।। ১৯
মাদক দ্ৰব্য আৰু সমাজৰ অৱক্ষয় • **কবিতা ফুকন** ।। ২১
মাদক দ্ৰব্য আৰু আমাৰ সমাজ • **কৰিস্মা গগৈ** ।। ২২
Can we abolish corruption in our country? • **Mangal Sing Kro** ।। ২৩
আধুনিক সমাজত বহুলভাৱে প্ৰচলিত বাৰ্থ ডে'ৰ প্ৰাসংগিকতা • **সংগীতা হাজৰীকা** ।। ২৫
অসমীয়া জাতীয় জীৱনত বৰনামঘৰৰ গুৰুত্ব • **ৰশ্মি দত্ত** ।। ২৬
Naamghar • **Deepali Das** ।। ২৮
Use of Mask in Sankarian Theatre • **Sukanya Gogoi** ।। ২৯
নামঘোষা-এখন পবিত্ৰ গ্ৰন্থ • **নিহাৰিকা দত্ত** ।। ৩০
সামাজিক উৎকৰ্ষ সাধনত নাৰীৰ শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা • **জয়শ্ৰী ফুকন** ।। ৩১
নাৰী শিক্ষা আৰু সমাজ • **ময়ুৰী তামুলী** ।। ৩৩
Role of women in Society • **Queen Deori** ।। ৩৫
বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থা • **তৃষাৰাণী হাজৰিকা** ।। ৩৬
Tourism Industry in Assam-Prospects, Problems and Remedies • **Bikas Das** ।। ৩৭
অসমত পৰ্যটন উদ্যোগৰ সম্ভাৱনা • **মনালিচা বৰুৱা** ।। ৪১
সমাজ জীৱনত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা আৰু দায়িত্ববোধ • **তাজমিন তুলতানা** ।। ৪২
দুৰ্নীতি ৰোধ কৰাত যুৱ প্ৰজন্মৰ ভূমিকা • **পলি বৰুৱা** ।। ৪৫
দুৰ্নীতি ৰোধ কৰাত যুৱ প্ৰজন্মৰ ভূমিকা • **মনালিচা বৰুৱা** ।। ৪৭
Role of young generation in fighting corruption • **Namashya S. Khandayatray** ।। ৪৯
Role of youth in controlling corruption • **Indira Doley** ।। ৫১
অসমৰ সামাজিক আৰু সাংস্কৃতিক অৱক্ষয়-নৱপ্ৰজন্মৰ দায়িত্ব • **জয়শ্ৰী ফুকন, স্বপ্না চেতিয়া, হিমালী গগৈ** ।। ৫২ - ৫৫
Social and cultural degradation of Assam - Duty of Youth • **Priyam Pankhi Saikia, Momi Gogoi, Namashya S. Khandayatray** ।। ৫৬ - ৫৮
যুৱ প্ৰজন্ম আৰু অসমৰ ভৱিষ্যৎ • **জয়শ্ৰী ফুকন** ।। ৫৯
উচ্ছৃংখল মানসিকতা-বৰ্তমান সমাজৰ এক প্ৰধান সমস্যা • **গায়ত্ৰী চাংমাই** ।। ৬০
ফেচবুক আৰু যুৱ প্ৰজন্ম • **কংকনা বৰুৱা** ।। ৬১
Friendship means a lot • **Pratiksha Bhuyan** ।। ৬২
The power of role models • **Himali Chetia** ।। ৬৩
Hostel life celebration • **Kangkana Boruah** ।। ৬৪
Causes of Decay and Deterioration of Libray Materials • **Dipankar Saikia** ।। ৬৫
Swachh Bharat Abhiyan-One step towards clean • **Bidisha Bhattacharya** ।। ৬৭
Education and Teaching • **Imdad Khan** ।। ৬৮
Diversification of Employment in Rural Economy of Assam • **Dr. Gubin Chandra Boruah** ।। ৬৯

অতিথি শিতান

ছাত্ৰীসকলৰ বাবে কেইটামান আকৰ্ষণীয় কেৰিয়াৰ • **ড° বুলজিৎ বুঢ়াগোহাঁই** ।। ৭২

ব্যক্তিত্ব

উদ্ধৱ ভৰালী-উদ্ভাৱনেই যাৰ পেছা • **গৰিষ্মা খাউণ্ড** ।। ৭৭

ৰঙানদীৰ অতীত স্মৃতি • **ড° এইচ এম আব্দুচ শ্বাহিদ** ।। ৭৮
The father of Modern Genetics Gregor Johann Mendel • **Jaya Kumari** ।। ৮০
भारतीय संस्कृति • **मनसूम लेखारु** ।। ৮১

গ্ৰন্থ আলোচনা

মৃত্যুঞ্জয় • **নিদৰ্শনী শইকীয়া** ।। ৮২
দেওলাংখুই • **পাপৰি চুতীয়া** ।। ৮৬
মৌন ওঁঠ মুখৰ হৃদয় • **পম্পী গগৈ** ।। ৮৯

একাংক নাটক

পিছল মৃত্যুৰ সাপ • **হিৰণ্য সভাপণ্ডিত** ।। ৯৩

কবিতা • **১০১ - ১২৩**

গৰিষ্মা খাউণ্ড, জয়শ্ৰী ফুকন, গৰিমা বৰুৱা, ময়ুৰী তামুলী, ধৰিত্ৰী বৰুৱা, ইন্দ্ৰাণী খাউণ্ড, পলি বৰুৱা, ৰিছা ফুকন, তাজমিন চুলতানা, মনালিচা বৰুৱা, কুন্তলা শৰ্মা, হিমালী গগৈ, শিখামণি গগৈ, পল্লৱী গগৈ, জয়শ্ৰী ফুকন, কল্যাণী দত্ত, হিমাদ্ৰী দুৱৰা, পলি বৰুৱা, ময়ুৰী তামুলী, ৰশ্মিৰেখা বৰা, গৰিমা বৰুৱা, মুম্পী বৰুৱা, প্ৰিয়মজ্যোতি শইকীয়া, হাবিবা আখতাৰ বেগম, গায়ত্ৰী বৰা, নীহাৰিকা দত্ত, কণিতা পায়েং, দিব্যজ্যোতি মেধি, চুমি লাকড়া, হেপী দলে, আশাজ্যোতি দত্ত, প্ৰিয়ংকা শইকীয়া, অলকানন্দা বড়ি, লাকী বৰুৱা,
Namashya S. Khandayatray, Kajal Hazarika, Priyan Pankhi Saikia, Pratiksha Bhuyan, Sumi Lakra, Jarha Ahmed,
निर्माली बरा, चुमी वेगम, सीमा देवी, जुन देउरी, कुकि बरा, संगीता प्रसाद, माया दे, जमुना बरुआ

উপন্যাসিকা

ইপাৰ সিপাৰ • **পাপৰি গগৈ** ।। ১২৪

গল্প

ভাগৰ পৰিহাস, মুক্তিৰ আনন্দ, তই যে ছোৱালী সেইবাবেই • **পলি বৰুৱা** ।। ১৩৪ - ১৩৮
কঁহুৱাৰ বুকুলৈ কিমান দূৰ, এটা কেঁচা চেকাৰ আঁত ধৰি • **কুন্তলা শৰ্মা** ।। ১৩৯ - ১৪১
ওভতনি যাত্ৰা • **ৰিকুশ্ৰী চেতিয়া** ।। ১৪২
চাফিয়া • **কল্যাণী দত্ত** ।। ১৪৪
মুক্তি • **জয়শ্ৰী ফুকন** ।। ১৪৫
ডেউকা ভগা পক্ষীৰ সংগ বিচাৰি • **ময়ুৰী তামুলী** ।। ১৪৬
জীৱনৰ এক নতুন দিশ • **মনালিছা বৰুৱা** ।। ১৪৭
পখিলাৰ দৰে ঘূৰি ফুৰা পৰীৰ কাহিনী • **পল্লৱী বৰুৱা** ।। ১৫০
মুক্ত পক্ষী আৰু মুক্ত মন • **পম্পী ভাগৱতী** ।। ১৫১
সিদ্ধান্ত • **স্বপ্না চেতিয়া** ।। ১৫২
জীৱনৰ অশ্ৰুধাৰা • **মুক্তমল্লিকা গগৈ** ।। ১৫৩
নাৰী • **ৰিংকুমণি গগৈ** ।। ১৫৪
সন্ধ্যাৰাগ • **বিকি গগৈ** ।। ১৫৫
গল্পৰ প্লট বিচাৰি • **ৰশ্মিৰেখা বৰা** ।। ১৫৬
মুক্তি • **হিমাদ্ৰী সোণোৱাল** ।। ১৫৭
Munni • **Namashya S. Khandayatray** ।। ১৫৮
The Red Dress • **Priyam Pankhi Saikia** ।। ১৫৯
Freedom • **Kajal Hazarika** ।। ১৬০
बुरा सपना • **एमी मेहजफी हुसैन** ।। ১৬১
ब्रह्मपुत्र में कुछ यादगार पल • **एमी मेहजफी हुसैन** ।। ১৬২

লিমাৰিক • **১৬৩**

ৰাজা দত্ত, অজিমন চুলতানা, পলি বৰুৱা, কুন্তলা শৰ্মা,
Namashya S. Khandayatray

সম্পাদকীয় প্ৰতিবেদন • **১৬৫**

## সম্পাদকীয়

# উচ্ছৃংখলতা আৰু ইন্ধন

উচ্ছৃংখল। কেইবাটাও আখৰৰ সমষ্টিৰ এটা বহু চৰ্চিত আৰু বিতৰ্কিত শব্দ। পুৱাৰ বাতৰি কাকতখন মেলিলে, টি.ভি.টো খুলিলে উচ্ছৃংখলতাৰ ছবি এখনকে দেখিবলৈ পোৱা যায়। উচ্ছৃংখলতা সমাজৰ সভ্যতাৰ পৰিৱৰ্তন নে পৰিবৰ্ধন? বৰ্তমান গা কৰি উঠা ভয়াবহ মহামাৰী ব্যাধিটো হ'ল যুৱ উচ্ছৃংখলতা। এই উচ্ছৃংখলতাৰ আকাশীলতা জোপাই ক'ত ছানি নধৰাকৈ আছে? নৈৰ পাৰৰ উৎসৱমুখৰ ভাত মুঠিৰ পৰা বিয়া-সবাহ, বিহুতলীকে আদি কৰি বিভিন্ন উৎসৱ-মহোৎসৱৰ পৰা ঘুমটি দোকানলৈকে। বিনিময়ত অধিক ক্ষতিপূৰণ দিবলগা হৈছে মাক-দেউতাকসকলে। উচ্ছৃংখলতাৰ জোৱাৰত মধ্যবিত্ত, নিম্ন মধ্যবিত্ত পৰিয়ালৰ সন্তানসমূহে মাক-দেউতাকক অসহায় দৰ্শক কৰি তুলিছে। এই উচ্ছৃংখলতাৰ জোৱাৰত বহুজন পংগু হৈছে, বহুজনৰ প্ৰাণ গৈছে, বিনিয়মত মাক-দেউতাকে বুকুত একুৰা জুই লৈ দীঘল হুমুনিয়াহ কাঢ়িছে।

বৰ্তমানৰ উচ্ছৃংখলতাৰ বাবে কেৱল জানো এচাম উচ্ছৃংখল যুৱকেই দায়ী? এই উচ্ছৃংখলতাৰ অন্তৰালত এচাম যুৱতীয়েও হয়তো আওপকীয়াকৈ ইন্ধন যোগাই আহিছে। আধুনিকতাৰ পৰিচয় বহন কৰিবলৈ গৈ এচাম যুৱতীয়ে অৰ্ধনগ্ন সাজ-পোছাকেৰে নিজকে ৰূপৱতী সাজবলৈ যাওঁতে উচ্ছৃংখল যুৱচামক উচ্ছৃংখলতালৈ আৰু এখোজ আগুৱাই নিয়াত সহায় কৰা নাইনে? ইয়াৰ বাবে আমাৰ এচাম যুৱতীও কিন্তু জগৰহীন নহয়। সুৰাৰ বিপনীত যুৱকৰ সৈতে একেলগে সুৰা পান কৰা, ৰাগীত মাতাল হৈ আনক অমাৰ্জিত ব্যৱহাৰ কৰা, মাজ নিশা বিলাসী গাড়ীৰ পৰা পুলিছে উদ্ধাৰ কৰি অভিভাৱকক গতাই দিয়াৰ পৰিপ্ৰেক্ষিতত ক'ব পাৰি যে, যুৱতী হত্যা, ধৰ্ষণ আদিৰ ক্ষেত্ৰত আমাৰ যুৱতী একাংশৰো কিছু পৰিমাণে ইন্ধন আছে।

বৰ্তমান উচ্ছৃংখলতাৰ বাবে যে এচাম যুৱতীয়েই ইন্ধন যোগাই আহিছে তেনে নহয়। এইক্ষেত্ৰত সমাজৰ লোকসকল, অভিভাৱকসকল সকলো সমানেই দায়ী। এচাম উচ্ছৃংখল যুৱক বা এচাম উচ্ছৃংখল যুৱকেই যে উচ্ছৃংখলতাৰ বাবে দায়ী সেয়া নিশ্চিত নহয়। এই যুৱক-যুৱতীচামক উচ্ছৃংখলতাৰ দিশলৈ গতি কৰাইছে মাক-দেউতাক, সমাজৰ লোকসকলে। তেওঁলোকৰ দৃষ্টিভংগীয়ে এই উচ্ছৃংখলতাত ইন্ধন যোগাইছে। জন্ম হোৱাৰে পৰা মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত পঢ়ালৈকে অভিভাৱকসকলে সকলো বস্তুৰে যোগান ধৰি গৈছে। মাক-দেউতাকৰ সপোনেই হৈ পৰিছে সন্তানৰ সপোন। তেওঁলোকে যি যন্ত্ৰৰ দৰে সন্তানক পৰিচালিত কৰাইছে সেই সন্তানৰ মনৰ ভাববোৰ বুজিব নিবিচাৰে সেইবাবে মুকলি আকাশখন দেখিলেই সেই সন্তানবোৰ হৈ পৰে 'এৰাল চিঙা গৰু'। আনৰ লগত স্থান নিৰ্ণয় কৰিবলৈ গৈ বলিৰ ছাগলী সজাইছে নিজ সন্তানক। এপোৱা চাউল ধৰা প্ৰেছাৰ কুকাৰটোত এক কেজি চাউল বঢ়াই হুইছেল নমৰালৈকে ৰৈ থাকে, লাগিলে চাউল নিসিজকে, চাউলৰ পৰা ভাতলৈ পৰিৱৰ্তন নহওকে তেনেদৰেই চলাই যাব। এনেকুৱা এচাম অভিভাৱকৰ বাবে সন্তান বিপথে পৰিচালিত হয়। সন্তানৰ নিজস্ব লক্ষ্য থাকে, নিজস্ব এটা মন আছে। কেতিয়াবা সেইবোৰো বুজিবলৈ চেষ্টা কৰাতো মাক-দেউতাক বা অভিভাৱকৰ দায়িত্ব। ভাল দিশলৈ নিওঁতে কেতিয়াবা সন্তান বিপথে পৰিচালিত হয়। হয়তো ভুল সকলোৰে থাকে কম-বেছি পৰিমাণে। যাৰ বাবে যুঁজত হাৰ মানি তেওঁলোকে উচ্ছৃংখলতাৰ দিশলৈ গতি কৰে।

শেষত ক'ব পাৰি যে আমাৰ সমাজ ব্যৱস্থা ইমানেই অনুসৰণশীল আৰু অনুকৰণশীল হৈ পৰিছে যে নিজৰ অস্তিত্ব, ব্যক্তিত্ব সম্পৰ্কে পাহৰি পেলোৱাৰ উপক্ৰম হৈছে। এই প্ৰক্ৰিয়া খুউব কমসংখ্যক লোকেহে ভালদৰে গ্ৰহণ কৰিছে। আমাৰ যুৱ প্ৰজন্মই এই অনুসৰণ মাত্ৰ নিজৰ বিলাসিতাৰ বাবে নিজৰ বিবেক-বুদ্ধি বিক্ৰী কৰি কেৱল সস্তীয়া কামসমূহত লিপ্ত হোৱা দেখা গৈছে।

কোৱা হয় উঠি অহা প্ৰজন্ম এখন দেশৰ ধৰণীস্বৰূপ। কিন্তু বৰ্তমান এনেকুৱা এটা অৱস্থাত আমাৰ সমাজ ব্যৱস্থা পাইছেহি যদি উঠি অহা প্ৰজন্মৰ ওপৰত নিৰ্ভৰ কৰি থকা হয় বা আমাৰ বৰ্তমান যুৱক-যুৱতীসকলৰ ওপৰত অধিক পৰিমাণে কোনো বিহীত ব্যৱস্থা নোলোৱাকৈ হাত সাৱটি বহি থকা হয় তেন্তে অপকৰ্মসমূহেহে এদিন দেশ ভৰি পৰিব।

**পূজা ভূঞা**
**জয়শ্ৰী পাৰে**

# গদ্যশিল্প



বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ উত্থানৰ ফলত আমি বৰ্তমান অৱস্থাত এনেকুৱা এখন পৃথিৱী কল্পনা কৰিব পাৰো, য'ত একোখন ঘৰৰ, এটা অফিচৰ, গাড়ীখনৰ সকলোবোৰ বস্তু ইণ্টাৰেনটৰ মাধ্যমেৰে চালিত হ'ব।

# ইণ্টাৰনেট অফ থিংছ (IOT)

**বিনীতা হাজৰিকা**
সহযোগী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ উত্থানৰ ফলত আমি বৰ্তমান অৱস্থাত এনেকুৱা এখন পৃথিৱী কল্পনা কৰিব পাৰো, য'ত একোখন ঘৰৰ, এটা অফিচৰ, গাড়ীখনৰ সকলোবোৰ বস্তু ইণ্টাৰেনটৰ মাধ্যমেৰে চালিত হ'ব। এনে অৱস্থাত এনেকুৱা হ'ব যে ব্যক্তি এজনে গেৰেজত গাড়ীখন ৰখোৱাৰ লগে লগে তেওঁৰ ঘৰৰ সকলোবোৰ প্ৰয়োজনীয় বস্তু আপোনা-আপুনি সাজু হৈ উঠিব বা ঘৰৰ দুৱাৰখন নিৰ্বাচিত ব্যক্তিৰ বাবে নিজে নিজে খোল খাই যাব কিন্তু অন্য কোনো অচিনাকি ব্যক্তি দুৱাৰমুখত উপস্থিত হ'লেও দুৱাৰখন কেতিয়াও খোল নাখাব অথবা ফ্ৰিজত প্ৰয়োজনীয় সামগ্ৰী নাইকিয়া হ'লে নিৰ্দিষ্ট দোকানত আপোনা-আপুনি প্ৰয়োজনীয় সামগ্ৰীৰ তালিকা পাবগৈ আৰু একাউণ্টৰ পৰা বিলও পৰিশোধ হ'ব ইত্যাদি। "ইণ্টাৰনেট অফ থিংছ" (যাক চমুকৈ IOT বুলি কোৱা হয়)ৰ পৃথিৱীখন আচলতে এনেকুৱাই হ'ব।

ইণ্টাৰনেট অফ থিংছ মানে হৈছে ভৌতিক বস্তুৰ এক নেটৱৰ্ক, য'ত বস্তুবোৰত ইলেক্ট্ৰনিক আহিলা, ছফ্‌টৱেৰ, সংবেদক (Sensor) ইত্যাদিবোৰ লগোৱা থাকিব আৰু এনে বস্তু ইণ্টাৰনেট বা ইণ্টাৰনেট সেৱাৰ লগত সংযুক্ত হৈ থাকিব। ফলস্বৰূপে বস্তুবোৰে ডাটা (যাক বাৰ্তা বুলিব পাৰি) সংগ্ৰহ কৰি নেটৱৰ্ক সেৱাৰ দ্বাৰা এইবোৰ বিনিময় কৰিব পাৰিব। এইক্ষেত্ৰত প্ৰত্যেকটো বস্তুৰে একোটা IP Address (Internet Protocol Address) থাকিব। ই হৈছে নেটৱৰ্ক সেৱাত প্ৰত্যেকটো বস্তুৰে নিজস্ব পৰিচয়। বিভিন্ন ধৰণৰ আহিলা, যেনে - Heat monitoring implants (তাপ পৰ্যবেক্ষণ কৰিব পৰা সঁজুলি), Biocheap transponders or farm animals (পোহনীয়া জন্তুৰ গাত থকা জৈৱ-ইলেক্ট্ৰনিক টুকুৰা), Automobiles with built in sensors (সংবেদক থকা মটৰ গাড়ী), DNA analysis devices or other wearables (ডি এন এ বিশ্লেষক বা অন্য তেনেধৰণৰ কোনো গাত পিন্ধা সামগ্ৰী) ইত্যাদিৰ

পৰা প্ৰয়োজনীয় ‘ডাটা’ অৰ্থাৎ বাৰ্তা উপলব্ধ প্ৰযুক্তিৰে সংগ্ৰহ হোৱাৰ পাছত আপোনা-আপুনি ইণ্টাৰনেটৰ দ্বাৰা সংযোগ হৈ থকা অন্য আহিলা, যেনে - ম'বাইল ফোন আদিত এছ এম এছ বা ই-মেইল হিচাপে উপলব্ধ হ'ব। ফলত অতি সহজে হাতত থকা ফোনটোৰেই বিভিন্ন ঠাইত থকা বিভিন্ন বস্তু নিয়ন্ত্ৰণ কৰিব পৰা যাব। “ইণ্টাৰনেট অফ থিংছ” সম্পূৰ্ণ কাৰ্যক্ষম হ'বলৈ হ'লে যিকোনো কোম্পানীয়ে উৎপাদন কৰা যিকোনো আহিলা অন্য যিকোনো কোম্পানীৰ আহিলাৰ সৈতে অনায়াসে সংযুক্ত হ'ব পাৰিব লাগিব। আচলতে সকলোৰে অলক্ষিতে IOT এখোজ-দুখোজকৈ আমাৰ মাজলৈ আহি আছে। ১৯৭০ চনমানতে ওলোৱা এ টি এম সেৱাই হৈছে প্ৰথম খোজ IOT ৰ। ভৱামতে, ২০২০ চনমানত ইণ্টাৰনেটৰ সৈতে সংযুক্ত গাড়ীৰ সংখ্যা দুই লাখ পঞ্চাশ হেজাৰতকৈও বাঢ়িব আৰু প্ৰত্যেকজন ব্যক্তিৰ হাতত প্ৰায় সাতটামানকৈ ইণ্টাৰনেটত সংযুক্ত আহিলা থাকিব। তদুপৰি হিচাপ কৰি উলিয়াইছে যে এটা Connected Kitchen এ খাদ্য আৰু পনীয়া সামগ্ৰীৰ প্ৰায় পোন্ধৰ শতাংশ ৰাহি কৰিব পাৰিব।

Kevin Ashton ক IOT ৰ জন্মদাতা বোলা হয়। তেওঁ বিশ্বাস কৰে যে, IOT এ পৃথিৱীখন ‘ডাটা’ (data) লৈ সলনি কৰি পেলাব। তেওঁৰ মতে, "Information is a great way to reduce waste and increase efficiency and that's really IOT provides" (অৰ্থাৎ ক্ষয় কমোৱা আৰু দক্ষতা বঢ়োৱাৰ উত্তম উপায় হ'ল তথ্য (information) আৰু IOT এ তাকেই কৰিব)।

IOT ত সংযুক্ত আহিলাসমূহক 'smart device' (স্মাৰ্ট আহিলা) বোলা হয়। ইয়াত আহিলাসমূহে নিজৰ মাজতে ‘কথা’ পাতিব পাৰে আৰু এই প্ৰক্ৰিয়াক কোৱা হয় "Machine-to-machine (M2M)" সংযোগ আৰু এটা আহিলাই অন্য এটাৰ পৰা পোৱা বাৰ্তা বা ডাটাৰে কাম কৰে বা কৰিব পাৰিব। বৰ্তমান অৱস্থাত কোনো আহিলা বা মেচিনে মূলতঃ মানুহে দিয়া নিৰ্দেশ অনুসৰিহে কাৰ্যক্ষম হয়। মেচিনে নিজৰ মাজতে নিজে নিজে সম্পূৰ্ণ স্বাধীনভাৱে কাম কৰিব পৰা বৰ্তমান হোৱা নাই। IOT ব্যৱস্থাত সকলো সময়তে সকলোবোৰ অনলাইল হৈ থাকিব লাগিব। IOT ৰ স্তৰ চাৰিটা — সংগ্ৰহ কৰা (collection), যোগাযোগ (communication), বিশ্লেষণ কৰা (analysis) আৰু কাৰ্য কৰা (action)।

বিভিন্ন প্ৰযুক্তিৰে স্মাৰ্ট আহিলাবিলাকৰ পৰা ডাটা বা বাৰ্তা সংগ্ৰহ কৰা হয়। সংগৃহীত ডাটাৰ ভঁৰাল হিচাপে 'cloud' বা অন্য ডাটা চেণ্টাৰ বা অন্য ঘৰুৱা নেটৱৰ্ক ইত্যাদিত ডাটা জমা ৰখা হয়। তাৰ পাছত এই ডাটাৰ পৰা দৃশ্য, শ্ৰব্য বা ৰিপৰ্ট ইত্যাদি 'information' অৰ্থাৎ তথ্য সৃষ্টি কৰা হয়। এনে information অন্য মেচিনৰ সৈতে SMS/ E-mail/Text ৰে সংযোগ কৰা হয় তথা তথ্যৰ আদান-প্ৰদান কৰা হয়। শেষত এই তথ্যৰ আধাৰত মেচিনে প্ৰয়োজনীয় কাম সমাধা কৰে। আচলতে IOT ক এক বৃহৎ নেটৱৰ্ক হিচাপে গণ্য কৰিব পাৰি। এই নেটৱৰ্কত বিভিন্ন ধৰণৰ সামগ্ৰীৰ লগতে কম্পিউটাৰ থাকিব আৰু এইবোৰ অন্য কিছুমান প্ৰযুক্তি, যেনে - RFID (Radio Frequencey Indentification), Wireless Connection ইত্যাদিৰে সংযোগ থাকিব আৰু শেষত সকলোবোৰ ইণ্টাৰনেটৰ বস্তু এটা 'Real time item' (যিটো ঘটনা বাৰ্তাটো পোৱাৰ একে সময়তে ঘটে তেনেবোৰক Real time item বোলে) হিচাপে চিনাক্ত হ'ব অৰ্থাৎ কোনো বস্তু বা ঘটনা অন্য মেচিনত ধৰা পৰিলে সেইটো সমসাময়িকভাৱে ঘটা ঘটনা হ'ব লাগিব। তদুপৰি বিভিন্ন পৰিবেশৰ যেনে - শীত, তাপ, চাপ, জলীয় বাষ্প ইত্যাদিৰ ডাটা সংগ্ৰহৰ বাবে সংবেদক (senson)ৰ দৰকাৰ হ'ব।

**5G আৰু IOT ঃ** বৰ্তমান আমি সকলোৰে শুনি থকা দুটা শব্দ হৈছে 4G Data। কিন্তু অনাগত পাঁচ-দহ বছৰত 4G য়ে আমাৰ প্ৰয়োজনীয়তা পূৰাব নোৱাৰিব। সেয়েহে 5G ডাটা অপৰিহাৰ্য হৈ পৰিব। 5G অৰ্থাৎ 5th Generation, অৰ্থাৎ 4G ডাটাতকৈ এক অন্য স্তৰৰ উন্নতমানৰ ডাটা। 5G ব্যৱস্থাত ডাটাৰ হাৰ বাঢ়িব, ফলত যোগাযোগ খৰতকীয়া হ'ব, এটা প্ৰান্তৰ পৰা অন্যটো প্ৰান্তৰ মাজৰ সময়ৰ তাৰতম্য কমিব, পৰিসৰ বহল হ'ব ইত্যাদি। আচল অৰ্থত 5G য়েই IOT ব্যৱস্থাৰ প্ৰকৃত আধাৰ। 1G ৰ পৰা 4G ব্যৱস্থাবোৰত 'Orthogonal multiple access' নামৰ ব্যৱস্থাৰে যোগাযোগ কৰা হয়। এনে ব্যৱস্থাত এক ছেকেণ্ডক বহু অংশত ভাগ কৰা হয় আৰু প্ৰতি অংশকে একোটা time slot দিয়া হয়, য'ত অন্য এজনৰ প্ৰবেশ নিষিদ্ধ। ফলত ব্যৱহাৰকাৰী তথা অন্যান্য ডাটাৰ বৃদ্ধি ঘটিলে 4G ব্যৱস্থাৰে time slot ৰ নাটনি হ'ব, অৰ্থাৎ বহু বেছি ডাটাযুক্ত IOT ৰ বাবে 4G সম্পূৰ্ণৰূপে ব্যৱহাৰৰ অনুপযোগী হ'ব। উদাহৰণস্বৰূপে IOT ব্যৱস্থাত মানুহে পিন্ধা বস্তু, যেনে - তাপ নিৰ্দেশক যন্ত্ৰ (heat monitor), জৈৱিক সংবেদক (bio-sensor) ইত্যাদি ডাটাবোৰ চিকিৎসালয়লৈ উপযুক্ত সময়তেই পঠিয়াব লাগিব, কিন্তু ইয়াৰ বাবে লগা বৃহৎ ডাটাৰ হেতু 4G অক্ষম হ'ব। গতিকে 'non-orthogonal access' নামৰ অন্য এক পদ্ধতিৰে IOT সামগ্ৰী বা ব্যৱহাৰকাৰীক একেটা সময়ৰ অংশকে (বা একেটা frequencey channel কে) এজনতকৈ অধিক ব্যৱহাৰ কৰিবলৈ দিব পৰা হ'ব, বিশেষ কিছুমান ব্যৱস্থা কৰাৰ পিছত। গতিকে 5G য়ে IOT পদ্ধতিত গোট খোৱা বহু বেছি ডাটাক সহজে যোগাযোগ ব্যৱস্থাত সক্ষম কৰিব পাৰিব। 3G (18-2.54 GHz) বা 4G (2-8 GHz) পদ্ধতিত ব্যৱহাৰ কৰা তৰংগ দৈৰ্ঘ্যতকৈ কম মানৰ তৰংগ দৈৰ্ঘ্যৰ পৰিসৰ (60 - 40 Ghz) ব্যৱহাৰ কৰি 5G পাব পাৰি। কিন্তু ইয়াতো কিছু আসোঁৱাহ আছে।

বৰ্তমান যুগত নেন'টেক্‌নলজি বা অন্যান্য বিভিন্ন ব্যৱস্থাৰে বস্তুৰ আকাৰ কমোৱাৰ বাবে IOT ব্যৱস্থা সক্ষম হোৱাৰ পথত আগবাঢ়িছে। কৃত্ৰিম বুদ্ধিমত্তা বহু দূৰ আগবাঢ়িল। বহু কাম আপোনা-আপুনি কৃত্ৰিম বুদ্ধিমত্তাৰ হেতু হৈ উঠে, যাক আমি বস্তুৰ ভাবিব পৰা ক্ষমতা বুলি ক'ব পাৰো। এইবোৰকে আংক্ষিক IOT ব্যৱস্থা বুলিব

পাৰি। IOT ৰ ব্যৱহাৰ বিভিন্নধৰণে হ'ব পাৰে —

(১) ঘৰ বা অট্টালিকা এটা স্বয়ংচালিত কৰিব পৰা যাব। তেনে অৱস্থাত কামৰ বাবে মানুহৰ প্ৰয়োজন তেনেই নগণ্য হৈ পৰিব।

(২) স্বাস্থ্য আৰু চিকিৎসা সেৱাত ইয়াৰ প্ৰয়োগ সুদূৰপ্ৰসাৰী। এনে ব্যৱস্থাৰ দ্বাৰা শয্যাশায়ী ৰোগী এজনক প্ৰতিপাল কৰাটো সহজ হৈ উঠিব। মেচিনে সকলো ঔষধ-পাতি আৰু অন্য কামবোৰ কৰিব। হঠাৎ তেনে ৰোগীৰ জৰুৰী অৱস্থা সৃষ্টি হ'লে মেচিনেই নিৰ্দিষ্টভাৱে সংযুক্ত হৈ থকা চিকিৎসালয়লৈ জাননী প্ৰেৰণ কৰিব, ফলত ৰোগীক অতি তৎপৰতাৰে চিকিৎসকে চিকিৎসা দিব পাৰিব। যিহেতু ৰোগীজনৰ সকলো স্বাস্থ্য সম্বন্ধীয় তথ্য ক্ষন্তেকতে ৰেকৰ্ড হৈ থকা তথ্যৰ পৰা পাব পৰা হ'ব ফলত চিকিৎসাৰ প্ৰাক্ পৰীক্ষণৰ প্ৰয়োজনীয়তা নাইকিয়া হ'ব।

(৩) সংবাদ জগতৰ সংবাদ পৰিবেশনৰ ধৰণ IOT য়ে সম্পূৰ্ণ সলাই পেলাব।

(৪) যিকোনো ঘটনাৰ সম্পূৰ্ণ ৰেকৰ্ডিং থাকিব, ফলত বহু কথাৰ প্ৰমাণ অতি সহজেই পোৱা যাব।

(৫) শক্তি খণ্ডত ইয়াৰ প্ৰয়োগে শক্তিৰ অপচয় সম্পূৰ্ণ নাইকিয়া কৰিব। ফলস্বৰূপে পৰোক্ষভাৱে শক্তিৰ পৰিমাণ বাঢ়িব।

(৬) পৰিবহণৰ ক্ষেত্ৰখনত IOT য়ে আমোল পৰিৱৰ্তন সাধিব। ইতিমধ্যেই IOT ৰ আংশিক প্ৰয়োগ হিচাপে কোনো কোনো দেশত চালকবিহীন বাহন, স্মাৰ্ট চিটিৰ ব্যৱস্থা হৈছে। IOT ব্যৱস্থাত জড়িত স্মাৰ্ট চিটিৰ কোনো স্থানত ধৰা হওক দুৰ্ঘটনাৰ বাবে যোগাযোগ ব্যৱস্থা স্তব্ধ হৈ পৰিছে। এই বাৰ্তা, পথত থকা IOT ব্যৱস্থা থকা স্মাৰ্ট আহিলাৰ দ্বাৰা সকলোবোৰ স্থান, যেনে - স্কুল-কলেজ, অফিচ ইত্যাদিলৈ আপোনা-আপুনি প্ৰেৰিত হ'ব আৰু সকলোৱে নিজৰ প্ৰয়োজনীয় ব্যৱস্থা অনায়াসে ল'ব পাৰিব।

(৭) দোকান-বজাৰত IOT ৰ প্ৰয়োগে অভাৱনীয় সুবিধা আগবঢ়াব। কিয়নো সাজ-পোছাকত লাগি থকা 'টেগ'ৰ পৰা ব্যক্তি একোজনক চিনাক্ত কৰিব পাৰিব। ব্যক্তিজন দোকান এখনলৈ গ'লে এই চিনাকিৰ পৰাই দুৱাৰ আপোনা-আপুনি খোল খাব। বস্তুৰ ওচৰলৈ গ্ৰাহকজন গ'লে বস্তুৱে নিজৰ পৰিচয় দিব, উপলব্ধ অভিনৱ প্ৰযুক্তিবিদ্যাৰ সহায়ত। কোনো বস্তু গ্ৰাহকে ল'লে ব্যৱস্থাটোৰ লগত সংযুক্ত 'ৰিডাৰে' নিৰ্দিষ্ট ঠাইখিনি পূৰণ কৰিবলৈ বস্তুৰ ভঁৰাললৈ সংকেত পঠিয়াব আৰু ঠাইডোখৰ পূৰ হৈ পৰিব। অৰ্থাৎ বস্তুৰ অভাৱ গ্ৰাহকে নাপায়। গ্ৰাহকে Credit Card বা অন্য কাৰ্ডেৰে বিল পৰিশোধ কৰিলেহে প্ৰস্থানৰ অনুমতি বা ইত্যাদি বহুবোৰ পৰিৱৰ্তন আহিব।

এনেধৰণৰ অসংখ্য কাম IOT ব্যৱস্থাই সহজসাধ্য আৰু স্বয়ংচালিত কৰি তুলিব। আকৌ ব্যক্তি একোজনৰ মনৰ ভাৱৰ দ্বাৰাই কম্পিউটাৰ বা অন্য ধৰণৰ তেনে মেচিন চলাব পাৰিব বা পুতলা গাড়ী এখন চালিত হ'ব মনৰ ভাৱৰ দ্বাৰাই। ইয়াত মনৰ ভাৱে মগজুত সৃষ্টি কৰা তৰংগ (Mind wave)ৰ দ্বাৰাই যন্ত্ৰ পৰিচালিত হ'ব। যিদৰে টি ভিটো বা এ চিটো ৰিম'ট কণ্ট্ৰলাৰৰ অৱলোহিত তৰংগ (Infra red wave)ৰ দ্বাৰা চলাব পাৰি, ঠিক একেদৰেই Mind wave ত কাম কৰিব পাৰি।

পৃথিৱীখন অৱধাৰিতভাৱে এনেবোৰ যান্ত্ৰিকতালৈ দ্ৰুতগতিত আগুৱাই গৈ আছে। দহ বছৰৰ আগৰ যোগাযোগ ব্যৱস্থা আৰু আজিৰ যোগাযোগ ব্যৱস্থা তুলনা কৰিলেই এই গতি সহজেই অনুমেয় হ'ব। যদিও এইবোৰৰ পৰা আমি আঁতৰি থাকিব নোৱাৰো বা অন্য অৰ্থত গ্ৰহণ কৰিবই লাগিব তথাপিও কিন্তু এই IOT ব্যৱস্থাৰ কিছুমান সমস্যা আছে, যেনে —

• এইব্যৱস্থাৰ 'তথ্য' (information) বোৰ গুপুতে ৰখাটো এক বৃহৎ প্ৰত্যাহ্বানস্বৰূপ। অৰ্থাৎ ব্যক্তিগত তথ্য আনৰ পৰা সুৰক্ষিত ৰখাটো।

• সকলোবোৰ বস্তু উপযুক্ত প্ৰযুক্তিৰে সাজি উলিওৱা আৰু এইবোৰ কাৰ্যক্ষম কৰি তোলা।

• আটাইতকৈ গধুৰ সমস্যাটো হ'ল 'ছফ্টৱেৰ'ৰ জটিলতা। যিহেতু মেচিন একোটাৰ কাৰ্যদক্ষতা এই ছফ্টৱেৰৰ ওপৰতে সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে আৰু IOT ব্যৱস্থাত ছফ্টৱেৰ বহু উন্নতমানৰ হ'ব লাগিব।

• বৃহৎ পৰিমাণৰ সংগৃহীত বাৰ্তা বা তথ্য ৰখা আৰু সেইবোৰ ব্যাখ্যা (interpret) কৰা।

• শক্তিৰ প্ৰয়োজন এই ব্যৱস্থাত বহু পৰিমাণে বেছি হৈ পৰিব। ই এক এৰাব নোৱাৰা প্ৰত্যাহ্বান।

• ৱায়াৰলেচ যোগাযোগ ব্যৱস্থা বা Internet ৰ দক্ষতা আন এক জটিল সমস্যা।

• 'Fault tolarance' অৰ্থাৎ কিমান শতাংশ ভুলেৰে তথ্যবোৰ গ্ৰহণযোগ্য হ'ব। যিহেতু যোগাযোগ ব্যৱস্থাত 'Noise', অৰ্থাৎ অবাঞ্চিত তথ্য সৃষ্টি হ'বই আৰু প্ৰকৃত তথ্যক বিকৃত কৰিব।

IOT ৰ উত্থান সময়ৰ সৈতে হ'বই, গতিকে আমি সকলো এই 'future shock' ৰ বাবে আগতীয়াকৈ সাজু হোৱাটো উচিত হ'ব। ইণ্টাৰনেটত যিমানে বস্তুৰ সংযোগ ঘটিব সিমানে মানৱ সমাজৰ জীৱন ধাৰণ প্ৰণালী সহজ হৈ উঠিব। কিন্তু ভালৰ লগত থকা বেয়াখিনিৰ প্ৰতিও সজাগ হ'ব লাগিব। এইক্ষেত্ৰত 'Cyber Criminal' ৰ পৰা সাৱধান হ'ব লাগিব। অন্যথা সুৰক্ষা ক্ষেত্ৰত ভাবুকি আহি পৰিব। গ্ৰাহকৰ অজ্ঞতাৰ বাবে দুষ্কৃতিকাৰীয়ে বিভিন্ন পন্থাৰে আক্ৰমণ চলাব পাৰে, সেয়া 'online' আক্ৰমণো হ'বও পাৰে বা গ্ৰাহকৰ শাৰীৰিক আক্ৰমণো হ'ব পাৰে।

পৃথিৱীখন দ্ৰুতগতিত এইবোৰ ক্ষেত্ৰত সলনি হৈছে। গতিকে আমি ইয়াৰ লগতে সলনি হ'বই লাগিব। সকলো পৰিৱৰ্তন গ্ৰহণ কৰিবই লাগিব। কিন্তু কিবা বস্তু গ্ৰহণ বা ব্যৱহাৰ কৰাৰ আগতে প্ৰয়োজনীয় জ্ঞান আহৰণ কৰা দৰকাৰ, যাতে সম্ভাব্য বিপদৰ পৰা হাত সাৰিব পাৰি আৰু নতুন নতুন প্ৰযুক্তিৰ প্ৰয়োগবোৰ যাতে আমাৰ বাবে দুৰ্বোধ্য হৈ নপৰে। অৰ্থাৎ আমি যাতে IOT ৰ জগতখনত অচল হৈ নপৰো তাৰবাবে আগতীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰা উচিত হ'ব।

(সহায় লৈ)



# চিন্তা শক্তিৰ কৃতিত্ব

**ৰৌজলিন আলি**
স্নাতক দ্বিতীয় ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

আজি অলপ দিনৰ পৰাই কিছুমান 'চিন্তাই' মোৰ মনটো খেলি-মেলি কৰি তুলিছে। এই চিন্তা হৈছে (মই যেতিয়াৰ পৰাই অলপ বুজি পোৱা হৈছোঁ বুলি ভাবিছোঁ) বৰ্তমানলৈ লগ পাই অহা বহুসংখ্যক ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীৰ নিজৰ লগতে পৰিয়ালৰ তথা দেশৰ প্ৰতি থকা কৰ্তব্য আৰু ধ্যান-ধাৰণা ইত্যাদি। এই অদ্ভুত আচৰণৰ কাৰণ কি হ'ব পাৰে? পিতৃ-মাতৃৰ উপযুক্ত তত্ত্বাৱধান, আৰ্থিক দীনতা, এচাম পিতৃ-মাতৃৰ অতিপাত মৰম-স্নেহ নে ত্ৰুটিপূৰ্ণ আমাৰ এই শিক্ষা ব্যৱস্থাৰ লগতে উপযুক্ত শিক্ষকৰ অভাৱ!

আজিৰ যুৱচামেই কাইলৈ সমাজ তথা দেশখনৰ মূল চালিকা শক্তি। এই চালিকা শক্তিটোৰ চিন্তাধাৰা যদি গঠনমূলক নহয় তেন্তে বৰ্তমান নৱ প্ৰজন্মৰ কি হ'ব? বিশ্ব দৰবাৰত আমাৰ অস্তিত্বই বা কি হ'ব? এই খেলি-মেলি চিন্তাবোৰৰ উত্তৰ বিচাৰি ইতিহাসৰ পাত লুটিয়ালে দেখা পোৱা যায় যে বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক 'বুদ্ধদেৱে' মানৱ জাতিৰ উদ্দেশ্যে উল্লেখ কৰিছিল যে আমি যেনে চিন্তা কৰোঁ তেনে হওঁ। আজি আমি যেনে হৈছোঁ সেয়া আমাৰ চিন্তাৰ প্ৰতিফলিত ৰূপ। আমাৰ চিন্তাৰে আমাৰ জগতখন তৈয়াৰ কৰি লৈছোঁ। তেখেতৰ এই বাক্যশাৰীৰ অৰ্থ হৈছে চিন্তা কৰাৰ প্ৰক্ৰিয়া শুদ্ধ নহ'লে কৰ্ম শুদ্ধ নহয় আৰু ফলাফলো ধনাত্মক নহয়। বৰ্তমান আমাৰ এক শ্ৰেণীৰ যুৱক-যুৱতীৰ চিন্তাধাৰাৰ লগতে কৰ্ম-কাণ্ড মহাপ্ৰতাপী, জ্ঞানী যোগী লংকাৰ ৰজা ৰাৱণৰ দৰে হোৱা পৰিলক্ষিত হৈছে। ক্ষুদ্ৰস্বাৰ্থ পূৰণৰ হেতু

বৰ্তমান আমাৰ এক শ্ৰেণীৰ যুৱক-যুৱতীৰ চিন্তাধাৰাৰ লগতে কৰ্ম-কাণ্ড মহাপ্ৰতাপী, জ্ঞানী যোগী লংকাৰ ৰজা ৰাৱণৰ দৰে হোৱা পৰিলক্ষিত হৈছে।

(ভনীয়েকৰ অপমানৰ প্ৰতিশোধ ল'বলৈ গৈ) দেশখনৰ লগতে নিজেও নিঃশেষ হৈ গ'ল। আজিকালি তথাকথিত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত ভাল ফলাফল দেখুৱালেও এই নৈতিকতাবিহীন ছাত্ৰ-ছাত্ৰীসকল ৰাৱণৰ দৰে আচৰণ কৰি সমাজ ব্যৱস্থাটো অস্থিৰ কৰি তুলিছে।

হিন্দু ধৰ্মৰ ধৰ্মপুথি গীতাতো শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল যে এজন পূৰ্ণ ব্যক্তি হ'বলৈ হ'লে শৈশৱ কালৰে পৰা আত্মসংযম, সততা, সহনশীলতা আৰু কামৰ প্ৰতি শ্ৰদ্ধা থকাতো অতিকৈ আৱশ্যকীয়।

আজিৰ যুৱসমাজৰ সৃষ্টি আৰু গঠনমূলক চিন্তাৰ অভাৱ দেখা পোৱাৰ অন্যতম কাৰণ হৈছে একশ্ৰেণী পিতৃ-মাতৃয়ে পুত্ৰ-কন্যাক ঠিকাভিত্তিত শিক্ষা লাভৰ কাৰণে শিক্ষিকসকলক গতাই দি নিজে এটা মুক্ত জীৱন যাপন কৰিব বিচাৰে, ফলত ছাত্ৰ-ছাত্ৰীসকল যান্ত্ৰিক হৈ উঠিছে।

মোৰ এই সীমিত জ্ঞানেৰে এইটো উপলব্ধি কৰিছোঁ যে ব্যৱসায়িক উদ্দেশ্যে, ব্যক্তিগতভাৱে কাঠফুলাৰ দৰে গঢ়ি উঠা শিক্ষানুষ্ঠানবোৰে কেৱল এখন 'মাৰ্কশ্বিট' তৈয়াৰ কৰাৰ ওপৰতে গুৰুত্ব দিয়াত ছাত্ৰ-ছাত্ৰীসকলে নিজাববীয়াকৈ চিন্তা কৰিব নোৱাৰা হৈছে। ফলত তেনে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতে ব্যক্তিকেন্দ্ৰিক হৈ পৰা পৰিলক্ষিত হৈছে।

মানুহৰ সকলো কৰ্ম আৰু কৃতিত্ব হৈছে শুদ্ধ চিন্তা। চিন্তাৰ উন্মেষ আছিল মানুহৰ বিৱৰ্তনৰ ক্ষেত্ৰত আটাইতকৈ যুগান্তকাৰী বিপ্লৱ। সেয়েহে মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে এষাৰ বাক্য আগবঢ়াইছিল—'Imagination is more important than knowledge.' অৰ্থাৎ জ্ঞানতকৈ সৃষ্টিশীল কল্পনা এটা বেছি প্ৰয়োজন।

উৎকৃষ্ট ছাত্ৰ-ছাত্ৰী তৈয়াৰ কৰিবৰ কাৰণে উৎকৃষ্ট শিক্ষানুষ্ঠানৰ লগতে গুণগত শিক্ষা আৰু উদ্ভাৱনমূলক প্ৰতিভা জগাই তুলিব পৰা তেনে পথপ্ৰদৰ্শক পাশ্চাত্য শিক্ষা ব্যৱস্থাত দেখা যায়। এনে ব্যৱস্থাৰ ত্ৰুটিয়েও আমাৰ যুৱ প্ৰজন্মক কিছু পৰিমাণে বিপথে যোৱাত সহায় কৰিছে। পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল যে আমাৰ দেশ ভৱিষ্যৎ যুৱক-যুৱতীসকলৰ ওপৰত নিৰ্ভৰ কৰিছে। তেওঁলোকৰ গুণগত দিশ কেনেকুৱা এই বিষয়ে জানিবলৈ মই বৰ আগ্ৰহী। মই তেওঁলোকৰ এটা সুন্দৰ সৃষ্টিশীল মন থকাতো বিচাৰোঁ। মই জানো আমাৰ বিদ্যালয়সমূহে সৃষ্টিশীলতা তৈয়াৰ কৰিব নোৱাৰে; কিন্তু এটা পৰিৱেশ সৃষ্টি কৰিব পাৰে য'ত সৃষ্টিশীলতা, মন আৰু শৰীৰৰ সজীৱতা বিকাশ হ'ব পাৰে।

আমেৰিকাৰ গৌৰৱময় বিপ্লৱ, ৰুচ বিপ্লৱ, ফৰাচী বিপ্লৱ, ইউৰোপৰ নৱজাগৰণ, সিন্ধু নদীৰ সভ্যতা, মিছৰীয় সভ্যতা আদি সকলো সেইসময়ৰ সৰ্বশ্ৰেষ্ঠ চিন্তাবিদসকলৰ সুপৰিকল্পিত চিন্তাৰ ফচল। শুদ্ধ চিন্তাৰ অন্যতম পথ প্ৰদৰ্শক গেলিলিঅ'ৰ মূলমন্ত্ৰ আছিল পৰীক্ষা, পৰ্যবেক্ষণ আৰু গাণিতিক বিশ্লেষণ।

এজন ছাত্ৰ সময়ত এজন উৎকৰ্ষিত ব্যক্তিলৈ ৰূপান্তৰিত হ'বলৈ হ'লে শৈশৱৰ পৰা এটা বিশ্লেষণাত্মক, সৃষ্টিশীল, অনুসন্ধিৎসু মনৰ লগতে শ্ৰদ্ধা আৰু প্ৰজ্ঞা থকাতো জৰুৰী বুলি উপনিষদতো উল্লেখ আছে।

স্বামী বিবেকানন্দই শিক্ষা আহৰণৰ মূল উদ্দেশ্য এইদৰে ব্যাখ্যা কৰিছে—

We want education by which
character is formed,
intellect is expanded
strength of mind is increased and by which one can stand ones own feet.

আমেৰিকাৰ গৌৰৱময় বিপ্লৱ, ৰুচ বিপ্লৱ, ফৰাচী বিপ্লৱ, ইউৰোপৰ নৱজাগৰণ, সিন্ধু নদীৰ সভ্যতা, মিছৰীয় সভ্যতা আদি সকলো সেইসময়ৰ সৰ্বশ্ৰেষ্ঠ চিন্তাবিদসকলৰ সুপৰিকল্পিত চিন্তাৰ ফচল। শুদ্ধ চিন্তাৰ অন্যতম পথ প্ৰদৰ্শক গেলিলিঅ'ৰ মূলমন্ত্ৰ আছিল পৰীক্ষা, পৰ্যবেক্ষণ আৰু গাণিতিক বিশ্লেষণ।



‘মূল্যবোধ’ এই শব্দটো লিখনিটিৰ পৰা দূৰৈত ৰাখিলে লিখনিটি নিশ্চয় আধৰুৱা যেন অনুভৱ হ’ব। সেয়েহে এটা শিশুক ঘৰখনে সৰুৰে পৰা মূল্যবোধৰ সম্যক জ্ঞান দিবলৈ অবিৰতভাৱে প্ৰয়াস কৰিব লাগে। তেওঁলোকক শৈশৱৰে পৰা পাৰ্থিৱ জগতৰ প্ৰতি আকৰ্ষিত নকৰি মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰতহে অহৰহ প্ৰচেষ্টা চলাব লাগে। তেওঁলোকৰ মনত এনে ভাৱ জগাই তুলিবলৈ প্ৰয়াস কৰিব লাগে যে ধন, টকা-পইচা, সম্পদে এই সংসাৰত কেতিয়াও প্ৰকৃত সুখ-শান্তি প্ৰদান কৰিব নোৱাৰে। এই সম্পৰ্কত মহামানৱ মহাত্মা গান্ধীয়ে মন্তব্য আগবঢ়াইছিল যে—

Wealth without works
Pleasure without conscience
Knowledge without character
Commerce without morality
Science without humanity
Religion without sacrifies
Politics without principles.



টকা-পইচা, ধন-সম্পত্তি আহৰণৰ ক্ষেত্ৰত মূল্যবোধ থকা লোকে এইটো অনুভৱ কৰিব যে পাৰ্থিৱ বস্তুৱে মানুহক প্ৰকৃত সুখ দিব নোৱাৰে। ধন-সম্পত্তিয়ে—

‘আনন্দ দিব পাৰে, সুখ-শান্তি দিব নোৱাৰে
কিতাপ কিনিব পাৰে, জ্ঞান নোৱাৰে
ঘড়ী এটা কিনিব পাৰে, সময় নোৱাৰে
ঔষধ কিনিব পাৰে, স্বাস্থ্য নোৱাৰে
বিচনা কিনিব পাৰে, টোপনি নোৱাৰে
গৃহ কিনিব পাৰে, ঘৰ কিনিব নোৱাৰে।’

সেয়েহে এজন শিশুক সৰুৰেপৰা অকলে বা লগতে ঘৰত বা আঁতৰত কোনো এটা কাম কৰোতে নজৰ ৰাখিব লাগে যে তুমি যিটো কাম কৰা সেইটো ভালনে বেয়া, শুদ্ধনে-অশুদ্ধ নিজে প্ৰথমে ভাবি চোৱা বা কামটো কৰোতে তোমাৰ মনত এনে এটা ভাৱ আহিছে নেকি যে মোৰ মা-দেউতাই মোক দেখিছে নেকি বা গম পাব নেকি? এই কাম কৰাৰ কাৰণে মা-দেউতাৰ শিৰ নত হ’ব নেকি? বা মোৰ কামৰ বাবে মা-দেউতাই গৌৰৱ অনুভৱ কৰিবনে? এনেকুৱা মূল্যবোধৰ জ্ঞান দিলে শিশুটোৱে বেয়া কামত হাত দিবলৈ এবাৰ হ’লেও চিন্তাৰ কৰিব।

মই যথেষ্ট আশাবাদী যে এই নৱপ্ৰজন্মই সঠিক সময়ত সঠিক পথত শুদ্ধ আৰু গঠনমূলক চিন্তাৰে সমাজ তথা দেশখনক আগুৱাই নি বিশ্বদৰবাৰত জিলিকাই তুলিব। সুন্দৰৰ সেন্দুৰীয়া আলি গঢ় দিব লাগিব, আমাৰ সুন্দৰ সৃষ্টিশীল চিন্তাধাৰাৰে।

সদৌ শেষত মই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এফাঁকি কবিতাৰে মোৰ ক্ষুদ্ৰতম জ্ঞানেৰে ঢুকি পোৱা ক্ষুদ্ৰ লিখনিটো সামৰিব বিচাৰিছোঁ।

‘সুন্দৰ যে ফুলাৰ মন্ত্ৰ / অহোৰাত্ৰী মাতে
সেয়েহে আজি ইমান ফুল / প্ৰভাতে প্ৰভাতে।’

সেয়েহে এটা শিশুক ঘৰখনে সৰুৰে পৰা মূল্যবোধৰ সম্যক জ্ঞান দিবলৈ অবিৰতভাৱে প্ৰয়াস কৰিব লাগে। তেওঁলোকক শৈশৱৰে পৰা পাৰ্থিৱ জগতৰ প্ৰতি আকৰ্ষিত নকৰি মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰতহে অহৰহ প্ৰচেষ্টা চলাব লাগে। তেওঁলোকৰ মনত এনে ভাৱ জগাই তুলিবলৈ প্ৰয়াস কৰিব লাগে যে ধন, টকা-পইচা, সম্পদে এই সংসাৰত কেতিয়াও প্ৰকৃত সুখ-শান্তি প্ৰদান কৰিব নোৱাৰে।



# জলবায়ু পৰিৱৰ্তন আৰু খাদ্য সংকট


**নৰমী ভূঞা**

সহকাৰী অধ্যাপক, ভূগোল বিভাগ


সৃষ্টিৰ ঠিক পাছ মুহূৰ্তৰ পৰা বৰ্তমানলৈকে সুদীৰ্ঘ কাল ধৰি হৈ থকা ক্ৰমবিৱৰ্তনৰ বাবে ভূমণ্ডলৰ পৰিৱেশৰ পৰিৱৰ্তন হৈ আহিছে। অনাদিকালৰ পৰাই এই পৰিঘটনা সম্পূৰ্ণ প্ৰাকৃতিক নিয়ম আৰু শক্তিৰে পৰিচালিত আছিল। কিন্তু মানৱ সভ্যতাৰ বিকাশৰ লগে লগেই পৰিৱেশৰ এই সালসলনি ক্ষীপ্ৰ হ'বলৈ ধৰিলে। একবিংশ শতিকাত জলবায়ুৰ এই পৰিৱৰ্তনৰ পৰা উদ্ভৱ হোৱা গোলকীয় উত্তাপ বৃদ্ধি আৰু লগতে জনসংখ্যা বিস্ফোৰণ আদি বিশ্বজনীন সমস্যাবোৰে মানৱ জাতিৰ সন্মুখত প্ৰত্যাহ্বান ৰূপে থিয় দিলেহি। এই সমস্যাৰাজিয়ে আন এক ভয়াৱহ পৰিঘটনা 'খাদ্য সংকট'ক তীব্ৰ কৰি তুলিছে। আজি সমগ্ৰ পৃথিৱীৰ সকলো দেশেই বৰ্ধিত জনসংখ্যাৰ খাদ্য যোগানৰ দাবী পূৰণ কৰিবলৈ ন শস্য ভূমি অধিগ্ৰহণ, পৰ্যাপ্ত খাদ্য-শস্য উৎপাদন আৰু বহুলভাৱে জীৱ-জন্তু পালনৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছে। বিজ্ঞানীসকলৰ এক সমীক্ষা মতে অহা পঞ্চাশ বছৰত প্ৰয়োজনীয় শস্যৰ উৎপাদনৰ পৰিমাণ, যোৱা দহ হাজাৰ বছৰৰ সৰ্বমুঠ উৎপাদনতকৈ বেছি হ'লেহে মানৱ জাতিৰ ক্ষুধা নিবাৰণ হ'ব। কিন্তু প্ৰশ্ন হ'ল—বৰ্তমান যি হাৰত জলবায়ুৰ পৰিৱৰ্তন হৈছে, অৰ্থাৎ বৰ্ধিত হাৰৰ উষ্ণতা, পূৰ্বানুমান কৰিব নোৱাৰা বৰষুণ বা খৰাং, ধুমুহাৰ প্ৰচণ্ড গতিবেগ আদিয়ে লগত লৈ অহা চৰম বায়বীয় পৰিঘটনা (extreme weather events), যি দৰে বৃদ্ধি পাবলৈ ধৰিছে, তেনেস্থলত শস্য উৎপাদন এই নতুন সমীকৰণ কাৰ্যতঃ সম্ভৱপৰ হ'বগৈনে?

বৰ্তমান যুগত সুধীসমাজত সঘনে আলোচিত বিষয়সমূহৰ কেন্দ্ৰত আছে—জলবায়ু পৰিৱৰ্তন, খাদ্য সুৰক্ষা আৰু শস্য উৎপাদনত খাদ্য-শস্যৰ বৰ্ধিত ভূমিকা। খাদ্য সংকটৰ গূঢ়াৰ্থ অনুসন্ধান কৰাসকলে, প্ৰাকৃতিক কাৰকৰ লগতে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক কাৰকসমূহৰ মাজৰ সহঃসম্বন্ধ বিচাৰি উলিওৱাত অধিক গুৰুত্ব আৰোপ কৰিছে। খাদ্যসংকট আৰু দুৰ্ভিক্ষৰ মূল কাৰক হিচাপে বৰ্তমানৰ সমাজ বিজ্ঞানীয়ে কেৱল প্ৰাকৃতিক দুৰ্যোগকেই জগৰীয়া কৰা নাই, বৰঞ্চ ইয়াৰ মুখ্য দায়বদ্ধতা আৰ্থ-সামাজিক পৰিস্থিতি আৰু ৰাজনৈতিক নীতি আদি মানৱ সৃষ্ট কৰাকবোৰলৈ বিশেষভাৱে যায় বুলি মন্তব্য কৰিছে। সেই বাবে বিজ্ঞসকলে নিজৰ চিন্তাধাৰা, পৰিৱৰ্তিত পৰ্যাবৰণ আৰু সম্ভাব্য পাৰ্শ্বক্ৰিয়াসমূহৰ সমাজ ব্যৱস্থাৰ ওপৰত কেনে প্ৰতিক্ৰিয়া হ'ব, তাৰ ওপৰত কেন্দ্ৰীভূত কৰিছে। তেওঁবিলাক, পৰিৱৰ্তিত পৰ্যাৱৰণত মানৱৰ ভূমিকা, সমাজৰ সংকট বহন ক্ষমতা, হননযোগ্যতা (vulnerability) আৰু সেইমতে পৰিস্থিতি চম্ভালি ল'বপৰা ক্ষমতা আদি বিষয়ত উঠা বিভিন্ন প্ৰশ্নৰ উত্তৰ সন্ধানত ব্যস্ত আছে।



দেখা যায় যে, জলবায়ু পৰিৱৰ্তনৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিব প্ৰাকৃতিক আৰু সামাজিক দুয়োটা তন্ত্ৰতেই। যিহেতু গোলকীয় উত্তাপ বৃদ্ধিৰ বাবে চৰম জলবায়ৱীয় পৰিঘটনাৰ বাৰংবাৰতা বৃদ্ধি পাব, গতিকে এই সকলোবোৰৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিব আমাৰ মুঠ শস্য উৎপাদন আৰু শস্য উৎপাদনৰ আৰ্হি এই দুয়োটাতেই। পৰোক্ষভাৱে আকৌ উষ্ণতা বৃদ্ধিৰ ফলত মৃত্তিকাৰ গুণাগুণ পৰিৱৰ্তন, বেমাৰ-আজাৰ, পোক-পতংগৰ প্ৰভাৱ বৃদ্ধিয়েও উৎপাদন কমাব। IPCC (Intergovernmental Panel or Climate Change) নামৰ সংস্থাটোৰ এক গৱেষণা মতে নিম্ন অক্ষাংশৰ, বিশেষকৈ ক্ৰান্তীয় শুষ্ক অঞ্চলসমূহত শস্যৰ উৎপাদন বিশেষভাৱে হ্ৰাস পাব। ভাৰতৰ দৰে উচ্চ জনসংখ্যাৰ ক্ৰান্তীয় দেশসমূহত এই শতিকাৰ মধ্যভাগলৈ খাদ্য শস্যৰ উৎপাদন ত্ৰিশ শতাংশ কমি যাব। গতিকে খাদ্য সুৰক্ষাৰ ওপৰত ইয়াৰ গম্ভীৰ প্ৰভাৱ পৰিব। IPCC য়ে উদ্বেগ প্ৰকাশ কৰিছে যে কৃষিভূমি সংকোচনৰ ফলত, আফ্ৰিকাৰ খৰাংপীড়িত অঞ্চলসমূহ বসবাসৰ অনুপযোগী হৈ পৰিব। অন্যহাতে উচ্চ অক্ষাংশৰ কম জনসংখ্যাৰ দেশসমূহত আকৌ কৃষিকাল (growing season)ৰ বৃদ্ধিৰ বাবে উৎপাদন বৃদ্ধি পাব। পৰিৱৰ্তিত পৰ্যাবৰণৰ আন এটি অনুদান হ'ল— কৃষিভূমিৰ পতন আৰু ভূমিক্ষয়। The UN Millenium Ecosystem assessment ৰ এটি সমীক্ষাত প্ৰকাশ পোৱা মতে কৃষিভূমিৰ পতনে সমাজৰ সাংগঠনিক দুৰ্বলতা, দৰিদ্ৰতা, খাদ্য সংকট আদি সমস্যাসমূহ বৃদ্ধি কৰিব। ইতিমধ্যে নগৰীকৰণ, বাসভূমি ধ্বংস, কৃষিভূমিৰ ওপৰত জনসংখ্যাৰ বৰ্ধিত হেঁচা আদি বিভিন্ন কাৰণত আমাৰ পৃথিৱীৰ চল্লিশ শতাংশ কৃষিভূমি ধ্বংস হৈছেই। এইক্ষেত্ৰত মধ্য আমেৰিকাত সৰ্বোচ্চ পয়সত্তৰ শতাংশ ভূমি কৃষিকৰ্মৰ বাবে অনুপযোগী হৈ গৈছে। আফ্ৰিকাত বিশ শতাংশ আৰু এছিয়া মহাদেশত এঘাৰ শতাংশ। এ কেম্পবেল নামৰ এজন পৰিবেশবিদৰ মতে প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰৰ প্ৰতিযোগিতাত মানৱ সমাজৰ বলিষ্ঠ, সবল লোকসকল বহুদূৰ আগবাঢ়ি গ'ল, অন্যহাতে প্ৰতিযোগিতাত বিফল হৈ ৰ'ল—দুৰ্বল সমাজ আৰু খোদ পৰিৱেশ। পৰিৱেশ সম্বন্ধে সজাগ WWF ৰ সঞ্চালক প্ৰধান J. P. Leape য়ে এটি ৰিপৰ্টত কৈছে যে, মানৱ সমাজে পৰিৱেশৰ নৱীকৰণৰ ক্ষমতাতকৈ অধিক মাত্ৰাত সম্পদ আহৰণ আৰু ব্যৱহাৰ কৰিছে। সাম্প্ৰতিক তথ্য অনুসৰি কুৰি শতিকাৰ মধ্যভাগৰ পৰা একবিংশ শতিকাৰ দ্বিতীয় দশকলৈ Human ecological footprint তিনি গুণৰো অধিক বৃদ্ধি পাইছে। বৰ্তমান কাললৈকে প্ৰকৃতিৰ ওপৰত মানৱৰ প্ৰভাৱ প্ৰায় পঁচিশ শতাংশ বৃদ্ধি পাইছেই। তেওঁৰ মতে—'As countries improve the well being of their people, they are bypassing the goal of sustainability and going into what we call 'overshoot'-using far more resources than the planet can sustain.' গতিকে দেখা গ'ল যে, মানৱ সমাজে নিজৰ উন্নতিৰ বাবে সম্পদ আহৰণৰ প্ৰচেষ্টাত পৃথিৱীৰ বহন ক্ষমতাৰ হাৰ অতিক্ৰম কৰি পেলালে। এই পৰিঘটনাই সাম্প্ৰতিক কালত প্ৰাকৃতিক ভাৰসাম্যৰ পতন ঘটাইছে।

উপৰোক্ত ব্যাখ্যাসমূহৰ পৰা বিজ্ঞানীসকলে পূৰ্বানুমান কৰিছে যে প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতা হেৰুওৱাৰ ফলত, জলবায়ু পৰিৱৰ্তন ঘটাৰ বাবে, খাদ্য সংকটে অচিৰেই বিস্তৃত এলেকা আৰু বহুতো মানৱ সমাজ অধিগ্ৰহণ কৰি ল'ব। এই ভয়াবহতাৰ পৰা সাৰিবলৈ আৰু তাক প্ৰতিৰোধ কৰিবলৈ মানৱ সমাজে ভূমি জলবায়ু, পানী আদি পৰিৱেশৰ উপাদানসমূহৰ বৈচিত্ৰ্যতা সংৰক্ষণ কৰাৰ বাবে অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক নীতিৰ ক্ষেত্ৰত নিজৰ মানসিকতা, দৃষ্টিভংগী আৰু জীৱনধাৰণৰ পদ্ধতি আদি সকলোতেই ব্যাপক পৰিৱৰ্তন আনিব লাগিব। অতি শীঘ্ৰে এই ব্যৱস্থা গ্ৰহণ কৰিলেহে ভৱিষ্যৎ প্ৰজন্মৰ বাবে জীৱিকা আৰু জীৱনধাৰণৰ কৌশল বিচাৰি উলিয়াব পৰা হ'ব। বিৰূপ প্ৰকৃতিৰ উষ্ণতাৰ পৰা হাত সাৰিবলৈ লক্ষাধিক আন্তঃদেশীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত প্ৰব্ৰজনকাৰী, যাক Environmental Refugee বুলি জনা যায়, সেই গতি ৰুধিবলৈ খাদ্য সুৰক্ষা আৰু দৈন্যতা দূৰীকৰণ হ'ব একমাত্ৰ উপায়। কিন্তু, বৰ্তমান কালৰ বজাৰকেন্দ্ৰিক অৰ্থনীতিত 'চাহিদা'ৰ গুৰুত্ব 'প্ৰয়োজনতকৈ অধিক। গতিকে আজিৰ গোলকীয় বজাৰখনত আৰ্থিক সংকট মানেই হ'ল খাদ্য সংকট। ভোকাতুৰ দৈন্য শিশুতকৈ চহকী পোহনীয়া জন্তুৰ খাদ্য সুৰক্ষা বেছি সুৰক্ষিত। আৰ্থিক স্বচ্ছলতা, সামাজিক নিৰাপত্তা, অফুৰন্ত সম্পদৰ ব্যৱহাৰ আদিৰে চহকী সমাজখনে আজুৰি অনা গোলকীয় উত্তাপ বৃদ্ধি আৰু খাদ্য সংকটৰ পৰিণাম ভুগিছে অনগ্ৰসৰ, দৈন্য, সীমামূৰীয়া, পৰিৱেশ অনুকূল জীৱিকাধাৰী লোকসকলে, যাৰ দৈনন্দিন কাৰ্যৰ পৰা পৰিৱেশলৈ ভাবুকি অহা নাই। বিৰূপ প্ৰকৃতিৰ গ্ৰাসত উপায়ন্তৰ হোৱা আৰু হ'বলগা এইসকল লোকৰ বাবে 'বতৰৰ পৰিৱৰ্তন' যাতে অন্যায়ৰ বতৰ হৈ নপৰে, তাৰ বাবে ব্যৱস্থা লোৱা সময় কিন্তু পাৰ হৈ গৈছে।



# মাদক দ্ৰব্য
# আৰু সমাজৰ অৱক্ষয়


**কবিতা ফুকন**

স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ


যিবোৰ বস্তু বা দ্ৰব্যই মানুহক সহজতে আকৰ্ষণ কৰিব পাৰে তেনেবোৰ দ্ৰব্যই হৈছে মাদক দ্ৰব্য। যেনে-মদ, ভাং, কানি, বিড়ি, ড্ৰাগছ ইত্যাদি। এনেবোৰ দ্ৰব্য মানুহে এবাৰ ব্যৱহাৰ কৰাৰ পাছত তাক সহজতে এৰাতো বৰ কঠিন। মাদক দ্ৰব্য ব্যৱহাৰ কৰাতো এটা বেয়া অভ্যাস আৰু ই স্বাস্থ্যৰ কাৰণে হানিকাৰক। এই দ্ৰব্য সেৱনে মানুহৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক সকলো ক্ষেত্ৰতে অপকাৰ সাধন কৰে।

বৰ্তমান সমাজত মাদক দ্ৰব্য ব্যৱহাৰে যথেষ্ট ক্ষতি কৰিছে। এই প্ৰভাৱ বিশেষকৈ ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলৰ মাজত বৰকৈ পৰা দেখা গৈছে। এনেবোৰ দ্ৰব্যই সমাজখনক এক জুৰুলা অৱস্থা কৰি তুলিছে। মদ্যপানে মানুহৰ হাওঁফাওঁ নষ্ট কৰে, ফলত হৃদৰোগত ভুগিব লগা হয়। মদাসক্ত মানুহৰ হিতাহিত জ্ঞান নাথাকে। যিকোনো বেয়া কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। কানি খোৱা মানুহৰ জীৱনীশক্তি হ্ৰাস পায়। ভাং খোৱা মানুহৰ কৰ্মশক্তি নাইকিয়া হয় আৰু এলেহুৱা হৈ পৰা দেখা যায়। অত্যাধিক ধঁপাত, বিড়ি খোৱা মানুহৰ ডিঙি, পেট আৰু হাওঁফাওঁত কৰ্কট ৰোগ হয় বুলি কোৱা হয়। শৰীৰৰ ক্ষতিলৈ লক্ষ্য কৰি চিগাৰেটৰ পেকেটৰ ওপৰত 'ধুমপান শৰীৰৰ বাবে ক্ষতিকাৰক' বুলি লিখা থাকে। তথাপিও মানুহে নোখোৱাকৈ নাথাকে আৰু এই অভ্যাস এৰাই চলিব নোৱাৰে। বৰ্তমান সমাজত দেখা পোৱা আন এবিধ মাৰাত্মক মাদক দ্ৰব্য হ'ল 'ড্ৰাগছ'। এনে দ্ৰব্য সেৱন কৰাতো বৰ্তমান বাতৰি কাকত, দূৰদৰ্শন প্ৰভৃতি প্ৰচাৰ মাধ্যমত দেখা পোৱা গৈছে। এনেবোৰ জীৱন নাশক মাদক দ্ৰব্যই বৰ্তমান জনসাধাৰণৰ জীৱন বিপদাপন্ন কৰি তুলিছে। বিদেশৰ পৰা ভাৰতলৈ অনা ড্ৰাগছৰ প্ৰভাৱৰ পৰা সমাজক মুক্ত কৰাতো এক চিন্তনীয় বিষয় হৈ পৰিছে।

মাদক দ্ৰব্যৰ সমস্যাটো এটা সামাজিক সমস্যা যিটো সমস্যাই সমাজৰ প্ৰত্যেকগৰাকী ব্যক্তিকে স্পৰ্শ কৰে। ভৱিষ্যৎ প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া এই সমস্যাটোৰ সমাধানৰ বাবে উপযুক্ত আইন-কানুন প্ৰণয়ন কৰি কঠোৰভাৱে বলবৎ কৰিব লাগে। মাদক দ্ৰব্যৰ সৰবৰাহ কৰা প্ৰত্যেক ব্যক্তিকে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগে যাতে সেই শাস্তি দেখি আন কোনো ব্যক্তি তেনে কাৰ্যত লিপ্ত নহয়। সমাজৰ প্ৰতিটো স্তৰতে প্ৰত্যেকগৰাকী সচেতন নাগৰিকে মাদক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে জনাই সমাজখনক সজাগ কৰি তুলিব লাগে। এই সমস্যাটো সমাজৰ অগ্ৰণী ব্যক্তি আৰু স্বেচ্ছাসেৱী সংস্থাসমূহে সমাধান কৰাৰ বাবে দৃঢ় পদক্ষেপ ল'ব লাগে যাতে সমাজৰ পৰা এই সামাজিক ব্যাধিটো দূৰ কৰিব পাৰে।

বৰ্তমান মাদক দ্ৰব্যৰ কু-প্ৰভাৱৰ পৰা সমাজক মুক্ত কৰিবলৈ চিন্তাশীল, শিক্ষাবিদ, বুদ্ধিজীৱি, অভিভাৱক, চৰকাৰ সকলোৱে চিন্তা কৰা দেখা গৈছে। দেশৰ ভৱিষ্যৎ নাগৰিক তথা ছাত্ৰ-ছাত্ৰীসকলক কিদৰে এই প্ৰভাৱৰ পৰা আঁতৰাই ৰাখিব পাৰি তাৰেই জল্পনা-কল্পনা চলিছে। অনাতাঁৰ, দূৰদৰ্শন প্ৰভৃতি প্ৰচাৰ মাধ্যমৰ দ্বাৰা মাদক দ্ৰব্য সেৱনৰ ভয়াবহ ৰূপ প্ৰচাৰ কৰি তাৰপৰা আঁতৰাই ৰখাৰ চেষ্টা কৰিছে। চৰকাৰৰ ফালৰ পৰাও কোনো কোনো ঠাইত নিষেধাজ্ঞা জাৰি কৰা দেখা গৈছে যদিও ফলপ্ৰসূ হোৱা নাই। মাদক দ্ৰব্য সেৱনৰ কু-প্ৰভাৱৰ পৰা সমাজক মুক্ত কৰি ৰাখিবলৈ সমাজৰ সকলোৱে তাৰ প্ৰতি সচেতন হ'ব লাগিব। এইক্ষেত্ৰত সামূহিক প্ৰচেষ্টাৰেহে সফল হ'ব পৰা যাব আৰু নিজেও সজাগ হ'ব লাগিব।



# মাদক দ্ৰব্য আৰু
# আমাৰ সমাজ

**কৰিস্মা গগৈ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
(কলা শাখা)

মাদক দ্ৰব্য সেৱন কৰা মানে আত্মঘাতী হোৱা। মাদক দ্ৰব্যৰ কু-প্ৰভাৱৰ কথা জানিও আশী শতাংশ লোকেই ইয়াক সেৱন কৰিছে। ইয়াক গ্ৰহণ কৰাৰ ফলত উপযাচি আমন্ত্ৰণ কৰি আনিছে অনেক ৰোগ আৰু ই তিল তিলকৈ মানুহক মৃত্যুমুখলৈ নিছে। সামাজিক, শাৰীৰিক, অৰ্থনৈতিক এই আটাইকেইটা দিশতে মাদক দ্ৰব্য ক্ষতিকাৰক। বৰ্তমান যোগাযোগ ব্যৱস্থাৰ প্ৰভূত উন্নতিৰ ফলত ড্ৰাগছে আন ঠাইৰ পৰিধি অতিক্ৰম কৰি অসমৰ সীমা স্পৰ্শ কৰিছে। ফলশ্ৰুতিত ইয়াতো গঢ়ি উঠিছে হিৰ'ইন, ক'কেইন, ব্ৰাউন ছুগাৰ আদিৰ চোৰাং ব্যৱসায়। এইবিধ নিচাযুক্ত দ্ৰব্যই যুৱ চামক বিপথে পৰিচালিত কৰিছে।

গোলাপী নিচাত আৱদ্ধ মাতাল যুৱ প্ৰজন্মই কোনোদিনেই শুভবুদ্ধিৰে ভাবি নাচায় যে মদ খালেনো কেনেধৰণৰ অপকাৰ হ'ব পাৰে। মাদক দ্ৰব্যই এজন সুস্থ মগজুৰ মানুহক এলেহুৱা কৰি আনে আৰু নিজৰ হিতাহিত জ্ঞান হেৰুৱাই চোৰ, ডকাইত, কৰিবলৈ কুণ্ঠাবোধ নকৰে। মাদক দ্ৰব্য সেৱনৰ ফলত নানা দুৰাৰোগ্য ব্যাধিৰ সৃষ্টি হৈছে। সমাজত কেন্সাৰ, টি.বি. তথা এলকহলিক ৰোগৰ সৃষ্টিয়ে মানুহক মৃত্যুৰ পথলৈ ঠেলি নিছে। তদুপৰি মাদক দ্ৰব্য সেৱনৰ ফলত মানসিক বিকৃতি, আৰ্থিক অনাটন, বিবাহ বিচ্ছেদ, দাম্পত্যকলহ আদি অশান্তিৰ সৃষ্টি হৈছে। আমাৰ সমাজত মাদক দ্ৰব্য হিচাপে কানি, ভাং, চাইমদ, চুলাই মদ, বিলাতী মদ, আপং, ধঁপাত, চিগাৰেট আদিৰেই প্ৰচলন বেছি।

বৰ্তমান মাদক দ্ৰব্যই আমাৰ সমাজখনৰ উন্নতিৰ পথত হেঙাৰ হৈ সমাজখনক পংগু কৰি পেলাইছে। সেয়েহে প্ৰতিজন সুস্থ সচেতন ব্যক্তিয়ে মাদক দ্ৰব্য প্ৰচলন বন্ধ কৰাতো গুৰুত্বপূৰ্ণভাৱে গ্ৰহণ কৰাতো নিতান্তই প্ৰয়োজনীয়।

# *Can We Abolish* **Corruption** *in our Country?*

***Mangal Sing Kro***
*Assistant Professor, Dept. of Economics*

*The rampant corruption pertaining in a country affects its socio-economic development is known to all. Its strong roots have now become a terrible for the society. It takes place at the central level, state level and local level as well. The Corruption in education, corruption in various government schemes, corruption in various government offices, corruption in jobs etc. are badly affecting the smooth functioning of a country. Today it starts from a family itself and is destroying our peaceful socio-economic environment. The society is now facing the humanitarian crisis. People kill not animals and birds only, people kill people for gaining personal benefits is not a rare situation. The ultra materialized world reduces love, affection, cooperation and harmony among the society and this ultra materialized and greedy attitude leads corruption. A political leader promise to abolish corruption during the time election, but if we see the past records of the candidates we find them corrupted. Sometimes we lose to believe in our system. The prime agenda of the political parties become workless after getting the power. If we are going to see the lists of corrupted person we will, of course, get the names of a long list of political leaders and bureaucrats.*

*As we know from the basic economics, every transaction has a demand side and a supply side. Corruption is no different: the demander of a bribe is an official who has the power to offer government contacts, power to issue license, or allocate some scare resources and supplier is a person who wants these favour. The equilibrium between demand side and supply side has been worsening our socio-economic structure and smooth functioning of the country. The government of India has been launching various development schemes since the independence for the socio-economic development of both the rural and urban areas, but how those schemes have been happening in the grass root level are not properly evaluated till date.*

*The government has made anti-corruption wings for abolishing corruption, but still, corruption happens in the nook and corner of our country. The corruption has been doing by grade IV jobholders to higher officials in some government offices. Cash for jobs scam become a common situation. The candidates from the poor economic background are deprived in many fields by our system. Corruption begins from the conducting of exam for the selection of government offices starting from grade IV to higher officials. It is happening in our state civil service examinations (one of the top level examinations in our country) which the selected candidates are going to be in high government officials. Constitutionally our country is a democratic country which is based on the principle*

*of decentralisation of power. It has three tiers for more decentralisation, such as central government, state government and local government. It has given the opportunity even to the grass root level to participate in the implementation of government policies. We have district level, block level and gaon panchayat level where the villagers can even participate in government activities. Our country is also a republic country where the main power lies in the hand of the public. If the system is theoretically very friendly even for the remote villagers then where the mistakes exist that has been depriving some people who are the subject to get the benefits.*

*The concept of ultra-nationalism is not confined to India only; rather it exists in all over the world too. This ultra-nationalism is not a new term; it was the main reason for conflicts, battles, wars etc. in the early times. Today some people always try to do something for their own (personal, family and community) benefits only and therefore, they do bias attitude towards others. This ultra or excessive attitude harms our society. Today we believe in our system only for a few people who spread human values among the human beings. Now a day, corruption has been doing in name of religion. Polarizing religion by some religious as well as political leaders spread hatred among the different castes, creeds and different religions. The religious leaders become the political leader is very common. Religions are instrumentalized for the personal gain.*

*We have often seen in the newspapers and on televisions about the people engaged in the corruption activities. We often neglect who and how can the rampant corruption be abolished. The perspective of reducing corruption may have different for different individuals and it is true that the demand and supply gap would reduce its degree to some extent. The demand side can be reduced by the imposition of strict rules by the government. The reduction of corruption from the grass root levels may not be more effective if the upper officials are engaged in corruptions. Therefore, it will be better if the strategies start from the upper officials to the grass root levels. The main role has to be played by political leaders, judiciary, the officers including police and media. The political leaders are occupying at the top position in the democratic countries although they are peoples' representatives. They make policies for the entire country. For example, we have the parliament (Rajya Sabha and Lok Sabha) in the central level and legislative assembly and legislative council (where upper house also exists in state level) at the state level. The members of parliament, as well as assemblies, should have to take the main role in the abolishment of corruption. That means they themselves should be free of corruption and their personal bias as well.*

*The officers (bureaucrats) also can take the pivotal role in making a corruption free country. We, usually, know that the higher level officers have the power to control over their subordinate officers and the subordinate officers have the power to control their subordinates, hence they themselves have to free of corruption and the personal bias as well. Their dedicated official works can bring transformation our country to some extent. Moreover, officials' weekly or bi-weekly discussion will give the platform to interchange their view to make a corruption free country.*

*The impartial media can play a part in the important role in abolishing corruption. However, the paid media and the yellow journalism may mislead the people which may deviate from the right path in achieving the goals.*

*We have impartial and independent judiciary system in our country. Hence, the judgement can be done independently by the courts. Our judiciary has been playing an important role in abolishing corruption since its inception in our country. Therefore, people believe in our judicial system. However, provision of strict punishment to the convicted (convicted for corruption) can spread a good message among the people may bring more transparency in the system.*

# আধুনিক সমাজত বহুলভাৱে প্ৰচলিত
# ‘বাৰ্থ ডে’ৰ প্ৰাসংগিকতা

**সংগীতা হাজৰীকা**
স্নাতক দ্বিতীয় যাণ্মাসিক, অসমীয়া বিভাগ



মানুহ সামাজিক প্ৰাণী। জীৱনৰ কৰ্মব্যস্ততাৰ মাজত উৎসৱ-পাৰ্বনে মানুহৰ মনলৈ উৎসাহ, স্ফূৰ্তি আনন্দৰ জোৱাৰ আনে। এনে এটি উৎসৱ হ’ল আমাৰ সমাজত বৰ্তমান বহুলভাৱে প্ৰচলিত জন্মদিনৰ ব্যৱস্থা। ‘হেপ্পী বাৰ্থ ডে টু ইউ’ লগৰীয়াই চাৰিওফালে বেৰি ধৰে আৰু জন্মদিনৰ গৰাকীয়ে মমবাতি জ্বলাই পুনৰ নুমুৱাই কেক কাটে, উপহাৰ লয়। লগৰীয়া, আত্মীয়-স্বজন আৰু অতিথিয়ে উপহাৰ দি শুভেচ্ছা জ্ঞাপন কৰে। সেয়া বাৰু প্ৰাসংগিক নে?

আমি যদি চাওঁ আমাৰ ভাৰতীয় সংস্কৃতিৰ পৰম্পৰাত বন্তি প্ৰজ্জ্বলন কৰাৰহে নিদৰ্শন আছে। বন্তি ফু মাৰি নুমুৱাই দিয়াৰ পৰম্পৰা দেখিবলৈ পোৱা নাযায়। উপনিষদতো লিখা আছে—

‘ওম অসতো মা সদ্গময়, তমসো মা জ্যোতিৰ্গময়
মৃত্যুৰ্মা অমৃতং গময়। ওম শান্তিঃ শান্তিঃ শান্তিঃ।।

যিকোনো শুভকৰ্মৰ আৰম্ভণি বন্তি প্ৰজ্জ্বলনেৰে কৰা হয়। কিবা কাৰণত যদি বন্তি গছি নুমাই যায়, আমাৰ মনৰ মাজত তেতিয়াই সংশয় আৰু সন্দেহ ভাৱৰ উদ্ৰেক হৈছিল। এই সুন্দৰ বিনন্দীয়া সৃষ্টিৰ লীলাভূমিত প্ৰথম দুচকু মেলাৰ সেই শুভদিনটোত আৰু মমবাতি জ্বলাই নুমুৱাই দিয়া হয় কিয়? এইটো চিন্তনীয় কথা।

ফুল, পখিলাৰ পিছে পিছে দৌৰি ফুল, পখিলা ধৰিব খোজা সেই লৰণু কোমল হাত দুখনিত কেক কাটিবলৈ প্ৰথম চুৰি তুলি দিয়া হয়। শিশুটিয়ে নিজে কেক কাটিবলৈ অপাৰগ হ’লে মাক বা দেউতাকে হাতত ধৰি সহায় কৰি দিয়ে। প্ৰকৃততে বাৰু এনে কৰা উচিত নে?

জন্মদিনটো আহি পোৱাৰ লগে লগেই শিশুসকলে শিশু অৱস্থাতেই মাক-দেউতাকক বস্তু বিচাৰি জোৰ দিয়ে। শিশু অৱস্থাত শিশুটিয়ে এটা চাবি দিয়া পুতলা, বন্দুক লাগিব বুলি জোৰ দিয়ে। মাক-দেউতাকেও তাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ ওপৰত জোৰ নিদি মৰমৰ তাগিদাতেই শিশুটিৰ হাতত পুতলা, বন্দুকটি তুলি দিয়ে। শিশুটি ক্ৰমান্বয়ে ডাঙৰ হৈ বালক, কিশোৰ অৱস্থাপ্ৰাপ্ত হ’ল আৰু জন্মদিনটোৱেই তাৰ প্ৰয়োজনীয় মনৰ খোৰাক যোগোৱা বস্তু বিচৰাৰ উপযুক্ত সময় বুলি নিৰ্বাচন কৰি লয় আৰু মাক-দেউতাক, খুড়াক আদিৰ পৰা ম’বাইল ফোন আদি যোগাৰ কৰি লয়। তাৰ পিছতেই সি মটৰ চাইকেল এখনৰ বাবে হাবিয়াস কৰি বাৰ্থ ডে’ৰ বাবে অপেক্ষাত ৰয়। সমৰ্থৱান মাক-দেউতাকে মটৰ চাইকেল এখন সন্তানটিক কিনি দিলে, অসমৰ্থৱানসকলে কিনি দিব নোৱাৰাৰ ফলত নিজৰ পুত্ৰৰ পৰা আখ্যা পালে বুঢ়া-বুঢ়ী, অপদাৰ্থ ইত্যাদি। মাক-দেউতাকৰ প্ৰতি শ্ৰদ্ধা-ভক্তি ভাৱৰ সলনি সন্তানটিৰ মনত অপৰাধ প্ৰৱণতা, চৌৰ্যবৃত্তি, মিছা মতা, আনক ঠগিব পৰা কৌশল আদিয়ে খোপনি পুতি লয়। এনে ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি আমি যদি জন্মদিনত আনক যথাসাধ্যে দান কৰা, বন্তি প্ৰজ্বলনৰ ব্যৱস্থা কৰা, নামঘৰ বা মন্দিৰত শৰাই আগবঢ়োৱা, শিক্ষাগুৰুক মাতি শ্ৰদ্ধা-ভক্তি কৰা, গছপুলি ৰোপনৰ ভাল কামৰ ভাৱনা শিশুটিৰ মনত জগাই তুলিবলৈ চেষ্টা কৰোঁ, নিশ্চয় বৰ্তমান প্ৰচলিত বাৰ্থ ডে’ৰ ধাৰণা কিছু হ’লেও হ্ৰাস পাব। জন্মদিনটোত নামঘৰ বা মন্দিৰ আদিত মাক-দেউতাকে নিজ পুত্ৰ বা কন্যাৰ মংগলৰ বাবে আয়ুস, শ্ৰীবৃদ্ধিৰ বাবে এগছি বন্তি প্ৰজ্বলন কৰাতকৈ সৎ কাম বাৰু কি হ’ব পাৰে? এনেধৰণেৰে জন্মদিন উদ্‌যাপন কৰিলে নিশ্চয় ভৱিষ্যৎ প্ৰজন্মৰ বহু লাভ হ’ব।

অসমীয়া জাতীয় জীৱনত

# বৰনামঘৰৰ গুৰুত্ব

**ৰশ্মি দত্ত**
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ

শিৰোমণি আখ্যিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সমাজলৈ আগবঢ়োৱা বহুমুখী অৱদানৰ ভিতৰত এটি মহৎ অৱদান হৈছে নামঘৰ। অসমীয়া জাতীয় জীৱনত নামঘৰৰ গুৰুত্ব আৰু তাৎপৰ্য অপৰিসীম। মহাপুৰুষ শংকৰদেৱে জাতিসত্ত্বাৰ পৰিৱৰ্তন অনাৰ বাবে ধৰ্ম আৰু সমাজত গভীৰভাৱে প্ৰভাৱ পেলাইছিল। মহান গুৰুজনাই ইয়াৰ মূলমন্ত্ৰ হিচাপে বাছি লৈছিল ভগৱানৰ ঐশ্বৰিকত্ব আৰু সাম্যবাদ। ইয়াৰেই মূলভেটি হ'ল নামঘৰ।

বৰদোৱাতে গুৰুজনাই প্ৰথম সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। হৰিনামত এই বিষয়ে পোৱা যায় এনেদৰে—

'জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়।
সেহিস্থানে নিজগুৰু ভৈলন্ত উদয়।।
মধ্যে পদশিলা দক্ষিণে নামঘৰ।
মণিকূট গৃহে সাজি ৰহিলা শংকৰ।।'

মহাপুৰুষ শংকৰদেৱে জাতিসত্ত্বাৰ পৰিৱৰ্তন অনাৰ বাবে ধৰ্ম আৰু সমাজত গভীৰভাৱে প্ৰভাৱ পেলাইছিল। মহান গুৰুজনাই ইয়াৰ মূলমন্ত্ৰ হিচাপে বাছি লৈছিল ভগৱানৰ ঐশ্বৰিকত্ব আৰু সাম্যবাদ। ইয়াৰেই মূলভেটি হ'ল নামঘৰ।





অসমীয়া সমাজৰ প্ৰাণকেন্দ্ৰ এই নামঘৰৰ বিভিন্ন অংগ দেখা যায়। বাটচ'ৰা, মণিকূট, নামঘৰৰ মূলভাগ, কীৰ্ত্তনঘৰ ইত্যাদি। অসমৰ প্ৰতিখন অসমীয়া গাঁৱত নামঘৰ স্থাপন চিৰপ্ৰৱহমান গতিত বৈ আহিছে। এই নামঘৰক অসমীয়া জাতিৰ বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানথলী, সংহতি, সকলো জাতিৰ মিলনথলী গৃহ হিচাপেও গণ্য কৰিব পাৰি। নামঘৰৰ চাৰিবেৰ মুক্ত অৱস্থাত থাকে। ইয়াৰ অৰ্থ হ'ল সৰু-বৰ, উচ্চ-নীচ সকলো জাতি, সকলো মানুহৰ বাবে নামঘৰত স্থান সমান। গতিকে এই মহান নামঘৰে ধৰ্মীয় গোড়ামী দূৰ কৰিছিল বুলি ক'ব লাগিব।

মহান গুৰুজনাই নামঘৰত নাম প্ৰসংগ স্থাপন কৰিছিল। ধৰ্মীয় লোকে দিনত এবাৰ হ'লেও সংসাৰৰ মায়া-মোহ পাহৰি একান্তমনে প্ৰভুৰ চৰণ লাভ কৰিব বিচাৰে এই নামঘৰতে। মানসিক অশান্তি, সমাজৰ অমংগল আদি দূৰ কৰাৰ লগতে শান্তিৰ বাতাৱৰণ সৃষ্টি কৰিবলৈ ধৰ্মপ্ৰাণ ৰাইজে প্ৰাৰ্থনা জনায় নামঘৰত। গাঁৱত বিপদ-আপদ হ'লে, বিপদৰ আগজাননী নামঘৰৰ শংখ, ঘণ্টা, ডবা, কাঁহ বজাই জনোৱা আজিও প্ৰায়বোৰ নামঘৰত লক্ষ্য কৰা যায়।

বাৰ্ষিক কৰ্ম হিচাপে গাঁৱৰ মংগলৰ অৰ্থে বৰসবাহ, ভাওনা, জন্মাষ্টমী, অসমৰ প্ৰতিটো নামঘৰতে পতা হয়। এই অনুষ্ঠানবোৰত গাঁৱৰ জ্ঞাতি একত্ৰ হোৱাৰ আনন্দ প্ৰকাশ আৰু ভগৱৎ চিন্তা-চৰ্চা কৰাৰ অৱকাশ পায়। গাঁৱৰ নামঘৰৰ বাৰ্ষিক সবাহলৈ, ভাওনালৈ কাষৰীয়া সাত-আঠখন গঞা ৰাইজলৈ স-সন্মানেৰে নিমন্ত্ৰণ জনোৱা পৰম্পৰা আজিও বৰ্তি আছে। ভাগৱত পাঠ, গীতা পাঠ বৰ্তমানেও নামঘৰসমূহত পতা দেখা যায়। গুৰুদুজনাৰ আৱিৰ্ভাৱৰ তিথি ভাদমাহত হৰিনাম লোৱা হয় পৰম ভক্তিৰে। প্ৰতিখন গাঁৱত, প্ৰতিটো নামঘৰত এক আধ্যাত্মিক আৰু শান্তিৰ পৰিৱেশে বিৰাজ কৰে এই ভাদমাহত। আইসকলে লখিমী সবাহ পাতে আকুল হৃদয়েৰে আৰু একান্ত ভক্তিৰে। গাঁওখনৰ মংগলৰ অৰ্থে প্ৰণিপাত জনায় আৰাধনা কৰে—

'আজি নামঘৰতে পদ্মফুল ফুলিছে
বৈষ্ণৱে গাঁথিছে মালা,
বৈকুণ্ঠৰ পৰা লক্ষ্মী আই আহিছে
আনন্দে নধৰে হিয়া।'

এনেকৈয়ে আকৌ নিৰক্ষৰী লোকৰ পৰা আৰম্ভ কৰি বিদ্বান জনলৈকে শ্ৰৱণ আৰু পঠনৰ এটা সুন্দৰ পৰিৱেশৰ সৃষ্টি হয় নামঘৰত।

নামঘৰৰ অনুষ্ঠানবোৰ পৰিচালনা কৰিবলৈ উচ্চ-নীচ বিচাৰ নকৰি গুণগত আৰু যোগ্যতাৰ ভিত্তিত বিভিন্ন বিষয়বাব নিৰ্বাচন কৰা হয়। পুৰা-গধূলি নামঘৰটো পৰিচালনা কৰিবৰ বাবে নামঘৰীয়া, গায়ন-বায়ন, পাঠক, দেউৰী, বাইক ইত্যাদি।

এটা সুস্থ পৰিৱেশ সৃষ্টি কৰিবলৈ আৰু সংস্কৃতিপূৰ্ণ মন গঢ়িবলৈ নামঘৰেই প্ৰকৃত স্থান বুলি ক'ব লাগিব। এই নামঘৰ ৰাইজৰ বাবে আদালত বুলিও ক'ব পাৰি। কিয়নো আজিও তাৰ নিদৰ্শন দেখা যায়। বাদ-বিবাদ আদি ক্ষমা-প্ৰাৰ্থনাৰে মীমাংসা হোৱা এতিয়াও কম-বেছি পৰিমাণে প্ৰায়বোৰ নামঘৰতে দেখা যায়।

নামঘৰক অসমীয়া কলা-সংস্কৃতি আৰু স্থাপত্য ভাস্কৰ্যৰ বিকাশকেন্দ্ৰ বুলিব পাৰি। নামঘৰৰ মজিয়াৰ পৰাই গীত, পদ, ভাওনাই বৰ্তমান সময়ত ৰংগমঞ্চলৈ ৰূপান্তৰিত হৈছে। নামঘৰৰ মণিকূটত স্থাপিত সাত বৈকুণ্ঠৰ প্ৰতীক সাতখলপীয়া সিংহাসন এক সুন্দৰ স্থাপত্যৰ নিদৰ্শন। নামঘৰৰ গছা, ঠগা, লাইখুঁটা আজিও নানা চিত্ৰ বিচিত্ৰ লতা-ফুল অংকিত। সেইদৰে নামঘৰত সাধাৰণতে দেখা পোৱা জয়-বিজয়, গৰুড়, জটায়ু পক্ষী আদিৰ মূৰ্ত্তি আদিয়ে অসমীয়া স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলাৰ নিদৰ্শন দাঙি ধৰে।

শেষত ক'ব পাৰি যে অসমীয়া সমাজৰ অসমীয়া জাতিৰ অমূল্য সম্পদ এই নামঘৰ মহিমাযুক্ত ঘৰ। লোভ, মোহ, কাম, ক্ৰোধ আদি ৰিপুৰ পৰা যিজন মুক্ত সেইজনহে বিলিন হ'ব পাৰে নামঘৰত। সৎ মনৰ গৰাকী হ'বলৈ, সৎ কাৰ্য কৰিবলৈ শিক্ষা ল'বৰ বাবে নামঘৰৰ মহত্ব অপৰিসীম।

# *Naamghar*

***Deepali Das***
*PG 4th Semester, Dept. of Home Science*

*Naamghar is common prayer hall where the Hindus of Assam recite the name of God. It is an unique creation of Srimanta Sankardeva, the great poet saint of Assam. He established the first Naamghar at Bordowa in Nagaon district. In Assamese language 'Naam' means prayer and 'Ghar' means house. Hence, it is called Naamghar. A Naamghar is not only a place of worship but also a centre of learning, an institution for imparting education, a community hall where people gather to discuss their social problems, a training centre of arts and crafts and above all a centre of unity of the society. Naamghars are also used for cultural activities associated a social congregation like Bhaona and dances.*

*The Naamghar is usually a rectangular building with a gable, gablet or a hip roof raised on pillars, the length of which is aligned in the east-west direction. The traditional thatch roof has been replaced in the late 20th century by tin sheets and pillars by concrete ones. This hall usually has an outer wall, with the main entrance at the west end. There is a vernadah around the outer wall, with windows and minor entrances on the northern and southern sides. Two parallel rows of pillars usually run along the length, with pillar in the northern direction, called the 'Lai Khuta'.*

*Primarily used as a prayer hall acoording to the Ekasaraha traditions, devotees sit in rows facing each other that emphasizes the Bhakat which is one of the four realms of the religion. The space between the two north and south group is highly sanctimonious and is never treaded on, except for cleaning. The prayers are led by the leader called naam loguwa, who sits at the end of the central region facing the sanctum. The west end of the hall does not in general have doors and windows. Though very often it leads to an independent room called MANIKUT. It is fully walled, with either no windows or small ones and also functions as a repository of important articles. This room is a later addition to the basic Naamghar structure.*

*The Naamghar rarely have food service in the manner one sees in temples elsewhere in India. The mah-saul, or the fruit and soaked green lentil offerings, are distributed after a the prayer, are almost always prepared at several homes, who are eligible to participate in food serving. Those who serve food are called deur or deuris and are selected based on their eligibility in the community and religious knowledge and competence. This too is a privileged position. Therefore there never were kitchens/pantries associated with Naamghars although this  might change in future.*




# Use of Mask in Sankarian Theatre

*During the period of 12th century to 15th century the mask culture played a potential role in the mystical plays around the world. The same trend of using mask in the there is observed in the Shankarian Theatre of mediaval Assam.*

*It was Shankardeva who initiated the mask culture in the theatrical tradition of Assam.Use of mask as religious beliefs of almost all the tribal community of North-East India have been observed since ancient time. Many tribal villagers preserved their mask for as long as several centuries. Masks were considered as auspicious property of the concerned tribes which witness to the past and works for the contunuity of their tradition. Shankardeva learned the art of mask making from the available sources of ethnic mask culture which were flourished almost in all parts of the country at his time. The masks which were used by him was made of bamboo. It is known from the GURU CHARIT written by Ramcharan Thakur that, mask of Ananta Charya, face of Brahma and his carrier swan, face of Shiva and his carrier Brishava the BUll and the mask of the great Avian Garuda, the carrier of Lord Bishnu was made by Shankardeva. Shankardeva believed that mask is an art of bold expression through which people of all walks can be impressed. It was traceable that Shankardeva innovated mask in his theatre to dramatiz the character of his plays to the extreme. To express the path of salvation, he used the mask to show the public the result of good and bad deeds.*

***Sukanya Gogoi***
*Part Time Faculty*
*Dept. of Home Science*

সৃষ্টি হ'ল মানৱৰ অনন্ত জিজ্ঞাসাৰ ধাৰাবাহিক প্ৰয়াস। সৃষ্টিৰ আদিত যি সত্য বস্তুৰ দ্বাৰা অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে সেই সত্য কি তাৰ উত্তৰ বিচাৰি সমুদ্ৰ মন্থন কৰোতে মানৱে অৱশেষত অমৃতৰ সন্ধান পালে।

# নামঘোষা

## এখন পবিত্ৰ গ্ৰন্থ

**নিহাৰিকা দত্ত**

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, গাৰ্হস্থ্য বিজ্ঞান বিভাগ

পৃথিৱীৰ আধ্যাত্ম-তত্ত্ব সম্পৰ্কীয় গ্ৰন্থসমূহৰ ভিতৰত নামঘোষাই এখন বিশিষ্ট আসন অধিকাৰ কৰি আছে। প্ৰায় পাঁচশ বছৰৰ আগতে বৰপেটাৰ নিকটৱৰ্তী সুন্দৰীদিয়াত ৰচনা কৰা এই মহিমামণ্ডিত ভক্তি গ্ৰন্থখনি মহাপুৰুষ মাধৱদেৱৰ জীৱনযোৰা ভক্তিধৰ্ম ক্ষেত্ৰ কৰ্ষণৰ সৰ্বোৎকৃষ্ট ফল। কীৰ্তন, দশম, ঘোষা আৰু ৰত্নাৱলী এই চাৰিপুথি অসমৰ মহাপুৰুষীয়া ধৰ্মত অধিক জনপ্ৰিয়। নাম কীৰ্ত্তন নামঘোষোৰে আৰম্ভ হয়। কীৰ্ত্তনঘোষা গাখীৰৰ দৰে আৰু নামঘোষা মাখনৰ দৰে বুলি আখ্যা কৰিছে। ই এক সবল আৰু সুন্দৰ পুথি। ইয়াৰ আৰম্ভণি অতি সুন্দৰ, যেনিবা নদীৰ দৰেহে উদ্‌গম্। এই মায়া সংসাৰত জীৱবোৰ ভগৱন্তৰ ইচ্ছাতে জন্মি কালৰ চকৰিত ঘূৰিয়েই আছে। জীৱশ্ৰেষ্ঠ মানৱেও এই কাল আৰু মায়াৰ ওপৰলৈ উঠিব নোৱাৰি অপাৰ সংসাৰ সিন্ধুত ক্লেশ-কষ্ট ভূগি ভূগি চিৰকাল জলাকলা খাই আছে। পুৰাণৰ বিভিন্ন কাল্পনিক দেৱ-দেৱতাৰ উপাসনাৰ মাজেদি এই ক্লেশ কষ্টৰ পৰা হাত সাৰিবলৈ বহু বহু যুগ পাৰ কৰা হ'ল। ব্যাধি জৰা মৃত্যুৰ পৰা নিষ্কৃতি লভিবলৈ, বৈষয়িক সম্পদ আহৰণ কৰি চিৰসুখী হ'বলৈ, দেৱ দেৱীৰ বৰ লভি নিজে দেৱ-দেৱী হ'বলৈ মানৱে কৰিবলৈ একো কৰ্মকে বাকী নাৰাখিলে। সৃষ্টি হ'ল মানৱৰ অনন্ত জিজ্ঞাসাৰ ধাৰাবাহিক প্ৰয়াস। সৃষ্টিৰ আদিত যি সত্য বস্তুৰ দ্বাৰা অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে সেই সত্য কি তাৰ উত্তৰ বিচাৰি সমুদ্ৰ মন্থন কৰোতে মানৱে অৱশেষত অমৃতৰ সন্ধান পালে।

মহাপুৰুষ মাধৱদেৱে নামঘোষা নামধৰ্মৰ তাত্বিক বস্তুকেইপদ এপদ এপদকৈ শৰণ, ভজন, নমস্কাৰ, উপদেশ, আত্মনিন্দা, বস্তু প্ৰকাশ পুৰুষাৰ্থ, প্ৰাৰ্থনা নাম, মহিমা, ভাগৱত প্ৰসংগ, শৰণ, চন্দ্ৰ আদি শিতানত দাঙি ধৰিছে। মৌ মাখিয়ে মৌচাক নিৰ্মাণ কৰোতে যি অপূৰ্ব কলা-কৌশল ব্যৱহাৰ কৰে, সেই একে কলা-কৌশলৰ ব্যৱহাৰ মাধৱদেৱে নামঘোষাত কৰিছে। নামঘোষাৰ বিভিন্ন যাদুকৰী ছন্দ, ছবি, দুলৰী, লেচাৰী, শৰণ-ছন্দ, নাম ছন্দ যেনে ভক্তি মৌচাকৰ মৌ বিচনী। বিভিন্ন সুৰ, তাল, মানত ঘোষিব পৰা নাম পংক্তি এহেজাৰ এটিৰে অপূৰ্ব নাম 'নামঘোষা'।

# সামাজিক উৎকৰ্ষ সাধনত নাৰীৰ শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা

**জয়শ্ৰী ফুকন**
স্নাতক পঞ্চম ষাণ্মাসিক, গণিত বিভাগ

'স্ত্ৰী' শব্দৰ অৰ্থ হৈছে বিস্তাৰ কৰা। কেৱল স্ত্ৰীয়েহে প্ৰেমভাৱক গোটেই বিশ্বত বিয়পোৱা কাম কৰিব পাৰে। বৰ্তমান সময়ত নাৰীয়ে নিজস্ব প্ৰচেষ্টা, দক্ষতাৰে পুৰুষৰ সমানে খোজ মিলাই আগবাঢ়ি গৈছে। শিক্ষাক্ষেত্ৰৰ পৰা আৰম্ভ কৰি ক্ৰীড়া, বিজ্ঞান-প্ৰযুক্তি, পৰ্যটন, পৰ্বতাৰোহণ, মহাকাশ বিজ্ঞানী, প্ৰশাসনকে আদি কৰি বিভিন্ন ক্ষেত্ৰত নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি নাৰীয়ে নিতৌ ন ন অভিলেখ সৃষ্টি কৰি আহিছে আৰু ভৱিষ্যতেও কৰি থকাতো নিশ্চিত। বিশাল কৰ্মৰাজিৰে নিজকে উজ্বলাই তোলা মহিলাসকল একো একোগৰাকী জীয়ৰী, ভগ্নী, মাতৃ, পত্নীও। এখন সমাজ সৰ্বাংগসুন্দৰ ৰূপে গঢ়ি তোলাত নাৰীৰ বিশেষ ভূমিকা আছে। সেয়ে নাৰী নিজেই শিক্ষিত হোৱাতো নিতান্তই প্ৰয়োজনীয়।

শিক্ষা বুলিলে আনুষ্ঠানিক বা পুথিগত আৰু অনানুষ্ঠানিক বা ব্যৱহাৰিক এই দুটি ভাগকেই সাধাৰণতে বুজা যায়। মহিলাসকলে নিজকে শিক্ষিত, কাৰ্যক্ষম, আত্মনিৰ্ভৰশীল হিচাপে গঢ়ি তুলিবলৈ এইধৰণৰ শিক্ষা গ্ৰহণ কৰিব লাগিব। আজিকালি ছোৱালীয়ে স্কুল-কলেজ আদি শিক্ষানুষ্ঠানত আনুষ্ঠানিক শিক্ষা লাভ কৰাতো সহজসাধ্য হৈছে। সকলোৰে কম-বেছি পৰিমাণে স্ত্ৰী শিক্ষাৰ আৱশ্যকতা লাহে লাহে উপলব্ধি কৰিছে। লগতে পুথিগত শিক্ষা লাভ কৰি তাক দৈনন্দিন জীৱনত প্ৰয়োগ কৰি নিজকে পৰিৱেশৰ লগত খাপ খুৱাই কেনেকৈ আগবাঢ়ি যাব লাগে সেই বিষয়ে অনানুষ্ঠানিকভাৱে ব্যৱহাৰিক শিক্ষা জ্যেষ্ঠসকলৰ পৰা বা পৰিৱেশৰ বিভিন্ন উৎসৰ পৰা গ্ৰহণ কৰাটো প্ৰয়োজনীয়।






সাম্প্ৰতিক কালত নাৰী শিক্ষাৰ হাৰ বৃদ্ধি পাইছে যদিও প্ৰকৃত শিক্ষাৰ মানসিকতা বৃদ্ধি নিম্নমানৰ। গাঁৱে-ভূঞে, নগৰে-চহৰে এতিয়াও ছোৱালীতকৈ বেছি ল'ৰাকহে গুৰুত্ব প্ৰদান কৰা,ল'ৰাক ভাল বিদ্যালয়ত পঢ়ুওৱা আদি পৰিলক্ষিত হয়। আনকি কেৱল কন্যা সন্তান জন্ম দিয়া মাতৃয়ে নিৰ্যাতনৰ বলি হ'বলগা হয়। সমাজৰ উন্নতিৰ হেঙাৰস্বৰূপ ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাস, কু-সংস্কাৰ, যৌতুকৰ বাবে শোষণ, নিৰ্যাতন, নাৰীৰ সতীত্ব হৰণ, ভ্ৰূণ হত্যা আদি নাৰকীয় ঘটনা আমাৰ চৌপাশে অহৰহ সংঘটিত হৈ আছে। ধৰ্মীয় অনুষ্ঠানত নাৰীৰ প্ৰৱেশ নিষিদ্ধকৰণ চিন্তাৰ উত্তৰণ ঘটোৱা, কেৱল পিতৃতান্ত্ৰিক পৰিয়াল ব্যৱস্থাৰ পৰিৱৰ্তে পিতৃ-মাতৃ উভয়ে সম প্ৰাধান্য পাব পৰা মানসিকতা গঢ়ি তুলিবৰ বাবে লগতে আগতে উল্লেখ কৰি অহা সমস্যাসমূহৰ সমাধান কৰিবলৈ নাৰী উপযুক্ত শিক্ষাৰে শিক্ষিত হোৱাতো অতিকৈ প্ৰয়োজনীয়। কাৰণ সমাজৰ, দেশৰ ধৰণীস্বৰূপ নাৰী শিক্ষিত হ'লেহে সেই নাৰীৰ দ্বাৰা শিক্ষিত এচামৰ সৃষ্টি হ'ব আৰু এই প্ৰক্ৰিয়াটো লেথাৰিকৈ চলি গৈ থাকিলে এখন নিকা, শান্তিপূৰ্ণ, শিক্ষিত মানুহেৰে পৰিপূৰ্ণ সমাজ গঠন হ'ব। গতিকে এইকথা প্ৰতিগৰাকী মহিলাই, প্ৰতিটো পৰিয়ালে বুজি পোৱা উচিত।

নেপোলিয়ন বোনাপাৰ্টে কৈছিল, 'Give some good mothers, I will give you a good nation.' সমাজত নাৰী পুৰুষৰ অৰ্ধাংগিনী আদ্যশক্তি সংহাৰিণী জননী, ভগ্নী, গৃহিণী, মাতৃ আৰু মূলাধাৰৰূপে পূজিতা হৈ আহিছে। গৃহিণীগৰাকীয়েই ঘৰখন বা পৰিয়ালটিৰ লাইখুঁটা। ঘৰখন নিৰ্ভৰ কৰে গৃহিণীগৰাকীৰ স্নেহ-প্ৰীতি, আদৰ-আপ্যায়ন, প্ৰেম-ভালপোৱা আদি মহিমাময়ী গুণাৱলীৰ ওপৰত। সেয়ে কোৱা হয় এগৰাকী নাৰী শিক্ষিত হ'লে এটা পৰিয়াল শিক্ষিত হোৱাৰ উপৰি ইয়াৰ প্ৰভাৱ সমাজখনৰ ওপৰতো পৰে। ফলত সমাজে জীৱনৰ উন্নতি হয়। আনহাতে আকৌ অবিবাহিত, স্বামীহীনা এগৰাকী মহিলায়ো অসুবিধা নোহোৱাকৈ স্বাৱলম্বনৰ পথ মোকলাই খাব পাৰে যদিহে তেওঁ পুথিগত বা হাতে কামে কৰা বিদ্যাৰে পাৰ্গত হয়। অৰ্থাৎ গোটেই সামাজিক প্ৰক্ৰিয়াটো নাৰীক কেন্দ্ৰ কৰিয়েই চলি আছে। সমাজৰ যি অমানুষিক কাৰ্য চলি আছে বেছিভাগৰে মূল কাৰণ নাৰী বুলি যি ধাৰণা প্ৰচলিত সেই সকলোবিলাক নিৰ্মূল কৰিব পাৰে একমাত্ৰ নাৰীয়েই। প্ৰয়োজন মাথো শিক্ষাৰ। নাৰীৰ প্ৰতি সংবেদনশীল পুৰুষ সৃষ্টি কৰিব পাৰে একমাত্ৰ নাৰীয়েহে। নাৰীক শক্তিশালী কৰিবলৈ উপযুক্ত শিক্ষা গ্ৰহণ কৰাতো প্ৰথম আৰু প্ৰধান কথা, তাৰ পাছতহে আইন-কানুন, অন্যান্য সা-সুবিধা আদিৰ ব্যৱহাৰৰ কথা আহে।

আৰ্থিক স্বাৱলম্বনৰ বাবে আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ লগতে নাৰীসকলে আইতা, বৰমা, খুৰী-পেহী, বাই-ভনীৰ পৰা পৰিয়ালৰ সুস্থিৰ বাতাবৰণ ৰক্ষাৰ বাবে প্ৰয়োজনীয় সংস্কাৰমূলক শিক্ষা বিভিন্ন পৰিৱেশৰ পৰা আহৰণ কৰাৰ সুবিধা অভিভাৱকসকলে দিব লাগিব। তেতিয়াহে মানৱতাৰ মহৎ আৰু উচ্চস্তৰৰ গুণাৱলীৰ প্ৰকাশ আৰু বিকাশ কৰি নাৰীয়ে স্বদেশ আৰু স্বজাতিৰ মংগল সাধনৰ কাৰণে নিজকে উচৰ্গা কৰিব পাৰিব আৰু তেতিয়াহে মানুহৰ বসবাসৰ অনুকূল এখন সমাজ গঠিত হ'ব আৰু এয়া সকলোৰে কাম্য।

আজিৰ কন্যা কালিলৈ দেশৰ ভৱিষ্যৎ প্ৰজন্মৰ জননী। এগৰাকী নাৰী শিক্ষিত হোৱা মানেই এটা পৰিয়াল শিক্ষিত হোৱা আৰু ভৱিষ্যৎ প্ৰজন্মক শিক্ষিত কৰি তোলা।

সমাজৰ এক উল্লেখযোগ্য উদ্ভাৱন হৈছে শিক্ষা। শিক্ষাই ভুল আঁতৰ কৰে আৰু সত্যৰ আৱিস্কাৰ কৰে। শিক্ষাই মনৰ অজ্ঞানতা দূৰ কৰি বৌদ্ধিক দিশৰ বিকাশ সাধন কৰে; যাৰ জৰিয়তে মানুহে জ্ঞানৰ পোহৰেৰে আলোকিত হৈ নিজৰ সহজাত প্ৰবৃত্তিসমূহৰ উন্নতি সাধন কৰাৰ লগতে এখন সমাজ তথা দেশক উন্নতিৰ পথত আগুৱাই নিব পাৰে। সু-শিক্ষাই মানুহৰ জীৱনলৈ জ্ঞানৰ নিজৰা বোৱাই আনি মানৱ মন জাগ্ৰত কৰি আলোকসন্ধানী কৰি তোলে। শিক্ষাৰ জৰিয়তেই মানুহে পশুত্বৰ পৰা দেৱতাৰ শাৰীলৈ অগ্ৰসৰ হৈছে। এখন দেশ গঠন হয় ব্যক্তিক লৈ। সেয়েহে ব্যক্তি তথা নাগৰিকসকল শিক্ষিত হোৱাতো খুবেই প্ৰয়োজন।

আজিৰ কন্যা কালিলৈ দেশৰ ভৱিষ্যৎ প্ৰজন্মৰ জননী। এগৰাকী নাৰী শিক্ষিত হোৱা মানেই এটা পৰিয়াল শিক্ষিত হোৱা আৰু ভৱিষ্যৎ প্ৰজন্মক শিক্ষিত কৰি তোলা। মহিলাসকলৰ সবলীকৰণৰ ক্ষেত্ৰত জৱাহৰলাল নেহৰুৱে কৈছিল—'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষিত কৰি তোলা, এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালটোক শিক্ষিত কৰা।' নাৰী অৰ্থাৎ মাতৃগৰাকীয়েই শিশুৰ প্ৰথম শিক্ষক তথা পথ প্ৰদৰ্শক, তত্ত্বাৱধায়ক আৰু নিয়ন্ত্ৰক। গতিকে নাৰীগৰাকী যদি শিক্ষিত হয়, তেন্তে সমগ্ৰ বংশটোৱেই শিক্ষিত হ'ব।

# নাৰী শিক্ষা আৰু সমাজ

**ময়ূৰী তামুলী**
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ





বৈদিক যুগত পুৰুষৰ সমানে নাৰীয়েও যাগ-যজ্ঞ আদিত অংশগ্ৰহণ কৰাৰ লগতে বৈদিক শিক্ষা আৰু আধ্যাত্মিক শিক্ষা লাভ কৰাত পথ প্ৰশস্ত আছিল। পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণে 'Women in Hindu Society' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে যে, অতীতত ভাৰতীয় নাৰীৰ স্থান উচ্চ আছিল। নাৰীৰ বাবে শিক্ষা অতি আৱশ্যকীয় বুলি গণ্য কৰা হৈছিল। ব্ৰাহ্মণ সমাজত ছোৱালীক বৈদিক শিক্ষা দিয়া হৈছিল আৰু ক্ষত্ৰিয় সমাজৰ ছোৱালীক ধনু-কাঁড়ৰ ব্যৱহাৰ শিকোৱা হৈছিল। মনুৰ ধৰ্মশাস্ত্ৰত সন্নিৱিষ্ট নাৰীকেন্দ্ৰিক দমন নীতিসমূহে নাৰী স্বাধীনতাক সমুলঞ্চে মষিমূৰ কৰি পেলালে।

নাৰী শিক্ষাৰ ক্ষেত্ৰত মুছলমান সমাজত কিছু ধৰ্মীয় বাধ্য-বাধকতাই হেঙাৰ হৈ থিয় দিছে যদিও বৰ্তমান সেই বান্ধোন ছিঙি মহিলাসকলো পুৰুষৰ সমানে বিভিন্ন কৰ্মত আগবাঢ়ি যাবলৈ চেষ্টা কৰিছে। উদাহৰণস্বৰূপে—সমগ্ৰ বিশ্বতে নাৰী শিক্ষাৰ ক্ষেত্ৰত সজাগতা আনিবলৈ পদক্ষেপ আগবঢ়াই এক আলোড়নৰ সৃষ্টি কৰা পাকিস্তানী যুৱতী মালালা বৰ্তমান শিক্ষিত সমাজত চিৰপৰিচিত।

বৰ্তমান সমাজত নাৰীক পণ্য সামগ্ৰীৰূপে ব্যৱহাৰ কৰিছে, যৌতুকৰ বাবে অত্যাচাৰ বা হত্যা, উৎপীড়ন কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। পুৰণি অন্ধবিশ্বাসৰ বলি হৈ নাৰী ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ নাথাকি বৰ্তমান সময়ত নানা ধৰণৰ কৰ্মত সফল হৈছে। সুউচ্চ পৰ্বতৰ শৃংগ বগাবলৈও নাৰী থমকি ৰোৱা নাই। নাৰীৰ অগ্ৰগতিৰ চানেকিস্বৰূপে ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী কল্পনা চাওলা, ন'বৈল বঁটা বিজয়ী মেৰী ক্যুৰী আৰু তেওঁৰ দুই কন্যা, শান্তিৰ ন'বৈল বঁটা বিজয়ী মাদাৰ টেৰেচা, ইন্দিৰা গান্ধী আদিকে ধৰি বৈদিক যুগত উচ্চ আসন লাভ কৰা-গাৰ্গী, মৈত্ৰেয়ী, মীৰাবাঈ, সাবিত্ৰী, লোপামুদ্ৰা, লীলাৱতী আদিৰ কথা ক'ব পাৰি।

প্ৰকৃততে শিক্ষিত নাৰী পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে একো একোটা সুস্থ পৰিয়াল, পৰিয়ালৰ পৰা সমাজ আৰু সমাজৰ পৰা দেশ গঠন হোৱাতো সম্ভৱ। এইক্ষেত্ৰত এখন দেশৰ নাৰীসকল শিক্ষিত হ'লেহে দেশৰ সৰ্বাংগীন উন্নতি সম্ভৱ হয়। কাৰণ এগৰাকী মাতৃ শিক্ষিত নহ'লে সন্তানক সু-পথেৰে উপযুক্তভাৱে গঢ়ি তোলাতো সম্ভৱ নহ'ব অৰ্থাৎ সু-পথেৰে পৰিচালনা কৰিবলৈ অসমৰ্থ হ'ব। সাম্প্ৰতিক সমাজত নাৰী পুৰুষৰ মাজত ভেদাভেদ নাই। বৰ্তমান যুগত নাৰী শিক্ষাৰ বহুল প্ৰচাৰ হোৱা দেখা গৈছে। সমগ্ৰ বিশ্বতে ১৯৭৫ চনৰ বছৰটো আন্তৰ্জাতিক নাৰী বৰ্ষ হিচাপে উদ্‌যাপন কৰাৰ লগতে প্ৰত্যেক বছৰে আঠ মাৰ্চ তাৰিখটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰা হয়।

গতিকে দেখা যায় যে, পৰিয়ালৰ পৰা আৰম্ভ কৰি এখন ৰাষ্ট্ৰৰ সু-পৰিচালনালৈ সকলো ক্ষেত্ৰতেই নাৰী শিক্ষা জড়িত হৈ আছে। সেয়েহে নাৰী সুৰক্ষা আৰু নাৰীসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তোলাতো সমগ্ৰ দেশৰেই দায়িত্ব আৰু কৰ্তব্য।

# *Role of women in Society*

***Queen Deori***
*B.Sc. 4th Semester, Dept. of Zoology*

*Women play variety of significant roles in our society from their birth till the end of life. Even after playing all her roles and all the job timely in efficient manner in the modern society, she is weak because men are still the stronger gender of the society even after lots of awareness programmes, rules and regulations in the society by the government, her life is more complicated than men. She has to take care of herself and family members as daughter, grand daughter, sister, daughter-in-law, wife, mother, mother in law, grand mother etc. By following such big responsibilities in the family, they are fully able to come out and do work for bright future of her own family and country.*

*Women play a great role in everyone's life without whom we can't even imagine the success of life. They are highly responsible for the successful continuation of life in the world. Earlier they were considered as only wives and mother who were meant for cooking, cleaning home and taking care of the whole family members alone. But now the condition has been improved a little bit, they have started taking part in many activities outside the domestic boundaries.*



# বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থা

**তৃষাৰাণী হাজৰিকা**
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

শিক্ষা হৈছে সমাজ পৰিৱৰ্তনৰ শক্তিশালী মাধ্যম, সভ্যতাৰ ধাৰক আৰু বাহক। শিক্ষা কোনো এটা জাতিৰ ৰাজহাড় স্বৰূপ, কোনো এখন দেশৰ শিক্ষা ব্যৱস্থাই দেশখনৰ উন্নতি তথা প্ৰগতিত মুখ্য ভূমিকা পালন কৰে। এগৰাকী ব্যক্তিৰ জীৱনত উপযুক্ত তথা গঠনমূলক শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰতিজন শিশুক এজন সুযোগ্য, সফল, সৎসাহসী ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ একোটা আসোঁৱাহমুক্ত আদৰ্শ শিক্ষা পদ্ধতি থকাতো বাঞ্চনীয়। য'ত এটি শিশুৱে শাৰীৰিক, মানসিক, আধ্যাত্মিক, নৈতিক আদি সকলো দিশৰ শিক্ষাৰে শিক্ষিত হ'ব পাৰে।

বৰ্তমান সময়ত আমাৰ ভাৰতবৰ্ষ তথা অসমৰ শিক্ষা ব্যৱস্থাটোৰ ওপৰত বিভিন্ন ধৰণৰ অভিযোগ সময়ে সময়ে উত্থাপিত হৈ আছে। এই অভিযোগসমূহৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ ওপৰত অত্যাধিক বোজা, মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত ছেমিষ্টাৰ পদ্ধতি, শিক্ষাৰ বাণিজ্যিকীকৰণ, প্ৰতিযোগিতামূলক তথা বৃত্তিমুখী শিক্ষা ব্যৱস্থা মাৰ্কিন আৰু গ্ৰেডিং ব্যৱস্থা ইত্যাদি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত আজিৰ শিক্ষা ব্যৱস্থা।

বৰ্তমান শিক্ষা ব্যৱস্থাৰ চাৰিওফালে কেৱল প্ৰতিযোগিতাৰ ঢৌ। 'নম্বৰ সৰ্বস্ব' শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰকৃত জ্ঞানৰ যোগান ধৰিব পাৰিছেনে? ই আমাৰ সন্মুখত এটা ডাঙৰ প্ৰশ্ন। বৰ্তমান সমাজত আমাৰ অভিভাৱকসকলেও শিশুসকলৰ আগ্ৰহৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি এফালৰ পৰা নৃত্য, গীত, চিত্ৰাংকন, বাদ্যযন্ত্ৰ, ক্ৰীড়া আদি সকলো দিশতে শিশুসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰিও আমাৰ সমাজত বহুজনৰ ধাৰণা এনেকুৱা হয় 'Go to a good school get a good job' কিন্তু এইখন সমাজৰ বহু ব্যক্তিৰ আধাতে শিক্ষা পৰিসমাপ্তি ঘটা স্বত্বেও নিজৰ প্ৰতিভাৰে সমাজত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। ক্ৰিকেটৰ ঈশ্বৰ শচীন তেণ্ডুলকাৰ, কপিলদেৱ, বক্সাৰ মেৰীকম, অভিনেতা আমিৰ খান আদিৰ জীৱনলৈ লক্ষ্য কৰিলেই এই কথা অনুধাৱন কৰিব পাৰি।

চৰকাৰে প্ৰণয়ন কৰা শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আইন ২০০৯ আঁচনিখনেও অসমৰ শিক্ষা ব্যৱস্থাত যথেষ্ট প্ৰভাৱ পেলাইছে। এই আইনখনেও কোনো শিশুক নিৰ্দিষ্ট শিক্ষাবৰ্ষত কোনো শ্ৰেণীৰ অনুত্তীৰ্ণ কৰি ৰখাই থ'ব নোৱাৰিব বা প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিব নোৱাৰিব। কিন্তু গভীৰ উদ্বেগৰ বিষয় ASER (Annual Status of Education Rebon) ত প্ৰকাশ পোৱা তথ্য মতে তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ ৪৬ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে কোনোমতে প্ৰথম শ্ৰেণীৰ পৰা পাঠ্যপুথি পঢ়ে। ২০ শতাংশই বিয়োগৰ অংক কৰিব পাৰে, ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ ৪২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে কোনোমতে দ্বিতীয় শ্ৰেণীৰ পাঠ পঢ়িব পাৰে। এই ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ চৰকাৰে উন্নতি কৰাৰ সলনি ধ্বংসহে কৰিছে বুলি ক'ব লাগিব।

সি যি কি নহওক, শেষত ইয়াকে ক'ব পাৰি যে শিক্ষাৰ দ্বাৰা এখন সমাজ নিকা নহয়। অৱশ্যে সমাজৰ নিকাকৰণৰ বাবে শিক্ষাৰ অপৰিহাৰ্যতা অস্বীকাৰ কৰিব নোৱাৰি। নিকা শিক্ষাৰ বাবে প্ৰয়োজন এখন নিকা সমাজ তথা এটা আসোঁৱাহমুক্ত নিকা শিক্ষা ব্যৱস্থা। নিকা সমাজ তথা এটা সু-শৃংখলিত শিক্ষা ব্যৱস্থাতহে প্ৰকৃত শিক্ষাই সমৃদ্ধি লাভ কৰে। অৰ্থাৎ সমাজ কল্যাণৰ বাবে শিক্ষা যিমানখিনি প্ৰয়োজন, সাৰ্থক শিক্ষাৰ বাবেও এখন সুস্থ সমাজক সিমানেই প্ৰয়োজন। আজিৰ সমাজ পৰিচালিত হৈছে বাহুবলৰ দ্বাৰা ধনবলৰ দ্বাৰা। ৰাজনীতিয়েও শিক্ষাক ৰাজনৈতিক স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিছে। গতিকে আজিৰ এই শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধিব লাগিব আমি ছাত্ৰ সমাজেই। ছাত্ৰ সমাজেই হৈছে দেশৰ ভৱিষ্যৎ। ছাত্ৰ জীৱনতেই আদৰ্শ স্থিৰ কৰি জীৱন গঢ়িব লাগিব। তেতিয়াহে দুৰ্নীতিমুক্ত এখন সমাজ তথা এই সু-শিক্ষা ব্যৱস্থা গঢ়ি তোলা সম্ভৱ হ'ব।

# *Tourism Industry in Assam Prospects, Problems and Remedies*

***Bikash Das***

*Assistant Professor, Department of Economics*

***Introduction:***

*Tourism means short term movement of the people to their favorite places outside the native places. In the ancient time it was considered as a hobby, but at the present time it is considered as a huge industry all over the world. Now a day, tourism is one of the fastest growing industries of the world. Assam is one of the most attractive tourist spots of the country. Tourism industry plays a vital role in the economy of the state.*

*Assam, the gateway of Northeast India is situated within the latitude $24^0$North to $28^0$ North and longitude $90^0$ East to $96^0$ East. The total geographical area of the state is 78,438 square Km and the total population is around 3.12 Cores. The state is divided into two parts namely Brahmaputra valley and Barak valley. Assam is well known for its natural resources. There are many attractive places in Assam which are identified as tourist hotspots of the state. However, many problems are being faced by the tourism sector in the state. These are geographical isolation, lack of government attention, poor transportation, lack of investment, natural calamities, political instability, terrorism etc. Although many problems are involved in the tourism industry of Assam, the state has a vast potentiality of income and employment generation in the state. Proper government initiatives should be taken by the government for promoting the tourism industry in the state, so that the economy of the state may grow through the tourism industry.*

***Prospects of Tourism Industry in Assam:***

*Assam, the gateway of Northeast India is well known for its unique natural beauty which includes different verities of flora and fauna available in the state, historical monuments, religious places, tea garden etc. It is a land inhabited by different ethnic groups and communities. Each community has their unique culture and traditional way living which are*



*another component of tourism in the state. Assam has a vast potentiality of tourism development based on which the economy of the state can be developed. The main components of tourism industry in Assam are national parks and sanctuaries, rivers and wetlands, forests, wildlife, cultural heritage sites, religious places, tea gardens etc. The tourism potentialities in the state can be divided into the following categories.*

***Wildlife Tourism:***

*Assam is famous for its colourful wildlife. Some exclusive species of wildlife are available in the forests of the state. The one-horned rhinoceros of the Kaziranga in Assam is world famous. Other exclusive species of wildlife found in the state are hollock gibbon, the pigmy hog, the golden cat, the golden monkey etc. There are five National Parks namely Kaziranga, Manas, Nameri, Orang and Dibru-Saikhowa in Assam which covers an area of 1561 square km. On the other hand, there are eleven wildlife sanctuaries in the state which covers an area of 493 square km. All these can make Assam as one of the most attractive tourist places of the world.*

***Nature Tourism:***

*Assam has a vast scope of nature tourism. The state is situated in the Indo-Burma biodiversity hotspots. Assam has a plenty of resources for developing nature tourism which include forests, flora and fauna, blue hills, waterfalls, national parks, bird sanctuaries etc. There are so many places of natural beauty in Assam where different species of rare animals and birds are found. If the tourism potentials of the state are fully utilized then it may be the backbone of the state economy within a few years.*

***Tea Tourism:***

*Assam is world famous for its tea. The state produces more than 50% of the country's total tea production. There are about 1000 tea gardens in Assam which are tremendous sources of natural beauty. The inhabitants of tea garden areas have a unique way of living. There unique culture, songs and dances are the centers of tourist attraction. The tourists from different places of the world visit the tea gardens of Assam to see the people and their colorful culture.*

***Cultural Tourism:***

*Assam is a land inhabited by different ethnic groups and tribes. Each ethnic group and tribe has their unique cultural heritage. According to the census 2001, there are 23 tribes in Assam. About 13% of the state's total population is occupied by the tribal communities. Each tribal community has their own customs, religious belief, language, culture, festivals, food habits, songs and dances which are the main sources of cultural tourism in the state. The Bihu festival celebrated by the people of Assam is another source of cultural tourism in the state.*

***Pilgrim Tourism:***

*Assam has a great prospect of developing the pilgrim tourism in the state. The religious places and the temples of Assam are the centre of pilgrim*



*tourism in the state. Kamakhya temple of Assam is one of the most attractive religious places of the country. About 1000 visitors visit the temple in every day. Kamakhya is well known for its Ambubachi Mela celebrated in the month of June. During the Ambubachi Mela more than 1 Lakh pilgrims come for pilgrimage. The other religious places of tourist attraction in the state are Barpeta, Batadrawa, Madan Kaamdev temple, Majuli etc. Majuli, the largest river island of the world is one of the most attractive tourism sposts in Assam. It is the nerve centre of Vaishnav Culture propounded by Shrimanta Sankardeva. The tourists from different countries of the world visit Majuli to see the Satras and the natural beauties of the river island. Thus Assam has a great prospect of pilgrim tourism based on these religious places.*

***Eco-Tourism:***

*Assam has a vast scope of eco-tourism based on its natural beauties and climatic conditions. The state has a vast potential of developing eco-friendly tourism as it is virtually free from industrial pollution. Its green forests, blue hills, enchanting rivers are the sources of eco-tourism in the state. However, some infrastructural facilities like good transport, good hotels for food and lodging, water sports equipments have to be developed for the development of eco-tourism industry in the state.*

***Problems of Tourism Industry in Assam:***

*Although Assam has a plenty of natural resources and tourism hotspots the tourism industry of the state is not well developed. There are many obstacles of developing the tourism industry in the state. These are as follows.*

***(i) Geographical Isolation:***

*Geographical isolation is the main reason responsible for the backwardness of the tourism industry in Assam. Assam is situated in the Northeastern part of India which is comparatively isolated from the other parts of the country. Geographical isolation stands as an obstacle to communicate the state with the other parts of the country. As a result, the state fails to popularize its tourism places.*

***(ii) Natural Calamities:***

*Assam is a heavily disaster effected zone of the country. Flood problem is an annual event in the state. Most of the tourism places in the state are affected by flood in every year. During the flood season it is very difficult for the tourists to visit the state. On the other hand, flood and other natural calamities like soil erosion, deforestation and drought bring thread to many tourism places of the state. For example, Majuli, the largest river island of the world situated in Assam is going to lose its identity due to the soil erosion problem. At present, the total area of Majuli is 352 square Km which was 1250 square Km in 1950.*



***(iii) Lack of Tourism Infrastructural Facilities:***

*To develop the tourism industry some infrastructural facilities are needed. These are hotels with food and lodging facilities for the tourists, good communication, clean and hygienic food, water sports equipments etc. These infrastructural facilities are not so developed in Assam. As a result, inspite of its huge potentialities the tourism industry in the state remains very backward.*

***(iv) Poor Transportation:***

*Poor transportation is another reason of underdevelopment of the tourism industry of Assam. Most of the places of tourist attraction in the state are situated in a long distance from the national highways. Moreover the communication system to these places is not so comfortable. Therefore the domestic tourists as well as the foreigners are not interested to visit the state.*

***(v) Lack of Government Attention:***

*Lack of government attention is another problem related with the tourism industry of Assam. The state government as well as the central government are totally failed to utilize the tourism potentialities of Assam. No any remarkable tourism policy is being adopted by the government in the state.*

***(vi) Terrorism:***

*Terrorism is a dangerous problem in Northeast India. Assam is also no exceptional. Now a days, kidnapping, killing, bandh, strikes curfew have become as common events in the state. Tourists from foreign countries and domestic tourists consider it very risky to travel the state. They think that they may be the target of the terrorists.*

***(vii) Absence Tourists guide:***

*Another problem related with the tourism industry of Assam is that the state does not have any trained tourists guide. It is very essential to have some tourists guide to popularize the components of tourism of a particular region. The government does not take any remarkable initiatives for training the tourist guide.*

***Suggestive Measures for Promoting Tourism Industry in Assam:***

*It is very essential to develop the tourism industry in Assam for socio-economic development of the state. With this regard the following suggestions are provided.*

*(i) A huge investment should be made by the government to eradicate the problem of geographical isolation. Besides, communication drawbacks should be removed from the state through proper investment policy.*

*(ii) The infrastructural facilities of tourism like good hotels and lodges, reliable communication facilities, hygienic food and water, water sports equipments should be developed to improve the tourism industry in Assam.*

*(iii) Government should make proper government tourism development policy to improve the tourism industry in the state.*

*(iv) Awareness of the people is very much needed to develop the tourist places of the state. Public awareness to develop the socio-economic condition and environmental atmosphere of the tourist places.*

*(v) Government as well as the inhabitants of Assam should make a joined effort to bring political stability in the state.*

*(vi) Proper initiatives should be taken by the government to train t to be the tourist guides. Some institutions or training centers should be set up and developed in the state.*

***Conclusion:***

*From the above analysis we may conclude that there is a vast scope of development of tourism industry in Assam. The state has a plenty of natural resources and beautiful places which may attract the attention of the foreigners as well as the domestic tourists. On the contrary, many problems are being faced by the tourism industry in the state which includes poor transportation, lack of infrastructure, natural calamities, geographical isolation, political instability etc. Inspite of these problems, Assam has a vast potentiality of economic development through the tourism industry. Proper initiatives should be taken by the government to develop the tourism industry, so that it may create income and employment opportunities in the state.*

# অসমত পৰ্যটন উদ্যোগৰ সম্ভাৱনা

**মনালিচা বৰুৱা**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ

অসমৰ জৈৱ বৈচিত্ৰ্য আৰু অৰণ্যাঞ্চলসমূহে পৰ্যটনৰ উদ্যোগৰ বিকাশ আৰু সাফলতাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ অনন্য প্ৰাকৃতিক সৌন্দৰ্য, প্ৰাণী আৰু উদ্ভিদ জগতৰ প্ৰাচুৰ্য আৰু বৈচিত্ৰ্যই ইয়াৰ পৰ্যটন উদ্যোগৰ মূল আধাৰ হোৱাৰ সম্ভাৱনা আছে।

একোটা উদ্যোগে এটা অঞ্চল বা এখন দেশৰ অৰ্থনীতি, সমাজ আৰু সংস্কৃতিক সামগ্ৰিকভাৱে গুৰুত্বপূৰ্ণ প্ৰভাৱত পেলাব পাৰে। বিশ্ব অৰ্থনীতিত এক অন্যতম দ্ৰুত সম্প্ৰসাৰিত উদ্যোগৰূপে স্বীকৃত পৰ্যটন উদ্যোগো ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটন উদ্যোগ সম্প্ৰতি চালুকীয়া অৱস্থাতে আছে যদিও অঞ্চলটোৰ অৰ্থনীতি, সমাজ আৰু সংস্কৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। উত্তৰ-পূৰ্বাঞ্চলৰ ভ্ৰমণ আৰু পৰ্যটনৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় যে এই অঞ্চলটো বৃটিছসকলৰ শাসনাধীন হোৱাৰ আগলৈকে ইয়ালৈ বহিৰাগত আগমন আৰু ভ্ৰমণ সীমিত আছিল। বৃটিছ শাসনকালত কাজিৰঙা বন্যপ্ৰাণী উদ্যান আৰু কামাখ্যা মন্দিৰে কিছুসংখ্যক পৰ্যটকক আকৰ্ষণ কৰিছিল। ১৯৫৮ চনত অসম চৰকাৰৰ পৰ্যটন বিভাগটো স্থাপিত হোৱাৰ পিছৰ পৰাই উত্তৰ-পূৰ্বাঞ্চলত সংগঠিত ৰূপত পৰ্যটনৰ কাৰ্যকলাপ আৰম্ভ হ'ল বুলিব পাৰি।

পৰ্যটনৰ ক্ষেত্ৰত কোনো এটা অঞ্চলে প্ৰগতি লাভ কৰাৰ মূলতে ঐতিহাসিক আৰু সাংস্কৃতিক উপাদানসমূহেও অন্যতম গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। শিৱসাগৰ, গড়গাঁও, চৰাইদেউ, নুমলীগড় ইত্যাদি ঠাইৰ লগত জড়িত ঘটনা প্ৰৱাহ আৰু কীৰ্তিচিহ্নসমূহে এই সমগ্ৰ অঞ্চলটোৰ বিভিন্ন সময়ৰ ইতিহাসৰ ওপৰত আলোকপাত কৰে। অসমৰ জৈৱ বৈচিত্ৰ্য আৰু অৰণ্যাঞ্চলসমূহে পৰ্যটনৰ উদ্যোগৰ বিকাশ আৰু সাফলতাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ অনন্য প্ৰাকৃতিক সৌন্দৰ্য, প্ৰাণী আৰু উদ্ভিদ জগতৰ প্ৰাচুৰ্য আৰু বৈচিত্ৰ্যই ইয়াৰ পৰ্যটন উদ্যোগৰ মূল আধাৰ হোৱাৰ সম্ভাৱনা আছে। উত্তৰ পূৰ্বাঞ্চলত পোৱা কেইবিধমান আপুৰুগীয়া বন্যপ্ৰাণী, পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ কাৰণে বনজ সম্পদসমূহক সুৰক্ষা দিবলৈ চৰকাৰে সময়ে সময়ে বিভিন্ন আইন প্ৰণয়ন কৰাৰ উপৰিও অন্যান্য কাৰ্য ব্যৱস্থা হাতত লৈ আহিছে। তেনে ব্যৱস্থা অনুসৰি অঞ্চলটোৰ অৰণ্যাঞ্চলসমূহৰ কিছুমান সুৰক্ষিত বনাঞ্চল, অভয়াৰণ্য, পক্ষী উদ্যান আৰু ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ প্ৰভাৱ সম্পৰ্কে পৰ্যালোচনা কৰি চালে এই কথা পৰিলক্ষিত হয় যে এই উদ্যোগে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশত কিছু অৰিহণা যোগাবলৈ সক্ষম হৈছে। পৰ্যটন ক্ষেত্ৰৰ পৰা আৰ্জিত ৰাজহ, মুদ্ৰাৰ গুণাত্মক ক্ৰিয়া আন্তঃগাথনিগত উন্নতি আঞ্চলিক উন্নয়ন আৰু ই সৃষ্টি কৰা বিভিন্ন কৰ্মসংস্থানে ইয়াৰ প্ৰমাণ বহন কৰে।

পৰ্যটন উদ্যোগে উত্তৰ-পূৰ্বাঞ্চলত চৰকাৰী ৰাজহ বৃদ্ধি কৰাৰ উপৰিও অৰ্থনীতিৰ অন্যান্য খণ্ডলৈও অৰিহণা যোগাইছে। পৰ্যটকসকলে ভ্ৰমণত থকা, খোৱা, মনোৰঞ্জন আদিত কৰা অৰ্থ ব্যয়ে পৰিবহণ আৰু যোগাযোগ মাধ্যম, হোটেল, ৰেষ্টুৰা আদিলৈ এক মুদ্ৰা প্ৰৱাহৰ সৃষ্টি কৰিছে। পৰ্যটনৰ এটা গুৰুত্বপূৰ্ণ অৰ্থনৈতিক অৱদান হৈছে কৰ্মসংস্থাপনৰ সৃষ্টি। পৰ্যটন উদ্যোগৰ বিকাশৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলতো ই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ভালেমান কৰ্মসংস্থানৰ সৃষ্টি কৰে। বিশেষকৈ বেচৰকাৰী খণ্ডত এনে নিয়োগৰ সুবিধা ক্ৰমাৎ বৃদ্ধি পাইছে।

গতিকে দেখা যায় যে উত্তৰ পূৰ্বাঞ্চলৰ দুৰ্বল আন্তঃগাঁথনিগত সা-সুবিধাই পৰ্যটন উদ্যোগক ক্ষতিগ্ৰস্ত কৰিলেও বহুক্ষেত্ৰত পৰ্যটনৰ প্ৰয়োজনীয়তাই আন্তঃগাঁথনিৰ উন্নয়নত প্ৰভাৱ পেলাইছে আৰু তাৰ ফলস্বৰূপে কিছুমান পৰ্যটনস্থলৰ আংশিক উন্নয়ন সম্ভৱপৰ হৈ উঠিছে। বৰ্তমান অসমত পৰ্যটকৰ সংখ্যা বৃদ্ধি কৰিবলৈ চৰকাৰেও বহুতো পদক্ষেপ হাতত লোৱা দেখা গৈছে।

# সমাজ জীৱনত ছাত্ৰ-ছাত্ৰীৰ
# ভূমিকা আৰু দায়িত্ববোধ

**তাজমিন চুলতানা**
স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

||

আৰম্ভণি ঃ

মানুহ সামাজিক প্ৰাণী। সমাজ বাদ দি কোনো সভ্য মানুহেই আজিৰ জগতত জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰে। আমি আমাৰ জীৱনটো উন্নতিৰ পথত আগুৱাই নিবলৈ হ'লে প্ৰত্যেকেই জনা উচিত যে প্ৰকৃততে আমিবোৰ কোন ? জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে আমাৰ কৰ্তব্যনো কি ? আমি যদি আমাৰ কৰ্তব্যসমূহ পাহৰি পশুৰ দৰে আচৰণ কৰোঁ, তেনেহ'লে আমি আমাৰ জীৱনত কেতিয়াও সফলতা অৰ্জন কৰিব নোৱাৰিম আৰু আমি মানুহ হিচাপে পৰিগণিত নহ'ম। লগতে আমাৰ দায়িত্বও লোপ পাব। মানৱ জীৱনত আমাৰ অন্তৰ্নিহিত শক্তিক সুস্থ আৰু সু-পৰিকল্পিতভাৱে পথ নিৰ্দেশ কৰি ভৱিষ্যৎ জীৱন যাপন কৰিব পৰাটোৱেই শিক্ষা। এই শিক্ষা আহৰণ কৰি ভৱিষ্যতে দেশ তথা জাতিৰ উন্নতিত বৰঙণি যোগাব পৰাটোৱেই ছাত্ৰৰ প্ৰকৃত সফলতা। সেয়া শিক্ষাৰো প্ৰকৃত উদ্দেশ্য। এই সত্যক ছাত্ৰসকলে বাস্তৱত পৰিণত কৰিবলৈ কেতবোৰ কৰ্তব্য আৰু নীতি-নিয়ম মানি চলাতো নিতান্তই প্ৰয়োজনীয়।

ছাত্ৰ সমাজৰ অংশ ঃ

ছাত্ৰসকলো সমাজৰে এটা বৃহৎ অংশ। প্ৰতিজন ছাত্ৰ সমাজৰ একো একোজন সদস্য, ভৱিষ্যতৰ নাগৰিক। জাতিৰ ভৱিষ্যৎ কৰ্ণধাৰ। সেয়েহে ছাত্ৰসকলে সমাজ বাদ দি সুকীয়া এখন সমাজৰ কল্পনা কৰিব নোৱাৰে আৰু সমাজেও ছাত্ৰ সমাজক বাদ দি সুকীয়া এখন সমাজৰ পৰিকল্পনা কৰিব নোৱাৰে। যিহেতু ছাত্ৰসকল সমাজত থাকিবই লাগিব, গতিকে সমাজৰ প্ৰতিও ছাত্ৰৰ কৰিবলগীয়া বহুখিনি আছে। ঘৰখনৰ কাৰণে যিদৰে চিন্তা কৰিব লাগিব, সেইদৰে সমাজখনৰ কাৰণেও চিন্তা কৰিবলগীয়া আছে।

ছাত্ৰ শব্দটোৰ লগত পিতৃ-মাতৃ, শিক্ষাগুৰু আৰু সমাজ, এই শব্দ তিনিটাৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। পিতৃ-মাতৃ, শিক্ষাগুৰু আৰু সমাজৰ প্ৰতি ছাত্ৰৰ গভীৰ দায়িত্ব আছে। পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা আৰু কৃতজ্ঞতা ছাত্ৰ এজনৰ মনত জীৱনৰ শেষ মুহূৰ্তলৈকে প্ৰৱাহিত হৈ থাকিব লাগে। পিতৃ-মাতৃৰ অবাধ্য হ'লে কোনো ছাত্ৰই জীৱনত সফলতা লাভ কৰিব নোৱাৰে। একেদৰে শিক্ষাগুৰুৰ মনত এজন ছাত্ৰৰ প্ৰতি যদি বেয়া ভাৱ সোমায় তেন্তে সেই ছাত্ৰজনে জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰে। যি ছাত্ৰ-ছাত্ৰীয়ে ঘৰৰ জ্যেষ্ঠজনৰ আদৰ্শ, পিতৃ-মাতৃৰ উপদেশবোৰ মানি চলাৰ লগতে তেওঁলোকক শ্ৰদ্ধা-ভক্তি কৰে তেন্তে সেই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ উজ্জ্বল নোহোৱাৰ কোনো কাৰণ নাই। যি পিতৃ-মাতৃৰ একাণপতীয়া প্ৰচেষ্টাত সুন্দৰ পৃথিৱীখনত আনন্দপূৰ্ণ জীৱন গঢ়িবলৈ পালে, সেই পিতৃ-মাতৃৰ প্ৰতি চিৰদিন কৃতজ্ঞ হৈ থাকিব লাগে। আজিৰ ছাত্ৰ-ছাত্ৰীৰ নৈতিক মূল্যবোধ অতি প্ৰয়োজন হৈ পৰিছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ গৰাহত পৰি মানৱীয় প্ৰমূল্যবোধ হেৰুৱাই মানুহে জীৱশ্ৰেষ্ঠ মানৱতাৰ নামত কলংক আনিছে। 'শ্ৰদ্ধাৱান লভতে জ্ঞানম' যিয়ে আমাক শিক্ষাদান কৰে তেওঁৰ প্ৰতি শ্ৰদ্ধা নাথাকিলে ছাত্ৰৰ শিক্ষা সম্পূৰ্ণ নহয়। সেইবাবে প্ৰতিজন ছাত্ৰৰ শিক্ষকৰ প্ৰতি অপৰিসীম ভক্তি থকা উচিত। কিন্তু বৰ্তমান সময়ত দেখা পোৱা গৈছে যে একাংশ ছাত্ৰ-ছাত্ৰীৰ শিক্ষকসকলৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা-ভক্তি হ্ৰাস পাইছে। শিক্ষকৰ প্ৰতি কৰ্তব্য

আৰু শ্ৰদ্ধাৰ মধুৰ সম্পৰ্কৰ বিষয়টোৱে আজি প্ৰাসংগিকতা হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। আজিৰ যুৱ প্ৰজন্মই বাটে-পথে শিক্ষাগুৰুসকলক ‘ছাৰ’ বুলি সম্বোধন কৰিবলৈও লাজ পায়। নিজৰ সামান্যতম উপাৰ্জন নথকা ছাত্ৰ তথা যুৱ প্ৰজন্মই অভিভাৱকৰ উপাৰ্জনেৰে ক্ৰয় কৰা মটৰ চাইকেলত গৈ থাকিলে নিজৰ শিক্ষক বা শিক্ষয়িত্ৰীগৰাকীক দেখিও নেদেখাৰ ভাও জুৰি গতিবেগ বঢ়াই আঁতৰি যোৱাহে পৰিলক্ষিত হয়।

ছাত্ৰ-ছাত্ৰীসকলে নিজ পিতৃ-মাতৃ, শিক্ষাগুৰু, সমনীয়া ব্যক্তিসকলৰ পৰা জ্ঞান আহৰণ কৰি নিজকে এখন সমাজৰ দায়বদ্ধ নাগৰিক বুলি বিবেচনা কৰি পৰিকল্পনা হাতত লৈ সমাজ সেৱামূলক কাম কিছু পৰিমাণে হ’লেও কৰিবৰ বাবে আগবাঢ়ি যোৱা উচিত। ছাত্ৰ অৱস্থাৰ পৰাই সমাজ সেৱাৰ বীজ অংকুৰিত হ’লে পৰৱৰ্তী জীৱনত সেই ছাত্ৰৰ পৰা দেশে মহৎ সেৱা পোৱাতো সত্যত পৰিণত হয়। যৌৱনৰ প্ৰাৰম্ভতে কলেজলৈ গৈয়েই একাংশ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কৰ্তব্যসমূহ পাহৰি গৈ নিজকে উটুৱাই দিয়ে ভোগ-বিলাস, কামনা-বাসনাৰ উত্তাল নদীখনত। পঢ়া-শুনাৰ প্ৰতি বেছি গুৰুত্ব দিয়াতকৈ দামী মটৰ চাইকেল আৰু দামী ম’বাইলটোতহে বেছি গুৰুত্ব দিয়ে। এটা দামী ম’বাইল আৰু এখন দামী মটৰ চাইকেল থাকিলেহে আন ল’ৰা-ছোৱালীতকৈ নিজকে উচ্চ বুলি ভাবে। তেওঁলোকে ভাবি নাপায় যে এই বিলাসী বস্তুবোৰতকৈ ভালদৰে পঢ়া-শুনা কৰি জ্ঞান লাভ কৰিলেহে তেওঁলোকে জীৱনত সফলতা লাভ কৰিব পাৰিব। কিছুমান নিম্ন মানসিকতাই যুৱ প্ৰজন্মক কোঙা কৰি পেলাইছে। পৰিৱৰ্তনৰ প্ৰক্ৰিয়া আমাৰ সকলোৰে কাম্য। কিন্তু প্ৰত্যেক কামৰে ভাল-বেয়া দুটা দিশ থাকে। আমি প্ৰতিটো দিশ চালি-জাৰি চাইহে আমাৰ গতিপথত বাট বুলিব লাগিব। বৰ্তমান নৈতিকতাৰ অভাৱত নৱপ্ৰজন্মৰ মাজত বিবেচনা শক্তি হ্ৰাস পাবলৈ ধৰিছে। বিবেচনা শক্তিৰ অভাৱত নৱ প্ৰজন্মই নানা জঘন্য কামত লিপ্ত হৈছে। সমাজ ব্যৱস্থাত ইয়াৰ বিৰূপ প্ৰভাৱ পৰাত বিশৃংখলতাৰ সৃষ্টি হৈছে।

**ছাত্ৰই কৰিব পৰা কাম ঃ**

ছাত্ৰৰ প্ৰধান ব্ৰত অধ্যয়ন। অধ্যয়নত ব্ৰতী হৈও সমাজৰ কল্যাণ সাধনত ছাত্ৰৰো মহৎ বৰঙণি যোগোৱাৰ বল আছে। সেয়ে সজভাৱে তেওঁলোক পৰিচালিত হ’ব লাগিব। অসম বানপানীৰ লীলাভূমি। অসমৰ বিভিন্ন ঠাইত প্ৰতি বছৰে বানপানী হৈ লাখ লাখ মানুহ গৃহহীন হয়। লাখ লাখ মানুহ খাদ্য সংকটত পৰে। লাখ লাখ মানুহে বানপানীত প্ৰাণ হেৰুৱাব লগা হয়। এনে দুৰ্যোগৰ সময়ত ছাত্ৰসকলে সেৱাৰ আদৰ্শ সন্মুখত ৰাখি সৰ্বহাৰাসকলক, দুৰ্গতসকলক নানাভাৱে সহায় কৰিব পাৰে। গাঁৱে-ভূএঃ, নগৰে-চহৰে গৈ দান-বৰঙণি সংগ্ৰহ কৰি পীড়িতসকলক খাদ্য, কাপোৰ আদি দি সহায় কৰিব পাৰে। ভোকত এমুঠি আহাৰ, পিয়াহত এটোপা পানী, জাৰত এখনি বস্ত্ৰ দি সহায় কৰিব পৰাতো এক মহৎ মানৱীয় কাম।

**(ক) দুৰ্যোগৰ সময়ত ঃ**

প্ৰাকৃতিক দুৰ্যোগ যেনে-প্ৰলয়ংকাৰী ধুমুহা, ভূমিকম্প, দুৰ্ভিক্ষ, অগ্নিকাণ্ড আদিয়ে কত মানুহৰ প্ৰাণ কাঢ়ে, কত মানুহ গৃহহীন হয়। তেনে দুৰ্যোগৰ সময়ত ছাত্ৰসমাজে তেওঁলোকৰ অপৰিসীম শক্তিৰে বিপদাপন্নসকললৈ সেৱা আগবঢ়াই দুৰ্গতসকলৰ অন্তৰত আশাৰ বন্তি জ্বলাব পাৰে। ছাত্ৰসকলে দান-বৰঙণিৰে সংগ্ৰহ কৰা সাহাৰ্য লৈ যেতিয়া বিপদাপন্নসকলৰ ওচৰত উপস্থিত হ’ব, তেতিয়া তেওঁলোকে এই ভৰসা পাব যে, বিপদত পৰিলে পৰিত্ৰাণ কৰিবলৈ তেওঁলোকৰ লগত এখন সমাজ আছে।

**(খ) সংগঠনমূলক কাম ঃ**

আমাৰ গাঁওবোৰৰ যাতায়াত ব্যৱস্থা তেনেই শোচনীয়। মানুহবোৰ স্বাস্থ্য ৰক্ষাৰ নীতি-নিয়মৰ প্ৰতিও উদাসীন। শিক্ষাৰ ক্ষেত্ৰতো একে। উন্নত প্ৰণালীৰ খেতি-বাতিৰ প্ৰতিও মুঠেই দৃষ্টি নাই। আজৰি সময়ত দলে-বলে গাঁৱলৈ গৈ গাঁওবাসীক একত্ৰিত কৰি হাতে-কামে পথ মেৰামতি কৰি দেখুৱাই সামূহিক কামৰো আভাস দিব পাৰে। ঘৰ-দুৱাৰ, আলি-পদূলি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত, শৌচাগাৰ আদিৰ ব্যৱহাৰ, খোৱা পানী বিশুদ্ধকৰণ, ৰন্ধা-বঢ়াৰ প্ৰণালী আদিৰ ওপৰতো যে স্বাস্থ্য ৰক্ষাৰ কথাতো নিৰ্ভৰ কৰে সেইবোৰ প্ৰত্যক্ষ উদাহৰণ দি ৰাইজক বুজাব পাৰে। মাজে-সময়ে নিৰক্ষৰ লোকসকলক একত্ৰিত কৰি আখৰ চিনাকি কৰি দিব পাৰিলে মানুহে শিক্ষাৰো মূল বুজিব। বৈজ্ঞানিক যুগত যন্ত্ৰৰ ব্যৱহাৰ আৰু উপযুক্ত সাৰ প্ৰয়োগেৰে কেনেদৰে তাকৰীয়া খেতিত সৰহ শস্য উৎপাদন কৰিব পাৰি সেই বিষয়ে ছাত্ৰসকলে ৰাইজক বুজাই দি সমাজখনক উদ্বুদ্ধ কৰি তুলিব পাৰে।

**(গ) সমাজ সংস্কাৰ ঃ**

সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰসমাজে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে। বিহু, তিথি-পাৰ্বন, উৎসৱ আদিত সহযোগিতা কৰি, ৰাইজৰ মাজত নতুন আদৰ্শ দাঙি ধৰিব পাৰে। মিলনৰ, একতাৰ সংহতিৰ আদৰ্শ দেখুৱাব পাৰে। সমবায়ৰ যুগ আৰম্ভ হৈছে পৃথিৱীত। বিদ্যালয়সমূহত সমবায়ৰ শিক্ষা দিয়া হৈছে। খেতি-বাতি, বেহা-বেপাৰ আদিৰ ক্ষেত্ৰত সমবায়ৰ ভূমিকাৰ বিষয়ে ছাত্ৰসকলে মানুহক বুজাই দি সন্মিলিত প্ৰচেষ্টাৰে সমাজৰ কেনেদৰে উন্নতি সাধন কৰিব পাৰে তাৰ আদৰ্শ ছাত্ৰসকলে দেখুৱাব পাৰে।

**সামৰণি ঃ**

মুঠতে ছাত্ৰ শক্তি একত্ৰিত হৈ, প্ৰৱল উৎসাহ-উদ্দীপনা, প্ৰেৰণা লৈ সমাজৰ সংগঠনমূলক কামত আগভাগ ল’ব লাগিব। সেৱাৰ মনোভাৱেৰে মানুহৰ মাজলৈ আগবাঢ়ি যাব লাগিব। তেতিয়া সমাজেও উৎসাহ পাব, প্ৰেৰণা পাব আৰু ছাত্ৰ শক্তিৰ নেতৃত্বৰ মহৎ কাৰ্য সম্পাদনৰ পথত জীৱন উছৰ্গি আগবাঢ়ি যাব।

এইক্ষেত্ৰত ছাত্ৰসমাজৰ পথ প্ৰদৰ্শক সকলৰো দায়িত্ব অসীম। ছাত্ৰসমাজক ভুল পথেৰে, ভুলভাৱে পৰিচালিত কৰাৰ পৰিণাম গুৰুতৰ। ছাত্ৰসমাজৰ স্বতঃস্ফূৰ্ত জীৱনী শক্তিক, কৰ্ম প্ৰেৰণা, গতিক আৰু সৃজনী প্ৰতিভাক অতিশয় সাৱধানে পৰিচলানা কৰা উচিত। ই অবাটে যাব লাগিলে জাতিৰ, সমাজৰ, দেশৰ বিৰাট আৰু অপূৰণীয় ক্ষতি হ’ব।



দুৰ্নীতি বৰ্তমান সমাজৰ কাৰণে অভিশাপ স্বৰূপ হৈ পৰিছে। দুৰ্নীতিৰ কাৰণেই সমাজৰ অৱক্ষয়; দুৰ্নীতিৰ কাৰণেই সমাজৰ পতন। দুৰ্নীতিও বহুতৰ কাৰণে এটা নীতি হৈ পৰাৰ দৰে হৈছে। দুৰ্নীতিৰ দৰে আমাৰ সমাজৰ কাৰণে প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে সামাজিক আৰু সাংস্কৃতিক অৱক্ষয়। সমাজ-সংস্কৃতিত এনেবোৰ কাৰকে গা কৰি উঠিছে যে ই আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি ভাবুকিস্বৰূপ হৈ পৰিছে। সমাজৰ পৰম্পৰাগত এনাজৰীডাল যেন শিথিল হৈ পৰিছে। সমাজ তথা দেশ এখনৰ মূল ৰাজহাড়স্বৰূপ যুৱ প্ৰজন্মৰ মাজত দুৰ্নীতি বিষয়টোৱেনো কি ধৰণৰ চিন্তা-চেতনাৰ জাগ্ৰত কৰিছে বা যুৱ সমাজেনো দুৰ্নীতিক কিদৰে লৈছে আৰু সমাজিক-সাংস্কৃতিক অৱক্ষয়ৰ প্ৰতি তেওঁলোকৰ ভাৱ-ধাৰণা কিধৰণৰ -সেই চিন্তাৰ সূত্ৰপাততে এই প্ৰবন্ধলানিৰ সৃষ্টি...

তেনেক্ষেত্ৰত এই শাসনত জড়িত প্ৰতিজন ব্যক্তিৰে থাকিব লাগে উচ্চ মানসিকতা, শুদ্ধ পৰিচালনা আৰু দেশপ্ৰেমৰ তেজ। বৰঞ্চ এই শাসনৰ বেছিভাগ লোকৰ মাজতে দেখা যায় দুৰ্নীতিৰ বেহা-বেপাৰ, স্বাৰ্থলোভী মনোভাৱ।

# দুৰ্নীতি ৰোধ কৰাত যুৱ প্ৰজন্মৰ ভূমিকা

**পলি বৰুৱা**
স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

কোনো নীতিৰ বিপৰীতে গৈ সমাজৰ উন্নতিত বাধা জন্মোৱাটোৱেই হৈছে দুৰ্নীতি। বৰ্তমান এই দুৰ্নীতিত ভৰ দিয়েই চলিছে সমাজ ব্যৱস্থা। দুৰ্নীতিৰ অবিহনে যেন স্তব্ধ হয় চৌপাশৰ বতাহ, উশাহ। বৰ্তমান সকলো ক্ষেত্ৰতে, সকলো স্তৰৰ মানুহৰ মাজতে দুৰ্নীতি পৰিলক্ষিত হয়। ঠিক যদি পৃথিৱীলৈ অহা এটি নৱজাতকক উদাহৰণ হিচাপে লওঁ, তেতিয়া ক'ব পাৰি যে নৱজাতক জন্ম হৈ ডাঙৰ-দীঘল হোৱা ঘৰখনত চলে দুৰ্নীতি। শিশুটিৰ চুবুৰীয়া মানুহবোৰৰ মাজত থাকে দুৰ্নীতি। দুদিন পিছত যেতিয়া এখন বিদ্যালয়লৈ শিশুটিক জ্ঞান আহৰণৰ বাবে পঠিওৱা হয়, তাতো শিশুটিয়ে বিচাৰি উলিয়ায় দুৰ্নীতি। আজি অমুকটো বিষয়ে শিশুটিৰ মনস্তত্বক আঘাত সানে, দ্বিতীয় দিনা তমুকটো বিষয়ে আৰু এইদৰেই প্ৰতি সময়তে দুৰ্নীতিৰ সৈতে খাপ খাব জনা হৈ পৰে আজিৰ নৱ প্ৰজন্ম।

দুৰ্নীতি যিহেতু নিজে নিজে উদ্ভৱ হোৱা এটা বিষয় নহয়, ই সৃষ্টি হয় মানুহৰ দ্বাৰাই আৰু ইয়াৰ বাবে দায়ী হ'ল প্ৰধানকৈ দেশ এখনৰ হাতত থকা ব্যক্তিসকল, যিসকলে ৰচনা কৰে আৰু পৰিচালনা কৰে জনসাধাৰণ চলোৱা নীতি। তেওঁলোকৰ হাতত থাকে দেশ এখনৰ ভৱিষ্যৎ, প্ৰতিজন নাগৰিকৰ ভৱিষ্যৎ। তেনেক্ষেত্ৰত এই শাসনত জড়িত প্ৰতিজন ব্যক্তিৰে থাকিব লাগে উচ্চ মানসিকতা, শুদ্ধ পৰিচালনা আৰু দেশপ্ৰেমৰ তেজ। বৰঞ্চ এই শাসনৰ বেছিভাগ লোকৰ মাজতে দেখা যায় দুৰ্নীতিৰ বেহা-বেপাৰ, স্বাৰ্থলোভী মনোভাৱ। যাৰ উজ্জ্বল স্বৰূপ প্ৰতিদিনে পৰিস্ফুট হয় পুৱাৰ বাতৰি কাকতখনত, টি.ভি.ৰ

পৰ্দাত। যিসকল বিষয়া-কৰ্মচাৰীৰ তথা চৰকাৰৰ ওপৰত চলে দেশৰ নীতি, সেইসকল গণ্য-মান্যক প্ৰায় সময়ত দেখা যায় বিৰোধীৰ কথাৰ কটাকটি কৰা দুৰ্নীতিত। লাগিলে সত্যাসত্য বহু দূৰৰে কথা।

যি কি নহওক, বৰ্তমান অবাধ গতিত বাঢ়ি থকা দুৰ্নীতি ৰোধ কৰাত যুৱ প্ৰজন্মৰ ভূমিকাই হ'ব লক্ষণীয়। যিহেতু বহু যুৱ প্ৰজন্মই খোজে খোজে অনুভৱী দুৰ্নীতিৰ কবলত। সেইয়ে, এইয়াই চূড়ান্ত সময় দুৰ্নীতি ৰোধৰ। এতিয়াৰ প্ৰজন্মই যদি ইয়াৰ উচিত ব্যৱস্থা নলয়, তেতিয়াহ'লে ভৱিষ্যতৰ সমাজত দুৰ্নীতিয়েই হ'ব আমাৰ নীতি। সমাজখনে সলাব শুদ্ধতাৰ ৰং, চিৰদিনৰ বাবে।

এইক্ষেত্ৰত নৱ প্ৰজন্ম তথা যুৱ প্ৰজন্মৰ প্ৰধান ভূমিকা হ'ব সত্যৰ মুখামুখি হোৱাৰ, সত্যক প্ৰতিষ্ঠা কৰা আৰু যুৱ প্ৰজন্মৰ এক সবল সুস্থ নৱজাগৰণৰ সৃষ্টি কৰা। প্ৰথম আৰু প্ৰধান কাম হ'ব লাগিব বৰ্তমানৰ অদূৰদৰ্শী শিক্ষানীতি আৰু এই শিক্ষাৰ অনাকাংক্ষিত ভৱিষ্যতৰ ওপৰত সকলোকে সজাগ কৰা আৰু এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰাত। কাৰণ উচিত শিক্ষাইহে গঢ় দিব পাৰে সবল নাগৰিকৰ, উচ্চ চিন্তাৰ, প্ৰবল মানসিকতাৰ। লক্ষণীয় যে দেশৰ শৈক্ষিক মানৰ বাৰ্ষিক প্ৰতিবেদন 'এনুৱেল ষ্টেটাচ অৱ এডুকেচন ৰিপৰ্'ট' অনুসৰি অসমৰ গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহে ভৱিষ্যৎ

এইক্ষেত্ৰত নৱ প্ৰজন্ম তথা যুৱ প্ৰজন্মৰ প্ৰধান ভূমিকা হ'ব সত্যৰ মুখামুখি হোৱাৰ, সত্যক প্ৰতিষ্ঠা কৰা আৰু যুৱ প্ৰজন্মৰ এক সবল সুস্থ নৱজাগৰণৰ সৃষ্টি কৰা। প্ৰথম আৰু প্ৰধান কাম হ'ব লাগিব বৰ্তমানৰ অদূৰদৰ্শী শিক্ষানীতি আৰু এই শিক্ষাৰ অনাকাংক্ষিত ভৱিষ্যতৰ ওপৰত সকলোকে সজাগ কৰা আৰু এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰাত।




প্ৰজন্মক সঠিক ৰূপত গঢ় দিবৰ বাবে যি ভেটি স্থাপন কৰাতো প্ৰয়োজন, সেয়া অতি হতাশাজনক। ইয়াৰ প্ৰধান কাৰণ হৈছে দপ্তৰত থকাসকলৰ দুৰ্নীতিবলীয়া নীতি। উদাহৰণস্বৰূপে শিক্ষাৰ মান উন্নত কৰিবলৈ যি অৰ্হতাসম্পন্ন, দায়বদ্ধ শিক্ষকৰ প্ৰয়োজন, সেই ব্যাখ্যা নিষ্প্ৰয়োজন। কিন্তু এনে অৰ্হতা প্ৰদান কৰিব পৰা শিক্ষানুষ্ঠান অসমত পৰ্যাপ্ত পৰিমাণে গঢ়ি উঠাতো অত্যন্ত প্ৰয়োজন আছিল। ঠিক একেদৰেই শিক্ষাৰ সকলো স্তৰতে আসোঁৱাহ কেৱল আসোঁৱাহ। মুঠতে প্ৰাথমিকৰ পৰা উচ্চ স্তৰলৈ আছে বহু কেৰোণ।

দ্বিতীয়তে, নিবনুৱা সমস্যা অসমৰ এটা প্ৰধান সমস্যা। চৰকাৰে শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰ্যাপ্ত নিয়োগৰ ব্যৱস্থা কৰিব নোৱাৰাৰ ফলত সমাজখনত দিনক দিনে উচ্চ শিক্ষিত নিবনুৱাৰ হাৰ বৃদ্ধি পাই গৈ আছে। চৰকাৰী পক্ষৰ বাবে সকলোকে নিয়োজিত কৰা সম্ভৱপৰ নহয়। উদ্যোগৰ উপস্থিতিয়ে একোটা অঞ্চলৰ সামগ্ৰিক বিকাশত সহায়ক হয়। গতিকে উদ্যোগীকৰণ বা বাণিজ্যিকীকৰণ নীতিৰ বিৰোধিতা কৰাসকলেহে বুজি উঠা দৰকাৰ যে উদ্যোগ আৰু বাণিজ্যৰ প্ৰসাৰেহে নিয়োগৰ সম্ভাৱনীয়তা বৃদ্ধি কৰি সমাজৰ নিবনুৱা সমস্যা লাঘৱ কৰিব পাৰিব।

তৃতীয়তে, সকলো সময়তে নৱ প্ৰজন্মৰ তেজ উত্তেজিত কৰা এটা ঘটনা হৈছে আমাৰ সমাজৰ নাৰীসকলক কৰা অৱমাননা আৰু অত্যাচাৰ। বৰ্তমান প্ৰতিদিনে হ'বলৈ ধৰিছে কিশোৰী ধৰ্ষণৰ ঘটনা। কিন্তু আমাৰ আইনী ব্যৱস্থা ইমানেই চকুমুদা কুলি যে কোনো এটা ধৰ্ষণৰ ঘটনাৰ দোষীৰ ক্ষেত্ৰত আজিপৰ্যন্ত এটা উচিত শাস্তিৰ ঘোষণা হোৱা নাই। হাতে হাতে শ্ল'গান, দল-সংগঠনৰ দাবী, নৱ প্ৰজন্মৰ দাবীৰ পিছতো আইনে দিবপৰা নাই এজন অপৰাধীকো ফাঁচীৰ দৰে শাস্তি। এয়াই আমাৰ সমাজ। নাৰীসকলৰ প্ৰতি কৰা অৱজ্ঞা, অত্যাচাৰৰ নিৰ্লজ্জ ৰূপ।

মুঠৰ ওপৰত দুৰ্নীতিয়ে ভৰিৰ নখৰ পৰা চুলিৰ গুৰিলৈকে শিপালে। এতিয়া দুৰ্নীতিক হাতত ধৰি ধৰিয়ে আমি বাট বুলিছোঁ। কিন্তু যুৱ প্ৰজন্মক এই সমূহ ঘটনা-পৰিঘটনাই কষ্ট দিয়ে। ডেকা তেজৰ জোৱাৰ আনে। ইচ্ছা আমাৰ প্ৰবল। সলাম আমি আমাৰ ব্যৱস্থা। গঢ়ি তুলিম সৰ্বাংগীন সুন্দৰ সমাজ ব্যৱস্থা। আকৌ গা ধুৱাই ৰূপহীজনী কৰি তুলিম অসমী আইক। এনে দৃষ্টিভংগীৰে প্ৰতিগৰাকী যুৱ প্ৰজন্ম আগবাঢ়িলে হয়তো সমাধান হ'ব দুৰ্নীতিৰ দৰে সমাজ ধ্বংসকাৰী সমস্যাৰ। অন্ত পৰিব এটা ক'লা অধ্যায়। এই ইচ্ছাৰে অতি কষ্টেৰে আৰু সাহসেৰে, সুস্থ আৰু সবল মানসিকতাৰে আগুৱাই যোৱাটোৱেই হ'ব নৱপ্ৰজন্মৰ মূল দায়িত্ব।

অধ্যয়ন কৰি থাকিলেও আজৰি সময়ত, বন্ধৰ দিনত সমাজৰ অন্যান্য ব্যক্তিৰ লগতে হাত উজান দি সামাজিক উন্নয়ন কাৰ্যত সমাজক সহায় কৰিব পাৰি।

# দুৰ্নীতি ৰোধ কৰাত যুৱপ্ৰজন্মৰ ভূমিকা

**মনালিচা বৰুৱা**
স্নাতক পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিভাগ

মানুহ সামাজিক প্ৰাণী। সমাজ বাদ দি মানুহে সুস্থ, উন্নত আৰু আনন্দ-সমুজ্জ্বল জীৱন যাপন কৰাতো কল্পনা কৰিব নোৱাৰে। যুৱ প্ৰজন্ম সকলো সমাজৰে একোটা অংগ। গতিকে সমাজৰ প্ৰতিও ছাত্ৰসকলৰ কৰ্তব্য আছে। অধ্যয়ন কৰি থাকিলেও আজৰি সময়ত, বন্ধৰ দিনত সমাজৰ অন্যান্য ব্যক্তিৰ লগতে হাত উজান দি সামাজিক উন্নয়ন কাৰ্যত সমাজক সহায় কৰিব পাৰি।

যুৱ প্ৰজন্মই দেশৰ ভৱিষ্যৎ নাগৰিক, দেশৰ গুৰি ধৰোঁতা, জাতিৰ মেৰুদণ্ড, সেইবাবে উপযুক্ত নাগৰিক হিচাপে জীৱন গঢ়ি তুলিবলৈ অনুশীলন কৰিব লাগে। আনহাতেদি ছাত্ৰ-শক্তি, পৃথিৱীৰ এনে এটা বৃহৎ শক্তি, যাৰ প্ৰভাৱত দেশৰ শাসনতন্ত্ৰ সলনি হ'ব পাৰে। এটম বোমাই, আণৱিক শক্তিয়ে যি কাৰ্য সাধন কৰিব নোৱাৰিলে সেই কাৰ্য ছাত্ৰৰ সন্মিলিত আঙুলিৰ চিয়াৰত মুহূৰ্ততে সম্ভৱ হৈ উঠিব পাৰে। এই মহান শক্তি ছাত্ৰসকলে কল্যাণকামী ৰাষ্ট্ৰ এখনৰ জনগণৰ কল্যাণৰ কাৰণে প্ৰয়োগ কৰিলে দেশে দ্ৰুততৰভাৱে উন্নয়নৰ পথত অগ্ৰসৰ হ'ব পাৰে। গতিকে ছাত্ৰশক্তিয়ে সুচিন্তাৰে, সুপৰিকল্পিতভাৱে সমাজৰ কল্যাণমূলক কামতো আগভাগ লোৱা উচিত।

ৰাজনীতি শব্দটো দুৰ্নীতি শব্দটোৰ সৈতে প্ৰায় একে। ৰাজনীতি শব্দটোৰ অৰ্থ হৈছে ৰাজশাসনৰ যি নীতি। একেদৰে বৰ্তমান গণতান্ত্ৰিক সমাজ ব্যৱস্থাত এনেধৰণৰ ৰজাৰ শাসন ব্যৱস্থা নাই যদিও ঠিক একেধৰণৰ শাসন নীতিৰ জৰিয়তে ৰাষ্ট্ৰ এখন পৰিচালনা হোৱা দেখা যায়। বৰ্তমান সময়ত এই ৰাজনীতি শব্দটোৰ পৰিসৰ অতি ব্যাপক হৈ পৰিছে। বিভিন্ন সংগঠনসমূহে ৰাষ্ট্ৰ পৰিচালনাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নোহোৱাকৈ ৰাষ্ট্ৰ সম্পৰ্কীয় যিবোৰ চিন্তা-চৰ্চা কৰে তাকো ৰাজনীতি বুলিয়েই ধৰা হয়। আজিকালি এই ৰাজনীতি তথা ৰাষ্ট্ৰ নীতিৰ যি বহিঃপ্ৰকাশ সি হৈ পৰিছে এক লোভ, ক্ৰুৰতাৰে ভৰপূৰ এক পদ্ধতি। একে সময়তে ক'বলৈ গ'লে দেশ এখনৰ ছাত্ৰসকল একোখন ভৱিষ্যৎ সমাজৰ প্ৰতীকস্বৰূপ। যিদৰে এই যুৱ প্ৰজন্মৰ দ্বাৰাই একোখন সুস্থিৰ

ভৱিষ্যৎ সমাজ গঢ়ি উঠিব পাৰে। এই ছাত্ৰ বা যুৱ প্ৰজন্মৰ মাজতে লুকাই থাকে একো একোটা সুপ্ত প্ৰতিভা। যাৰ সহায়ত যুৱ প্ৰজন্ম আৰু ৰাজনীতিৰ সম্পৰ্কৰ দিশটোৱে ভৱিষ্যৎ দিশে আগুৱাই নিয়াত সহায় কৰে।

ৰাজনীতি আৰু যুৱ প্ৰজন্মৰ সু-সম্পৰ্কতে দেশ এখনৰ সকলো কথা চালি-জাৰি চোৱা যায়। সমাজৰ পৰিৱৰ্তিত প্ৰেক্ষাপটত কেৱল অধ্যয়নক লৈ যুৱ প্ৰজন্ম ব্যস্ত থাকি সামাজিক, সাংস্কৃতিক দিশত চকু মুদা কুলি হৈ থাকিলে নহ'ব। তেওঁলোক হ'ব লাগিব এক নতুন চেতনাৰ বাহক, যি হ'ব দেশ, কাল, স্বদেশ, স্বজাতিৰ প্ৰতি দায়বদ্ধতাৰ অন্যতম প্ৰেৰণাৰ উৎস।

সাম্প্ৰতিক কালত সমগ্ৰ দেশতেই দুৰ্নীতিয়ে ছানি ধৰিছে। প্ৰাচীন ঐতিহ্য পৰম্পৰাগত পদ্ধতি আৰু সামাজিক আদৰ্শৰ অপমৃত্যু ঘটিছে। দেশৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষা, প্ৰশাসন ইত্যাদি সকলো স্তৰতে দুৰ্নীতিয়ে আৱৰি ধৰিছে।

আমাৰ শিক্ষা ব্যৱস্থাত নৈতিকতা আৰু চৰিত্ৰ গঠনৰ শিক্ষা দিয়াৰ কোনো ব্যৱস্থা নাই। বৰ্তমান সমাজৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰম প্ৰস্তুত নকৰা বাবে শিক্ষা পৰিসমাপ্তিৰ পিছত নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে আৰু কৰ্মসংস্থাপনৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকলে দুৰ্নীতিৰ আশ্ৰয় লোৱাতো পৰিলক্ষিত হয়। বৰ্তমান সমাজত দুৰ্নীতি আৰু অপ-সংস্কৃতিৰ প্ৰকোপ চৰিছে। সমাজৰ দুৰ্নীতিগ্ৰস্ত মানুহক অধিক প্ৰাধান্য দিয়াৰ ফলত তেওঁলোকৰ দৌৰাত্ম্য বাঢ়িছে। এনেদৰে সামাজিক পৃষ্ঠপোষকতাতে দুৰ্নীতিগ্ৰস্ত লোকে সমগ্ৰ সমাজখনকে দুৰ্নীতিৰ অটল গহ্বৰলৈ ঠেলি দিছে। চৰকাৰৰ নানা বিভাগত কাৰ্য নিৰ্বাহ কৰি থকা দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীসকলৰ বিৰুদ্ধে কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা নোলোৱাত দুৰ্নীতিৰ প্ৰৱণতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। দ্ৰুতগতিত বৃদ্ধি পোৱা জনসংখ্যাৰ বিস্ফোৰণো দুৰ্নীতিৰ আন এটা কাৰণ। নিবনুৱা সমস্যাৰ বৃদ্ধিৰ ফলত যুৱ সমাজ দুৰ্নীতিত লিপ্ত হৈছে। জনসাধাৰণৰ মাজত প্ৰভাৱ বিস্তাৰ কৰা নিৰক্ষৰতাই দুৰ্নীতিৰ সম্প্ৰসাৰণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। যেতিয়ালৈকে জনসাধাৰণক শিক্ষিত কৰি তুলিব নোৱাৰি, তেতিয়ালৈকে দুৰ্নীতি নিৰ্মূল সম্ভৱ নহয়। জনসাধাৰণৰ নিৰক্ষৰতা আৰু নিস্পৃহতাৰ সুযোগৰ সৎ ব্যৱহাৰ কৰি কিছুমান বিষয়া-কৰ্মচাৰী, ঠিকাদাৰ, ৰাজনৈতিক কৰ্মী আদি দুৰ্নীতিত লিপ্ত হৈছে আৰু তাৰ ফলত সমাজৰ আৰ্থ-সামাজিক উন্নয়ন মন্থৰ হৈ পৰিছে। দেশৰ আৰ্থ-সামাজিক উন্নয়ন, জনমূৰি আৰু জাতীয় আয় বৃদ্ধিৰ বাবে দেশখনকো সকলো দিশতে দুৰ্নীতিমুক্ত কৰিব লাগিব। চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ বাবে অনুমোদিত ধনৰাশিৰ সৰহসংখ্যক ধনেই দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী আৰু বিষয়াৰ দ্বাৰা গ্ৰাস কৰাৰ বাবেই দেশৰে লগতে সামগ্ৰিক বিকাশ আজিও স্থবিৰ হৈ আছে। আনকি এম.পি., এম. এল. এ আদিৰ সমষ্টি উন্নয়ন পুঁজিৰ ধনসমূহো উপযুক্ত পৰিকল্পনা আৰু দক্ষতাপূৰ্ণ কৰ্মীৰ অভাৱত দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ উদৰস্থ হৈছে। এনে লোকৰ জাতীয় চেতনা সামাজিক দায়িত্ববোধ অতিশয় সীমিত হোৱা বাবে তেওঁলোক নিজৰ উদৰ পূৰণৰ বাহিৰে দেশ আৰু দহৰ চিন্তাত মনোনিবেশ কৰিবলৈ আহৰি নাপায়। দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীসকলৰ মাজত বিলাসী জীৱন-যাপনৰ প্ৰতিযোগিতা আৰম্ভ হোৱাত তেওঁলোকে স্বাৰ্থপূৰণৰ বাবে অসৎ পথেৰে ধন উপাৰ্জনত মনোনিবেশ কৰিবলৈ প্ৰয়াস কৰিছে। চৰকাৰে এনে দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ আয়ৰ উৎসৰ সন্ধান কৰি তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এইক্ষেত্ৰত যুৱ প্ৰজন্মই বিশেষ ভূমিকা ল'ব পাৰে।

সুস্থ সামাজিক পৰিৱেশ গঢ় লৈ উঠে একোজন সুস্থ, সবল ব্যক্তি তথা শক্তিশালী যুৱ প্ৰজন্মৰ ভেটিতহে। যদি সেয়ে নহয় তেন্তে ছাত্ৰসমাজৰ উচ্ছৃংখলতাই সামাজিক পৰিৱেশ দূষিত কৰি তোলে। মাজে মাজে কিছুমান পৰিয়ালৰ মাজত দেখা দিয়া যুৱক-যুৱতীসকলক লৈ হোৱা অশান্তি আৰু অস্থিৰতাই তথা কাণ্ডজ্ঞানহীনতা আৰু স্থূল চিন্তাই সমাজৰ নানা অপকাৰ সাধন কৰে। সেয়ে ছাত্ৰসকল হ'ব লাগিব সম্পূৰ্ণ মানসিকভাৱে সুস্থ আৰু সবল চিন্তাশক্তিৰ পৰিচায়ক।

আচল কথাত ক'বলৈ গ'লে ছাত্ৰ বা যুৱ প্ৰজন্ম আৰু ৰাজনীতিৰ সু-সম্পৰ্ক থাকিলেও যিমানদূৰ সম্ভৱ পাৰি ছাত্ৰগোটসমূহে ৰাজনৈতিক দলসমূহৰ পৰা আঁতৰি থাকি তেওঁলাকে সমাজৰ হকে কাম কৰি যাবলৈ আৰু অভিভাৱকসকল সদা সতৰ্ক, সৎ দিহা-পৰামৰ্শ প্ৰদান কৰি ছাত্ৰগোটসমূহক আগুৱাই যাবলৈ প্ৰেৰণা যোগাব লাগে।

ৰাজনীতিবিদসকল গঢ় লৈ উঠে ছাত্ৰজীৱনক প্ৰাৰম্ভিক ভেটি হিচাপে লৈ। এইক্ষেত্ৰত ছাত্ৰসমাজে সদা সচেতন হৈ কাম কৰি যাব লাগে যাতে সমাজ জীৱনত তথা তেওঁলোকৰ জীৱনত ৰাজনীতিয়ে কোনো ধৰণৰ কু-প্ৰভাৱ নেপেলায়। এহাতে ছাত্ৰ জীৱনৰ ভৱিষ্যতক লৈ ৰাজনীতিত নামিলে কোনোদিনে শিক্ষাৰ সঠিক দিশত উপনীত হ'বলৈ ছাত্ৰসমাজে আহৰি নাপাব। সেয়ে সময় থাকোতে ৰাজনীতিৰ দৰে এক কুচক্ৰৰ বলি নহৈ সকলো ছাত্ৰসমাজে অধ্যয়নৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব লাগে।

বহুতে হয়তো এইক্ষেত্ৰত সহমত দিব পাৰে যে ৰাজনীতিলৈ ছাত্ৰসমাজক টানি অনাতো অতি গুৰুত্বপূৰ্ণ কাৰণ ছাত্ৰসমাজক মূল ভেটি তথা তেওঁলোকক হাতৰ হেতালি হিচাপে লৈ ৰাজনীতি কৰিলে ৰাজনীতিত সফল হ'ব পাৰি।

*Assam is predominantly agrarian. Being an important source of income and the main source of employment, agriculture is the back bone of the economy. As per 2011 census, around 85 per cent of rural people of Assam directly or indirectly depend on agriculture sector. But due to significant expansion of tertiary sector, the share of primary sector in GSDP has been decreasing over time. Moreover, the dependence on agriculture is expected to shrink in the near feature, reflecting decreasing population growth rates and shifting of labour towards manufacturing and service.*

*Table 1 shows that the shares of primary and secondary sectors of the state have been declining over the years. Starting from 2005-06 when the contributions of the primary and secondary sectors to GSDP were 25.4 per cent and 25.7 per cent respectively, by 2011-12, their shares fell down to 22.4 per cent and 21.9 per cent respectively. In the same period, the relative contribution of primary sector to GDP of the country declined from 21 per cent to 16 per cent while the relative contribution of the secondary sector remained almost the same at 25 per cent.*

*Agriculture in Assam is traditional in nature characterized by low crop intensity, small landholdings, dependence on rain and low productivity. Agricultural activities being seasonal in nature, many rural people remain unemployed during the off-season. Owing to the slow rate of mechanization and irrigation facilities, Assam's agricultural productivity in terms of both food and non-food crops is lower than the all-India average. The agricultural sector of the state grew at 6.43 per cent in 2011-12. Owing to rapid increase of rural labour force and lack of adequate job opportunities, the numbers of ancillary labourers have rapidly grown. These subsidiary labourers who are only partly absorbed in agriculture, are in fact underemployed. They appear to be employed, but in terms of productivity or the labour time spent on agricultural work, they are underemployed. However, the agricultural labourers work only in the time of showing and harvesting. Most of the people in the state are cultivate only kharif crops*

**Table 1**
**Sectoral Contribution to GSDP & GDP 2005-06 to 2011-12**
At constant (2004-05) prices

| Year | Assam | | | India | | |
|---|---|---|---|---|---|---|
| | Primary | Secondary | Tertiary | Primary | Secondary | Tertiary |
| 2005-06 | 25.4 | 25.7 | 48.9 | 20.9 | 25.3 | 53.7 |
| 2006-07 | 24.7 | 24.5 | 50.8 | 20.0 | 26.0 | 54.0 |
| 2007-08 | 24.2 | 23.6 | 52.2 | 19.3 | 26.3 | 54.5 |
| 2008-09 | 23.4 | 23.8 | 52.8 | 18.1 | 25.8 | 56.1 |
| 2009-10 | 23.0 | 22.7 | 54.3 | 17.0 | 25.8 | 57.2 |
| 2010-11 | 22.8 | 22.1 | 55.0 | 16.8 | 25.6 | 57.7 |
| 2011-12 | 22.4 | 21.9 | 55.7 | 16.0 | 25.0 | 59.0 |

*Source: Economic Survey, Assam &India, 2011-12.*

*and the land is also used only for mono-cropping. Farmers have small size of agricultural holdings and workers engaged in the cultivation are higher than the actual requirement. Hence, the demand for labour in the agricultural sector is low and the magnitude of underemployment is high.*

***Role of Rural Industries:***

*The small scale industry in India has emerged as a dynamic and vibrant sector of the economy. There has been a substantial expansion of small scale industries in the country during the last few decades. But owing to poor rural infrastructure and lack of entrepreneurship the small scale and cottage industries in rural Assam have not expanded as much as in the rest of the country. But village industries are important tools in the growth of rural economy, employment generation and poverty eradication. The handloom and textile, Khadi, bee keeping, pottery, gur and khandsari making, carpentry and blacksmithy, cane and bamboo works, etc. are the main small scale industries in Assam. Apart from these, the plantations of tea and rubber and sericulture also play an important role in Assam economy. There are about 11.6 lakh weavers engaged in handloom and textile industries and 78 thousand people are engaged in other village industries.*

***Role of Tea in Assam:***

*Tea occupies an important place in Assam economy. Assam contributes about 50 per cent of national tea production. The tea industry provides average daily employment to more than six lakh people in Assam. The Assam tea garden workers constitute about 50 per cent of the total tea labourers of the country. Tea plantation in the state has been taken up by a good number of people as business venture especially by the unemployed youth. There are more than 43 thousand small tea growers in Assam producing about 9 per cent of the state's total output. Tea plantation is mostly concentrated in Upper Assam, where 94 per cent of small tea growers are found. As per the All Assam Small Tea Growers Association, more than 9 lakh people are involved in small-scale tea growing activities in Assam.*

***Sericulture:***

*Sericulture is one of the important traditional cottage industries in Assam. In some areas of the state, production of "Muga", "Eri" and "Pat" is carried out with some ritualism. 'Muga' and 'Eri' silk have high demand in the state and the rest of the country. A large number of rural families are engaged in these activities. At present, there are 10,532 villages where around 2.5 lakh families are absorbed in this activity.*

***Role of Rural Non-farm sector:***

*Since farm sector and other organized sector has been contributing a lot to diversified labourers in different sectors of economy, but there are some other those have no land to cultivate, are surviving to work on rural nonfarm sector also. Especially who lives in the bank of different rivers of the state has been surviving by fishing, pigaring, and engaging themselves in other allied activities. Few of them basically depend on common property resources (CPR) for their survival. Moreover, daily wage earner as carpenter, barber etc. are some other nonfarm employment opportunities commonly observed in Assam economy. Presently, few rural youth of the state are surviving as company workers within the state or rest of the country.*

*On the basis of above observation it can be concluded that the employment of rural economy of Assam has been diversified basically in agricultural and allied activities; rural industries specially the small scale and cottage industries; tea industries; sericulture industries; different activities related to CPR, boating, barber, carpenter, casual labour, company workers, etc. Presently there are no such employment opportunities in Assam which was shown in pre independence period or first few decades after independence. Now in current globalization era, some new employment opportunities are created in rural area viz. mobile repair, Dish TV operator, computer operator, industrial advertising representative, marketing executives, etc. which are very common in both rural and semi urban area.*

# ছাত্ৰীসকলৰ বাবে কেইটামান আকৰ্ষণীয় কেৰিয়াৰ

**ড° বুলজিৎ বুঢ়াগোহাঁই**
অধ্যক্ষ, জি. আই. এম.টি., তেজপুৰ

কেইটামান আকৰ্ষণীয় কেৰিয়াৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

১। কেৰিয়াৰ হিচাপে বিদেশী ভাষা (Foreign Languages) ঃ

বিদেশী ভাষা (Foreign Languages) পঢ়ি ছাত্ৰ-ছাত্ৰীসকলে উন্নত কেৰিয়াৰ গঢ়িব পাৰে। আমাৰ দেশৰ শিক্ষানুষ্ঠানসমূহত বিভিন্ন বিদেশী ভাষা, যেনে—আৰবী (Arabic), বুলগেৰিয়া (Bulgarian), চীনা (Chinese), ফৰাচী (French), জাৰ্মান (German), হাংগেৰীয়া (Hungarian), ইটালিয়ান (Italian), জাপানী (Japanese), পতুৰ্গীজ (Portuguese), পাৰ্চি (Persian), ৰুছ (Russian), স্পেনিচ (Spanish) আদি ভাষাত চাৰ্টিফিকেট, ডিপ্লমা, স্নাতক, স্নাতকোত্তৰ, এম.ফিল. আৰু পি. এইচ. ডি. পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

দেশৰ বিভিন্ন স্থানৰ লগতে 'বিদেশী ভাষা'ত শিক্ষা গ্ৰহণ কৰিব পৰা শিক্ষানুষ্ঠান আছে। গুৱাহাটী বিশ্ববিদ্যালয় (http://www.gauhati.ac.in)ত 'আৰবী (Arabic)' বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা যাঠিখন আৰু পি.এইচ.ডি. পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰাৰ সুবিধা আছে। ফৰাচী (French) ভাষাৰ প'ষ্ট গ্ৰেজুৱেট চাৰ্টিফিকেট পাঠ্যক্ৰমত আসনৰ সংখ্যা বিশখন, প'ষ্ট গ্ৰেজুৱেট ডিপ্ল'মা পাঠ্যক্ৰমত আসনৰ সংখ্যা বিশখন আৰু তিনিমহীয়া Intensive Course ত আসনৰ সংখ্যা বিশখন। ৰুছ (Russian) ভাষাৰ প'ষ্ট গ্ৰেজুৱেট চাৰ্টিফিকেট পাঠ্যক্ৰমত আসনৰ সংখ্যা বিশখন, প'ষ্ট গ্ৰেজুৱেট ডিপ্ল'মা পাঠ্যক্ৰমত আসনৰ সংখ্যা বিশখন আৰু তিনিমহীয়া Intensive Course ত আসনৰ সংখ্যা বিশখন। জাৰ্মান (German) ভাষাৰ তিনিমহীয়া Intensive Course ত আসনৰ সংখ্যা বিশখন। পাৰ্চি (Persian) বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা দহখন, প'ষ্ট গ্ৰেজুৱেট চাৰ্টিফিকেট পাঠ্যক্ৰমত আসনৰ সংখ্যা দহখন, প'ষ্ট গ্ৰেজুৱেট ডিপ্ল'মা পাঠ্যক্ৰমত আসনৰ সংখ্যা দহখন আৰু পি.এইচ.ডি. পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে।

জিব্ৰুগড় বিশ্ববিদ্যালয় (http://www.dibru.ac.in)ত চীনা (Chinese) ভাষাত এবছৰীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে আৰু আসনৰ সংখ্যা ত্ৰিশখন। তাই ভাষাৰ দুবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰমত আসনৰ সংখ্যা ত্ৰিশখন আৰু স্পোকেন তাইৰ তিনিমহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে।

অসম বিশ্ববিদ্যালয় (http://www.aus.ac.in)ত আৰবী (Arabic) বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা একত্ৰিশখন, এম.ফিল., পি.এইচ.ডি. আৰু ডি.লিট. পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে। ফৰাচী (French) বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা বিশখন, Certificate of Proficiency পাঠ্যক্ৰমত আসনৰ সংখ্যা ওঠৰখন, Diploma of Proficiency পাঠ্যক্ৰমত আসনৰ সংখ্যা ওঠৰখন, Advanced Diploma পাঠ্যক্ৰমত আসনৰ সংখ্যা ওঠৰখন, Fast Track Course পাঠ্যক্ৰমত আসনৰ সংখ্যা ত্ৰিশখন আৰু পি.এইচ.ডি. পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে।

তেজপুৰ বিশ্ববিদ্যালয় (http://www.tezu.ernet.in)ত চীনা (Chinese) ভাষাত এবছৰীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে আৰু আসনৰ সংখ্যা ঊনচল্লিশখন।




কটন বিশ্ববিদ্যালয় (http://cottonuniversity.ac.in)ত আৰবী (Arabic) আৰু পাৰ্চি (Persian) বিষয়ৰ স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে। লগতে আৰবী আৰু পাৰ্চি বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে।

অসমৰ বাহিৰৰ কেইখনমান শিক্ষানুষ্ঠান হ'ল—জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় (www.jnu.ac.in), দিল্লী বিশ্ববিদ্যালয় (http://du.ac.in), ইংৰাজী আৰু বিদেশী ভাষা বিশ্ববিদ্যালয়, হায়দৰাবাদ (http://www.efluniversity.ac.in), কেৰেলা বিশ্ববিদ্যালয় (http://www.kerelauniversity.ac.in), কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয় (www.kuk.ac.in), কলকতা বিশ্ববিদ্যালয় (www.cauniv.ac.in), গোৱা বিশ্ববিদ্যালয় (http://www.unigoa.ac.in), গুৰু নানক দেৱ বিশ্ববিদ্যালয় (www.gndu.ac.in), মুম্বাই বিশ্ববিদ্যালয় (www.mu.ac.in), পুণে বিশ্ববিদ্যালয় (www.unipune.ac.in) আদি। বিদেশী ভাষা অধ্যয়ন কৰি বিভিন্ন পদত নিযুক্তি লাভ কৰিব পাৰে। যেনে—এয়াৰ হোষ্টেছ (Air Hostess), বিদেশী ভাষা শিক্ষক (Foreign Language Teacher), মুক্ত লেখক (Freelance Writer), দোভাষী (Interpreter), ভাষা বিশেষজ্ঞ (Language Specialists), জনসম্পৰ্কৰক্ষী বিষয়া (Public Relation Officer), গৱেষক সহযোগী (Research associate), টুৰিষ্ট গাইড (Tourist Guide), অনুবাদক (Translator) আদি।

**২। গণসংযোগ আৰু সাংবাদিকতা (Mass Communication and Journalism)ঃ**

বৰ্তমান এটা জনপ্ৰিয় পাঠ্যক্ৰম হ'ল—গণসংযোগ আৰু সাংবাদিকতা পাঠ্যক্ৰম। এটা কথা উল্লেখ কৰি লোৱা ভাল হ'ব যে সাংবাদিক হোৱাৰ বাবে গণসংযোগ আৰু সাংবাদিকতাৰ পাঠ্যক্ৰম পঢ়িবই লাগিব বুলি কোনো ধৰাবন্ধা কথা নাই। গণসংযোগ আৰু সাংবাদিকতা পাঠ্যক্ৰম প্ৰথাগত পদ্ধতি অথবা দূৰ শিক্ষাৰ জৰিয়তে পঢ়িব পাৰি। এতিয়া কথা হ'ল—যি পদ্ধতিৰে গণসংযোগ আৰু সাংবাদিকতা পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰক বা নকৰক কিয়, সাংবাদিক হ'ব বিচৰা গৰাকীয়ে প্ৰমাণ কৰি দেখুৱাব লাগিব যে তেওঁৰ তেনেধৰণৰ কাম কৰিবৰ বাবে যোগ্য।

এজন সফল সাংবাদিক হ'বলৈ কিছুমান দক্ষতা থকা দৰকাৰ, যেনে-ভাল যোগাযোগ দক্ষতা থকা, বিভিন্ন ধৰণৰ বাতৰি উৎসৰ লগত সংস্পৰ্শ থকা, নেতৃত্বসুলভ গুণ থকা, সকলো ধৰণৰ ৰাজনৈতিক তথা সাম্প্ৰতিক ঘটনা প্ৰৱাহৰ বিষয়ে সচেতন হোৱা, সঠিক আৰু চমুকৈ লিখিব পৰা দক্ষতা, প্ৰখৰ বুদ্ধি, উন্নত চিন্তাধাৰা, গভীৰ অধ্যয়ন, সাহস, বিশ্লেষণ ক্ষমতা, কষ্ট কৰাৰ মানসিকতা আদি গুণ থকা প্ৰয়োজন।

বিভিন্ন বিভাগৰ জাৰ্ণেলিজিম বা সাংবাদিকতাৰ পাঠ্যক্ৰম আছে। এইবোৰৰ ভিতৰত কিছুমান হ'ল—পলিটিকেল জাৰ্ণেলিজিম, ছাইন্স জাৰ্ণেলিজিম, বিজিনেচ জাৰ্ণেলিজিম, স্প'ৰ্টছ জাৰ্ণেলিজিম, ফটো জাৰ্ণেলিজিম, মাৰ্কেটিং জাৰ্ণেলিজিম, ক্ৰাইম্ জাৰ্ণেলিজিম, ইনভেষ্টিগেট জাৰ্ণেলিজিম, ইক'ন'মিক্স জাৰ্ণেলিজিম, লাইফষ্টাইল জাৰ্ণেলিজিম ইত্যাদি।

উচ্চতৰ মাধ্যমিক (কলা/বাণিজ্য/বিজ্ঞান) চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত সাংবাদিকতাৰ পাঠ্যক্ৰমত নামভৰ্ত্তি কৰিব পাৰে। সাংবাদিকতাৰ চাৰ্টিফিকেট, ডিপ্ল'মা, স্নাতক, স্নাতকোত্তৰ আৰু পি.এইচ.ডি. পাঠ্যক্ৰম কৰিব পাৰি।

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো গণসংযোগ আৰু সাংবাদিকতা শিক্ষা গ্ৰহণ কৰিব পৰা বহু শিক্ষানুষ্ঠান আছে। গণসংযোগ আৰু সাংবাদিকতাৰ পাঠ্যক্ৰম তথা প্ৰশিক্ষণ আগবঢ়োৱা অসমৰ শিক্ষানুষ্ঠান কেইখনমান হ'ল—গুৱাহাটী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম মহিলা বিশ্ববিদ্যালয় (www.awu.ac.in), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (www.kkhsou.in), ড° ভূপেন হাজৰিকাৰ গণসংযোগ আৰু সাংবাদিকতা কেন্দ্ৰ, কটন বিশ্ববিদ্যালয় (http://

edccottonuniversity.org), দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী বিশ্ববিদ্যালয় (www,idolgu.in), ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুকলি বিশ্ববিদ্যালয় (http://rcguwahati.ignou.ac.in), টাৰ্ণিং পইণ্ট (http://turningpointguwahati.com), অসম সাংবাদিকতা বিদ্যালয়, গুৱাহাটী আদি।

অসমৰ বাহিৰৰ কেইখনমান শিক্ষানুষ্ঠান হ'ল—ইণ্ডিয়ান ইনষ্টিটিউট অৱ মাছ কমিউনিকেছন (www.iimc.nic.in), ছিমবায়'ছিছ ইনষ্টিটিউট অৱ মিডিয়া এণ্ড কমিউনিকেছন (www.simc.edu), পুণে বিশ্ববিদ্যালয় (www.unipune.ac.in), কলকতা বিশ্ববিদ্যালয় (www.caluniv.ac.in), বেনাৰস হিন্দু বিশ্ববিদ্যালয় (www.bhu.ac.in), এছিয়ান কলেজ অৱ জাৰ্ণেলিজিম (www.aianmedia.org), ইণ্ডিয়ান ইনষ্টিটিউট অৱ জাৰ্ণেলিজিম এণ্ড নিউ মেডিয়া (http://www.iijnm.org), ছফিয়া ইনষ্টিটিউট অৱ ছ'চিয়েল কমিউনিকেছন (http://scmsophia.com), লেডী শ্ৰীৰাম কলেজ (http://Isr.edu.in), খ্ৰীষ্ট বিশ্ববিদ্যালয় (www.christuniversity.in), ইন্দ্ৰপ্ৰস্থ কলেজ ফৰ ৱ'মেন (http://ipcollege.ac.in), জেভিয়াৰ ইনষ্টিটিউট অৱ কমিউনিকেছন (www.xaviercomm.org), হায়দৰাবাদ বিশ্ববিদ্যালয় (www.commuho.in), মনোৰমা স্কুল অৱ কমিউনিকেছন (www.manoramajschool.com), এমিটি স্কুল অৱ কমিউনিকেছন (www.amity.edu), মুদ্ৰা ইনষ্টিটিউট অৱ কমিউনিকেছন (www.mica.ac.in), ভাৰতীয় বিদ্যা ভৱন (http://bhavansvc.org) আৰু লগতে উল্লেখ কৰা ভাল হ'ব যে পঞ্জাৱ কৃষি বিশ্ববিদ্যালয় (www.pau.edu) ত মাথোঁ বিজ্ঞান স্নাতকৰ বাবে সাংবাদিকতাৰ দুবছৰৰ বাবে পাঠ্যক্ৰম আগবঢ়োৱা হয়।

গণসংযোগ আৰু সাংবাদিকতা পাঠ্যক্ৰম সমাপ্ত কৰাৰ পিছত ছপা, ইলেক্ট্ৰ'নিক তথা নব্য মাধ্যমত চাকৰি পায়। সাংবাদিকতা পাঠ্যক্ৰম শেষ কৰাৰ পিছত চৰকাৰী-বেচৰকাৰী সংবাদ সংস্থা, ভিন্ন প্ৰতিষ্ঠানৰ জনসংযোগ বিভাগ, বাতৰি কাকত, আলোচনী, ৰেডিঅ', টি.ভি.চেনেল, অনলাইন বাতৰি কাকত, অনলাইন আলোচনী আদিত চাকৰি পায়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে কেৰিয়াৰ আৰম্ভ কৰিব পাৰে।

**৩। ওকালতি ঃ**

এগৰাকী উকীল হ'বলৈ আগ্ৰহী শিক্ষাৰ্থীগৰাকী আইন বিষয়ত স্নাতক ডিগ্ৰীধাৰী হ'ব লাগে। তিনিবছৰীয়া আইন স্নাতক (LLB) পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে শিক্ষাৰ্থীগৰাকী যিকোনো বিষয়ত স্নাতক ডিগ্ৰীধাৰী হ'ব লাগে। পাঁচ বছৰীয়া আইন পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে শিক্ষাৰ্থীগৰাকী যিকোনো বিষয়সহ দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ'ব লাগে। বেছিভাগ শিক্ষানুষ্ঠানত পাঁচ বছৰীয়া আইন পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে দ্বাদশ শ্ৰেণীত ৫০% অথবা ৫৫% নম্বৰ পাব লাগে। বেছিভাগ শিক্ষানুষ্ঠানত বাছনি পৰীক্ষাৰ জৰিয়তে প্ৰাৰ্থীৰ নিৰ্বাচন কৰা হয়। বাছনি পৰীক্ষাত English, General Knowledge, Current Affairs, Numerical Ability, Legal Aptitude, Logical Reasoning আদি বিষয় সামৰি লয়। পাঁচ বছৰীয়া আইন পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে এটা উল্লেখযোগ্য বাছনি পৰীক্ষাৰ নাম হ'ল—কমন ল' এডমিছন টেষ্ট (Common Law Admission Test চমুকৈ CLAT, www.clat.ac.in)।

আইনৰ বিভিন্ন বিশেষ বিষয়বোৰৰ কিছুমান হ'ল—এডমিনিষ্ট্ৰেইচন্ ল', বিজিনেচ ল', চিভিল ল', ক্ৰিমিনেল ল', চাইবাৰ ল', কনষ্টিটিউনেল ল', কৰ্পোৰেট ল', ফেমিলি ল', হিউমেন ৰাইট্চ ল', লেবাৰ ল', ৰিল ইষ্টেট ল' টেক্স ল', এনভায়নমেণ্ট ল', মেডিকেল ল' এণ্ড ইথিক্স ইণ্টেলেকচুৱেল প্ৰপাৰ্টি/ পেটেণ্ট ল', ইণ্টাৰনেচনেল ল' ইত্যাদি।

এজন সফল আইনবিদ হ'বলৈ পুথিগত জ্ঞানৰ লগতে ব্যৱহাৰিক জ্ঞান যথেষ্ট থকা দৰকাৰ। এগৰাকী আইনবিদৰ থাকিবলগা গুণবোৰ কিছুমান হ'ল ধৈৰ্য, সকলো শ্ৰেণীৰ মানুহৰ লগত কথা পাতিব পৰা দক্ষতা, যুক্তি প্ৰদৰ্শনৰ ধৰণ আকৰ্ষণীয়, উপস্থিত বুদ্ধি, একনিষ্ঠ, সুন্দৰ কথন তথা প্ৰকাশ ভংগী, ভাল যোগাযোগ দক্ষতা, কষ্ট কৰাৰ মানসিকতা আদি গুণ থকা প্ৰয়োজন।

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আইনৰ শিক্ষা গ্ৰহণ কৰিব পৰা কেইবাখনো শিক্ষানুষ্ঠান আছে। আইনৰ পাঠ্যক্ৰম আগবঢ়োৱা অসমৰ কেইখনমান শিক্ষানুষ্ঠান হ'ল-নেচনেল ল' ইউনিভাৰছিটি এণ্ড জুডিচিয়েল একাডেমী, অসম (http://www.nluassm.ac.in), ডিব্ৰুগড় বিশ্ববিদ্যালয় (http://www.dibru.ac.in), গুৱাহাটী বিশ্ববিদ্যালয় (http://www.gauhati.ac.in), অসম বিশ্ববিদ্যালয় (www.aus.ac.in), জ্ঞানদাভিৰাম বৰুৱা আইন মহাবিদ্যালয় (http://jblawcollegeguwahati.com), যোৰহাট আইন মহাবিদ্যালয় (http://www.jorhatlawcollege.edu.in), দিছপুৰ আইন মহাবিদ্যালয় (http://www.dispurlawcollege.org), ধুবুৰী আইন মহাবিদ্যালয় (http://www.dhubrilawcollege.in), বিষ্ণুৰাম মেধি চৰকাৰী আইন মহাবিদ্যালয় (http://www.brmgovtlawcollege.org.in) আদি।

অসমৰ বাহিৰৰ কেইখনমান শিক্ষানুষ্ঠান হ'ল-আলিগড় মুছলিম বিশ্ববিদ্যালয় (http://www.amu.ac.in), এলাহাবাদ বিশ্ববিদ্যালয় (www.allduniv.ac.in), এমিটি ল' স্কুল (www.amity.edu), এমিটি ল' স্কুল এণ্ড ইনষ্টিটিউট অৱ এডভান্সদ লিগেল ষ্টাডিছ (http://www.amity.edu/aials), বেনাৰস হিন্দু বিশ্ববিদ্যালয় (www.bhu.ac.in), চাণক্য নেচনেল ল' ইউনিভাৰছিটি (www.cnlu.ac.in), ড° ৰাম মনোহৰ লোহিয়া নেচনেল ল' ইউনিভাৰছিটি (http://www.rmlnlu.ac.in), ড° আম্বেদকাৰ ল' ইউনিভাৰছিটি (www.tndalu.ac.in), দিল্লী বিশ্ববিদ্যালয় (www.du.ac.in), গভৰ্ণমেণ্ট ল' কলেজ, মুম্বাই (http://glmumbai.com), গুজৰাট নেচনেল ল' ইউনিভাৰছিটি (http://www.gnlu.ac.in), হৃদয়োৎল্লাহ নেচনেল ল' ইউনিভাৰছিটি (http://www.hnlu.ac.in), আই এল এচ ল' কলেজ (http://www.ilslaw.edu), জামিয়া মিল্লিয়া ইসলামিয়া (http://

jmi.ac.in), নেচনেল ল' ইণ্ডিয়া ইউনিভাৰছিটি, ভূপাল (http://www.nliu.ac.in), নেচনেল ল' স্কুল অৱ ইণ্ডিয়া ইউনিভাৰছিটি, বাংগালোৰ (http://www.nls.ac.in), নেচনেল ল' ইউনিভাৰছিটি, দিল্লী (www.nludelhi.ac.in), নেচনেল ল' ইউনিভাৰছিটি, যোধপুৰ (www.nlujodhpur.ac.in), নেচনেল ল' ইউনিভাৰছিটি, উৰিষ্যা (www.nluo.ac.in), নেচনেল ইউনিভাৰছিটি অৱ ষ্টাডি এণ্ড ৰিচাৰ্চ ইন ল' (www.nusrlranchi.ac.in), নেচনেল ইউনিভাৰছিটি অৱ এডভান্সদ লিগেল ষ্টাডিছ (www.nuals.ac.in), ৰাজীৱ গান্ধী নেচনেল ইউনিভাৰছিটি অৱ ল' (http://rgnul.ac.in), চিমবয়'চিছ ল' স্কুল (http://www.symlaw.ac.in), ৱেষ্ট বেংগল নেচনেল ল' ইউনিভাৰছিটি অৱ জুডিচিয়েল ছায়েন্স (http://www.nujs.edu) আদি। এই শিক্ষানুষ্ঠানবোৰত আইনৰ পাঠ্যক্ৰমত নামভৰ্ত্তি কৰিবৰ বাবে প্ৰয়োজন হোৱা সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানবোৰৰ ৱেবছাইট চাব পাৰে। লগতে নামভৰ্ত্তিৰ বাবে বিজ্ঞাপন বাতৰি কাকতত প্ৰকাশ হয়।

আইন বিষয়ত স্নাতকোত্তৰ, এম.ফিল. আৰু পি.এইচ.ডি. পাঠ্যক্ৰমত অধ্যয়ন কৰিব পাৰে। আইন বিষয়ত শিক্ষা গ্ৰহণ কৰি শিক্ষাৰ্থীগৰাকীয়ে আদালতত ওকালতি কৰাৰ বাহিৰেও বিভিন্ন ধৰণৰ কেৰিয়াৰৰ সুবিধা আছে। আইন বিষয়ত স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰি ইণ্ডিয়ান জুডিচিয়েল ছাৰ্ভিচ আৰু অসম জুডিচিয়েল ছাৰ্ভিচ পদত নিযুক্তি পাব পাৰি। ইয়াৰ উপৰি বিভিন্ন চৰকাৰী বিভাগ, বিভিন্ন কোম্পানীত আইন পৰামৰ্শদাতা বা আইন বিষয়া হিচাপে চাকৰি কৰিব পাৰি। আইন বিভাগত মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ত অধ্যাপনা চাকৰি কৰিব পাৰি। বাতৰি কাকত তথা টি.ভি. চেনেলত আইন বিষয়ক সাংবাদিকতা কৰিব পাৰি। এন.জি.অ'বোৰতো কাম কৰিব পাৰি। স্বাধীনভাৱে আইনজীৱি হ'ব খোজাসকলে 'বাৰ কাউন্সিল অৱ ইণ্ডিয়া'ত নাম পঞ্জীয়নভুক্ত কৰাৰ লগতে স্থানীয় বাৰ এছ'চিয়েছন সদস্য হোৱা আৱশ্যকীয়।

**৪। কেৰিয়াৰ হিচাপে নাৰ্ছিং ঃ**

বৰ্তমান ভাৰতবৰ্ষত নাছিং (Nursing) আকৰ্ষণীয় কেৰিয়াৰ। চিকিৎসালয়, নাছিং হোম আদিত নাৰ্চসকলে ৰোগীসকলক শুশ্ৰূষা কৰে। ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ লগতে অসমতো চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ চিকিৎসালয় বৃদ্ধি হোৱাৰ ফলত কেৰিয়াৰ হিচাপে নাৰ্ছিঙৰ গুৰুত্ব বাঢ়িবলৈ ধৰিছে। চৰকাৰী চিকিৎসালয় আৰু ব্যক্তিগত খণ্ডৰ নাৰ্ছিং হোম, ক্লিনিক, ডায়গন'ষ্টিক চেণ্টাৰ, লেবৰেটৰী আদিৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত নাৰ্ছৰ আৱশ্যকতা বৃদ্ধি পাবলৈ ধৰিছে। নাৰ্ছিঙৰ বিভিন্ন পাঠ্যক্ৰম আছে, যেনে-অক্সিলিয়াৰি নাৰ্ছিং এণ্ড মিডৱাইফৰি (এ এন এম) (Auxiliary Nursing and Midwifery (ANM)],জেনেৰেল নাৰ্ছিং এণ্ড মিডৱাইফৰি (জি এন এম) [General Nursing and Midwifery (GNM)], বি এছ চি নাৰ্ছিং (B.Sc. Nursing), এম এছ চি নাৰ্ছিং (M.Sc. Nursing), এম.ফিল.ইন নাৰ্ছিং (M.Phil. In Nursing), পি.এইচ.ডি. ইন নাৰ্ছিং (Ph.D in Nursing), ডিপ্ল'মা ইন ছাইকেট্ৰিক নাৰ্ছিং (Diploma in Psychiatric Nursing), ডিপ্ল'মা ইন ক্ৰিটিকেল কেয়াৰ নাৰ্ছিং (Diploma In Critical Care Nursing) আদি।

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো নাৰ্ছিঙৰ শিক্ষা গ্ৰহণ কৰিব পৰা শিক্ষানুষ্ঠান আছে। নাৰ্ছিঙৰ স্নাতক (B.Sc. Nursing) আৰু স্নাতকোত্তৰ (M.Sc. Nursing) পাঠ্যক্ৰম পঢ়াৰ সুবিধা থকা তথা অসম চৰকাৰৰ চিকিৎসা শিক্ষা সঞ্চালকালয় (http://dmeassam.gov.in)ৰ অধীনৰ কেইখনমান শিক্ষানুষ্ঠানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল।

গুৱাহাটীত অৱস্থিত আঞ্চলিক নাৰ্ছিং মহাবিদ্যালয়ত স্নাতক পাঠ্যক্ৰমত আসনৰ সংখ্যা ষাঠিখন আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা পঁচিশখন। নাৰ্ছিঙৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা বিষয়বোৰ হ'ল—Medical Surgical Nursing, Obstetrics and Gyecology Nursing, Child Health (Paediatric Nursing), Mental Health (Psuchiatric) Nursing আৰু Community Health Nursing.

ডিব্ৰুগড় নাৰ্ছিং মহাবিদ্যালয়ত নাৰ্ছিঙৰ স্নাতক পাঠ্যক্ৰম পঢ়াৰ সুবিধা আছে আৰু আসনৰ সংখ্যা ষাঠিখন।

শিলচৰ নাৰ্ছিং মহাবিদ্যালয়ত নাৰ্ছিঙৰ স্নাতক পাঠ্যক্ৰম পঢ়াৰ সুবিধা আছে আৰু আসনৰ সংখ্যা ষাঠিখন।

এই মহাবিদ্যালয় কেইখনত নাৰ্ছিঙৰ স্নাতক (B.Sc. Nursing) পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে এটা বাছনি পৰীক্ষা হয় আৰু এই বাছনি পৰীক্ষা 'শ্ৰীমন্ত শংকৰদেৱ চিকিৎসা বিশ্ববিদ্যালয় (http://ssuhs.in)য়ে পৰিচালনা কৰে। এই বাছনি পৰীক্ষাৰ বাবে আবেদনকাৰী প্ৰাৰ্থীগৰাকী মহিলা হ'ব লাগিব, এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে নাৰ্ছিঙৰ পাঠ্যক্ৰমৰ বাবে কিছুমান শিক্ষানুষ্ঠানত পুৰুষ প্ৰাৰ্থীয়েও আবেদন কৰিব পাৰে। প্ৰাৰ্থীগৰাকীৰ উচ্চতৰ মাধ্যমিক (বিজ্ঞান শাখা) চূড়ান্ত পৰীক্ষাত ইংৰাজী এটা বিষয় হিচাপে থাকিব লাগিব আৰু পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞানত ন্যূনতম ৫০ শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগে। অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীয়ে ন্যূনতম ৪০ শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগে। পৰীক্ষা অনুষ্ঠিত হোৱা বৰ্ষৰ ৩১ ডিচেম্বৰত প্ৰাৰ্থীৰ বয়স ১৭ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰত হ'ব লাগে। অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীৰ বাবে তিনি বছৰ বয়সৰ ৰেহাই আছে।

আঞ্চলিক নাৰ্ছিং মহাবিদ্যালয়, গুৱাহাটীত নাৰ্ছিঙৰ স্নাতকোত্তৰ (M.Sc. Nursing) পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবেও এটা বাছনি পৰীক্ষা হয় আৰু এই বাছনি পৰীক্ষা 'শ্ৰীমন্ত শংকৰদেৱ চিকিৎসা বিশ্ববিদ্যাল'য়ে পৰিচালনা কৰে।

আঞ্চলিক নাৰ্ছিং মহাবিদ্যালয়, গুৱাহাটীত নাৰ্ছিঙৰ স্নাতকোত্তৰ (M.Sc. Nursing) পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবেও এটা বাছনি পৰীক্ষা হয় আৰু এই বাছনি পৰীক্ষা 'শ্ৰীমন্ত শংকৰদেৱ চিকিৎসা বিশ্ববিদ্যালয় (http://ssuhs.in)এ পৰিচালনা কৰে।

তেজপুৰৰ মানসিক চিকিৎসালয় (http:www/lbrimh.gov.in)ত নাৰ্ছিঙৰ স্নাতকোত্তৰ (M.Sc. in Psychiatric

Nursing) পাঠ্যক্ৰমত আসনৰ সংখ্যা বাৰখন আৰু ডিপ্ল'মা (Diploma in Psychiatric Nursing (DPN)]) পাঠ্যক্ৰমত আসনৰ সংখ্যা ত্ৰিশখন। এই শিক্ষানুষ্ঠানত নামভৰ্ত্তিৰ সবিশেষ তথ্য জানিবৰ বাবে শিক্ষাৰ্থীসকলে ৱেবছাইটত চাব পাৰে।

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানতো নাৰ্ছিঙৰ স্নাতক (B.Sc. Nursing) আৰু নাৰ্ছিঙৰ স্নাতকোত্তৰ (M.Sc. Nursing) পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰাৰ সুবিধা আছে। নাৰ্ছিঙৰ স্নাতক (B.Sc. Nursing) অধ্যয়নৰ সুবিধা থকা কেইখনমান শিক্ষানুষ্ঠান হ'ল—থিয়ান ইনষ্টিটিউট অৱ নাৰ্ছিং (http://www.aine.org.in), আৰ্য কলেজ অৱ নাৰ্ছিং (www.ainguwahati.org), আছাম অইল কলেজ অৱ নাৰ্ছিং, শংকৰ মাধৱ কলেজ অৱ নাৰ্ছিং, চি পি এম এছ কলেজ অৱ নাৰ্ছিং আদি। নাৰ্ছিঙৰ স্নাতকোত্তৰ (M.Sc. Nursing) অধ্যয়নৰ সুবিধা থকা কেইখনমান শিক্ষানুষ্ঠান হ'ল—এছিয়ান ইনষ্টিটিউট অৱ নাৰ্ছিং (http://www.aine.org.in), শংকৰ মাধৱ কলেজ অৱ নাৰ্ছিং আদি।

অসম চৰকাৰৰ অধীনত 'জেনেৰেল নাৰ্ছিং এণ্ড মিডৱাইফৰি (জি এন এম)'ৰ ট্ৰেইনিং স্কুল কামৰূপ (মহানগৰ), ডিব্ৰুগড়, কাছাৰ, যোৰহাট, বৰপেটা, শোণিতপুৰ, নলবাৰী, নগাঁও, লক্ষীমপুৰ, শিৱসাগৰ, ধুবুৰী, ধেমাজি, তিনিচুকীয়া, গোলাঘাট, গোৱালপাৰা, মৰিগাঁও, কৰিমগঞ্জ, হাইলাকান্দি, দৰং, কাৰ্বি আংলং আৰু কোকৰাঝাৰ জিলাত আছে। ইয়াৰ উপৰি আমাৰ ৰাজ্যত ব্যক্তিগত খণ্ডৰ কেইবাখনো শিক্ষানুষ্ঠানত জেনেৰেল নাৰ্ছিং এণ্ড মিডৱাইফৰি (জি এন এম) পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰাৰ সুবিধা আছে আৰু এই শিক্ষানুষ্ঠানবোৰৰ নাম জানিবৰ বাবে শিক্ষাৰ্থীসকলে অসম নাৰ্ছিং পৰিষদ (http://assamnursingcouncil.in)ৰ ৱেবচাইট চাব পাৰে। জেনেৰেল নাৰ্ছিং এণ্ড মিডৱাইফৰি (জি এন এম) হ'ল চাৰে তিনি বছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম আৰু নামভৰ্ত্তি বৰ্ষৰ ৩১ ডিচেম্বৰত প্ৰাৰ্থীৰ বয়স ১৭ বছৰৰ পৰা ৩৫ বছৰৰ ভিতৰত হ'ব লাগে। এই পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে প্ৰাৰ্থীগৰাকীয়ে উচ্চতৰ মাধ্যমিক (বিজ্ঞান শাখা)ৰ চূড়ান্ত পৰীক্ষাত ইংৰাজী, পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞানত ন্যূনতম ৪০ শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগে, উচ্চতৰ মাধ্যমিক কলা শাখাত ন্যূনতম ৪০ শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগে অথবা অক্সিলিয়াৰি নাৰ্ছিং এণ্ড মিডৱাইফৰি (এ এন এম) পাঠ্যক্ৰমত ৪০ শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগে।

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানতো নাৰ্ছিঙৰ 'জেনেৰেল নাৰ্ছিং এণ্ড মিডৱাইফৰি (জি এন এম) পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে। যেনে Hayat Institute of Nursing Education, International Hospital College of Nursing আদি।

অসম চৰকাৰৰ অধীনত 'অক্সিলিয়াৰি নাৰ্ছিং এণ্ড মিডৱাইফৰি (এ এন এম)ৰ ট্ৰেইনিং স্কুল কামৰূপ (মহানগৰ), ডিব্ৰুগড়, যোৰহাট, নগাঁও, লক্ষীমপুৰ, দৰং, ধুবুৰী, কোকৰাঝাৰ, জিমা হাছাও, কাৰ্বি আংলং, শিৱসাগৰ, শোণিতপুৰ, বৰপেটা, নলবাৰী, গোৱালপাৰা, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাত আছে। ইয়াৰ উপৰিও আমাৰ ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ কেইবাখনো শিক্ষানুষ্ঠানত অক্সিলিয়াৰি নাৰ্ছিং এণ্ড মিডৱাইফৰি (এ এন এম)ৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে আৰু এই শিক্ষানুষ্ঠানবোৰ নাম জানিবৰ বাবে শিক্ষাৰ্থীসকলে অসম নাৰ্ছিং পৰিষদ (http://assamnursingcouncil.in)ৰ ৱেবছাইট চাব পাৰে। অক্সিলিয়াৰি নাৰ্ছিং এণ্ড মিডৱাইফৰি (এ এন এম) হ'ল দুবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম আৰু নামভৰ্ত্তি বৰ্ষৰ ৩১ ডিচেম্বৰত প্ৰাৰ্থীৰ বয়স ১৭ বছৰৰ পৰা ৩৫ বছৰৰ ভিতৰত হ'ব লাগে। এই পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে প্ৰাৰ্থীগৰাকীয়ে উচ্চতৰ মাধ্যমিকৰ কলা আৰু বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে।

অসম তথা ভাৰতৰ অন্যান্য ৰাজ্যৰ কোনো শিক্ষানুষ্ঠানত নাৰ্ছিঙৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্ত্তি কৰাৰ পূৰ্বে শিক্ষানুষ্ঠানবোৰৰ বৈধতা/ডিগ্ৰীৰ মৰ্যাদা/ব্যৱস্থা/স্বীকৃতি প্ৰাপ্তিৰ মৰ্যাদা আদিৰ বিষয়ে জানি ল'ব লাগে। এই তথ্যবোৰৰ অসমৰ চৰকাৰৰ চিকিৎসা শিক্ষা সঞ্চালকালয় (http://dmeassam.gov.in), শ্ৰীমন্ত শংকৰদেৱ চিকিৎসা বিশ্ববিদ্যালয় (www.ssuhs.in), অসম নাৰ্ছিং পৰিষদ (http://assamnursingcouncil.in) আৰু ভাৰতীয় নাৰ্ছিং পৰিষদ (http://www.indiannursingcouncil.org) আদি ৱেবছাইচৰ পৰা শিক্ষাৰ্থীসকলে লাভ কৰিব পাৰে।




নাৰ্ছিঙৰ যিকোনো পাঠ্যক্ৰম অধ্যয়ন কৰি এক নিশ্চিত নিয়োগৰ সুবিধা আশা কৰিব পাৰি। নাৰ্ছিঙৰ শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি নিযুক্তি লাভ কৰিব পাৰে। যেনে- চৰকাৰী চিকিৎসালয়, ব্যক্তিগত খণ্ডৰ নাৰ্ছিং হোম, ক্লিনিক, ডায়েগন'ষ্টিক চেণ্টাৰ, লেবৰেটৰী, শিক্ষানুষ্ঠান, উদ্যোগ, অনাথ আশ্ৰম, বৃদ্ধাশ্ৰম তথা চিকিৎসা বিষয়ৰ লগত জড়িত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এন.জি.অ'বোৰেও নাৰ্চ নিযুক্তি দিয়ে। নাৰ্ছিঙৰ শিক্ষানুষ্ঠানত শিক্ষক হিচাপেও কেৰিয়াৰ আৰম্ভ কৰিব পাৰে। ইয়াৰ উপৰি নাৰ্চ এগৰাকীয়ে ইচ্ছা কৰিলে স্বাধীনভাৱে নাৰ্ছিঙৰ সেৱা আগবঢ়াব পাৰে।

ওপৰত উল্লেখ কৰা শিক্ষানুষ্ঠানবোৰত বিদেশী ভাষাৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্ত্তি কৰিবৰ বাবে প্ৰয়োজন হোৱা সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানবোৰৰ ৱেবছাইটত চাব পাৰে। লগতে নামভৰ্ত্তিৰ বাবে বিজ্ঞাপন বাতৰি কাকতত প্ৰকাশ হয়।

ব্যক্তিত্ব



# উদ্ধৱ ভৰালী

## উদ্ভাৱনেই যাৰ পেছা

**গৰিষ্মা খাউণ্ড**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অৰ্থনীতি বিভাগ

অসমৰ লক্ষীমপুৰ জিলাৰ এজন অসাধাৰণ প্ৰতিভাৱান ব্যক্তি, বিভিন্ন আৰ্হি প্ৰস্তুত, নিৰ্মাণ আৰু উদ্ভাৱনকে মুখ্য হিচাপে গ্ৰহণ কৰি জীৱন জীৱিকা প্ৰশস্ত কৰা এই ব্যক্তিজনে তেখেতৰ উদ্ভাৱনলানীৰে বহুতকে দিছে জীৱনৰ ৰং তথা জীয়াই থকাৰ আনন্দ। কঠোৰ পৰিশ্ৰম, একাগ্ৰতা, অধ্যৱসায় আৰু উদ্ভাৱনী শক্তিৰ সমাহাৰৰ নামেই হ'ল উদ্ধৱ ভৰালী। উদ্ভাৱনেই যাৰ পেছা।

অৰ্হতাত অভিযন্তা উদ্ধৱ ভৰালীয়ে ১৯৮৮ চনত কাৰিকৰী স্নাতক ডিগ্ৰী অৰ্জন কৰে। তেখেতে প্ৰথমে অৰুণাচলৰ এটা প্ৰতিষ্ঠানত কাম কৰে যদিও পৰিস্থিতিৰ তাগিদাত নিজ গৃহলৈ উভতি আহিবলৈ বাধ্য হয়। তেখেতৰ পিতৃ এসময়ৰ প্ৰতিষ্ঠিত ব্যৱসায়ী। পিতৃৰ ব্যৱসায়ত মন্দাৱস্থা আৰম্ভ হোৱাত বহু ধন ঋণ লৈ আৰম্ভ কৰা লক্ষীমপুৰৰ প্ৰথম ষ্টীল ফেব্ৰিকেচন উদ্যোগটো ক্ৰমাৎ লোকচানৰ দিশলৈ গতি কৰে। শেষত ঋণৰ মূল্যতকৈ সুতৰ পৰিমাণ বহুগুণে বেছি হৈ অহাত দেউতাক মানসিকভাৱে দুৰ্বল হৈ অহাত দেউতাকৰ লগতে পৰিয়ালৰ সকলো দায়িত্ব ভৰালীদেৱে মূৰ পাতি লৈ ব্যতিক্ৰমী কিবা এটা কৰিবলৈ মন বান্ধিলে। ঘৰৰ পৰিত্যক্ত কাৰখানাটোত পলিথিন বেগ বনোৱা যন্ত্ৰ এটা স্থাপন কৰিবলৈ আগবাঢ়িছিল যদিও সংশ্লিষ্ট বিভাগ, কৰ্তৃপক্ষ সকলোৱে নিৰাশ কৰিছিল। তেখেতক মানসিকভাৱে কষ্ট দিলেও আত্মবিশ্বাস আৰু কৰ্মোদ্যম কমাব পৰা নাছিল। পুথিগত জ্ঞান আৰু সৰুৰে পৰা ঘৰতে লিৰিকি বিদাৰি থকা যান্ত্ৰিক জ্ঞানৰ সমাহাৰেৰে বজাৰত উপলব্ধ মেচিনৰ দৰে এটা কাৰ্যক্ষম কিন্তু কম খৰচী মেচিন তৈয়াৰ কৰিবলৈ দিন ৰাতি একাকাৰ কৰি ব্যস্ত হৈ পৰিছিল। অৱশেষত সফলতাও আহিল অৱধাৰিতভাৱে। ভূমিষ্ঠ হ'ল Low Cost LDP Skene Marker। সেয়াই আৰম্ভণি। তাৰ পাছত আৰু তেখেতে বেতৰ সূত চচা যন্ত্ৰ, নিহা গছৰ আঁহ নিষ্কাষণ কৰা যন্ত্ৰ, আধুনিক ঢেঁকী, ডালিমৰ গুটি গুচোৱা যন্ত্ৰ, মাছৰ বাকলি গুচোৱা যন্ত্ৰ, কৃত্ৰিম হাত-ভৰি নিৰ্মাণ যন্ত্ৰ (এই যন্ত্ৰৰ সহায়ত বহুতো মানসিক আৰু শাৰীৰিকভাৱে অক্ষম লোকে আশাৰ ৰেঙণি দেখিছে) আৰু অলেখ পৰিক্ৰমাই সামৰি লৈছে এশ পঞ্চাশটা উদ্ভাৱন। ভৰালীদেৱৰ উদ্ভাৱনৰ বৈশিষ্ট্য হৈছে মিতব্যয়ী, কম শক্তি, কাৰ্যক্ষম আৰু সাধাৰণ জনসাধাৰণৰ গ্ৰহণযোগ্যতা। ১৯৯২ চনত লক্ষীমপুৰ নগৰৰ কমলাবাৰী পথৰ ভৈৰৱ নগৰত সম্পূৰ্ণ নিজা প্ৰচেষ্টাৰে তেখেতে আৰম্ভ কৰে দেশৰ প্ৰথমটো আৰ্হি প্ৰস্তুত কাৰখানা ইউ কে বি এগ্ৰ'টেক।

উদ্ধৱ ভৰালীদেৱৰ কৰ্মই আজুৰি আনিছে বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা আৰু স্বীকৃতি। ইয়াৰ ভিতৰত ২০০৬ চনত ৰাষ্ট্ৰীয় উদ্ভাৱনী সংস্থাই আগবঢ়োৱা মাৰৈ অৱ ইনজেটৰ এৱাৰ্ড, ২০০৯ চনত ৰাষ্ট্ৰীয় উদ্ভাৱনী বঁটা, ২০১০ চনত ৰাষ্ট্ৰপতিৰ ৰাষ্ট্ৰীয় উদ্ভাৱনী বঁটা, ২০১২ চনত আমেৰিকাৰ মহাকাশ গৱেষণা কেন্দ্ৰ 'নাছা'ৰ অভিযান্ত্ৰিক আৰ্হি প্ৰতিযোগিতাত প্ৰথম দহটা সবাতোতকৈ জনপ্ৰিয় উদ্ভাৱকৰ পুৰস্কাৰ ৰাষ্ট্ৰীয় গৱেষণা উন্নয়ন নিগমৰ বিৰল প্ৰমাণ পত্ৰ, শেহতীয়াকৈ ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় সিদ্ধি বঁটা আদি। ইয়াৰ উপৰিও উত্তৰ লক্ষীমপুৰ সাহিত্য সভাই আগবঢ়োৱা প্ৰযুক্তি ৰত্ন উপাধি, অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদান কৰা সন্মানীয় ডক্টৰেট অৱ চায়েন্স, তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্ভাৱন বিভাগৰ অতিথি সঞ্চালক আদিৰে উদ্ধৱ ভৰালী মহীয়ান।

উদ্ধৱ ভৰালীৰ উদ্ভাৱন লানিক লৈ লক্ষীমপুৰৰ লগতে সমগ্ৰ অসমবাসী আজি গৌৰৱান্বিত। তেখেতে বহুতো শিক্ষিত তথা নিবনুৱা যুৱক-যুৱতীক নিয়োগেৰে সংস্থাপন দি অহাৰ লগতে বহুজনৰ জীৱনলৈ আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। ইয়াৰ লগতে মানৱ দৰদী কোমল অন্তৰৰ এই ব্যক্তিজনে উপাৰ্জনৰ এটা শকত অংশ সমাজৰ অৱহেলিত আৰু দুখীয়াসকলৰ বাবে খৰচ কৰি আহিছে। তেখেতৰ এই যাত্ৰা হওক এক অবিৰত শোভাযাত্ৰা।

# ৰঙানদীৰ অতীত স্মৃতি


**ড° এইচ এম আব্দুচ শ্বাহিদ**

সহকাৰী অধ্যাপক, ভূগোল বিভাগ


উত্তৰ লক্ষীমপুৰ নগৰৰ সমীপৱৰ্তী অঞ্চলৰ মাজেদি প্ৰৱাহিত হোৱা ৰঙানদী বা ৰঙানৈ লক্ষীমপুৰবাসীৰ বাবে এক পৰিচিত নাম। ৰঙানদী এখন অতি পুৰণিকলীয়া নৈ। কিংবদন্তী অনুসাৰে ৰঙানদীক কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত ৰক্ত গংগা নামেৰে উল্লেখ কৰা হৈছে। যুগ যুগ ধৰি নিৰৱচ্ছিন্ন ভাৱে প্ৰৱাহিত হোৱা ৰঙানদীৰ উৎপত্তি স্থল অৰুণাচল প্ৰদেশৰ অন্তৰ্গত হিমালয় পৰ্বতমালা। হিমালয়ৰ দক্ষিণ ঢালৰ অসংখ্য পাহাৰৰ মাজৰ সৰু সৰু উপত্যকাৰ বুকুৰেদি বহুতো জান-জুৰি প্ৰৱাহিত হৈ আহিছে। এই জান-জুৰিবোৰৰ ভিতৰত ৰঙানদীৰ দুটা মূল অংশ হৈছে ‘পনিয়াৰ’ আৰু ‘কালে’। পনিয়াৰ নিছি জনজাতি অধ্যুষিত অঞ্চল, পশ্চিম দিশৰ পৰা কিছু পূবলৈ প্ৰৱাহিত হৈছে আনহাতে কালে, আপাতনি জনজাতি অধ্যুষিত জিৰ’ চহৰৰ কাষেদি, দক্ষিণ দিশলৈ প্ৰৱাহিত হৈছে। পনিয়াৰ আৰু কালে জলধাৰা দুটি য়াজুলিৰ উত্তৰ-পশ্চিমত লগ লাগি দক্ষিণলৈ প্ৰৱাহিত হৈছে। এই সন্মিলিত আহল-বহল জলধাৰা কিমিন আৰু দিজুৰ সমীপৱৰ্তী অঞ্চলৰ ৰঙানদী নামেৰে অসম সমতলত (লক্ষীমপুৰ সমতল) প্ৰৱেশ কৰি দক্ষিণলৈ প্ৰৱাহিত হৈছে। পাৰ্বত্য এলেকাত যেনেদৰে পনিয়াৰ-কালে নিছি আৰু আপাতনি সকলৰ বাবে আপোন, তেনেদৰে লক্ষীমপুৰ সমতলত ৰঙানদী দুয়ো পাৰে বাস কৰা চাহ জনজাতি, মিচিং, দেউৰী আৰু অজনজাতি অসমীয়া ভাষী লোকৰ বাবে আপোন।

ৰঙানদী অৱবাহতন্ত্ৰ অৰ্থাৎ প্ৰত্যক্ষ প্ৰভাৱ পৰা অঞ্চলৰ সমতলৰ মুঠ মাটিকালি প্ৰায় ৩০০ বৰ্গ কিল’মিটাৰমান হ’ব। এই অঞ্চল পূবে জহিঙৰ পৰা হাতীলুং জানটোৰ পশ্চিম পাৰেদি পানীগাওঁ হৈ কমলাবাৰী পথ আৰু পশ্চিমে কিমিনৰ পৰা ৰঙা সংৰক্ষিত বনাঞ্চলৰ পশ্চিমাংশৰ দক্ষিণলৈ পাভ নৈৰ পশ্চিম পাৰে পাৰে পাভ অভয়াৰণ্যলৈ ব্যাপি আছে। লক্ষীমপুৰ সমতলৰ এই নৈখন স্বাভাৱিকতেই শান্ত, সৌম্য আৰু নিৰাপদ আছিল। এই নদীৰ দুয়ো পাৰৰ বাসিন্দাসকলৰ বাবে ৰঙানদী জীৱনদায়িনী ফল্গুধাৰা। ৰঙানদীয়ে বাৰিষা পলস পেলাই তেওঁলোকৰ পথাৰ সাৰুৱা কৰে। তাত ধান, মাহ, আলু, সৰিয়হ আদি খেতি হয়; শিঙৰি, ঢেঁকীয়া, নলটেঙা, কলমৌ শাক আদি হয়; ইকৰা, খাগৰি, পাটীদৈ, বেত-বাঁহ, তৰা, চকৌ, চেৰা আদিৰ বাবেও প্ৰসিদ্ধ। চাপৰিবোৰত খেৰৰ উপৰিও বগৰী, কোঁটকৰা, ওদাল, মদাৰ, শিমলু আদি গছ পোৱা যায়। ৰঙানদীৰ দুয়ো পাৰৰ বিল, হোলা, পিটনি, দলনি, পুখুৰী আদিত গৰৈ, কাৱৈ, পুঠি, খলিহনা, শিঙি, মাগুৰ, শাল, শ’ল, শিঙৰা, কুচি, চেনী, বৰালি আদি মাছ ভৰি থাকে। এই বিল-জলাহবোৰ কিছুমান স্থানীয় আৰু পৰিভ্ৰমী চৰাই-চিৰিকতিৰ বাসস্থান, ৰঙানদী পাৰৰ শতজান পৰিভ্ৰমী চৰাই-চিৰিকতিৰ বাসস্থান এক উল্লেখযোগ্য উদাহৰণ। এই অঞ্চলৰ উল্লেখযোগ্য বন্যপ্ৰাণী হৈছে উত্তৰৰ হিমালয়ৰ পাদদেশৰ বনৰীয়া হাতী আৰু দক্ষিণৰ লোহিত



সুঁতিৰ গাতে লাগি থকা জলাহ অঞ্চলৰ বনৰীয়া ম'হ।

প্ৰসিদ্ধ ভূগোলবিদ প্ৰয়াত ড$^{0}$ মহম্মদ তাহেৰ ছাৰে বৰ্ণনা কৰা মতে ১৯২৭-২৮ চনমানলৈ উত্তৰ লক্ষীমপুৰ নগৰৰ পৰা প্ৰায় ৭ কিল'মিটাৰ পশ্চিমত থকা ৰঙানদীৰ পদুমৰা ঘাটলৈ চাহপাত নিবলৈ আৰু বাণিজ্যৰ আন সামগ্ৰী আনিবলৈ জাহাজ আহিছিল। ১৯২৬-২৭ চনত উত্তৰ ট্ৰাংক ৰোডটো (বৰ্তমানৰ ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথ) নিৰ্মাণ হৈ উঠাতহে এই জলপথটো অব্যৱহৃত হৈ পৰিল। সেই সময়ত নদীখন যেন ভৰগাভৰু আছিল। কোনো কোনো ঠাইত ইয়াৰ প্ৰস্থ প্ৰায় ২০০ মিটাৰ মান আছিল। বাৰিষা ইটো পাৰৰ পৰা সিটো পাৰলৈ নৈখনৰ বুকু ভৰি পানী বৈছিল। জেঠৰ শেষৰ পৰা আহিনৰ শেষলৈ এইদৰে বৈ যোৱা পানীৰ পৰিমান গড়ে ছেকেণ্ডত প্ৰায় ৫০০-৬০০ ঘনমিটাৰ আছিল। আনকি খৰালি কালতো আঘোণৰ পৰা বহাগলৈ প্ৰৱাহিত পানীৰ পৰিমান গড়ে ছেকেণ্ডত ৮০-১০০ ঘনমিটাৰ আছিল। ১৯৩৬-৩৭ চন মানতহে প্ৰথমবাৰৰ বাবে এখন স্থায়ী লোহাৰ দলং সজা হৈছিল।

এই অৰবাহতন্ত্ৰটোৱে বহুতো পুৰণিকলীয়া কীৰ্তিচিহ্ন আৰু ৰজাদিনীয়া পুখুৰীৰ সাক্ষী বহন কৰি আহিছে। উদাহৰণস্বৰূপে পাভ নৈৰ কেঁকুৰিত গঢ়ি উঠিছিল খৰামোচৰ সত্ৰ, বিলতীয়া গাঁৱত স্থাপন হৈছিল ডেকা ফকীৰৰ মাজাৰ (থান)। এই কীৰ্তি চিহ্নবোৰে একালত এই অঞ্চলটো ভৰা গাঁৱেৰে সমৃদ্ধিশালী কৃষিজীৱি লোকৰ বাসস্থান আছিল বুলি সাক্ষ্য দিয়ে। বৰ্তমান ইয়াত দুই শতাধিক গাঁও আছে।

অতীতত এই অঞ্চলটো পাহাৰ আৰু ভৈয়ামৰ জনগোষ্ঠীবোৰৰ সম্পৰ্ক-সমন্বয়ৰ থলো আছিল। খৰালি দিনত অৰুণাচলৰ পাহাৰৰ পৰা কালে আৰু পনিয়াৰৰ পাৰে পাৰে আপাতনি আৰু নিছিসকলৰ দল ভৈয়ামলৈ নামি আহিছিল। তেওঁলোকে ভৈয়ামৰ কৃষকসকলৰ ধান কাটি দিয়াত সহায় কৰিছিল। তেওঁলোকৰ লগত ভৈয়ামৰ মানুহৰ সদায় সুসম্পৰ্ক আছিল। তেওঁলোকে ইজনে-সিজনক 'মিতুৰ' বুলি মাতিছিল আৰু অসমীয়াতে মত বিনিময় কৰিছিল। তেওঁলোক তিনি-চাৰিমাহ ভৈয়ামত থকাৰ পিছত পুনৰ পৰ্বতলৈ ঘূৰি গৈছিল। যাওঁতে তেওঁলোক কিছু প্ৰয়োজনীয় সামগ্ৰী লগত লৈ গৈছিল।

সময়ৰ পৰিক্ৰমাত সকলো ক্ৰমাত সলনি হ'ব ধৰিলে। একবিংশ শতিকাত যান্ত্ৰিক সভ্যতাৰ প্ৰভাৱ এই অৰবাহতন্ত্ৰৰ বাসিন্দা সকলে বাৰুকৈয়ে উপলব্ধি কৰিলে। যান্ত্ৰিকতাৰ প্ৰয়োজনীয়তাৰ দোহাই দি কোনো অপৰিণামদৰ্শী অভিযন্তা/আমোলাই দিহা দিলে যে য়াজুলিৰ ওচৰত কালে আৰু পনিয়াৰৰ সংগম স্থানত জলধাৰাত ভেটা দি তাৰ একাংশ পানী দহ কিল'মিটাৰ দীঘল এটা সুৰংগইদি পশ্চিমত বহুত তলত বৈ থকা ডিক্ৰং নৈ লৈ নিয়া হওক আৰু সুৰংগটোৰ ভটিয়নি মুখত বিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰা হওক। যেনে চিন্তা তেনে কৰ্ম, যুগ-যুগ ধৰি প্ৰৱাহিত হৈ থকা পনিয়াৰৰ (ৰঙানদী) পানী বান্ধ দি, টাৰ্বাইন চলাই বিদ্যুৎ উৎপাদন কৰি ৰঙানদীৰ পানী ডিক্ৰং নদীত এৰি দিয়া হ'ল। ইয়াৰ পৰিণতিত বাৰিষা ডিক্ৰঙৰ বুকুত নৈ খনে কঢ়িয়াব পৰা পানীতকৈ অধিক পানীৰ বোজা জাপি দিয়া হ'ল আৰু বাৰিষা ডিক্ৰং উপত্যকাৰ গাঁও-ভুঁই উটুৱাই নিয়া হ'ল। আনহাতে, খৰালি বিদ্যুৎ উৎপাদন কৰি থাকিবলৈ পানী সুৰংগেৰে ডিক্ৰঙলৈ পঠিয়াব লগা হোৱাত ৰঙানদীৰ সামান্য অংশহে পানী বৈ আহি ভৈয়াম পায়হি। পূৰ্বৰ খৰালি দিনৰ প্ৰৱাহিত পানীৰ পৰিমানতকৈ দহ ভাগৰ এভাগতকৈও কম অৰ্থাৎ গড়ে ৮-১০ ঘনমিটাৰ পানীহে প্ৰৱাহিত হয়। সমৃদ্ধিশালী পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্য ক্ৰমাত নোহোৱা হৈ আহিল অপৰিণামদৰ্শী মানৰ কাৰ্যৰ বাবে। পানীৰ অভাৱত মাছ, চৰাই-চিৰিকটি আদিৰ বাসস্থানৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। ২০০৮ চন বা তাৰ পৰৱৰ্তীকালৰ বানপানী বিভীষিকা লক্ষীমপুৰবাসীয়ে হয়তো কোনো কালেই পাহৰিব নোৱাৰিব। এই সুজলা-সুফলা শস্য-শ্যামলা অঞ্চলটো যেন এখন দুঃস্বপ্নময় অঞ্চললৈ পৰ্যবসিত হোৱাৰ পথত।





## *The father of Modern Genetics*

# *Gregor Johann Mendel*

*Gregor Johann Mendel was born in 1822 in Heinzdarf be Orau, Anstria, today part of the Czech Republic. As a young man, he studied philosophy and physics. In 1843 he decided to become a monk and entered the Abbey of St. Thomas. Born Johann Mendel, he took the name Gregor when he began his religious life.*

*In 1851, Mendel went to study at the university of Vienna and returned to his abbey as a teacher in 1853. Inspired by his professor, love of pea plants and nature, Mendel began the experimentation of plants for which he is known. He grew and tested over 28000 pea plants. He wanted to discover how traits are passed on from parents to their children. Traits are things such as hair colour and eye colour or in case of pea plants height.*

*At the time it was thought that the traits of offspring were simply blends of their parents traits. For example, when Mendel bred a tall pea plant with a short pea plant, he might have expected to get medium size plants as their offspring. Instead, the offspring was such that each parent must have a unit pass directly to the offspring that determine height. Today we call those unit genes.*

*Next Mendel bred these hybrid or combination, plants with each other. He discovered that the hybrid parent plants produce about three tall plants for each dwarf plants. He figured out that this meant that one gene, the one for height was stronger that the one for dwarfness. These stronger traits are called dominant trait and the weaker being the recessive.*

*Mendel experiments with this pea plants laid the foundation of the study of heredity. For this reason, he is called as 'The father of Modern Genetics.'*


***Jaya Kumari***

*H.S. 2nd Year (Arts)*

# भारतीय संस्कृति

**मनसूम लेखारु**
स्नातक पंचम छमाही, हिन्दी विभाग

भारतीय संस्कृति को विश्व की प्राचीन और महान संस्कृति के रूप में माना जाता है। ये संस्कृति लगभग पाँच हजार पुरानी है। पुरे विश्व भर में भारतीय संस्कृति बहुत प्रसिद्ध है। संस्कृतियों से समृद्ध भारत देश में अलग अलग संस्कृतियों के लोग रहतै हैं। भारत की संस्कृतियों में लोगों के विचार लोगों की जीवन शैली, रीति-रिवाज, मुल्य, आदतें, ज्ञान आदि सबकुछ देखने को मिलते हैं। इतिहास के अनुसार हिन्दु और बुद्ध धर्म जेसे धर्म की जन्मस्थली के रूप में भारत को पहचाना जाता है। हमारे देश भारतवर्ष की यह प्रसिद्ध संस्कृति है कि हमारे यहाँ आये मेहमानों को भगवान का रूप मानकर उनका सेवा करते हैं। इसी वजह है ''अतिति देवो भव:'' का कथन बेहद प्रसिद्ध है। भारत पुरूष और स्त्री, धर्म आदि का देश नहीं बल्कि ये एकता का देश है जहाँ सभी जाति और सम्प्रदाय के लोग एक साथ रहते हैं। भारत की सामाजिक व्यवस्था महान है जहाँ लोग आज भी संयुक्त परिवार में साथ रहते हैं। भारत में लोग आधुनिक है और समय के साथ बदलती है। आधुनिकता का अनुकरण करते हैं। भारत में लोग आधुनिक है और सुखी और परम्परा से जूड़े हुए है।




অসমীয়া উপন্যাস সাহিত্যৰ এজন স্বনামধন্য ঔপন্যাসিক হ'ল ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। বিয়াল্লিছৰ গণ আন্দোলনৰ পটভূমিত ৰচিত তেওঁৰ কালজয়ী উপন্যাস 'মৃত্যুঞ্জয়'ই কুৰি শতিকাৰ সমগ্ৰ উপন্যাসৰাজিৰ ভিতৰত উচ্চস্থান দখল কৰি পোনপ্ৰথম বাৰৰ বাবে অসমীয়া সাহিত্য জগতলৈ 'জ্ঞানপীঠ' বঁটা আজুৰি আনিবলৈ সক্ষম হয়।

গ্ৰ ন্থ আ লো চ না

# মৃত্যুঞ্জয়

**নিদৰ্শনী শইকীয়া**
স্নাতক ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ

অসমীয়া উপন্যাস সাহিত্যৰ এজন স্বনামধন্য ঔপন্যাসিক হ'ল ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। বিয়াল্লিছৰ গণ আন্দোলনৰ পটভূমিত ৰচিত তেওঁৰ কালজয়ী উপন্যাস 'মৃত্যুঞ্জয়'ই কুৰি শতিকাৰ সমগ্ৰ উপন্যাসৰাজিৰ ভিতৰত উচ্চস্থান দখল কৰি পোনপ্ৰথম বাৰৰ বাবে অসমীয়া সাহিত্য জগতলৈ 'জ্ঞানপীঠ' বঁটা আজুৰি আনিবলৈ সক্ষম হয়। প্ৰথম অসমীয়া প্ৰকৃত উপন্যাসৰ ধাৰা পদ্মনাথ গোহাঞিবৰুৱাৰ ভানুমতি আৰু লাহৰী (১৮৯২) আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুম কুঁৱৰী' এই তিনিখনৰে পৰা আৰম্ভণি ঘটে বুলি ক'ব পাৰি। তেতিয়াৰে পৰা নিৰৱচ্ছিন্নভাৱে সাম্প্ৰতিক সময়লৈকে বহু উপন্যাস ৰচিত হৈ আহিছে। সেই উপন্যাসসমূহৰ ভিতৰত প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী 'মৃত্যুঞ্জয়' উপন্যাসখনে অসমীয়া সাহিত্যত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত অসমত হোৱা এক জাগৰণৰ এটি অতি গুৰুত্বপূৰ্ণ দিশ। ১৯৪২ চনৰ প্ৰতিটো প্ৰতিচ্ছবি উপন্যাসখনৰ পাতে পাতে বিৰাজমান। 'মৃত্যুঞ্জয়' উপন্যাসখনৰ কেইটামান চৰিত্ৰই কদিৰে অহিংসা নীতিৰ পৰা ফালৰি কাটি গৰিলা কৌশলেৰে ৰে'লৰ ডবা বগৰাবলৈ গৈছিল তাৰ ছবি উপন্যাসখনত বৰ্ণিত হৈছে।

অসমীয়া উপন্যাস সাহিত্যত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এটা সুপ্ৰতিষ্ঠিত নাম। তেখেতৰ সাহিত্যত সমাজ চেতনা, ৰাজনৈতিক চেতনা আদি সততে স্পষ্ট। তেখেতৰ উপন্যাসসমূহ প্ৰায়েই ৰাজনৈতিক চেতনা সম্পন্ন। তেখেতৰ প্ৰথম উপন্যাস 'ৰাজপথে ৰিঙিয়াই' (১৯৫৫)। তেখেতৰ সৰহ সংখ্যক উপন্যাসৰ কাহিনীৰ পটভূমি সংগ্ৰামী আৰু চৰিত্ৰবোৰৰ বৈশিষ্ট্য প্ৰস্ফুটিত হৈছে অসাধাৰণ পৰিৱেশত। তেখেতৰ ৰাজপথে ৰিঙিয়াই, ইয়াৰুইংগম, মৃত্যুঞ্জয়, প্ৰতিপদ, কবৰ আৰু ফুল, শতঘ্নী এই উপন্যাসকেইখনৰ চৰিত্ৰাৱলীয়ে বিপ্লৱ আৰু সংগ্ৰামৰ অসাধাৰণ পৰিৱেশত বিচৰণ কৰিছে। তেখেতৰ মৃত্যুঞ্জয়, ৰাজপথে ৰিঙিয়াই আদি উপন্যাস কাব্যিক বৰ্ণনা স্থান বিশেষে উপন্যাসখনৰ আৰু অধিক মোহনীয় কৰি তুলিছে।

তেখেতৰ কালজয়ী উপন্যাস মৃত্যুঞ্জয়ে উপন্যাস সাহিত্যত শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই উপন্যাসখনে পোন প্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্যলৈ জ্ঞানপীঠ সন্মান কঢ়িয়াই আনে। সেয়েহে ১৯৪২ চনৰ স্বাধীনতাৰ শেষ আন্দোলনৰ ছবি 'মৃত্যুঞ্জয়'ৰ মাজেদি কল্পনাৰ ৰহন সানি প্ৰকাশ কৰিছে। উপন্যাসখনৰ পাতনিতে তেখেতে কৈছে—'ই ইতিহাস নহয়'। নিজৰ জীৱন কালত প্ৰত্যক্ষ কৰা এই জাগৰণৰ নিজস্ব চিন্তা তথা অনুভৱেৰে সংপৃক্ত কৰি উপন্যাসৰ কাহিনী ৰচনা কৰিছে। সেয়েহে আন যুগৰ মানুহে অথবা ঐতিহাসিক দৃষ্টিত ইয়াৰ ব্যাখ্যা হয়তো বেলেগ হ'ব পাৰে। কিন্তু নিজে লিপ্ত হৈ প্ৰত্যক্ষভাৱে যি অভিজ্ঞতা লাভ কৰিছে সেয়া অন্য যুগৰ লেখক বা বুৰঞ্জীবিদে যথাক্ৰমে উপলব্ধি কৰিব নোৱাৰে।'

'কেঁচা বৰলৰ জোকাই ল'লে গা সাৰিবলৈ টান'—উপন্যাসখনৰ প্ৰথম বাক্য। ভিভিৰামৰ মুখেত দিয়া এই লৌকিক প্ৰবচনে পৰাধীন অসমৰ সাধাৰণজনৰ স্বাধীনতা লাভৰ দুৰ্বাৰ আকাংক্ষাক প্ৰতিফলিত কৰিছে, স্বাধীনতাৰ সপোনত ব্যাকুল হোৱা অসমীয়াই কেঁচা বৰলৰ দৰে বিষাক্ত শুঙেৰে ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতি ওফৰাই স্বাধীনতা প্ৰতিষ্ঠা কৰিব তাৰবাবে প্ৰয়োজন হ'লে হিংসাত্মক পথ অৱলম্বন কৰিব তাৰ এটা আভাস ফুটি উঠিছে।

ঔপন্যাসিকে উপন্যাসখনৰ নামকৰণতো সফল হৈছে। 'মৃত্যুঞ্জয়' যি মৃত্যুকো জয় কৰিব পাৰে। দেশৰ মহৎ উদ্দেশ্যৰ কাৰণে শ্বহীদ সকলক শ্বহীদ বুলি কোৱা হয় কাৰণ তেওঁলোকৰ মৃত্যু হৈও অজেয় অমৰ। এই উপন্যাসখনতো ধনপুৰ গোসাঁইৰ যি ত্যাগৰ মহত্ব তেওঁলোক মৃত্যু হৈও যুগে যুগে অমৰ আৰু অজেয়। উপন্যাসখনৰ গোটেই কাহিনীটো ৰচিত হৈছে বিয়াল্লিছৰ আন্দোলনৰ গৰিলা কৰ্ম পন্থানুসাৰে সামৰিক সৈন্য আৰু সা-সৰঞ্জামেৰে পৰিপূৰ্ণ ৰে'লগাড়ী এখন বগৰাই পেলোৱা দুঃসাহসিক কাৰ্যক কেন্দ্ৰ কৰি। উপন্যাসখনত সীমিত কাল আৰু স্থানত ইয়াৰ ঘটনাসমূহ প্ৰকাশিত হৈছে। নগাঁও পশ্চিমাঞ্চলৰ দৈপাৰা, মায়াং, বাৰপুজীয়া আদি স্থানসমূহক সামৰি লৈছে। ইয়াৰ চৰিত্ৰসমূহ যদিও কাল্পনিক ইয়াৰ দুটা এটা চৰিত্ৰ প্ৰকৃত যুঁজাৰুৰ আদৰ্শতে পৰিকল্পিত।

উপন্যাসখনৰ মূল ঘটনাসমূহ এনে-দৈপাৰা গোসাঁই নেতৃত্বত সেই সময়ৰ কেইজনমান বিপ্লৱীক লগত লৈ গৰিলা বা পশ্চাৎঘাটী পদ্ধতিৰে সামৰিক ৰে'ল এখনক লাইনচ্যুৎ কৰি বগৰাই পেলাবলৈ কৰা গোপন আলোচনা, অস্ত্ৰ সংগ্ৰহ আৰু ৰে'ল বগৰাবলৈ যাওঁতে ঘটা ঘটনাসমূহ, ৰে'ল বগৰুৱাৰ পাছত কাহিনীটোৰ প্ৰধান চৰিত্ৰ গোসাঁই আৰু ধনপুৰ গুলীৰ আঘাতত হোৱা মৃত্যু, বাকী যুঁজাৰুসকলে পলায়নৰ চেষ্টাত অক্ষম অতি আকৰ্ষণীয় আৰু মনপৰশা।




ঔপন্যাসিকে উপন্যাসখনৰ নামকৰণতো সফল হৈছে। 'মৃত্যুঞ্জয়' যি মৃত্যুকো জয় কৰিব পাৰে। দেশৰ মহৎ উদ্দেশ্যৰ কাৰণে শ্বহীদ সকলক শ্বহীদ বুলি কোৱা হয় কাৰণ তেওঁলোকৰ মৃত্যু হৈও অজেয় অমৰ।

উপন্যাসখনৰ পাতে পাতে ব্ৰিটিছ সাম্ৰাজ্য গঠনৰ সময়ত সাধাৰণ জনতাৰ প্ৰতি কৰা পাশৱিক অত্যাচাৰ, ঘৰৰ নিগনিয়ে কাপোৰ কুটাৰ দৰে নিজৰে কেইজনমান দেশদ্ৰোহীয়ে মিলিটেৰীৰ লগত কৰা কু-অভিসন্ধি, সেইসময়ৰ নাৰীসকলৰ দুৰৱস্থা, অন্তসত্বা নাৰীসকলৰ প্ৰতি কৰা অমানৱীয় অত্যাচাৰ, কানি বৰবিহৰ প্ৰচলন, জাতি ভেদ, শ্ৰেণী বৈষম্য, পুৰণিকলীয়া কু-সংস্কাৰে ভৰপূৰ এখন সমাজ, গাৰো জনজাতি আৰু মিকিৰ জনজাতিৰ এখন ছবি, তন্ত্ৰ-মন্ত্ৰৰ ওপৰত মানুহৰ অন্ধবিশ্বাস আদি প্ৰতিফলিত হৈছে।

কাহিনীটোৰ ঘটনাৱলীৰ মূল অংশগ্ৰহণকাৰীসকল হ'ল—মহদা গোহাঁই, ধনপুৰ, ভিভিৰাম, দধি মাষ্টৰ, আহিনা কোঁৱৰ, মানিক বৰা, ৰূপ নাৰায়ণ, জয়ৰাম মধু কেওট। এওঁলোক কেইজনে গৰিলা পদ্ধতিৰে ৰে'ল বগৰোৱাত অংশ গ্ৰহণ কৰে। অৱশ্যে ঔপন্যাসিকে সকলো চৰিত্ৰতে সমানে দৃষ্টি নিক্ষেপ কৰা নাই। তেওঁ প্ৰধানতঃ গোঁসাই আৰু ধনপুৰ চৰিত্ৰতহে অধিক দৃষ্টি নিক্ষেপ কৰিছে। আহিনা কোঁৱৰক তেওঁ স্বতন্ত্ৰভাৱে প্ৰতিষ্ঠা কৰিছে। ৰূপ নাৰায়ণৰ চৰিত্ৰটোত আৰম্ভণিৰে পৰা যদিও লেখকে দৃষ্টি নিক্ষেপ কৰা নাই কাহিনীটো পোহৰফালে অৰ্থাৎ ৰে'ল বাগৰোৱাৰ পাছত বাৰে বাৰে পাঠকৰ সন্মুখলৈ আনিছে।

মূল ঘটনাত অংশ গ্ৰহণকাৰী চৰিত্ৰসমূহৰ বাহিৰেও আশে-পাশে থকা চৰিত্ৰসমূহ হ'ল মিকিৰ, গাভৰু ভিমি, কলী বাই, টিকৌ, গোঁসানী, নিহত দাৰোগাৰ পত্নী অনুপমা আদি উল্লেখযোগ্য।

কাহিনীটোত অন্য এক শ্ৰেণীৰ চৰিত্ৰ আছে যিবোৰে কাহিনীটোত প্ৰত্যক্ষভাৱে আত্মপ্ৰকাশ কৰা নাই বৰং কাহিনীটো আগবাঢ়ি যোৱাত আৰু অধিক মনোগ্ৰাহী কৰাত সহায় কৰিছে। এনে

চৰিত্ৰসমূহ হ'ল-মিলিটেৰীৰ পাশৱিক অত্যাচাৰত আত্মহত্যা কৰা সুভদ্ৰা, লয়ৰাম, দাৰোগা শইকীয়া, আৰতি, উকীল আদি। মুক্তি আন্দোলনৰ ছবি এখন প্ৰতিফলিত কৰিবলৈ দুটি এটি চৰিত্ৰৰ দ্বাৰা সম্ভৱ নহয় সেয়েহে অধিক চৰিত্ৰৰ সমাৱেশ স্বাভাৱিক।

কাহিনীটোৰ প্ৰধান দুটা চৰিত্ৰ হ'ল-গোঁসাই আৰু ধনপুৰ। এই চৰিত্ৰ দুটাই লেখকৰ পৰা অধিক গুৰুত্ব আৰু সহানুভূতি লাভ কৰিছে।




গোঁসাইৰ চৰিত্ৰ আন এটা দৃষ্টিকোণে নাটকখন সকৰুণ কৰি তোলে তেওঁ যেতিয়া দেশমাতৃৰ স্বাৰ্থত নিজকে উচৰ্গা কৰিছিল তেতিয়া তেওঁৰ গোঁসানীৰ মুখখনে বাৰে বাৰে বিহ্বল কৰি তুলিছিল।

মহদা গোঁসাইৰ নেতৃত্বতে গোটেই দলটো ৰে'ল বগৰাবলৈ গৈছে। মহদা গোঁসাইৰ মহৎ ত্যাগক উপন্যাসখনৰ দ্বাৰা দেখুওৱা হৈছে তেওঁ কিদৰে অকলশৰীয়া পত্নীক এৰি ৰোগীয়া দেহাৰে সামৰ্থ অনুযায়ী যুঁজিছে আৰু শেষত দলৰ দলপতিৰ নেতৃত্ব বহন কৰি নিজে মৃত্যুৰ পথত আগবাঢ়ি গৈছে। তেওঁ যদিও গৰিলা পদ্ধতিৰ আশ্ৰয় লৈছিল মহাত্মাৰ অহিংস আন্দোলনৰ প্ৰতিও আছিল অধিক আস্থাশীল। মহাত্মাৰ 'কৰিম কিম্বা মৰিম' এই সংকল্পত তেওঁ গভীৰ বিশ্বাসী। ৰে'ল গাড়ী বগৰোৱাৰ পাছত তেওঁ দলৰ আন আন সদস্যসকল যাতে ধৰা নপৰে তাৰবাবে ৰুগ্ন দেহাৰেও পুলিচ-মিলিটেৰীসকলৰ বিপক্ষে যুঁজিবলৈ অকলে ৰৈ গৈছিল। তেওঁ ৰে'লগাড়ী বগৰাই আহে যদিও তাত মৃত্যু হোৱা শ শ মানুহৰ হত্যাই তেওঁৰ বিবেক দংশন কৰে। তেওঁ বাৰে বাৰে মানসিক অন্তৰ্দ্বন্দ্বত ভূগিবলৈ ধৰে। হয়তো সেইবাবেই তেওঁ নিজেই মৃত্যুৰ পথ বাচি ল'লে। সেই সময়ত থকা শ্ৰেণী বৈষম্য, জাত-পাত বিচাৰ যদিও অলপ গোঁসাইৰ প্ৰথমাৱস্থাত আছিল ই পিছলৈ একেবাৰে নাইকিয়া হ'ল। গোঁসাইয়েও ভাবিছিল গোঁসানীক ডিমিহঁতৰ দৰে এইবাৰ মুক্ত মনেৰে ঘূৰিবলৈ ক'ব কাৰণ তেওঁ বুজিব পাৰিছিল ঘৰত সোমাই সতী সাবিত্ৰী হৈ থকাতো ডাঙৰ কথা নহয়, ডিমিহঁতৰ দৰে মুক্ত মনেৰে বিচৰণ কৰি সতী হৈ থকাটোহে ডাঙৰ কথা। প্ৰকৃততে ডিমিহঁতৰ নিচিনা মুকলিমূৰীয়া নাৰীবোৰহে সতী।

গোঁসাইৰ চৰিত্ৰ আন এটা দৃষ্টিকোণে নাটকখন সকৰুণ কৰি তোলে তেওঁ যেতিয়া দেশমাতৃৰ স্বাৰ্থত নিজকে উচৰ্গা কৰিছিল তেতিয়া তেওঁৰ গোঁসানীৰ মুখখনে বাৰে বাৰে বিহ্বল কৰি তুলিছিল। 'মৃত্যুৰ মুহূৰ্ত গণি মুমূৰ্ষ অৱস্থাত পৰি থাকোতে শৰ পঙুৰ কান্দোনৰ মাজেদি শুনিবলৈ পাইছে গোঁসানীৰ অস্ফুট কান্দোন।' এনেদৰে চৰিত্ৰটোক আৰু অধিক মহত্বৰ পৰা মহত্বলৈ লৈ গ'ল তেওঁ দেশৰ প্ৰতি দিয়া আত্মবলিদানে।

উপন্যাসখনৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰটো হৈছে ধনপুৰ। ধনপুৰ অতি সাহসী, বলবান, আত্মবিশ্বাসী, দেশপ্ৰেমী, নৱপ্ৰজন্মৰ প্ৰতিনিধি আছিল। অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ তাৰ বুকুত আছিল অদম্য সাহস।

সেই সময়ৰ অসমখন আছিল পুৰণি ৰীতি-নীতি, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰে ভৰপূৰ কিন্তু এই সকলোবোৰৰ পৰা মুক্ত আছিল ধনপুৰ। সেইকাৰণে সি অতি স্পষ্টবাদী আৰু তাৰ মনত কোনো 'ইনহিবিচন' নাছিল। সি জয়ৰামৰ মন্ত্ৰৰ প্ৰতি থকা ধাৰণাক সেয়েহে ইতিকিং কৰিছিল। আহিনা কোঁৱৰে গাই ফুৰা শাস্ত্ৰ বচনসমূহৰ মূল্যত সন্দেহ প্ৰকাশ কৰিছিল। ধনপুৰক বাহিৰৰ পৰা দেখাত যিমান কঠিন যেন লাগে সি কিন্তু তেনে কঠিন নহয়। সি এটা কোমল মনৰ অধিকাৰী আছিল। সি ভাল পাইছিল মিকিৰ গাভৰু ডিমিক। ডিমিৰো আছিল তাৰ প্ৰতি আকৰ্ষণ। কিন্তু তাই ঘৰৰ মানুহে গাৰো ডেকাৰ লগত বিয়া দি দিছিল। সেয়েহে ধনপুৰে ডিমিৰ মুখখনৰ সৈতে সুবহু একে সুভদ্ৰাক বিয়া কৰাবলৈ লৈছিল। সুভদ্ৰা পাশৱিক মিলিটেৰীকেইটাৰ বলি হৈছিল। সেই সময়ৰ সমাজখনত সুভদ্ৰাৰ দৰে ধৰ্ষিতা ছোৱালী এজনী আপোন কৰি ল'বলৈ বিচৰা ডেকা এজন কিমান বহল মনৰ আৰু সাহসিকতাৰ অধিকাৰী হ'ব লাগিব ধনপুৰ চৰিত্ৰটোৰ মাজেৰে সেয়া প্ৰতিফলিত হৈছে। ধনপুৰে দেশ স্বাধীন হোৱা আৰু স্বাধীন হোৱাৰ পাছত সি আৰু সুভদ্ৰাই কিদৰে একেলগে ঘৰ সাজিব আৰু এখন সুখৰ সংসাৰ পাতিব তাক লৈ ৰঙীণ সপোন দেখিছিল কিন্তু সেই ৰঙীণ সপোনবোৰ সপোন হৈয়ে থাকিল।

ৰে'ল বগৰাবলৈ গৈ ধনপুৰ আহত হ'ল। আহত হৈ উভটি আহোতে পলাবলৈ সি অক্ষম হৈ পৰিলত দলৰ আনবোৰ যাতে ধৰা নপৰে তাৰবাবে সিহঁতক তাৰ ওচৰৰ পৰা পঠিয়াই সি দেশমাতৃৰ বাবে মিলিটেৰীৰ গুলীও সাৱটি লৈছিল।

নাটকখনৰ অন্যতম এটা নাৰী চৰিত্ৰ হৈছে ডিমি। এই চৰিত্ৰটো এটা টাইপ চৰিত্ৰ। ডিমি আছিল মুকলি মনৰ অধিকাৰী আৰু সাহসী। তাই ধনপুৰক মনে মনে ভাল পাইছিল যদিও গাৰো ডেকাৰ সৈতে তাই বিয়া হৈ গৈছিল। তাই সামৰ্থ অনুযায়ী সেই মুক্তি যুঁজাৰুসকলক সহায় কৰিছিল। ডিমিৰ চৰিত্ৰটোৰ মাজেৰে সেই সময়ৰ নাৰীসকলৰ সংগ্ৰামী চেতনা ভাৱেই দেখা পোৱা যায়।

উপন্যাসখনৰ আন এটা নাৰী চৰিত্ৰ হ'ল মহদা গোঁসাইৰ পত্নী গোঁসানী। নিজৰ স্বামীক তাই অন্তঃসত্বা হৈ থকা অৱস্থাতো দেশমাতৃৰ স্বাৰ্থত ৰে'ল বগৰাবলৈ যাবলৈ দিয়াত এই চৰিত্ৰটিৰ মহানতা প্ৰকাশ পাইছে। তেখেতৰ স্বামীৰ মৃত্যুৰ পাছতো দেশৰ কাৰণে প্ৰাণ দিওঁতাসকলৰ ভিতৰত এজন বুলি ভাবি মানসিকভাৱে লোৱা সন্তুষ্টি সেই সময়ৰ অসমীয়া নাৰীসকলৰ মানসিক অৱস্থাকে প্ৰতিপন্ন কৰিছে।

অন্যতম এটা চৰিত্ৰ কলিবাঈয়ে সেই সময়ত ঘটা ঘটনাসমূহৰ খা-খবৰ লোৱাৰ মাজেদি ঔপন্যাসিকে সেইসময়ৰ নাৰীৰ সচেতনতাৰ মনোভাৱকে উদঙাই তুলিছে।

উপন্যাসখনত ৰে'ল বগৰোৱাৰ পাছত গোঁসাই আৰু ধনপুৰৰ মৃত্যুৰ পিছৰ কাহিনীটো অলপ উপৰিঞ্চি যেন লাগে যদিও ঔপন্যাসিকে আচলতে কাহিনীটোক আগবঢ়াই নিয়াৰ মূল উদ্দেশ্য হ'ল দাৰোগাৰ পত্নী অনুপমা আৰু গোঁসানীৰ স্বামীৰ মৃত্যুৰ পাছত হোৱা মানসিক অৱস্থা পাঠকৰ আগত তুলি ধৰাৰ লগতে পুলিচ চোৰাংচোৰাসকলৰ কাৰ্যকলাপসমূহ প্ৰদৰ্শন কৰোৱা আৰু আৰতিৰ বিয়াৰ যোগেদি সেই সময়ৰ জটিল সমাজ ব্যৱস্থাৰ অলপ আভাস দিয়া।




উপন্যাসখনত ভট্টাচাৰ্যদেৱৰ ঠায়ে ঠায়ে কবিসুলভ দৃষ্টিভংগীৰো প্ৰকাশ ঘটিছে। ধনপুৰে সুভদ্ৰাক লৈ ৰচা ৰঙীণ সপোন আদিৰ মাজেৰে উপন্যাসখনৰ প্ৰতিটো দৃশ্যই খুব সহজ-সৰল প্ৰাঞ্জল আৰু সাৱলীল আৰু ইয়াৰ প্ৰতিটো চৰিত্ৰই দ্বন্দ্ব সংঘটিত স্পন্দনময়, অত্যন্ত সজীৱ আৰু গতিশীল।

তেখেতৰ স্বামীৰ মৃত্যুৰ পাছতো দেশৰ কাৰণে প্ৰাণ দিওঁতাসকলৰ ভিতৰত এজন বুলি ভাবি মানসিকভাৱে লোৱা সন্তুষ্টি সেই সময়ৰ অসমীয়া নাৰীসকলৰ মানসিক অৱস্থাকে প্ৰতিপন্ন কৰিছে।

উপন্যাসখনত জনজাতীয় লোকৰো এক দৃশ্য প্ৰতিফলিত হৈছে। জনজাতীয় লোকৰ এক সহজাত জ্বলন্ত প্ৰতীকৰূপে ডিমিক অংকন কৰিছে। জনজাতীয় সমাজৰ বিবাহ, উৎসৱ প্ৰকৃতিৰ চিত্ৰও অতি সুন্দৰ ৰূপত অংকিত কৰা হৈছে।

গোঁসানীয়ে যেতিয়া ভাত ৰান্ধিছিল তাৰ বৰ্ণনা এনেদৰে দিয়া হৈছিল কণজহা চাউল, খৰিয়া মাছৰ আঞ্জা, বিলাহী বেঙেণা, কলডিলৰ ভজা, পেটু ভজা আদি এই খাদ্যসম্ভাৰৰ মাজেৰে ঔপন্যাসিকে অসমীয়া থলুৱা সমাজৰ খাদ্যৰ কিছু আভাস দিছে। অসমীয়া সমাজত থানলৈ কিবা আগবঢ়োৱা পৰম্পৰা এটা অতীতৰে পৰা চলি আহিছে। ইয়াতো এই পৰম্পৰা ফুটি উঠিছে ভিভিৰামৰ ঘৈণীয়েকে বুঢ়া-বুঢ়ীথানলৈ কিবা কিবি আগ কৰাৰ মাজেদি।

উপন্যাসখনত ঔপন্যাসিকে প্ৰতিটো সৰু-বৰ দিশ খুটি-নাটি মাৰি উপস্থাপন কৰিছে। ১৯৪২ চনৰ স্বাধীনতা শেষ আন্দোলনৰ ছবিখন অতি সুন্দৰভাৱে 'মৃত্যুঞ্জয়'ৰ মাজেদি চিত্ৰিত হৈছে।

'মৃত্যুঞ্জয়' উপন্যাসখনৰ আন্দোলনকাৰীসকলৰ নীতিৰ সেই সময়ত কিমান যুক্তিযুক্ততা আছিল সেই প্ৰশ্নৰ উদয় হৈছিল। সেয়েহে তেওঁলোকে তাৰেই প্ৰতিক্ৰিয়া স্বৰূপে গৰিলা ফৌজ গঠন কৰি প্ৰত্যাহ্বান জনোৱাৰ কথা সুন্দৰভাৱে ভট্টাচাৰ্যদেৱে বৰ্ণনা কৰিছে। '৪২'ৰ আন্দোলনৰ সময়ত অসমৰ পৰিস্থিতি দাঙি ধৰাৰ ক্ষেত্ৰত উপন্যাসখন সম্পূৰ্ণ সফল হৈছে। সেই সময়ৰ বৈষ্ণৱ ধৰ্মৰ প্ৰেম আৰু অহিংস নীতিৰ অনুগামীসকলে হিংসাত্মক পন্থা অৱলম্বন কৰাৰ পাছত তেওঁলোকৰ যি মানসিক অন্তৰ্দ্বন্দ্ব তাৰ মাজেৰে উপন্যাসখনৰ গভীৰতা বৃদ্ধি পাইছে। এইখনেই বৰ্তমানলৈকে একমাত্ৰ উপন্যাস যি '৪২ৰ আন্দোলনৰ জীৱন্ত ছবি ধৰি ৰাখিছে।

অসমীয়া উপন্যাস সাহিত্যত 'মৃত্যুঞ্জয়'ৰ অৱদান অনস্বীকাৰ্য। অসমীয়া সাহিত্যত 'মৃত্যুঞ্জয়' এক অমূল্য সম্পদ।




সাহিত্য হৈছে কোনো এক জাতিৰ দাপোণস্বৰূপ। সাহিত্যৰ মাজেৰে কোনো এক সময়ৰ, বিভিন্ন পৰিস্থিতি, সংস্কৃতি, লোকাচাৰ ইত্যাদি প্ৰতিফলিত হয়। উপন্যাসৰ জৰিয়তেও মানৱ জীৱনৰ বিভিন্ন দিশ পৰিস্ফুট হয়, লগতে মানুহক আমোদ প্ৰদান কৰে। ‘দেওলাংখুই’ এনে এখন লেখতল’বলগীয়া উপন্যাস।

গ্ৰন্থ আলোচনা

# দেওলাংখুই

**পাপৰি চুতীয়া**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

সাম্প্ৰতিক কালত জনপ্ৰিয়তা লাভ কৰা ৰীতা চৌধুৰী এগৰাকী সফল ঔপন্যাসিকা। তেখেতৰ জন্ম হয় ১৭ আগষ্ট, ১৯৬০ চনত। অৰুণাচল প্ৰদেশৰ টিৰাপত জন্মগ্ৰহণ কৰা এইগৰাকী লেখিকাৰ পিতৃৰ নাম হ’ল বিৰজানন্দ চৌধুৰী। এওঁ অসমীয়া সাহিত্য জগতৰ এগৰাকী কবি, ঔপন্যাসিক আৰু সাহিত্য অকাডেমী বঁটা বিজয়ী লেখিকা। তেখেতে আইনৰ এল.এল.বি. গ্ৰহণ কৰাৰ উপৰিও ৰাজনীতি বিজ্ঞানত পি. এইচ.ডি.ও কৰে। অসম আন্দোলনৰ সময়ছোৱাত তেখেতে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগত জড়িত আছিল আৰু কেইবাবাৰো কাৰাবাস খাটিছিল। এওঁ লিখা জীৱনৰ প্ৰথমখন উপন্যাস আছিল ‘অবিৰত যাত্ৰা’। ইয়াৰ উপৰিও ‘মহাজীৱনৰ আধাৰশিলা’, দেওলাংখুই (২০০৫), পপীয়া তৰাৰ সাধু’, ‘এই সময় সেই সময়’, ‘মাকাম’ এই উপন্যাসকেইখন তেওঁৰ দ্বাৰা ৰচিত। তেওঁৰ ৰচনাসমূহৰ মাজেৰে তেখেতৰ সচেতন মানৱতাবাদী মনোভাৱৰ প্ৰতিফলন ঘটিছে।

সাহিত্য হৈছে কোনো এক জাতিৰ দাপোণস্বৰূপ। সাহিত্যৰ মাজেৰে কোনো এক সময়ৰ, বিভিন্ন পৰিস্থিতি, সংস্কৃতি, লোকাচাৰ ইত্যাদি প্ৰতিফলিত হয়। উপন্যাসৰ জৰিয়তেও মানৱ জীৱনৰ বিভিন্ন দিশ পৰিস্ফুট হয়, লগতে মানুহক আমোদ প্ৰদান কৰে। ‘দেওলাংখুই’ এনে এখন লেখতল’বলগীয়া উপন্যাস।

অসমীয়া উপন্যাস সাহিত্যত ‘দেওলাংখুই’ উপন্যাসখন এক মহত্তম সৃষ্টি। ‘দেওলাংখুই’ উপন্যাসখনত তিৱা সমাজৰ ৰীতি-নীতি দেখিবলৈ পোৱা যায়। দেওলাংখুই শব্দটো তিৱা ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হৈছে দেৱ তৰোৱাল বা দেও লগা তৰোৱাল। এই কাহিনীটো জনশ্ৰুতিমূলক হ’লেও তাত অসম বুৰঞ্জীৰ অনেক উপাদান দেখিবলৈ পোৱা যায়। লিখিত বুৰঞ্জীত এই সম্পৰ্কত সম্পূৰ্ণকৈ সকলো তথ্য পোৱা নাযায় যদিও লেখিকাই সম্পূৰ্ণ জীৱন্ত ৰূপত কাহিনীটো ৰচনা কৰি পেলালে। এইখিনিতেই ঔপন্যাসিকাৰ সৃষ্টিশীলতা প্ৰকাশ পাইছে।




বীৰপুৰুষ জোঙাল বলহুৰ জীৱন হ'ল উপন্যাসখনৰ ঘাই উপজীব্য। বুৰঞ্জীৰ পৰা নানা তথ্য, সমল সংগ্ৰহ কৰি লেখিকাই জীৱন, বিশ্বাস, ৰীতি-নীতি, সংস্কৃতি, পৰিৱেশ-পৰিস্থিতি সকলোবোৰ অতি কৌশলেৰে বাস্তৱসন্মতভাৱে উপস্থাপন কৰিছে। এই উপন্যাসখন ৰচনা কৰোতে কেৱল বাস্তৱসন্মত যুক্তি, তথ্যকে ইতিহাসৰ পৰা সংগ্ৰহ কৰি সংযোগ কৰা নাই; কল্পনাকো সাৰথি কৰিছে। এই উপন্যাসখনে প্ৰথমৰ পৰাই পাঠকৰ মন মন্ত্ৰমুগ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছে।

কাহিনীভাগৰ প্ৰথমছোৱাৰ পৰাই যন্ত্ৰণাৰ ছবি জিলিকি উঠিছে। ৰজা প্ৰতাপচন্দ্ৰৰ ভুলৰ বাবে উপন্যাসখনৰ প্ৰতিটো চৰিত্ৰলৈ যন্ত্ৰণা নামি আহিছে। প্ৰতাপপুৰৰ ৰজা প্ৰতাপচন্দ্ৰই নিজ পত্নী চন্দ্ৰপ্ৰভাক নিজতকৈও বেছি ভাল পাইছিল। পত্নীৰ ৰূপ, সৌন্দৰ্যত বিভোৰ হৈ থকা এইজন ৰজাই নিজকে আৰ্য বংশীয় বুলি গৌৰৱবোধ কৰিছিল। পত্নীৰ প্ৰকৃততে ভুল আছে নে নাই সেই কথা বুজিবলৈ নিবিচাৰি মাত্ৰ সন্দেহতে চৰিত্ৰহীনা বুলি ত্যাগ কৰে। আনহাতে স্বামীয়ে ত্যাগ কৰা পত্নীক আকৌ গোভা ৰাজ্যৰ ৰজা সাধুকুমাৰে চন্দ্ৰপ্ৰভাক নিজ পত্নীৰূপে গ্ৰহণ কৰি এক নতুন পৰিচয় আৰু মৰ্যাদা প্ৰদান কৰে। সেয়ে পিছলৈ চন্দ্ৰপ্ৰভাই নতুন সমাজৰ নিয়ম অনুসৰি কপালৰ সেন্দুৰ মচিবলৈও কুণ্ঠাবোধ নকৰিলে। নিজৰ নাম চন্দ্ৰপ্ৰভাৰ পৰিৱৰ্তে কনচাৰী ৰাখে। নিজৰ সজ চৰিত্ৰৰ বাবেই তিৰা সমাজতো গৈ কনচাৰীয়ে সকলোৰে পৰা সমাদৰ, মৰম লাভ কৰে। তথাপিও তেওঁ আন এজন স্বামীক আকোঁৱালি ল'ব নিবিচাৰিলে। তেওঁৰ এই সিদ্ধান্তত সাধুকুমাৰে (লুইত) আপত্তি নকৰিলে আৰু মৰম, শ্ৰদ্ধাও কমি নগ'ল। সাধুকুমাৰে নিজৰ দায়িত্ব গুৰুত্বসহকাৰে পালন কৰে। সেয়ে তেওঁ অন্য নাৰীক বিবাহ নকৰালে। চন্দ্ৰপ্ৰভা আৰু প্ৰতাপচন্দ্ৰৰ পুত্ৰকে নিজ পুত্ৰ জ্ঞান কৰি নিজ ৰাজ্যৰ ৰজা পাতে। ইফালে প্ৰতাপচন্দ্ৰই নিজৰ ভুলৰ বাবে গোটেই জীৱন পুত্ৰ, পত্নীক হেৰুৱাই যন্ত্ৰণাত দিন কটাবলগীয়া হয়। প্ৰতাপচন্দ্ৰৰ কাৰ্যৰ দ্বাৰা অবিবেচক মনোভাৱ, অন্ধ আৰ্যগৌৰৱৰ মনোভাৱ দেখিবলৈ পোৱা যায়। চন্দ্ৰপ্ৰভাইও কোনো পুৰুষৰ ওচৰত নিজৰ নকৰা ভুলৰ বাবে ক্ষমা খুজিব নিবিচাৰিলে। চন্দ্ৰপ্ৰভাই এক পুত্ৰসন্তান জন্ম দিয়ে। পুত্ৰৰ নাম আৰিমত্ত ৰাখে।

আৰিমত্তৰো পিতৃৰ দৰে প্ৰচুৰ বিজয়তৃষ্ণা আছিল। তেওঁ খলাৰ ৰাণী গংগাৱতীক প্ৰাণপণে ভাল পায়ো অৱশেষত পৰিস্থিতিৰ ওচৰত হাৰ মানি ৰত্নাৱলীক বিয়া কৰায়। আনহাতে ৰত্নাৱলীয়ে প্ৰেমিক ফিংগুৱা কোঁৱৰক পাহৰিব নোৱাৰি বৈবাহিক জীৱনত সুখী হ'বপৰা নাছিল। ৰত্নাৱলীৰ পিতৃ নীলকান্তৰ কথা ৰাখিহে ৰত্নাৱলীয়ে আৰিমত্তৰ লগত বিবাহপাশত আৱদ্ধ হয়। নীলাকান্ত স্বাৰ্থপৰ আৰু ক্ষমতালোভী ব্যক্তি আছিল। ৰত্নাৱলীৰ উচটনিত তেওঁ অজানিতে পিতৃ ৰাজ্য আক্ৰমণ কৰি পিতৃক হত্যা কৰে আৰু শেষত জানিব পাৰি অনুতপ্ত হয়। মাতৃ কনচাৰিৰ বাধা আৰিমত্তই (মৃগাংক) আওকাণ কৰে। মাতৃয়ে আগতেই সাৱধান কৰি ৰাখিছিল যে তেওঁ পূব ফালৰ কোনো দেশ আক্ৰমণ নকৰে যাতে। কিন্তু তেওঁৰ কথা নামানি অজানিতে ভুল কৰে আৰু ইফালে পত্নী ৰত্নাৱলীৰ বিশ্বাসঘাতকতা আৰু পুত্ৰী লখাইতৰাৰ মৃত্যু, পিতৃ হত্যাৰ বেদনাত তেওঁ একেবাৰে হতাশাগ্ৰস্ত হৈ পৰে। সেয়ে তেওঁ টোমৰ পাহাৰলৈ সন্ন্যাস গ্ৰহণ কৰিবলৈ গুচি যায়। ৰত্নাৱলীয়ে পূৰ্বৰ প্ৰেমিক ফিংগুৱা কোঁৱৰক পাহৰিব নোৱাৰি দুয়ো একেলগ হৈ আৰিমত্তক মাৰিবৰ বাবে নানা ষড়যন্ত্ৰ কৰে। তেওঁ স্বামীক বিশ্বাসঘাটকতা কৰাৰ ফলস্বৰূপে নিজেও প্ৰেমিকৰ পৰা প্ৰৱঞ্চনা লাভ কৰে। নিজ ষড়যন্ত্ৰত সফল হ'ব নোৱাৰি ফিংগুৱা কোঁৱৰে পলায়ন কৰে আৰু লগত লখাইতৰাক

আৰিমত্তৰো পিতৃৰ দৰে প্ৰচুৰ বিজয়তৃষ্ণা আছিল। তেওঁ খলাৰ ৰাণী গংগাৱতীক প্ৰাণপণে ভাল পায়ো অৱশেষত পৰিস্থিতিৰ ওচৰত হাৰ মানি ৰত্নাৱলীক বিয়া কৰায়। আনহাতে ৰত্নাৱলীয়ে প্ৰেমিক ফিংগুৱা কোঁৱৰক পাহৰিব নোৱাৰি বৈবাহিক জীৱনত সুখী হ'বপৰা নাছিল।




পত্নী কৰিবলৈ লৈ যায়। অৱশেষত ৰজা আৰিমত্তই ফিংগুৱা কোঁৱৰক মৃত্যুদণ্ড প্ৰদান কৰে। কিন্তু লখাইতৰাই আত্মহত্যা কৰে আৰু ৰত্নাৱলীক ফিংগুৱা কোঁৱৰে বধ কৰে। পত্নী আৰু পুত্ৰীক উদ্ধাৰ কৰিব নোৱাৰি অশেষ যন্ত্ৰণাত দিন অতিবাহিত কৰা আৰিমত্তই শেষত পুনৰ সন্মুখীন হয় এক ভয়ংকৰ বিপত্তিৰ।

অতীতৰ প্ৰেমিকা গংগাৰীতৰ গৰ্ভত তেওঁলোকৰ যৌৱনৰ এটি ভুল, প্ৰেমৰ চিন স্বৰূপে সৃষ্টি হয় বা জন্ম হয় পুত্ৰ জকাংকৰ। জকাংকইও নিজ পিতৃৰ পৰিচয় নাপাই অজানিতে পিতৃহত্যা কৰে। তেওঁৰো মনত ৰাজ্য বিস্তাৰ, বিজয়তৃষ্ণাৰ আশা যথেষ্ট আছিল। নিজকে বীৰ বুলি ভাবি আৰিমত্তৰ মুণ্ডচ্ছেদ কৰে আৰু সেইটো এখন কাঁহীত লৈ আনি মাকক দেখুৱায়। সেই শোকতেই ৰাণী গংগাৰতীয়ে পুত্ৰক অনেক অভিশাপ দি মৃত্যু বৰণ কৰে। আজীৱন বিবাহ নকৰো বুলি ভাবিও কনচাৰিৰ বুজনিত আৰু কছাৰী ৰজাৰ প্ৰস্তাৱত সন্মতি জনাই ৰাজকুমাৰী সুকোমলাক বিয়া পাতে। কছাৰী ৰজাই নিজৰ বিজয় তৃষ্ণা আৰু নিজ দেশ জকাংকই আক্ৰমণ কৰিব বুলি ভয়ত নিজৰ জীয়েকক বলি হিচাপে আগবঢ়ালে। সুকোমলাইও জকাংকক বিশ্বাসঘাটকতা কৰি তেওঁৰ সপোনত পোৱা 'দেওলাংখুই' খন দেউতাকক অতি কৌশলেৰে প্ৰদান কৰে। সুকোমলাৰ পিতৃয়েও ধনেশ্বৰৰ উচটনি আৰু চলাহী কথাত ভুল গৈ নিজৰ জীয়ৰী আৰু জোঁৱায়েকক মৃত্যুৰ মুখলৈ থেলি দিলে। জকাংকই বিশ্বাসঘাটকত পত্নীক বধ কৰে আৰু অৱশেষত নিজেও মৃত্যু লাভ কৰে। জকাংকই নিজৰ অস্তিত্ব পুত্ৰ বুবাউৰ মাজত এৰি থৈ যায়। আবি কনচাৰীয়ে বুবাউক গ্ৰহণ কৰিছে। কিয়নো বুবাউৰ পিতৃহত্যাৰ কোনো কাৰণ কছাৰী ৰজাৰ হাতত নাই। এনেদৰেই উপন্যাসখনৰ সমাপ্তি ঘটিছে। এই জকাংকই আমাৰ মাজত বীৰ জোঙাল বলহু ৰূপে পৰিচিত।

অতীতৰ প্ৰেমিকা গংগাৰীতৰ গৰ্ভত তেওঁলোকৰ যৌৱনৰ এটি ভুল, প্ৰেমৰ চিন স্বৰূপে সৃষ্টি হয় বা জন্ম হয় পুত্ৰ জকাংকৰ। জকাংকইও নিজ পিতৃৰ পৰিচয় নাপাই অজানিতে পিতৃহত্যা কৰে। তেওঁৰো মনত ৰাজ্য বিস্তাৰ, বিজয়তৃষ্ণাৰ আশা যথেষ্ট আছিল।

ৰীতা চৌধুৰীৰ দেওলাংখুই উপন্যাসখন আৰু উপন্যাসৰ কাহিনী সম্পৰ্কে অধ্যয়ন কৰিলে যথেষ্ট মৌলিকত্ব আৰু নতুন নতুন তথ্য লক্ষ্য কৰা যায়।

উপন্যাসখনৰ প্ৰতিটো চৰিত্ৰই অতি দুখত জীৱন পাৰ কৰিছে। প্ৰতাপচন্দ্ৰ, চন্দ্ৰপ্ৰভা, আৰিমত্ত, গংগাৰতী, ৰত্নাৱলী, জকাংক, সুকোমলা কোনেও জীৱনত বিচৰাটোকে পোৱা নাই। সকলোৰে জীৱন অপূৰ্ণতাৰে ভৰা। নিজৰ জন্মৰহস্য নজনাৰ বাবে আৰিমত্ত আৰু জকাংকই জীৱনত অশেষ কষ্ট ভুগিবলগীয়া হয়। ইয়াৰ উপৰিও সোনজিৰা, চামল, ৰত্নসিংহ ইত্যাদি চৰিত্ৰই উপন্যাসখন আগবঢ়াই নিয়াত যথেষ্ট সহায় কৰিছে। এই উপন্যাসখনত জীৱনৰ গভীৰ উপলব্ধি, কাৰুণ্য মনোভাৱ সুন্দৰৰভাৱে উপস্থাপন কৰিছে। লেখিকাই এক জীৱন্ত ৰূপ দান কৰিছে নিজ প্ৰতিভা তথা লেখন শৈলীৰ দক্ষতাৰে।

দেওলাংখুই উপন্যাসখনক উল্লেখযোগ্য সামাজিক উপন্যাস বুলিব পাৰি। উপন্যাসখনত তিৱাসমাজৰ নানাধৰণৰ ৰীতি-নীতি, বিশ্বাস, আচাৰ-অনুষ্ঠান, খাদ্যাভ্যাস, মন্ত্ৰ, সাজপোছাক ইত্যাদি বিভিন্ন দিশ সুন্দৰভাৱে ফুটি উঠিছে। উপন্যাসখনত জনজাতীয় জীৱনৰ সুন্দৰ প্ৰতিফলন ঘটিছে।

ঔপন্যাসিকা ৰীতা চৌধুৰীয়ে এই উপন্যাসখনত ঘৰুৱা আৰু মাৰ্জিত শব্দৰ প্ৰয়োগ কৰিছে। ইয়াত তিৱা ভাষাৰ বহুতো শব্দৰ প্ৰয়োগো দেখা যায়। এইখন তিৱা সমাজৰ প্ৰতিফলন ঘটা একমাত্ৰ উপন্যাস। এনে উন্নত মানৰ উপন্যাসে জনজাতিসমূহৰ উন্নতি ঘটোৱাৰ লগতে উপন্যাস সাহিত্যকো সমৃদ্ধি কৰি তোলে।

অসমীয়া উপন্যাস সাহিত্যৰ এজন স্বনামধন্য ঔপন্যাসিক হ'ল ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। বিয়াল্লিছৰ গণ আন্দোলনৰ পটভূমিত ৰচিত তেওঁৰ কালজয়ী উপন্যাস 'মৃত্যুঞ্জয়'ই কুৰি শতিকাৰ সমগ্ৰ উপন্যাসৰাজিৰ ভিতৰত উচ্চস্থান দখল কৰি পোনপ্ৰথম বাৰৰ বাবে অসমীয়া সাহিত্য জগতলৈ 'জ্ঞানপীঠ' বঁটা আজুৰি আনিবলৈ সক্ষম হয়।




গ্ৰন্থ আলোচনা

# মৌন ওঁঠ মুখৰ হৃদয়

**পম্পী গগৈ**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী লেখতল'বলগীয়া ঔপন্যাসিক আৰু গল্পকাৰ হৈছে য়েছে দৰজে ঠংচি। তেখেতৰ জন্ম হয় ১৯৫২ চনত নেফাৰ কামেংসীমান্ত বিভাগৰ (বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলা) জগং নামৰ এটি চেৰদুকপেন সম্প্ৰদায়ৰ পৰিয়ালত। বোমডিলাত মাধ্যমিক স্তৰলৈকে পঢ়া-শুনা কৰি গুৱাহাটীৰ কটন কলেজৰ পৰা অসমীয়া বিষয়ত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। ১৯৭৭ চনত অৰুণাচল প্ৰদেশত অসামৰিক সেৱাত যোগদান কৰে। ১৯৯২ চনত তেখেতে ভাৰতীয় প্ৰশাসনীয় সেৱালৈও পদোন্নতি লাভ কৰে।

স্কুলীয়া দিনৰ পৰা সাহিত্য চৰ্চাত মনোনিৱেশ কৰা ঠংচিয়ে আৰম্ভণিতে কবিতা আৰু নাটক ৰচনাতে নিজৰ সৃষ্টি আৱদ্ধ কৰি ৰাখিছিল যদিও পিছলৈ গল্প আৰু উপন্যাসলৈও তেওঁ সাহিত্যকৰ্মৰ প্ৰসাৰণ ঘটায়। তেখেতৰ ভালেমান গল্প 'সংগম', 'মনোৰঞ্জন' প্ৰান্তিক, গৰিয়সী আদি আলোচনীৰ পাতত সিঁচৰতি হৈ আছে। তেখেতৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ কামেং সীমান্তৰ সাধু গ্ৰন্থখন অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত হৈছিল। তেখেতৰ উপন্যাসসমূহ হৈছে 'চনম আৰু লিংঝিক', 'মৌন ওঁঠ মুখৰ হৃদয়', 'শৰ কটা মানুহ', 'বিষকন্যাৰ দেশত', 'মই আকৌ জনম ল'ম' ইত্যাদি। তেখেতৰ গল্পসমূহ হৈছে—'পাপপুখুৰী', 'বাঁহ ফুলৰ গোন্ধ'। আত্মজীৱনী-হাঁহি আৰু চকুলোৰে শৈশৱ।

আধুনিক অসমীয়া উপন্যাস সাহিত্যৰ এগৰাকী সফল ঔপন্যাসিক য়েছে দৰজে ঠংচিৰ উপন্যাসৰ এটি উল্লেখযোগ্য দিশ হৈছে অৰুণাচলৰ পাহাৰীয়া জনজাতীয় জীৱন।

য়েছে দৰজে ঠংচিয়ে ২০০৫ চনৰ সাহিত্য অকাডেমী বঁটা লাভ কৰা 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসখন জনজাতীয় জীৱনৰ পটভূমিত ৰচিত। পঞ্চাশৰ দশকৰ অৰুণাচলৰ (তেতিয়াৰ উত্তৰ-পূব সীমান্ত অঞ্চল)ৰ এখন জীৱন্ত ছবি উপন্যাসখনত মূৰ্ত হৈ উঠিছে। উপন্যাসখনে বহু জনজাতিৰ আবাসভূমি অৰুণাচলৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু শৈক্ষিক জীৱন সলনি কৰা কেতবোৰ




স্বাধীনতাৰ পিছত এই অঞ্চলটোলৈ আমূল পৰিৱৰ্তন আহিছে। পৰম্পৰাগতভাৱে চলি অহা মূল্যবোধক চিৰন্তন আৰু অপৰিৱৰ্তনীয় বুলি ভবা হৈছিল, নতুন ধ্যান-ধাৰণাক আদৰিবলৈ যাওঁতে সেইবোৰ পুনৰ নিৰীক্ষণ কৰা হৈছে। এটা প্ৰেমৰ কাহিনীৰ জৰিয়তে পথ নিৰ্মাণক কেন্দ্ৰ কৰি অৰুণাচলৰ সমাজ জীৱনলৈ অহা পৰিৱৰ্তনৰ কথা উপন্যাসখনত জীৱন্ত ৰূপত দাঙি ধৰিছে।

ঘটনাৰ উপৰিও চেৰদুকপেন আৰু ডফলা জনজাতিৰ সমাজ জীৱনৰ বিভিন্ন ছবি পাঠকৰ আগত দাঙি ধৰিছে। স্বাধীনতাৰ পিছত এই অঞ্চলটোলৈ আমূল পৰিৱৰ্তন আহিছে। পৰম্পৰাগতভাৱে চলি অহা মূল্যবোধক চিৰন্তন আৰু অপৰিৱৰ্তনীয় বুলি ভবা হৈছিল, নতুন ধ্যান-ধাৰণাক আদৰিবলৈ যাওঁতে সেইবোৰ পুনৰ নিৰীক্ষণ কৰা হৈছে। এটা প্ৰেমৰ কাহিনীৰ জৰিয়তে পথ নিৰ্মাণক কেন্দ্ৰ কৰি অৰুণাচলৰ সমাজ জীৱনলৈ অহা পৰিৱৰ্তনৰ কথা উপন্যাসখনত জীৱন্ত ৰূপত দাঙি ধৰিছে।

**উপন্যাসখনৰ কাহিনী ঃ**

ঠংচিৰ মৌন ওঁঠ মুখৰ হৃদয় উপন্যাসখনৰ কাহিনীটো মনোৰঞ্জনধৰ্মী জনজাতীয় কাহিনী। জনজাতীয় কাহিনী যদিও উপন্যাসখনত চিত্ৰধৰ্মিতাৰ সুন্দৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়।

স্বাধীনতাৰ পিছত পাৰ্বত্য অঞ্চলৰ সদৰ ঠাইবিলাক ভৈয়ামৰ লগত সংলগ্ন কৰি নিৰ্মাণ কৰিবলগীয়া হৈছিল। সেই সময়ৰ নেফালৈ বাহিৰৰ পৰা বনুৱা আনি পথ নিৰ্মাণ কৰা সম্ভৱ নাছিল। সেইবাবেই চৰকাৰে অৰুণাচলৰ প্ৰত্যেকঘৰ মানুহৰ পৰা একোজনকৈ মানুহ আনি পথ নিৰ্মাণত বনুৱা হিচাপে নিয়োজিত কৰিছিল। চাকুৰ পৰা বোমডিলালৈ পথছোৱা নিৰ্মাণ কৰিবলৈ লওঁতে তাত কাম কৰা বনুৱাসকলৰ জীৱনৰ আধাৰতে উপন্যাসখনৰ কাহিনীটো গঢ় লৈ উঠিছে। দিলীপ শইকীয়া নামৰ ভৈয়ামৰ মহৰীজনৰ তত্বাৱধানত কাম কৰা দুটা দলৰ এটা চেৰদুকপেন জনজাতি, আনটো বাংনি জনজাতিৰ (নিচি সম্প্ৰদায়ৰ এটা ঠাল)ৰ দ্বাৰা পথ নিৰ্মাণৰ যোগেদি নেফাৰ জীৱনলৈ অহা পৰিৱৰ্তনৰ আভাস উপন্যাসখনত দাঙি ধৰাৰ লগতে সেইসময়ৰ দুৰ্গম অঞ্চলটোৰ বিষয়েও পাঠকক অৱগত কৰাইছে।

ভাষা হ'ল ভাৱ প্ৰকাশৰ এক উৎকৃষ্ট মাধ্যম। কিন্তু পৰিস্থিতি আৰু পৰিৱেশ সাপেক্ষে কেতিয়াবা ভাষাৰ প্ৰয়োগ নকৰাকৈয়ো মনৰ ভাৱ বুজিব পাৰি। সেই কথা উপন্যাসখনত নায়ক হিচাপে থকা ৰিনচিন নৰবু আৰু য়ামাৰ গভীৰ প্ৰেমৰ জৰিয়তে সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে।

**উপন্যাসখনৰ চৰিত্ৰ ঃ**

উপন্যাসখনত চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত ঠংচিৰ দক্ষতা প্ৰশংসনীয়। উপন্যাসখন মূলতঃ পাহাৰ-ভৈয়াম একত্ৰিত কৰিব খোজা এটা স্থায়ী পথৰ নিৰ্মাণৰ ওপৰত আধাৰিত। পথ নিৰ্মাণৰ দৰে কষ্টসাধ্য কাম এটা কৰিবলৈকে বিভিন্ন জাতি-জনজাতিৰ লোকসকলক একত্ৰিত কৰি একেলগে কাম কৰাওঁতে উপন্যাসখনত ভিন ভিন জনগোষ্ঠীৰ অলেখ চৰিত্ৰই ভূমুকি মাৰিছে।

চেৰদুকপেন দলৰ মূল মানুহ ৰিনচিন নৰবু। তাৰ লগত আছে চিৰিং জাংমু (ৰিচিনৰ বাগদত্তা), চৌকি বাংমু, দেমা, বাংমু, ঙাৱাঙ, দৰজি, টাছি, নৰবু চিৰিং ঠংদোক, টালো, টামো ইত্যাদি।

নিচি দলৰ তাদাক নাতুং, য়ামা (ৰিনচিনৰ প্ৰেমিকা), ফাদো, মাংফা, টাকাৰ, টেচি, টালো ইত্যাদি। ইয়াৰোপৰি মহৰী বাবু দিলীপ শইকীয়া, চেকচন অফিচাৰ সহদেৱ ঘোষ, সহকাৰী অভিযন্ত্ৰা মিষ্টাৰ ভূৰে লাল, চেবাং ইত্যাদি অনেক চৰিত্ৰৰ সমাৱেশ উপন্যাসখনত দেখা যায়।

উপন্যাসখনত প্ৰকৃতিৰ সন্তান জনজাতীয় চৰিত্ৰবোৰৰ মাজত প্ৰকৃতিৰ দৰেই অকৃত্ৰিম সৰলতা বিদ্যমান। নিজৰ ভাবী স্বামী ৰিনচিন আৰু য়ামাৰ প্ৰেম দেখি ঈৰ্ষান্বিত হোৱা চিৰিং জাংমুও এনে সৰলতাৰ প্ৰতীক। সেইবাবেই তাই য়ামাক বৰভোজৰ দিনা নিজৰ ভাগৰ মাছ টুকুৰা দিব পাৰিছে। তাইৰ দৰদী অন্তৰৰ প্ৰকাশ ইয়াতে ফুটি উঠিছে। অৰুণাচলাসীসকলৰ উন্নতিৰ বাবে অহৰহ চেষ্টা চলোৱা ভৈয়ামৰ লোক মহৰী দিলীপ শইকীয়া তেনে লোকৰে এজন। অন্যহাতে পাহাৰীয়া লোকসকলৰ সৰলতাৰ সুযোগ লৈ নিজৰ স্বাৰ্থ চৰিত্ৰাৰ্থ কৰিবলৈ বিচৰা ভালেকেইটা চৰিত্ৰ উপন্যাসখনত পোৱা যায়। উদাহৰণস্বৰূপে নিজৰ কামনা চৰিত্ৰাৰ্থ কৰিব বিচাৰি নিজেই খালত




সোমোৱা সহকাৰী অভিযন্ত্রা ভূৰে লালৰ কথা উল্লেখ কৰিব পাৰি।

এনেদৰে উপন্যাসখনত জনজাতীয় আৰু অজনজাতীয় অনেক চৰিত্ৰৰ সমাৱেশেৰে পৰিস্ফুট হৈ উঠিছে।

**উপন্যাসখনত প্ৰতিফলিত সমাজ জীৱন ঃ**

য়েছে দৰজে ঠংচিৰ মৌন ওঁঠ মুখৰ হৃদয় উপন্যাসখনত অৰুণাচলৰ পাহাৰীয়া জনজাতিসকলৰ সমাজ জীৱন সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে।

পথ নিৰ্মাণক কেন্দ্ৰ কৰি নেফাৰ সমাজ জীৱনলৈ অহা পৰিৱৰ্তনৰ ছবি দাঙি ধৰা উপন্যাসখনত পথ নিৰ্মাণৰ বাবে নিয়োজিত বনুৱাসকলৰ মাজৰ ৰিনচিন আৰু য়ামাৰ প্ৰেম কাহিনীৰ মাজেদি বিভিন্ন জনগোষ্ঠীৰ সামাজিক জীৱনৰ বিভিন্ন দিশ সুন্দৰভাৱে ফুটাই তুলিছে। চেৰদুকপেন আৰু বাংনি জনগোষ্ঠীৰ মাজত থকা সন্দেহ, অন্ধবিশ্বাসৰ ভাৱ আঁতৰি গৈছে। ভাষা নুবুজিলেও তেওঁলোক ওচৰ চাপি গৈছে। আনহাতে লাহে লাহে শিকি পেলোৱা অৰুণামিজে এই মিলনৰ প্ৰক্ৰিয়া অধিক দ্ৰুততৰ কৰিছে। দুয়োটা দলৰ চৰ্দাৰ তাদাক আৰু ৰিনচিনৰ মাজতো গভীৰ বন্ধুত্ব গঢ় লৈ উঠিছে। তেওঁলোকৰ সমাজ জীৱনত উচ্চ-নীচৰ প্ৰভেদ থকা সত্ত্বেও। প্ৰকাশৰ বাবে ভাষা নাথাকিলেও অন্তৰৰ প্ৰেমৰ ভাষাৰে পৰিপূৰ্ণ য়ামা আৰু ৰিনচিনে সকলো ধৰণৰ প্ৰচেষ্টা কৰি প্ৰেমত সলতা লাভ কৰিলে যদিও ইটোৱে-সিটোক আপোন কৰি ল'ব নোৱাৰিলে। কাৰণ সভ্যতাৰ আদি স্তৰত থকা সমাজ এখনৰ সামাজিক পৰম্পৰা ভংগ কৰাতো ইমান সহজ কথা নহয়। সামাজিক শৃংখলা আৰু পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত ঠংচিৰ উপন্যাসখনে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।

**অৰ্থনৈতিক অৱস্থা ঃ**

মৌন ওঁঠ মুখৰ হৃদয় উপন্যাসখনত জনজাতীয় সমাজ অৰ্থাৎ কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ ভিন্ন জনগোষ্ঠীৰ আবাসভূমি, অনগ্ৰসৰ অৰুণাচলৰ এখন বাস্তৱ ছবি দেখিবলৈ পোৱা যায়। উপন্যাসখনত প্ৰতিফলিত জনজাতীয় সমাজখনৰ অৰ্থনৈতিক অৱস্থা উন্নত নহয়। প্ৰকৃতিৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰি জনজাতীয় মানুহবোৰে নিজে কঠোৰ শ্ৰম কৰি খাদ্য গোটাইছিল আৰু অতি আৱশ্যকীয় বস্তুৰ বাবে তেওঁলোকৰ মাজত বিনিময় প্ৰথাহে আছিল। তেওঁলোকে টকা-পইচাও দেখা নাছিল। উপন্যাসখনত উল্লিখিত হাজিৰা হিচাপে প্ৰথম টকা পোৱাত মানুহখিনিৰ প্ৰতিক্ৰিয়া আৰু টকাৰ মূল্য নুবুজা মানুহখিনিয়ে টকাৰ বিষয়ে বিভিন্ন গুণাগঁথা কৰিছে। কাৰণ টকা দি যে দোকানৰ পৰা বস্তু কিনিব পাৰি সেইটো তেওঁলোকৰ বাবে সপোনৰো অগোচৰ কথা। মণি, মেথোন আদিহে তেওঁলোকৰ দৃষ্টিত মূল্যৱান।

উপন্যাসখনত উল্লিখিত হাজিৰা হিচাপে প্ৰথম টকা পোৱাত মানুহখিনিৰ প্ৰতিক্ৰিয়া আৰু টকাৰ মূল্য নুবুজা মানুহখিনিয়ে টকাৰ বিষয়ে বিভিন্ন গুণাগঁথা কৰিছে। কাৰণ টকা দি যে দোকানৰ পৰা বস্তু কিনিব পাৰি সেইটো তেওঁলোকৰ বাবে সপোনৰো অগোচৰ কথা। মণি, মেথোন আদিহে তেওঁলোকৰ দৃষ্টিত মূল্যৱান।

এনেধৰণৰ কথাৰ প্ৰতি লক্ষ্য কৰিলে উপন্যাসখনত প্ৰতিফলিত হোৱা জনজাতিসকলৰ অৰ্থনৈতিক অৱস্থাৰ উমান পাব পাৰি।

**ৰীতি-নীতি ঃ**

প্ৰত্যেক জনগোষ্ঠীৰে ধৰ্মীয় ৰীতি-নীতি পৃথক। ঠিক সেইদৰে য়েছে দৰজে ঠংচিৰ মৌন ওঁঠ মুখৰ হৃদয় উপন্যাসখনত প্ৰতিফলিত জনজাতিসমূহৰো ৰীতি-নীতি পৰিস্ফুট হৈছে।

পৰম্পৰাগতভাৱে চলি অহা নীতি-নিয়মেৰে তেওঁলোকে পূজা-পাতল কৰে। বাংনি (নিচি সম্প্ৰদায়ৰ এটা ঠাল)সকলে মেথোন, গাহৰি, কুকুৰা কাটি উই পূজা কৰে। আনহাতে চেৰদুকপেনসকলে ঢোল-তাল বজাই হাৰাংবিলাকৰ নিচিনাকৈ পূজা কৰে।

এনেদৰে উপন্যাসখনত প্ৰতিফলিত জনজাতিসকলৰ ৰীতি-নীতিৰ উমান পোৱা যায়।




উপন্যাসখনৰ এটি আকৰ্ষণীয় দিশ হ'ল উপন্যাসখনত ব্যৱহৃত ভাষা। নেফা অসমীয়া অৰ্থাৎ নেফামিজ ভাষাৰ ব্যৱহাৰ উপন্যাসখনৰ সৌন্দৰ্য হ্ৰাস কৰাৰ পৰিৱৰ্তে বাস্তৱ সাংস্কৃতিক পৰিমণ্ডল গঢ়ি তোলাত কৃতকাৰ্যতাহে লাভ কৰিছে।

**খাদ্যাভাস ঃ**

প্ৰত্যেক জাতি-জনগোষ্ঠীৰ নিজস্ব ধৰ্মীয় ৰীতি-নীতি ইত্যাদি থকাৰ দৰে খাদ্যাভাসো নিজস্ব। উপন্যাসখনত উল্লিখিত অনুসৰি বাংনিসকলে চাউলৰ ভাত খায় আৰু চাউলৰ পৰাই তেওঁলোকে পানীয় প্ৰস্তুত কৰে। কিন্তু ডিচাক অৰ্থাৎ চেৰদুকপেন জনজাতিসকলৰ ঠাইত ধানৰ খেতি নহয়। কৰিবও নাজানে, সেইকাৰণে তেওঁলোকে মাকৈ মাৰুৱা আদিকে খাই জীয়াই থাকে আৰু সেই মাকৈ সাৰুৱাৰ পৰাই তেওঁলোকৰ পানীয় প্ৰস্তুত কৰে। সেই মাকৈ মাৰুৱাবোৰ কিন্তু ৰাঙনিসকলে গাহৰিকহে খাবলৈ দিয়ে।

এনেদৰে ঠংচিৰ জনজাতীয় উপন্যাসখনত তেওঁলোকৰ খাদ্যাভ্যাসৰ পৰিচয় পাব পাৰি।

**সাজপাৰ ঃ**

প্ৰত্যেক জনগোষ্ঠীৰে ৰীতি-নীতি, খাদ্যাভ্যাস ইত্যাদিৰ স্বকীয় বৈশিষ্ট্য থকাৰ দৰে সাজপাৰৰ ক্ষেত্ৰতো নিজস্ব বৈশিষ্ট্য বিদ্যমান।

ৰিচিনে য়ামাক হাবিত লগ পাওঁতে তাই পিন্ধি থকা ক'লা কাপোৰৰ মেখেলা, বুকুৰ ওপৰত পৰি থকা তিনিডাল টাংচাং মণিৰ মালা দেখি তাই যে এজনী বাংনি ছোৱালী গম পাইছে।

**উপন্যাসখনত ব্যৱহৃত ভাষা ঃ**

উপন্যাসখনৰ এটি আকৰ্ষণীয় দিশ হ'ল উপন্যাসখনত ব্যৱহৃত ভাষা। নেফা অসমীয়া অৰ্থাৎ নেফামিজ ভাষাৰ ব্যৱহাৰ উপন্যাসখনৰ সৌন্দৰ্য হ্ৰাস কৰাৰ পৰিৱৰ্তে বাস্তৱ সাংস্কৃতিক পৰিমণ্ডল গঢ়ি তোলাত কৃতকাৰ্যতাহে লাভ কৰিছে।

উপন্যাসখনত ব্যৱহৃত উপমা বহল বাক্য ৰীতিৰ কাব্যিক প্ৰকাশে পঢ়ুৱৈৰ হৃদয়তো সন্তৰ্পণে পুলকিত কৰিছে। উদাহৰণস্বৰূপে—

*লেচাং মিণ্টু ফুলেৰে নিথৰুৱা থিয় গড়াক জাতিষ্কাৰ কৰি ৰাখিছে যেনে ৰাক্ষসৰ বুকুত স্যামন্তক মণিহে।*(পৃষ্ঠা-৫১)

উপযুক্ত ভাষাৰ মাধ্যমেৰেহে চৰিত্ৰক সজীৱ ৰূপত প্ৰকাশ কৰাতো সম্ভৱ। এই ক্ষেত্ৰত মৌন ওঁঠ মুখৰ হৃদয়ৰ ঔপন্যাসিক ঠংচিয়ে দক্ষতাৰ পৰিচয় দাঙি ধৰিছে।

**উপন্যাসখনৰ নামকৰণ ঃ**

য়েছে দৰজে ঠংচিৰ মৌন ওঁঠ মুখৰ হৃদয় উপন্যাসখনৰ নামটোৱেই অৰ্থব্যঞ্জক। য়ামাৰ হৃদয় আৱেগ-অনুভূতিৰে মুখৰ অৰ্থাৎ পৰিপূৰ্ণ হৈ আছে যদিও ৰিনচিনক বুজাব পৰাকৈ তাই তাৰ ভাষা নাজানে ৰিনচিন আৰু য়ামাৰ হৃদয় অলেখ কথাৰে মুখৰিত হৈ উঠিছিল কিন্তু ওঁঠ দুয়োজনৰে একেবাৰে মৌন।

**সামৰণি ঃ**

এনেদৰে আলোচনা কৰিলে দেখা যায় যে য়েছে দৰজে ঠংচিৰ ২০০৫ চনৰ সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত আৰু ভাষা ভাস্বতী পুৰস্কাৰ প্ৰাপ্ত তৃতীয় উপন্যাস 'মৌন ওঁঠ মুখৰ হৃদয়' জনজাতীয় সমাজৰ প্ৰেক্ষাপটত ৰচিত এখন সফল উপন্যাস।

পথ নিৰ্মাণক কেন্দ্ৰ কৰি নেফাৰ সমাজ জীৱনলৈ অহা পৰিৱৰ্তনৰ ছবি দাঙি ধৰা উপন্যসখনত পথ নিৰ্মাণৰ বাবে নিয়োজিত বনুৱাসকলৰ মাজত ৰিনচিন আৰু য়ামাৰ প্ৰেম কাহিনীৰ লগতে বিভিন্ন জনগোষ্ঠীৰ সামাজিক জীৱনৰ ছবি সুন্দৰ ৰূপত উপস্থাপন কৰিছে।

উপন্যাসখনত এটা সৰল প্ৰেম কাহিনীয়ে পোখা মেলিলেও তাৰে আলমত সৰল প্ৰাকৃতিক বৰ্ণনা, পাহাৰীয়া মানুহৰ নিভাঁজ আচৰণ আৰু পাহাৰীয়া জনজাতীয় মানুহৰ প্ৰকৃতিসুলভ মনৰ কোমলতা আৰু সৰলতাৰ সৈতে কঠিন বাস্তৱৰ সংঘাতৰ বৰ্ণনাই পাঠকৰ মনত গভীৰ ৰেখাপাত কৰে। ভাৱৰ ঐক্যকেন্দ্ৰিকতা ৰক্ষাৰ দিশত য়েছে দৰজে ঠংচি ডাঙৰীয়া সচেতন আৰু সফল।

(একাংক নাটক)

# পিছল মৃত্যুৰ সাপ

**নাট্যকাৰ ঃ হিৰণ্য সভাপণ্ডিত**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

**চৰিত্ৰাৱলী**

| | | |
|---|---|---|
| ১ ম প্ৰাতঃ ভ্ৰমণকাৰী | ঃ | অৱসৰপ্ৰাপ্ত উচ্চবৰ্গৰ চাকৰিয়াল |
| ২ য় প্ৰাতঃ ভ্ৰমণকাৰী | ঃ | অৱসৰপ্ৰাপ্ত মধ্যবৰ্গৰ চাকৰিয়াল |
| ৩ য় প্ৰাতঃ ভ্ৰমণকাৰী | ঃ | অৱসৰপ্ৰাপ্ত নিম্নবৰ্গৰ চাকৰিয়াল |
| ১ ম প্ৰাতঃ ভ্ৰমণকাৰীৰ পত্নী | ঃ | মানসিকভাৱে বিপৰ্যস্ত (আদহীয়া) |



**- নাট্য বিষয়বস্তুৰ সম্যক -**

লেখজোখহীন অবাঞ্চিত মৃত্যুৱে আমাৰ সমাজ জীৱনক বিষময় কৰি গৈছে। কোন, কেতিয়া, কিয় মৰিছে তাৰ হিচাপ নোহোৱা হৈছে। মৃত্যুৰ বিভীষিকাক হাড়ে-হিমজুৱে দেখি দেখি মানুহে সেয়া ক্ৰমাৎ জীৱনৰ প্ৰাত্যহিকতা বুলি ভ্ৰান্তিত ভূগিবলৈকো আৰম্ভ কৰিছে। তথাপিও কিছুসংখ্যক প্ৰতিক্ৰিয়াশীল মানুহে এই ক্ষয়ংকাৰী সামাজিক সমস্যাটোকলৈ আন দহজনৰ দৰে নিৰ্লিপ্ত হৈ থাকিব পৰা নাই। যিকোনো ধৰণৰ আকস্মিক মৃত্যুৰ বিপক্ষে মানুহৰ বিবেকক জাগ্ৰত কৰি তুলি সমস্যাটোৰ এটি নিষ্পত্তি বিচাৰে।

**- মঞ্চ নিৰ্দেশনা -**

এটি মফচল অঞ্চলৰ আলিবাট। সোঁ নিম্ন মঞ্চত এখন কাঁইটীয়া তাঁৰৰ বেৰৰ আভাস। বেৰখনৰ সিপাৰে এটা খাৰৈ। পশ্চাৎপটত ছাঁ-পোহৰ পৰি এক জয়াল পৰিৱেশ ৰচনা কৰিছে। পশ্চাৎপটখনৰ লগতে এখনি প্লেটফৰ্ম, ফুটপাথ যেন দেখি। তাত উপবিষ্ট হৈ থকা এক নাৰীমূৰ্তিৰ মুখত পোহৰ পৰিব। তেওঁৰ মুখত ভয় আৰু আতংকৰ অভিব্যক্তি। হাতত এটা কেঁচুৱা পুতলা। পুতালটো যেন কোনোবাই কাঢ়ি নিবলৈ আহিছে, এনে এটা ভাৱেৰে আগলৈ দৌৰাৰ ভংগী কৰিছে। এডাল সাপে যেন তেওঁক আৰু পুতলাটোক কুণ্ডলী পকাই ধৰিছে। তাৰ কবলৰ পৰা ৰক্ষা পাবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰাৰ ভংগী কৰিছে। (সংগীতৰ প্ৰসংগ) অৱশেষত সাপটোৰ ওচৰত কাবু হৈ মানুহগৰাকী নিথৰ হৈ পৰি ৰয়। পোহৰ আৰু সংগীতে পূৰ্বৰ জয়াল পৰিৱেশটো সলনি কৰি দোকমোকালিৰ এটি মিঠা পৰিৱেশ সৃষ্টি কৰিব। নাৰীগৰাকীয়ে মূৰ দাঙি উঠি সেই পৰিৱেশটোত বুৰ যাব। নেপথ্যত ১ ম প্ৰাতঃ ভ্ৰমণকাৰীৰ মাত-'মানসী উভতি আহা, ঘৰলৈ উভতি ব'লা।' মাত শুনি নাৰীগৰাকী মঞ্চৰ বাহিৰ হৈ যায়। প্ৰথম প্ৰাতঃ ভ্ৰমণকাৰী সোমাই আহে। মানসীক লগ ধৰিব নোৱাৰি, ভাগৰ অনুভৱ কৰে। প্লেটফৰ্মখনত বহি পৰে। এজাক কাউৰীৰ চিঞৰ-বাখৰে তেওঁৰ মনোযোগ আকৰ্ষণ কৰে। কাউৰীৰ কোৰ্হাল আনদিনাতকৈ কিছু ব্যতিক্ৰম যেন বোধ হ'ল। এক অনুসন্ধানী দৃষ্টিৰে কাউৰীজাক চায়। কাউৰীজাকক তেওঁৰ দৃষ্টিয়ে অনুসৰণ কৰি কৰি হঠাৎ খাৰৈটোলৈ চকু পৰে আৰু চক খাই উঠে। (সংগীতৰ প্ৰসংগ) ভয়ত বিতত্ হৈ উচ্চ মঞ্চৰ একাষে গৈ চিঞৰি উঠে—

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

হেৰি কোনোবা আছেনে—শুনকচোন—ইয়াত... (ভয় আৰু উত্তেজনাত চিঞৰি গোটেই বাক্যটো ক'ব বিচাৰিছিল যদিও আন মানুহে যে সেইফালে নাই—কথাটো বুজি বাক্যটো আধৰুৱা কৰে। অনুৰূপভাৱে আনফালে চাই চিঞৰে। আন মানুহৰ সঁহাৰি নাপাই পুনৰ খাৰৈটোলৈ চাই আগতকৈয়ো বিতত্ অৱস্থাত মঞ্চৰ মাইল পোষ্ট এটাত বহি পৰে। কিছুসময়ৰ পিছতে কোনোবাই জগিং কৰি অহাত জোতাৰ শব্দ শুনি তেওঁৰ দৃষ্টি আগন্তুকৰ ফালে যায়। ২য় প্ৰাতঃ ভ্ৰমণকাৰী সোমাই অহাৰ লগে লগে তেওঁক উদ্দেশ্যি কয়—) হেৰি অকণমান ৰওকচোন—ৰওকচোন।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মাফ কৰিব দেই ডাঙৰীয়া—জগিং কৰি থকাৰ সময়ত মোৰ থমকি ৰোৱাৰ মোৰ নিয়ম নাই। (জগিং কৰিয়েই থাকিব)

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মাত্ৰ আজিৰ কাৰণে সেই নিয়মটো অকণমান ভাঙকচোন—ইয়াত এটা সাংঘাতিক কাণ্ড হৈছে। দেখিলে আপোনাৰ গাৰ নোম দাং খাই যাব।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

না-না-না পুহমহীয়া লেপৰ তলৰ পৰা কোনোমতে ওলাই আহি এতিয়া গাৰ ঘাম মাটিত পেলাই জগিং কৰিছোঁ—থমকি ৰৈ সকলো পানী কৰি দিব মই নোৱাৰোঁ নহয়। (মঞ্চতে ঘূৰি ঘূৰি জগিং কৰিয়েই থাকে)

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মই কিন্তু সঁচাকৈয়ে এটা গুৰুত্বপূৰ্ণ কথাৰ বাবেহে আপোনাক অলপ ৰ'বলৈ কৈছোঁ।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

চাওক—মই ডায়েবেটিছৰ পেচেণ্ট। এদিন জগিং ইনকমপ্লিট কৰা মানে এটা দিন চমু চাপি অহা। এতিয়া আৰু মোক কোনো সাংঘাতিক বা গুৰুত্বপূৰ্ণ কথাই তলাব নোৱাৰে। মুঠৰ ওপৰত ডাক্তৰে বান্ধি দিয়া ৰুটিনৰ মাজেৰে নমৰালৈকে জীৱনটো মই ভোগ কৰিব বিচাৰোঁ। (গুচি যাব খোজে)

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

(বাধাদি) ৰ'ব—আপুনি তেনেকৈ যাওঁ বুলিয়েই যাব নোৱাৰিব নহয়। (অনুশাসনৰ সুৰত)

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি বাৰু মোক ধমকি বা ভাবুকি দিছে নেকি? সেয়া যে ন্যায়িক অপৰাধ—আপুনি বাৰু জানেনে? থানাত কম্প্লেইন এটা দি দিলে লকআপত ভৰাই থ'ব বাপেকে।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ধমকি-ভাবুকি একো নহয়—সচেতন কৰি দিব খুজিছোঁ।

আপুনি জীৱনটো ভোগ কৰিব খোজে নহয়? ভোগ কৰিবলৈ ভোগালী পৃথিৱীখন থাকিলেহে ভোগ কৰিব। (হাতত ধৰি টানি খাৰৈটোৰ ওচৰলৈ আনে) চাওক—ভালকৈ চাই লওক—আপোনাৰ ভোগালী পৃথিৱীখন। এনেকুৱা এটা দৃশ্য দেখাৰ পাছত মানুহ বাৰু সুস্থিৰে থাকিব পাৰেনে?—কওকচোন—সুস্থিৰে থাকিব পাৰেনে?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ৰ'ব ৰ'ব ৰ'ব - আপুনি কথাৰ ওপৰত কথা কৈয়েই গৈছে—অথচ মইচোন ইয়াত একোটোৱেই দেখা নাই।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি কয় কি? কি কয় আপুনি?? একো দেখা নাই? তাৰ মানে আপুনি ক'ব খুজিছে নেকি যে মোৰ দৃষ্টি শক্তি বা মগজুৰ বিকাৰ ঘটিছে? আপোনাৰ চকুৰ আগত...

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

তেনেকুৱা কথা মই কেতিয়া ক'লোঁ? কথাবোৰ আপুনি গাতপাতি লৈছে কিয়? মই মাত্ৰ কৈছোঁ—মই একো দেখা নাই। আচ্ছা বাৰু - আপুনি দেখিছে কি?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মই যি দেখিছোঁ সেয়া মোৰ দ্বাৰা বৰ্ণনা কৰিব পৰা নাযায়। (তৃতীয় ভ্ৰমণকাৰী সোমাই আহে)

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

চাইড্—চাইড্—ডবল চাইড্ (জুপি জুপি খুপি খুপি জগিং কৰা ভংগীৰে)

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

এই ডবল চাইড্ বিচৰাজনকে দৃশ্যটো এবাৰ দেখুৱাওকচোন।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

হেৰি—এইফালে আহকচোন।

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

কোনফালে—(নিৰ্দেশনা)





**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ডাঙৰীয়া এইফালে—এখেতে কৈছে এই খাৰৈটোত বোলে কিবা এটা আছে—এবাৰ চাওকচোন। (আগবঢ়াই আনে)

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

বেয়া বস্তু যদি ৰাতি পুৱাই পুৱাই মোক নেদেখুৱাব।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আজিকালি ৰাতিপুৱাবোৰেই এনেকুৱা হৈ পৰিছে। ভালবস্তু চাবলৈ আপুনি আশা কৰে কেনেকৈ?

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

তাৰমানে বেয়া বস্তু? (আঁতৰি আহে) না—না—না—মই নাচাওঁ।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

এনেকুৱা অমুৰিখন নকৰিবচোন। ময়ো চাইছিলোঁ - একো নেদেখিলোঁ কাৰণেহে আপোনাক খাটিৰ কৰিছোঁ। তেখেতৰ কথাটো সঁচা নে মিছা এবাৰ চাই দিয়কচোন।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আহকচোন—আহক—এবাৰ চাওকহি। মই ভাবো এনেকুৱা এটা দৃশ্য ভালদৰে চোৱাতো আপোনাৰ এটা দায়িত্বও।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

খাৰৈটোলৈ চায় (নিৰ্দেশনা)

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

(উৎসুকতাৰে) দেখিলে আপুনি?

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মই দেখোন কিবা একদম ধূঁৱলি-কুঁৱলিখনহে দেখিলোঁ। বেলিটো সম্পূৰ্ণকৈ উঠা হ'লে বেলেগ কথা আছিল।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

কি আজৱ কথা। সন্মুখত এনেকুৱা এটা বীভৎস দৃশ্য। অথচ আপোনালোক চকু থাকিও অন্ধ।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি ঠিকেই কৈছে ডাঙৰীয়া—আমি চকু থাকিও অন্ধ। কিন্তু আপুনি ভবাৰ দৰে আমি দেখিও নেদেখাৰ ভাও জোৰা নাই। কি কৰিব—এয়া বয়স আৰু ডায়েবেটিছ ৰোগৰ দোষ। চচ্‌মাযোৰা আজি লগত



নাহিল। ইমান ওচৰৰ পৰা আপোনালোককেই মই কোনোমতেহে দেখিছোঁ। গম পালে এতিয়া—উৰহি গছৰ ওৰ। আপোনাৰ একা ডাঙৰীয়া? (তৃতীয় জনক সোধে)

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ক'লোৰেই নহয়—তেনেই ধুঁৱলি-কুঁৱলি। কেটেৰেক পৰি চকু দুটা সমূলি শেষ। অপাৰেচন কৰিবলৈকো পইচা-পাতি নাই। চকীদাৰী চাকৰি কৰি অৱসৰৰ সময়ত যি দুপইচামান পাইছিলোঁ—ল'ৰাই বিজিনেচ কৰোঁ বুলি নি লালবাতি জ্বলালে। পাৰোতেনো মই ডবল চাইড-ডবল চাইড বুলি টেটুফালি মৰোনে?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

অ'—আচল কথা তেতিয়া হ'লে সেইটোহে। চিন্তা নকৰিব—বয়সৰ দোষে কেৱল আপোনালোককেই চুই যোৱা নাই—মোকো চুই গৈছে। সুদূৰপ্ৰসাৰী দৃষ্টি ময়ো কাহানিবাই হেৰুৱালোঁ। চৌপাশৰ বস্তুবোৰ অৱশ্যে এতিয়াও ফটফটীয়াকৈ দেখা পোৱা হৈ আছোঁ।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আমাৰ দৃষ্টিশক্তিৰ এই সমস্যাটোক লৈ এজন কবিয়ে কি বুলি কাব্যিকতা কৰিলেহেঁতেন জানেনে—মোক ক'লেহেঁতেন মই ভৱিষ্যৎহীন বৰ্তমানৰ পথিক। কাৰণ মই গাতে লাগি থকা বস্তুৰ বাহিৰে দূৰৈৰ বস্তু সমূলি নেদেখোঁ। এখেতক কি বুলি ক'লেহেঁতেন জানেনে? ইকুল নাপাইলোঁ, সি কূলো নাপাইলোঁ, মাজ সাগৰত জাঁজি হুয়া কৈলোঁ। মানে জীৱন নদীৰ জাঁজি—বৰ্তমান আৰু ভৱিষ্যতহীন এক ধুঁৱলি-কুঁৱলি জগতৰ বাসিন্দা। আপোনাক ক'লেহেঁতেন ভৱিষ্যতৰ স্বপ্নবিলাসী—কাৰণ দীঘলীয়া দূৰত্বৰ ওপৰত আপোনাৰ দৃষ্টিশক্তিয়ে হাৰ মানিছে।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপোনালোক বৰ সুখী মানুহহে। চৌপাশৰ বস্তুবোৰ নেদেখা কৰি থৈ ভগৱানে আপোনালোকৰ বৰ উপকাৰ সাধিছে। স্বাস্থ্য বৰ্ধনৰ বাবে প্ৰাতঃ ভ্ৰমণলৈ ওলাই আহি অন্ততঃ মোৰ দৰে এই বীভৎস দৃশ্যবোৰৰ মুখামুখি হ'বলগীয়া হোৱা নাই। এ—যাওকগৈ যাওক। মোৰ



চকু দুটাৰে পুৰাই পুৰাই এটা বেয়া দৃশ্য চাই অযথা দিনটোলৈ মনটো কিয় বেয়া কৰি ল'ব লাগে? যাওকগৈ যাওক—আপোনালোক নিজৰ নিজৰ বাটেৰে গুচি যাওক। (পঠাব খোজে)

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি আমাক পুলিচ-মিলিটেৰীৰ মানুহ বুলি ভাবিছে নেকি যে কামানডাৰে 'থম' বুলি ক'লেই থমিম আৰু 'চল' বুলি ক'লেই চলিম?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

এৰাতো। বাটেদি গৈ থকা আমি মানুহ দুটাক এইখন ৰহস্যৰ জালত বন্দী কৰি লৈ এতিয়া কৈছে যাওকগৈ যাওক। আমাক চাবি দিয়া পুতলা বুলি ভাবিছে নেকি? আমিও আপোনাৰ দৰে তেজ-মঙহৰে মানুহ—আমাৰো উৎকণ্ঠা আৰু উত্তেজনা বুলি বস্তু এটা আছে দিয়ক। সতে সতে আপুনি খাৰৈটোত কি দেখিছে আৰু এটা হুবহু বৰ্ণনা আমাৰ আগত দাঙি ধৰক।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

এনেকুৱা দৃশ্য বৰ্ণনা কৰিনো কাৰ ভাল লাগে? আচ্ছা ডাঙৰীয়া (দুয়োজনক উদ্দেশ্যি) আপুনিতো এইটো বাটেৰেই (সোঁহাতলৈ দেখুৱাই) আহিছে। আহোতে বাটত শুধ বগা চুলিৰ মেখেলা-চাদৰ পৰিহিতা মানুহ এগৰাকী দেখা পাইছিল?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মা—ই—কী মানুহ? প্ৰাতঃ ভ্ৰমণলৈ অহা মানুহক আকৌ মাইকী মানুহৰক খবৰ কেলৈ?

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি বৰ ৰহস্যময় মানুহহে। বীভৎস দৃশ্য এটাৰ বৰ্ণনা কৰি শুনাম বুলি কৈ এতিয়া দেখোন শুধ বগা চুলিৰ মাইকী মানুহৰ সৌন্দৰ্য বৰ্ণনাতহে ধৰিলে। হেৰি আমাক পৰুৱাই পোৱা নাইতো—এইটো ৰাস্তাৰে এনেই নাহোৱেই, আজিহে কি স্বৰূপে...

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

নহয় নহয় বুজিছে তেওঁৰ সৈতে মোৰ সম্বন্ধ আজি বহুদিনৰ—অতি আন্তৰিক।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

বোলো শুনিছেনে—সম্বন্ধ বোলে বহুদিনৰ হাঃ হাঃ হাঃ

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

অতি আন্তৰিক সম্বন্ধ হাঃ হাঃ হাঃ

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

বৰ দাঁত চেলাই নাহাঁহিব। মই আপোনালোকৰ দৰে স্বাস্থ্য বৰ্ধনৰ বাবে প্ৰাতঃ ভ্ৰমণলৈ নাহো। আহিবলৈ বাধ্য হৈহে আহোঁ—কেৱল তেওঁৰ বাবে। তেওঁ মোৰ পত্নী। আজি পাঁচ বছৰে পুঁৱতি নিশাৰ এই সময়খিনি মই কেনেদৰে পাৰ কৰিছোঁ—সেয়া কেৱল মইহে জানো। ঠিক—ঠিক এইখিনি সময়তে মানুহজনীয়ে হিতাহিত জ্ঞান হেৰুৱাই একেবাৰে ঘায়েল বাঘিনী এজনীৰ দৰে যে হিংস্ৰ হৈ উঠে—এই কথাটো জানো আপোনালোকে জানে? এনেকুৱা এটা নাৰকীয় দৃশ্যৰ মুখামুখি হৈয়েই যে এদিন তেওঁ হিংস্ৰ হৈ উঠিছিল—সেই খবৰ জানো আপোনালোকে ৰাখিছে? তেওঁ হিংস্ৰ হৈ উঠিলে মই বৰ ভয় কৰোঁ—বৰ ভয় কৰোঁ বুজিছে।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ইয়ে আপুনি দেখোন একেবাৰে ইম'চনেল হৈ পৰিল। ডাঙৰীয়া মানুহ এজনীয়ে সৌখিনিত যে খাৰৈ এটা আছে—সেইফালে থৰ লাগি চাই মুখেৰে কিবা কিবি বিৰ্বিৰাই আছে।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

কি! খাৰৈটোলৈ চাই মুখেৰে বিৰ্বিৰাই আছে? ছেঃ বৰ বেয়া কথা হ'ল—মোৰ বৰ ভয় লাগিছে—সেই খাৰৈটোতো যদি ইয়াত পৰি থকাৰ দৰে মৰাশ পৰি আছে—এটা ডেডব'ডি পৰি আছে।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ** কি?

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ** কি?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

তাৰমানে—আমি ইয়াত অথনিৰে পৰা এটা ডেডব'ডি সন্মুখত লৈ কথাপাতি আছোঁ?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

এটা ক্ষত-বিক্ষত শ খাৰৈটোত পৰি আছে। ডিঙিৰ পৰা মূৰলৈকে খাৰৈটোৰ ওপৰত আৰু বাকী অংশ খাৰৈটোৰ পানীত ডুব গৈ আছে। চাওকচোন আমি ক'ব নোৱাৰাকৈয়ে কেনেকৈ আমাৰ সন্মুখতে এটা মৃত্যুৱে চোপ্‌পাতি আছিল। মৃত্যুৱে বাৰু আজিকালি ক'ত চোপ্ নোলোৱাকৈ থাকে? খাৰৈ, পুখুৰী, নদী, ফুটপাথ, ড্ৰেইন, ৰাস্তা, দলঙৰ তল, বাচষ্টেণ্ড, ৰে'লষ্টেচন, পাচলি বজাৰ, নাটক-চিনেমাঘৰ, ধাননি পথাৰ, কণ কণ ল'ৰা-ছোৱালীৰ খেলপথাৰ—আনকি মাতৃৰ গৰ্ভতো মৃত্যুৱে সংগোপনে চোপ্ লয়। আজি কিছুদিনৰ পৰা এনেকুৱা লগা হৈছে মোৰ সোঁৱে-বাঁৱে—আগে-পিছে অগনিত মৰাশই দ'ম বান্ধিছে। শবোৰৰ ভেঁকেটা-ভেঁকেট গোন্ধ পাই পাই আভোক আৰু অজীৰ্ণতাই আমাক পীড়ি পীড়ি খাব লাগিছে। এনেকৈ য'তে-ত'তে, যেতিয়া-তেতিয়া, যাৰে-তাৰে মৰাশ ওলাই থাকিব লাগেল আমি থকা ঠাইখন এখন ডাঙৰ মৰিশালি হ'বলৈ আৰু কিমান দিন লাগিবনো? মৃত্যু এতিয়া চিৰন্তন নহয়—মৃত্যু এটা ডাঙৰ সামাজিক সমস্যা।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

কিয় কবিয়ে দেখোন মৃত্যুক এটা শিল্পহে বুলিছে—
'মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য'।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

সেয়া মৃত্যুৰ শ্বাশ্বত ৰূপক লক্ষ্য কৰি ৰচনা কৰা এটা ৰোমাণ্টিক কবিতা। বৰ্তমান মৃত্যুৰ স্বৰূপ ভয় লগাকৈ জয়াল হৈ পৰিছে। ৰূঢ় বাস্তৱৰ কবিতাইহে সেই মৃত্যুৰ স্বৰূপক সঠিকভাৱে চিনিব পাৰে—

'পথ আৰু উপপথ
গলি আৰু এভিনিউ
পিছল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়।'
(নৱকান্ত বৰুৱা ঃ পোহৰ—পোহৰ ক'ত)
...... ........... ........
'আৰু কি বিলৈ?
কি হ'ব বিলৈ?
আমি জানো—কি বেদনা
অসংখ্য মৃত্যুৰ সেতু
জীৱনৰ সৰীসৃপ আহিছে বগাই...
(নৱকান্ত ঃ ক্ৰমশঃ)

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মোৰ কিন্তু বৰ ভয় লাগিবলৈ আৰম্ভ কৰিছে।

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মোৰ বিৰাট সন্দেহ হ'বলৈ আৰম্ভ কৰিছে।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ভয় লাগিছে? সন্দেহ হৈছে?? খুব ভাল কথা হৈছে—খুব ভাল কথা হৈছে। ভয়-সন্দেহ- প্ৰশ্ন প্ৰতিক্ৰিয়াৰে আপোনালোকৰ মুখবোৰ ভৰি পৰিবলৈ দিয়ক। ভৰি উঠাটো বৰ জৰুৰী হৈ পৰিছে।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি জাঙৰীয়া দয়া কৰি খাৰৈটোৰ ফালে চাই হুবহু বৰ্ণনা এটা দিয়কচোন। নহ'লে মই অধৈৰ্য হৈ পৰিছোঁ। নাভাবিব মোৰ অধৈৰ্য হোৱাৰ কাৰণ নাই বুলি।

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

হয় হয় ডাঙৰীয়া একেবাৰে ফটফটীয়া বৰ্ণনাটো দাঙি ধৰকচোন। ময়ো ভিতৰি ভিতৰি এটা সাংঘাতিক ধৰণৰ অস্থিৰতা অনুভৱ কৰিবলৈ আৰম্ভ কৰিছোঁ দেখোন।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ক'লোৱেই নহয় এটা ক্ষত-বিক্ষত শ খাৰৈটোত পৰি আছে। ডিঙিৰ পৰা মূৰলৈকে খাৰৈটোৰ ওপৰত আৰু বাকী অংশ খাৰৈটোৰ পানীত ডুব গৈ আছে। শটোৰ মুখখন যন্ত্ৰণাত বিকৃত হৈ পৰিছে। তাৰ চকুকেইটাত চকু কেইটাত জীয়াই থকাৰ হেঁপাহ এটা তেনেই আধৰুৱা হৈয়েই আছে। শুনিলেনে?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

শটো বাৰু ডেকানে বুঢ়া? মানে মই সুধিব খুজিছোঁ শটো ডেকা মানুহৰ নে বুঢ়া মানুহৰ?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

চাওক শটোৰ মুখখনত তেজৰ কৰাল—মূৰটোতো তেজে কৰাল বান্ধি চুলিবোৰ কুটুলা কুটুল হৈ আছে—এতেকে ডেকা মানুহৰ বুলিব পৰাই হ'ব।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ডেকা মানুহৰ? শটো ডেকা মানুহৰ?? আপুনি বাৰু নিশ্চিত নে?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মই সেই বুলিয়েই ভাবো।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

সেই বুলিয়েই ভাবে? তেনেহ'লে চাওক এইটো মোৰ ল'ৰাটোৰ শ। নিশ্চয়কৈ জানিব এইটো মোৰ ল'ৰাটোৰ শ - মই বিচাৰি ফুৰা এইটো মোৰ ল'ৰাটোৰ শ হ'বই লাগিব।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

বাৰু ধৰি ল'লোঁ—এইটো আপোনাৰ ল'ৰাটোৰেই শ—কিন্তু আচৰিত কথাটো হ'ল—আপোনাৰ ল'ৰাটো ইয়াত

শ হৈ পৰি আছে—অথচ আপুনি নিশ্চিত মনে প্ৰাতঃভ্ৰমণৰ বাবে ওলাই আহিছে? আৰু এই কাউৰী কেইটাই হুলস্থুল নলগোৱা হ'লে খাৰৈটোত যে এটা মৰাশ পৰি আছে—সেয়া আমি গমেই নাপালোঁহেঁতেন। বাৰু কওকচোন—আপোনাৰ ডেকা পুতেকটো ক্ষত-বিক্ষত দেহাৰে ইয়াত কেনেকৈ শ হৈ পৰি আছে?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

কাৰণ মোৰ ডেকা ল'ৰাটোক পুলিচে গুলীয়াই থকা সৰকা কৰি পেলাইছিল।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

পালেনে শটো?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

নাপালোঁ। বোলে নিৰ্দিষ্ট দিনত চিনাক্ত কৰিব নোৱাৰি জ্বলাই দিলে। সেয়েহে মই ক'ব খুজিছোঁ মোৰ ল'ৰটো নজ্বলাই কিজানি এই খাৰৈটোতে পেলাই থৈছে। পুলিচে নিজে গুলীয়াই থকা-সৰকা কৰা মৰাশ এটাৰ বাবে জ্বলাবলৈ টকা খৰচ কৰিবনে বাৰু? অনুগ্ৰহ কৰি আপুনি মোক আৰু প্ৰশ্ন কৰিব—প্ৰশ্ন নকৰিব—মোৰ ল'ৰাটো—(কান্দিবলৈ আৰম্ভ কৰে)।

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ডাঙৰীয়া কথা এটা সোধো—শটো বাৰু ডেকা ল'ৰাৰ নহৈ এজনী গাভৰু ছোৱালীৰো হ'ব পাৰে নেকি? মোৰ সন্দেহ হৈছে সেই শটো তেজত তুমৰলি হৈ আছে বাবে আপুনি ভালকৈ চিনি পোৱা নাই। কিজানি শটো এজনী গাভৰু ছোৱালীৰেই। আপুনি দয়া কৰি আকৌ এবাৰ চাবনে শটো এজনী গাভৰু ছোৱালীৰ হয়নে নহয়?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি দেখোন এটা নতুন সন্দেহৰ অৱতাৰণা কৰিলে। বেলিটো সম্পূৰ্ণকৈ উঠা হ'ল এক প্ৰকাৰে খাটাং হ'ব পাৰিলোঁহেঁতেন—শটো ডেকা ল'ৰাৰ নে গাভৰু ছোৱালীৰ।

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

শটো তাৰমানে মই ভৰাৰ দৰে এজনী গাভৰু ছোৱালীৰ হোৱাৰো সম্ভাৱনা আছে।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

শটো উশহি ভীমাকায় দি আছে। বুকু-পেটলৈ চাই একো অনুমান কৰিব নোৱাৰা হ'লোঁ নহয়। চুলিটো আজিকালি ল'ৰা-ছোৱালী সকলোৱেই চুটিকৈয়ে কাটে।

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

চাওকচোন চাওক—ভালকৈ চাওক—শটো এজনী গাভৰু ছোৱালীৰ নহয় বুলি নিৰ্ণয় কৰি খাটাংকৈ মোক জনাওক। মই ৰক্ষা পাম। মোৰ কিন্তু বৰ ভয় লাগি আহিছে।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

শটো ডেকানে গাভৰুৰ—সেইলৈনো আপুনি ইমান উদ্বিগ্নতাত ভুগিছে কেলৈ?

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মোৰো ছোৱালীজনীৰ সন্ধান নোপোৱা আজি ভালেদিনেই হ'ল।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপোনাৰ ছোৱালীজনী।

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

এৰা মোৰেই ছোৱালীজনী। অভাৱ আৰু আকাংক্ষাৰ মোহত পৰি জীৱনৰ সোঁতত উটি ভাঁহি যোৱা মোৰ ছোৱালীজনী। মোৰ চকীদাৰী চাকৰিৰ পেন্সনৰ টকা কেইটাৰে ঘৰখনৰ জোৰা টাপলি মাৰি মই ভাগৰি পৰাহেন দেখি তাই এদিন মিনিষ্টাৰৰ সোঁহাত বোলা এজনৰ লগত ঘৰৰ পৰা ওলাই গৈছিল। মই তাইক কিমান বুজাইছিলোঁ—আমাৰ নিচিনা দুখীয়া নিচলাৰ বাবে চাকৰি এতিয়া মৰুভূমিৰ মৰিচিকা। তাই মোৰ হাকবচন নুশুনিলে—গ'ল যি গ'লেই আৰু...।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

পুলিচ থানাত খবৰ দিছিল?

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

দিয়াত দিছিলোঁ—হেৰাল বুলি কয়—কয় নহয়, হেৰাল বুলি ক'লেই। আপুনিয়েই কওকচোন—ৰাজধানী মহানগৰ এখনলৈ ওলাই যোৱা এইহেন গজগজীয়া গাভৰু এজনী হেৰাল বুলিলেই হেৰাব পাৰেনে?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

সাধাৰণতে নোৱাৰে—কিন্তু আজিকালি হ'লে পাৰে—য'তে-ত'তে-যোন-তোন হেৰাও বুলিলেই হেৰাই যাব পাৰে।

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

সেই কাৰণেই মোৰ ভয় হৈছে—সন্দেহ হৈছে—জানোচা তাই এই খাৰৈটোত...মোৰ ছোৱালীজনী... (কান্দে) (দ্বিতীয় আৰু তৃতীয় চৰিত্ৰই নিঃশব্দ ভাৱে, আত্মবিভোৰ ভাৱে কান্দি থাকে। দ্বিতীয় ভ্ৰমণকাৰীয়ে কিছু সময় খাৰৈটোলৈ চাই থাকি তেওঁলোকৰ ওচৰলৈ আহে। (সংগীতৰ প্ৰসংগ)

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

এনেকৈ কন্দা-কটাখন কৰি থাকিলে এতিয়া আৰু কি হ'ব?

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি আপোনাৰ ল'ৰাটোৰ মৃতদেহ নিজ চকুৰে এই খাৰৈটোত পৰি থকা চাব পাৰিব?

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি আপোনাৰ ছোৱালীজনীৰ মৃতদেহ নিজ চকুৰে এই খাৰৈটোত পৰি থকা চাব পাৰিব?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

নিজ চকুৰে নাচাই সন্দেহবশতঃ এনেদৰে কন্দা-কটাখন কৰাতো মই মুঠেই পচন্দ কৰা নাই। তাতে আপোনালোকৰ কান্দোনবোৰ বৰ স্বাৰ্থপৰ—কাঠচিতীয়া কান্দোন। এতিয়া আৰু মোৰ আনৰ কাৰণে কন্দা কান্দোনবোৰহে ভাল লাগে। (দূৰৈত প্ৰথম ভ্ৰমণকাৰীৰ উন্মাদ পত্নীয়ে এটা নিচুকণি গীত আওৰাই মঞ্চৰ ফালে আহি থাকে) চাওক—মানসিকভাৱে বিপৰ্যস্ত মোৰ পত্নীয়ে এই নিচুকণি গীত গাই ঘৰলৈ বুলি উভতি আহিছে। আপোনালোকে অনুগ্ৰহ কৰি কিছু সময়ৰ বাবে কন্দা কটা বন্ধ কৰি তেওঁক সুকলমে ঘৰলৈ উভতি যাবলৈ দিয়ক। আপোনালোকৰ কান্দোন সুনিলে তেওঁ ইয়াত থমকি ৰ'ব। থমকি ৰ'লে কেনেবাকৈ খাৰৈটোৰ শটোত চকু পৰিব। শটোত চকু পৰিলে তেওঁ হিংস্ৰ হৈ উঠিব—হিংস্ৰ হৈ উঠিলে...চুহ। (মুখেৰে শব্দ নকৰিবলৈ ইংগিত দিয়ে। তেওঁলোকে কান্দিব নোৱাৰাকৈ মুখত সোপাদি ৰাখে। মানুহগৰাকীয়ে এটা নিচুকণি গীত আওৰাই পুতলা ওমলাই আহি থাকে। হঠাৎ এজনে শব্দ কৰি কান্দি উঠে। কান্দোন শুনি গৈ থকা মানুহগৰাকীয়ে মধ্যমঞ্চতে হৈ যায়। কান্দোতাজনলৈ কেৰাহিকৈ চায়। লাহে লাহে তেওঁৰ মুখত এটা বেঁকা হাঁহি বিৰিঙি উঠে। (তাচ্ছিল্য সুৰক) তেওঁ নিঃশব্দভাৱে ডাঙৰকৈ হাঁহিবলৈ আৰম্ভ কৰে)

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

(ফুচফুচাই) তেখেতে দেখোন হাঁহিবলৈহে আৰম্ভ কৰিলে।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

হেৰা—ঘৰলৈ যোৱাগৈ যোৱা—ঘৰলৈ যোৱাগৈ। (প্ৰথম ভ্ৰমণকাৰীৰ পত্নীয়ে মূৰ জোকাৰি অসন্মতি প্ৰকাশ কৰে। শূন্য ঘৰ এখনলৈ সোমোৱাৰ মানসিক যন্ত্ৰণাৰ ব্যঞ্জনা দেহ মানসিক প্ৰতিক্ৰিয়াৰে প্ৰকাশ কৰে। গিৰিয়েকে পুনৰ ঘৰলৈ যাবলৈ জোৰ কৰাত ঠেহ পাতি হঠাৎ খাৰৈটোৰ ফালে মুখ কৰে আৰু ডেডব'ডিটো দেখে। চক্ খাই হাতৰ পুতলাটো উফৰি পৰে। ভয়ত ভাবে আহি গিৰিয়েকক সাৱটি ধৰি বুকুৰ মাজত মুখ লুকুৱায়। কিছু সময় তেনেদৰে থাকি লাহে লাহে মুখখন উলিয়াই গিৰিয়েকৰ মুখলৈ চাই খং আৰু ঘৃণাৰ অভিব্যক্তি প্ৰকাশ কৰে। গিৰিয়েকৰ মুখলৈ বুলি থুৱাই দিয়ে আৰু 'কাপুৰুষ' বুলি চিঞৰি দৌৰ মাৰে।) (নিৰ্দেশনা—সংগীতৰ প্ৰকাশ)

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ডাঙৰীয়া—আপোনাক যে কাপুৰুষ বুলি কৈ গ'ল?

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

আপুনি - আপুনি মোক সুধিছিল নহয়—মোৰ ল'ৰাটোৰ মৃতদেহ মই নিজ চকুৰে এই খাৰৈটোত পৰি থকা চাব পাৰিমনে? আৰু আপুনিও মোক সুধিছিল নহয়—মোৰ ছোৱালীজনীৰ মৃতদেহ মই নিজ চকুৰে এই খাৰৈটোত পৰি থকা চাব পাৰিমনে? যদি মই আপোনালোকক সুধো—আপোনাৰ একমাত্ৰ ল'ৰাটো—মৰমৰ বোৱাৰীজনী আৰু তেওঁৰ গৰ্ভত থকা—দুদিনৰ পিছতে এইখন পৃথিৱীলৈ নতুন অতিথি হৈ আহিবলগীয়া কণমানিটোৰ তেজেৰে কৰাল বন্ধা মৃতদেহ নিজৰ বৰঘৰৰ মজিয়াত একেলগে আপোনালোকে চাব পাৰিব। মই আৰু মোৰ পত্নীয়ে প্ৰস্তৰ মূৰ্তিৰ দৰে থৰ লাগি চাই ৰৈছিলোঁ। মৃতুৰে চোপ্‌পাতি থকা সেই বিৱৰ্ণ পুঁৱতিটোত আমাৰ ঘৰলৈ বুলি নতুনকৈ আহিবলগীয়া নাতি বা নাতিনী জনীৰ বাবে মোৰ পত্নীয়ে মোক এটা নিচুকণি গীত আওৰাই শুনাইছিল। ওৰেটো জীৱন আশ্বাস আৰু নিৰাপত্তাৰে মোৰ সমগ্ৰ পৰিয়ালটোক সাৱটি ধৰি থাকিও গুপ্ত ঘাটকীবোৰে মৰণৰ খেল খেলি অৱশেষত মোক মানুহজনীৰ চকুতে 'কাপুৰুষ' কৰি পেলালে। মই এটা কাপুৰুষ—কাপুৰুষ।

(নিৰ্দেশনা)

মৃত্যুৱে কেৱল মোকেই কাপুৰুষ সজোৱা নাই—আপোনালোকো একো একোটা কাপুৰুষ।

(দ্বিতীয় ভ্ৰমণকাৰীক উদ্দেশ্যি)

আপুনি পুৰুষ নে কাপুৰুষ?

আপুনি পুৰুষ নে কাপুৰুষ??

**২ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

মই পুৰুষ। (পুনৰ প্ৰথম ভ্ৰমণকাৰীয়ে তৃতীয় ভ্ৰমণকাৰীক সুধিব)

**৩ য় প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

ময়ো পুৰুষ।

**১ ম প্ৰাতঃ ভ্ৰমণকাৰী ঃ**

তেন্তে আহক—আমি গাৰ সমস্ত শক্তিৰে এই কাঁইটীয়া তাঁৰকেইডাল ছিঙি পেলাওঁ। (নিৰ্দেশনা)

মৃতদেহটো পানীৰ পৰা তুলি আনো। (নিৰ্দেশনা)

আপুনি সৰ্বশক্তিৰে চিঞৰি মানুহবোৰক টোপনিৰ পৰা জগাই দিয়ক—'ইয়াত এটা ডেডব'ডি ওলাইছে'।

'ইয়াত এটা ডেডব'ডি ওলাইছে'।

গ ৰি ম্মা খা উ ণ্ড
স্নাতক ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ

# অবিষণ্ণ মন

মই অসমীৰ সন্তান
বীৰৰ সন্তান মই
মানৱতাক বুজাবলৈ জন্ম হোৱা
পৰাক্ৰমীৰ বীৰাংগণা
মই বিষাদৰ পূজাৰী
প্ৰেমৰ পূজাৰী
মমতাক বুজাবলৈ
লক্ষ্য কৰা পৃথিৱী বিজয়িনী
মই মুমূৰ্ষ সহিষ্ণু
বিষৰ সহিষ্ণু মই
মৃত্যু জয় কৰিবলৈ
উদিত ঔষধী সঞ্জীৱনী
মই আন্ধাৰ বিনাশী
শত্ৰু বিনাশী মই
দুৰ্গম পথলৈ
প্ৰভাৱিত পোহৰ আলোক সন্ধানী
মই অদাহ্য প্ৰতীক
হলাহলৰ প্ৰতীক মই
অহৰহ আছোঁ লৈ বিষদগ্ধী
মই কালগ্নি ঘিণী
চৰণ ঘিণী মই
নুনোমুওৱা জুই লৈ নচা নাচনী মই।
মই সৰ্বত্ৰ, সৰ্বত্ৰতে মই।

মই মুমূৰ্ষ সহিষ্ণু বিষৰ সহিষ্ণু মই
মৃত্যু জয় কৰিবলৈ
উদিত ঔষধী সঞ্জীৱনী
মই আন্ধাৰ বিনাশী শত্ৰু বিনাশী মই





জ য় শ্ৰী ফু ক ন
স্নাতক চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ

# বেলি আৰু মালিনী

পুৱাৰ ৰঙা বেলিটোৰ দৰে
কঁপাল জিলিকাই
অযুত শকতিৰে
ওলাই আহে তাই।
ওৰে দিন মালিনীয়ে
পোহৰ সিঁচে
এন্ধাৰে পোতা মনবোৰত।
কিন্তু, পোহৰৰ ঢলে
পাৰে জানো
ছাঁটো উটুৱাই নিবলে।
ব্যৰ্থতাৰ দিগন্তত
আজি এজাক মালিনী
আবেলিৰ বেলিটোৰ দৰে
কঁপালৰ সেন্দুৰ মোহাৰি।

ব্যৰ্থতাৰ দিগন্তত আজি
এজাক মালিনী
আবেলিৰ বেলিটোৰ দৰে কঁপালৰ সেন্দুৰ
মোহাৰি।

গৰিমা বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক, অৰ্থনীতি বিভাগ

# হৃদয়ৰ ভাষা

কৃষ্ণচূড়াৰ তলত বহি
ৰচিছিলোঁ জীৱনৰ অনেক মধুৰ সপোন
সেই সপোনবোৰ বাস্তৱায়িত কৰিবলৈ
সিদিনা তুমি মোৰ কাষতে আছিলা।

এই যে তুমি মোৰ কাষলৈ আহা
বুকুত হালধীয়া সোণাৰু ফুলে
মনৰ আকাশখন হাউলি আহে
তোমাৰ স্পৰ্শৰ শিপা বিচাৰি।

এই যে তুমি মোৰ কাষলৈ আহা
বুকুত হালধীয়া সোণাৰু ফুলে
মনৰ আকাশখন হাউলি আহে
তোমাৰ স্পৰ্শৰ শিপা বিচাৰি।

তুমি আহিলে মনত
এজাক বৰষুণ সৰি পৰে
আৰু সেই বৰষুণত তিতিবলৈ নৌপাওঁতেই
তুমি মোৰ মনৰ ৰঙীণ কল্পনাবোৰ মোহাৰি দিলা।

প্ৰেমবোৰ জীৱনৰ অলংকাৰ
প্ৰতাৰণা মোৰ মৃত্যুস্বৰূপ
হৃদয়ৰ ওচৰত মোৰ বিবেক হ'ল পৰাজিত
সহ্যহীন চৰম প্ৰবঞ্চনাই মোক দি গ'ল বিষাদৰ
চিন।

আছিল মোৰ জীৱনত অনেক আশা
একেকোবে ভাঙি গ'ল সেই আশাৰ পঁজা
এতিয়া মোৰ বুকুত আছে কেৱল
বিষাদৰ অসহনীয় গভীৰ বোজা।



ময়ূৰী তামুলী
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

# নাৰী

তুমি অনন্যা
তুমি অপৰূপা।
তুমিয়েই মানৱৰ
সুখৰ বন্যা।

তুমি অদ্বিতীয়া
তুমিয়েই হেজাৰজনৰ সাহস।
তুমিয়েই প্ৰেৰণা,
তুমি বীৰাংগণা।

কনকলতা, মূলাগাভৰু দেশৰ নাৰী তুমি
দেশ ৰক্ষাৰ হকে উচৰ্গা কৰিলা দেহ-প্ৰাণ।
হত্যা, হিংসা, বিদ্বেষেৰে পৰিছে ভৰি
কেনেকৈ বাৰু সহিম।
সময় থাকোতেই কঁকালত টঙালি বান্ধা
তোমাৰ শক্তি অসীম।
তোমাৰ নাই ক্লেশ,
হায়, সোণৰ অসম দেশ।

কনকলতা, মূলাগাভৰু দেশৰ নাৰী তুমি
দেশ ৰক্ষাৰ হকে উচৰ্গা কৰিলা দেহ-প্ৰাণ।

ধ ৰি ত্ৰী ব ৰু ৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

# ওৰণি তলৰ মানুহ

আলহী আহিলেই পিতাইয়ে সাঁচতি খোলে
'আইজনী ডাঙৰ হ'ল'
আইৰ বুকুত মেঘে গাজে
অথচ মৌন চিৎকাৰ!
নীলাবোৰ পিন্ধাটো হেনো
আইৰ পুৰণা অভ্যাস,
সময় পালেই কৰ্ণত আঘাত কৰে
একেটা বাক্যই,
'গিৰীয়েকৰ ওপৰত মাতিব নাপায়'।
জৰায়ু ভাঙি অহাৰ পৰাই ময়ো শুনিছোঁ
একে মানুহৰ একে মাত,
প্ৰতিবাদী সত্ত্বা আমাৰো আছে
দপ্‌দপ্‌কৈ জ্বলে মুক্তিৰ জোনাকী জুই
বুকুত ডবা-শংখ একেলগে বাজে
কিন্তু,
আমাৰ কথা শুনিব কোনে?
সৰাপাতৰ আৱেগ বুজিব কোনে?
শেৱালিৰ সুবাস ল'বনো কোনে?
দুচকুত কাজল সানিলেই আমি নাৰী
ৰং উৰিলেই ফটা পলিথিন,
আৰু সেন্দুৰৰ আলিবাটেৰে গ'লেই
নিয়মৰ ৰঙা চকু।
জুইয়ে আমাৰ বুকুতো পুৰে
খহাই পেলাই সাতোৰঙী সপোন।
সেন্দুৰকণেই গিলে নেকি আমাক?
নে অভিনয় কৰোঁ নে তলমূৰ কৰি দিওঁ নিজকে?
প্ৰশ্নবোৰত শেলুৰৈ গজি খহি যায়
একেটা ৰাতিতে টচ্ নচ্ হৈ যায়
জলফাই ৰঙী আশা।
বিষাদবোৰ পৰ্বত হৈ থিতাপি লয়
ৰঙা শিৰত
এৰা,
আইজনী ডাঙৰ হ'ল
সেওঁতাত কাৰোবাৰ নাম আঁকা হ'ল
ভ্ৰূণত সপোন ৰচা হ'ল
গাজনিৰ মাতত চিঞৰা ছোৱালীজনী
আজি সঁচাই মৌন হ'ল।

দুচকুত কাজল সানিলেই আমি নাৰী
ৰং উৰিলেই ফটা পলিথিন,
আৰু সেন্দুৰৰ আলিবাটেৰে গ'লেই
নিয়মৰ ৰঙা চকু।

ই ন্দ্ৰা নী খা উ ণ্ড
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

# নাৰী

শেৱালিৰ সুগন্ধি যেন এটি মিঠা সুৰ তুমি
যৌৱনে তোমাৰ জোনাক ভৰা।
সৃষ্টিৰ পৰিধি ভাঙি, মহিয়সী তুমি,
সেউজী ধৰণী ধন্যা।
ত্যাগৰ বাণীৰে হৃদয় জিনিলা তুমি,
প্ৰেমৰ শত শত বন্তি জ্বলাই।
হাঁহিত উঠে তোমাৰ মেঘৰ মাদল,
মৰমে বৰষা নমাই।
পুৱাৰ বেলিয়ে আহি, তোমাৰ কপালত,
শান্তিৰ ধ্বজা উৰুৱাই।
সাহস আৰু মহানুভৱতাৰে তোমাৰ হৃদয়খনি
ক্লান্তি সেউজ ধৰা
তুমি প্ৰতিমূৰ্তি এখন বিশাল সাগৰ,
বৈ যোৱা অন্তহীন কবিতাৰ মালা।

ত্যাগৰ বাণীৰে হৃদয় জিনিলা তুমি,
প্ৰেমৰ শত শত বন্তি জ্বলাই।
হাঁহিত উঠে তোমাৰ মেঘৰ মাদল,
মৰমে বৰষা নমাই।




পলি বৰুৱা

**স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ**


# নাৰী হোৱাৰ গৌৰৱে মোক আটাইতকৈ বেছি কষ্ট দিলে


আজি মই স্বাধীন, অহা-যোৱা কৰাৰ বয়সো উকলিল
তথাপি কেতিয়াবা দেখোঁ, তাইৰ উঠন বুকুত বহু ভদ্ৰৰ লালসাৰ চাৰনি


মই থাকোঁ এটা আপোন ঘৰত, আপোনসকলৰ লগত
তাই থাকে ৰাস্তাৰ হৰ্ডিংবোৰৰ তলত, ভিক্ষাৰী মাকৰ লগত
মই যেতিয়া এযোৰ ইউনিফ'ৰ্মেৰে সেই বাটেৰে দৈনন্দিন যাওঁ
তাই এযোৰ মলিয়ন কাপোৰেৰে মাকৰ ওচৰত বহি ৰয়
তাইৰ যে মই কাণসমনীয়া, সেয়ে এটা দৈনন্দিন হাঁহি নিগৰি আহে
অৱশ্যে হাঁহিটোত ময়ো কৃপণালি নকৰোঁ।

এইদৰেই পাৰ হৈছে তাইৰ সময়, মোৰ সময়।

আজি মই স্বাধীন, অহা-যোৱা কৰাৰ বয়সো উকলিল
তথাপি কেতিয়াবা দেখোঁ, তাইৰ উঠন বুকুত বহু ভদ্ৰৰ লালসাৰ চাৰনি
মইজনী ভিতৰি শিঁয়ৰি উঠোঁ, এটা শংকাত পৰি।
দৰিদ্ৰতাৰ চেপাত তাইৰ মাকৰ মৃত্যু হ'ল
আজি হঠাৎ শুনিলোঁ, তাইৰো মৃত্যু হৈছে
কোনো অচিনৰ গা-ভাৰী হৈছিল তাই
পৃথিৱীলৈ এটি জাৰজ আনি তাই চকু মুদিলে।
মোৰ খং উঠিছিল, মুখা পিন্ধা ভদ্ৰৰ জন্তুৰ আচৰণত
শিপা নথকা এই ছোৱালীজনীক দিয়া যন্ত্ৰণাৰ আঘাতত
দুচকুত ভাঁহি আহিছিল তাইৰ জীয়া ছবি
এগৰাকী হৰ্ডিঙৰ তলত ওৰে জীৱন কটোৱা নাৰীৰ ছবি।
আৰু সেই সময়ত,
নাৰী হোৱাৰ গৌৰৱে মোক আটাইতকৈ বেছি কষ্ট দিলে।
নাৰী হোৱাৰ গৌৰৱে মোক আটাইতকৈ বেছি কষ্ট দিলে।


ৰিছা ফুকন

**স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ**


# মা

জগতৰ শ্ৰেষ্ঠ ধাত্ৰী,
অতীত-বৰ্তমান আৰু ভৱিষ্যৎ তিনিওটিৰে,
মাৰ প্ৰতিটো শব্দত নিহিত হয়
এক স্নেহ উমাল সৌন্দৰ্য।
মা তুমি
জীৱনৰ কঠিনতম মুহূৰ্ততো
মমতাৰে আৱৰি ৰাখা,
সন্তানৰ এটোপাল চকুলোৰেও
তোমাৰ জীৱনত আঘাত সানে।
নিজৰ জীৱনকো
সন্তানৰ জীৱনতকৈ তুচ্ছ জ্ঞান কৰা
তুমিয়েই নহয়নে বাৰু সেই
মহিমাময়ী নাৰী।
সন্তানৰ সামান্যতম অনুভূতিকো
তোমাৰ অন্তৰ আত্মাৰে
উপলব্ধি কৰিব বিচৰা,
সন্তানক প্ৰক্ষেপ কৰিব বিচৰা
এক স্বৰ্গীয় পথলৈ।



তাজমিন চুলতানা
স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

# নাৰী তুমি অনন্যা

নিজ গুণেৰে পৰিচিতা হৈয়ো
অপৰিচিতা তুমি
তোমাৰ কাযে কাযে ঘূৰি ফুৰিলেও
তোমাক নাপায় চিনি।
কাজলবুলীয়া দীঘল চুলি মেলি
শত্ৰুক বাধা দিয়া
পানীৰ দৰে সকলোতে মিলি
পাত্ৰ ৰং ধৰা।
কেঁচুৱা কোলাত তুলি ভিক্ষাৰী পাত্ৰ লৈ
মাতৃৰ মহিমা গোৰা
নন্দিনী হে ঘৰুৱা কামত
মাতৃক সহায় কৰা।
অন্নপূৰ্ণা ৰূপে আখলত সোমাই
জগত পৰিতৃপ্ত কৰা।
স্বাধীন হৈয়ো পৰাধীন তুমি
স্বাৰ্থপৰৰ মাজত
কোনদিনা আহিব সেই শুভদিন
তুমি হ'বা স্বাধীন???

স্বাধীন হৈয়ো পৰাধীন তুমি
স্বাৰ্থপৰৰ মাজত
কোনদিনা আহিব সেই শুভদিন
তুমি হ'বা স্বাধীন???

মনালিচা বৰুৱা
স্নাতক ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ

# আই

নিজৰ জীৱনৰ সকলোখিনি
ত্যাগ কৰি আমাক সুখী
কৰাটোৱেই তোৰ কৰ্তব্য
বুলি ধৰি ল'লি।
জীৱন বাঁহীৰ ছিদ্ৰময় দুখতো
তই তুলিব পাৰ সুখৰ
ধ্ৰুপদী ৰাগ।
তোৰ আঁচলৰ ছাঁত নিৰ্ভয়ে
পাৰ কৰোঁ অন্ধকাৰময় ৰাতিবোৰ।
তোৰ মৰমেৰে বাট বুটলোঁ
জীৱনৰ জটিল সময়বোৰত।
তোৰ বৰ্তমানৰ জলাঞ্জলিত মই
সাজো মোৰ ভৱিষ্যৎ সৌধ।
তোৰ এযাৰ মৌ বৰষা মাতত
মই পাহৰো মোৰ জীৱনৰ
যন্ত্ৰণাৰ বিভূতি
আই মোৰ মনৰ আকাশ
উজ্জ্বলাই থকা তই
এটা জোনাকী।

কুন্তলা শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

# নাৰী

তোৰ মমতাৰ চোতালতেই
এডৰা ৰঙা এন্ধাৰ!
যেন অভিশাপ,
আদিশক্তি হোৱাৰ!

তোৰ মমতাৰ চোতালতেই
এডৰা ৰঙা এন্ধাৰ!
যেন অভিশাপ,
আদিশক্তি হোৱাৰ!




শিখামণি গগৈ

স্নাতক চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ


# অঁ তাই নাৰী

এখন ভ্ৰষ্টাচাৰী সমাজৰ
তাই এজনী সৰল নাৰী
য'ত জীৱনৰ প্ৰত্যেকটো খোজতে
নিৰাপত্তাহীনতাই আগুৰি ধৰে তাইক।
আজি অকলশৰে ওলাব নোৱাৰে তাই,
কাৰণ ভয় লাগে তাইৰ...
সমাজৰ এচাম দুষ্ট মানৱৰ
চৰিত্ৰহীন কৰ্মৰাজিলৈ।
তাই নিবিচাৰে সমাজৰ চকুত
কলংকিতা হ'বলৈ।
তাইৰ আশাবোৰ, সপোনবোৰ জানো
এৰি দিব পাৰিব,
কাৰোবাৰ প্ৰতাৰণাৰ বলি হ'বলৈ।
আজি তাই বাধ্য হৈ পৰিছে
নিজৰ ইচ্ছাৰ বিৰুদ্ধে যাবলৈ।
সভ্য সমাজৰ কিছুমান অসভ্য
মানসিকতাৰ প্ৰতাৰণাত,
নীৰৱতাই আজি তাইৰ একমাত্ৰ সংগী।
কাৰণ জীৱনৰ প্ৰতি পলে আজি তাইক
সুঁৱৰাই যায়,
ভ্ৰষ্টাচাৰী সমাজৰ নাৰীৰ নিৰাপত্তাহীনতাৰ
নিষ্ঠুৰ কথা।


হিমালী গগৈ

স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ


# নাৰী

তুমি অনন্যা,
তুমি যুগজয়ী
আধুনিকা কুৰি শতিকাৰ মন্দাকিনী
সৃষ্টিৰ পাতনিতে
মাতৃত্বৰ গৰ্বৰে গৰ্বিত
তুমি অনন্যা।
সৃষ্টি তোমাৰ
কালজয়ী ইতিহাস
হে মহিয়সী
তুমি ত্যাগৰ প্ৰতীক
সতী জয়মতী,
বীৰাংগনা মূলাগাভৰু ৰূপে
তোমাৰ অৱদান
হৈ ৰ'ল চিৰস্মৰণীয়
হে অনন্যা
তুমি ভগ্নী,
তুমি মাতৃ,
আৰু হৈ ৰ'লা
কাৰোবাৰ পত্নী
তুমি যুগজয়ী নাৰী।


কুন্তলা শৰ্মা

স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ


# ভোক

উঠন বুকুৰ ফিচিকা চোলাত
ছাইৰঙী সপোনৰ বাহ...।
স্নিগ্ধ ৰাতিৰ নগ্ন জোনাকত
তাইৰ ৰঙাবোৰত এজাৰ
শেষ ৰাতিৰ ভয়াবহতাত
ভোকৰ ভাতসাঁজ
হয়,
ভাতসাঁজ তাই ভালকৈয়ে খায় আজিকালি।
নজহা নপমা এসোপা বিষাদ মাথোঁ দুচকুত।


ভাতসাঁজ তাই ভালকৈয়ে খায় আজিকালি।
নজহা নপমা এসোপা বিষাদ মাথোঁ দুচকুত।




পল্লৱী গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

# আই

তই ক'ত আছ আই
তোলৈ আজি মোৰ বৰ মনত পৰিছে
আই তই আহিবিনে মোৰ কাষলৈ ?
তোৰ সেই দুহাতে মোক মৰম ওপচাই
দিবলৈ আহিবিনে আই ?
তই কেতিয়া আহিবি আই
তোৰ হাতৰ পৰশত মোক
হাঁহিৰে ওপচাই পেলা আই
মাথোঁ অপেক্ষা তই অহা
বাটলৈ চাই।
তই যে মোক আগতে দুফালে
চুলি বান্ধি দিছিলি
এতিয়া কিয় নিদিয় আই ?
তই মোক এৰি থৈ কিয় গ'লি আই
তই নথকা বহু দিন পাৰ হৈ গ'ল
কিন্তু, কিন্তু, কিন্তু,
তই যোৱাৰ পৰাই মোৰ সেই
হাঁহি নাইকিয়া হ'ল অ' আই
তোৰ লিহিৰি আঙুলিৰে মোক
খুৱাই দিয়া সেই ভাতমুঠি
ক'ত হেৰাল আই ?
আজি এই মুহূৰ্তত মই বৰ অকলশৰীয়া
অ' আই আই
তই মুখেৰে একো নামাত কিয় ?
নে তই মোৰ ৰং চাই আছ?
মই বৰ অকলশৰীয়া অ' আই
ব্যস্ততা এই মহানগৰীত কাৰো
সময় নাই অ' আই
মাথোঁ প্ৰতাৰণা।

তই যে মোক আগতে দুফালে
চুলি বান্ধি দিছিলি
এতিয়া কিয় নিদিয় আই ?

জয়শ্ৰী ফুকন
স্নাতক চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ

# ভোকৰ পৃথিৱী

দুটি বৰ্ণৰ
এটি অৰ্থৰ
শব্দ ই ভোক
ভোকৰ বাবেই আজি কৰিছোঁ বৰ্ণনা
দেখিছোঁ ক'তনা
ঘটনা-পৰিঘটনা, দুৰ্ঘটনা...

ভোকৰ বাবেই জাবৰৰ দ'মত হেৰাই কতনা ল'ৰালি
ভোকৰ বাবেই যৌৱনত জীৱনৰ হেতালি,
ভোকৰ বাবেই বৃদ্ধক বৃদ্ধাশ্ৰমত ৰাখি
অযোগ্য পুত্ৰৰ বলিয়ালি...

ভোকৰ নাই সীমা,
নাই কোনো পৰিসীমা।
ভোক আছে বাবেই ভাত আছে,
ভোক আছে বাবেই হাঁহি আছে, কান্দোন আছে।

ভোকে সলায় জীৱনৰ লক্ষ্য,
ভোকৰ বাবেই উদং হয় শত দুহিতাৰ বক্ষ...
ভোকৰ বাবেই ধনী-দুখীয়াৰ ভূগোল
ভোক আছে সকলোৰে নেওচি জাতিকুল...
দুটি আখৰৰ
এটি অৰ্থৰ
শব্দ — ভোক।
ভোকেই গঢ়ি তোলক সুন্দৰ পৃথিৱী,
ভোকেই নাশ কৰক হত্যা-সন্ত্ৰাসৰ পৰিধি,
ভোক হওক ভোক,
সত্য, শান্তিৰ, প্ৰগতিৰ ভোক।

ভোকৰ নাই সীমা, নাই কোনো পৰিসীমা।
ভোক আছে বাবেই ভাত আছে,
ভোক আছে বাবেই হাঁহি আছে, কান্দোন আছে।




ক ল্যা ণী দ ত্ত

**স্নাতক চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ**


# পতিতা

হয়,
মই পতিতা।
কাৰ মন যায় নিজৰ শৰীৰটো
আনৰ হাতৰ পুতলা হ'বলৈ দিবলৈ?
পিছে কি কৰিব?
ভোকে যে মানুহক সকলোতে বান্ধি ৰাখিছে।
ভোকে মানুহক কি নকৰায়?
হত্যা, হিংসা, লুণ্ঠন।
সকলোতো অৰ্থ উপাৰ্জনৰ বাবে
অৰ্থ লাগে ভোক নিবাৰণৰ বাবে।
মইতো কাকো হত্যা কৰা নাই,
কৰা নাই কাৰো অপকাৰ।
মাথোঁ কৰিছোঁ ভোক নিৰাময়।
মোৰ, মোৰ ৰুগ্ন পতিৰ আৰু কণমাণিজনীৰ
কেতিয়াবা নিজৰ শৰীৰটোলৈ ঘিণ লাগে,
ঘিণ লাগে সমস্ত সত্বাক।
পিছে যেতিয়া কণমাণিজনীলৈ মনত পৰে
মনত পৰে অসহায় পতিৰ কথা
সকলো কৰিব পাৰো মই
সপি দিব পাৰোঁ নিজৰ শৰীৰ
মানৱৰূপী দস্যুৰ হাতত।
ভোকৰ কাৰণে সকলো এতিয়া কৰণীয়
আহ
অসহ্যকৰ এই ভোক।


মোৰ, মোৰ ৰুগ্ন পতিৰ আৰু কণমাণিজনীৰ
কেতিয়াবা নিজৰ শৰীৰটোলৈ ঘিণ লাগে,
ঘিণ লাগে সমস্ত সত্বাক।



হি মা দ্ৰী দু ৱ ৰা

**স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, গাৰ্হস্থ্য বিজ্ঞান বিভাগ**


# স্বপ্ন

মৰিচিকাৰ পমখেদি
দৌৰে...
তেজাল ঘোঁৰা,
তোমাৰ দীঘল নখৰ আঁচুৰত
মোৰ শৰীৰত,
কেঁচা তেজৰ চেঁকুৰা।
কপৌ ফুলাৰ বতৰত
ভোমোৰাৰ গুণগুণনি
কুঁহিপাতত জিলিকে
নতুন দিনৰ স্বপ্ন।
নৱ প্ৰভাতৰ কোনোবা ক্ষণত
আধৰুৱা স্কেচৰ
মোৰ আধা লিখা কবিতা।
থমকি ৰ'ল মোৰ
হাতৰ তুলিকা...।


কপৌ ফুলাৰ বতৰত ভোমোৰাৰ গুণগুণনি
কুঁহিপাতত জিলিকে নতুন দিনৰ স্বপ্ন।




প লি ব ৰু ৱা
**স্নাতক পঞ্চম ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ**

# ভোক

প্ৰতিটো দিনেই হোৱা হ'লে নৈবোৰৰ পাৰত
নৱবৰ্ষৰ বনভোজৰ আনন্দমুখৰ থলী
কিমান যে সুখী হ'লোঁহেঁতেন আমিবোৰ
হয়তো পৃথিৱীৰ আটাইতকৈ সুখী মানুহ।

বনভোজৰ গাড়ীবোৰ আহিলে আমি দৌৰি যাওঁ।
আপোনালোক বহুত সুখী নহয়নে?
গীতৰ তালেতালে আপোনালোকে নাচে
আমিবোৰে চাই ৰওঁ একান্তমনে
আমাৰ উদ্দেশ্য আপোনালোকৰ আনন্দত নহয়
আপোনালোকৰ ভোকৰ সামগ্ৰীবোৰত
ইমানবোৰ খোৱা সামগ্ৰী আপোনালোকে আনে
আমাৰ ভাবিয়ে কিবা জিভাত পানী আহে।
যেতিয়া আপোনালোকৰ খাদ্যত গৰম ধোঁৱা উৰে
লুভীয়া আমাৰ নাকবোৰে বতাহ শুঙে
পেটৰ ভোকটোৱে উকমুকনি কৰি উচুপে।
আৰু অৱশেষত আমাৰ বিজয়ধ্বজা উৰে।
আপোনালোকে পেলাই যোৱা পাতবোৰে সকাহ দিয়ে
পেলনীয়া ভাতখিনি, তৰকাৰীখিনি বিচাৰি বিচাৰি খাওঁ
ইমান যে তৃপ্তি লাগে।

সেয়ে কৈছোঁ, আমাৰ এটাই মাথোঁ দুখ
প্ৰতিটো দিনেই কিয় নৱবৰ্ষৰ ভোজৰ দিন নহয়।
আমাৰ ভোকাতুৰ পেটক সকাহ দিবলৈ।

(বিঃ দ্ৰঃ নৱবৰ্ষৰ ভোজৰ থলীত লগপোৱা সেইসকল ভোকাতুৰ দাল-দৰিদ্ৰ মানুহৰ নামত উৎসৰ্গিত।)

বনভোজৰ গাড়ীবোৰ আহিলে আমি দৌৰি যাওঁ।
আপোনালোক বহুত সুখী নহয়নে?
গীতৰ তালেতালে আপোনালোকে নাচে
আমিবোৰে চাই ৰওঁ একান্তমনে

ম য়ূ ৰী তা মু লী
**স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ**

# শব্দ

এটি মাত্ৰ শব্দ
য'ত নিহিত হৈ থাকে,
হাজাৰজনৰ জীৱনৰ সুঁতি
য'ত কেৱল সংগ্ৰাম

জীৱনতেই জন্ম
সংগ্ৰামেই তাৰ লক্ষ্য
অজস্ৰজন প্ৰাণীৰ
মাত্ৰ এটাই...

কিন্তু
ইয়াৰ মাত্ৰাৰ তাৰতম্য
হ'বই লাগিব নিয়ন্ত্ৰিত
তাৰবাবে প্ৰত্যেকেই
কৰিছোঁ সংগ্ৰাম আৰু কৰিম
কিয়নো ই
জীয়াই থকাৰ একমাত্ৰ
উপায়।
য'ত নিহিত হৈ আছে
আৰ্তজনৰ হাঁহি
সিও পূৰণ হ'লে পাব পাৰি আৰ্তজনৰ পৰা
দুখতো সুখৰ ফুল এপাহি।

য'ত মাত্ৰ দুটি শব্দৰ সমাহাৰ
যাৰ অৰ্থত কেৱল জড়িত।
জীৱজগতৰ প্ৰাণ সেই শব্দত সহস্ৰজনে
আন সকলো কাৰ্য স্থগিত ৰাখিব পাৰে।
সেই শব্দটিয়েই হৈছে
'ভোক'।

য'ত নিহিত হৈ আছে আৰ্তজনৰ হাঁহি
সিও পূৰণ হ'লে পাব পাৰি আৰ্তজনৰ পৰা দুখতো
সুখৰ ফুল এপাহি।

ই ন্দ্ৰা ণী খা উ ণ্ড
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

# স্বাৰ্থহীন

নীলিম আকাশৰ বুকুত
　　　　শীতল বতাহৰ চকুত
ঘূৰি ফুৰা মোৰ
　　　　জীৱন পৰিক্ৰমা।
ইপাৰে-সিপাৰে
　　　　অৰঙে-দৰঙে
মাথোঁ সন্ধান
চাৰিওফালৰ পৰা অহা
　　　　যোৱা কৰাৰ যেন
　　　　শেষ আৰু সাৰে উঠাৰ
পৰা শৰীৰে জন্ম দিয়া
　　　　মানৱৰ অন্তহীন যাত্ৰাৰ।
শেষ নোহোৱা
　　　　এটি যাত্ৰাৰ
য'ত জন্ম লাভ কৰে,
　　　　ক'ত কি সীমাহীন আশাই
তাড়নাত লুপ্ত হয়
　　　　জীৱনৰ অৰ্ধ আকাশ
হাহাকাৰ জীৱনৰ
　　　　অহা-যোৱা জীৱনৰ
কল্লোলিত প্ৰহৰীৰ
　　　　আৰ্তনাদৰ ঝংকাৰ
শ্যামলী মেমৰ
　　　　সেমেকা সন্ধ্যাত
　　　　জিলিকা সেমেকা ৰাতিৰ
　　　　প্ৰভাতত উটি-ভাঁহি ফুৰাৰ
　　　　পৰিচয়বিহীন জোনাক।
কটা-মৰাৰ খেলাৰে
　　　　জীৱন জীপাল
কৰাৰ স্বাৰ্থহীন
　　　　শব্দ মাথোঁ পেটটো
　　　　ভৰাই তোলাৰ।

ৰ শ্মি ৰে খা ব ৰা
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

# প্ৰতীক্ষা

শৰতৰ স্নিগ্ধ জোনাকৰ বুকুত
ডাল ভৰি ফুলি থকা বকুলৰ তলত
মনৰ মাজত গোপনে সাঁচি থোৱা
মোৰ কবিতাৰ পাতবোৰ
এখিলা এখিলাকৈ মেলি ৰৈ আছোঁ
কেৱল তোমাৰ প্ৰতীক্ষাত।
শৰতৰ সুবাসত মোৰ চঞ্চলা মনে
তোমাৰ লগত বহি কথা পতাৰ সময়বোৰ
মই আকৌ এবাৰ সুঁৱৰিছোঁ
তোমাৰ প্ৰতীক্ষাত কেইবাটাও শৰৎ পাৰ কৰিলোঁ
পাৰ কৰিলোঁ যৌৱনৰ
কেইবাটাও বসন্ত
মাথোঁ তোমাৰ প্ৰতীক্ষাত
তোমাৰ আশাত
কিয় হ'ল, এনেকুৱা
তোমাৰ প্ৰতীক্ষাৰো অন্ত পৰিল
এতিয়া তুমি মোৰ নিচেই কাষত
জানা! এতিয়াও ৰৈ আছোঁ এটি অপেক্ষাত
কেৱল শৰতবোৰ তেজৰঙী হ'বলৈ
আৰু বসন্তৰ আগমনলৈ।

শৰতৰ স্নিগ্ধ জোনাকৰ বুকুত, ডাল ভৰি ফুলি থকা বকুলৰ তলত
মনৰ মাজত গোপনে সাঁচি থোৱা মোৰ কবিতাৰ পাতবোৰ
এখিলা এখিলাকৈ মেলি ৰৈ আছোঁ কেৱল তোমাৰ প্ৰতীক্ষাত।



গ ৰি মা ব ৰু ৱা
স্নাতক প্ৰথম ষাণ্মাসিক, অৰ্থনীতি বিভাগ

# মা

তোমাৰ ওঁঠৰ শেঁতা হাঁহিত
বুকুৰ পঁজাত বিৰিঙি উঠে দুখ
সেমেকি উঠে মোৰ সাঁচতীয়া সুখ
জন্মৰ পাছতেই আমি পৰজনৰে
সলাই লৈছিলোঁ সুখ আৰু দুখ
মোক দি তোমাৰ সকলো সুখ
সামৰি লৈছিলা তুমি মোৰ সকলো দুখ
মা জীৱন মানেই চোন কেৱল সুখ আৰু দুখ
এক নিৰৱধি অভিজ্ঞতা চাক্ষুস।

তোমাৰ ওঁঠৰ শেঁতা হাঁহিত
বুকুৰ পঁজাত বিৰিঙি উঠে দুখ
সেমেকি উঠে মোৰ সাঁচতীয়া সুখ

মু ম্পী ব ৰু ৱা
স্নাতক ষষ্ঠ ষাণ্মাসিক, নৃতত্ব বিভাগ

# জীৱন

সকলোৰে থাকে যাপন কৰিব
পৰা সুন্দৰ জীৱন
কাক ক'ত কেনেদৰে লগ পাই
তাৰ জানো ঠিকনা আছে?
এই জীৱনৰ সকলো কথাইচোন
পাক লগা
ভালপোৱাৰ বিনিময়ত বিচাৰে কাৰোবাক
থাকিও কেতিয়াবা নাথাকে
নাথাকিলেও কেতিয়াবা থাকে,
পূৰ্ণতাৰ অপূৰ্ণতাই হয়তো ভালপোৱা
তাৰ পিছতো ভাবো, কাৰোবাক ক'ৰবাত
কেনেবাকৈ লগ পোৱাৰ কথা
য'ত ৰূপ আছে ৰং নাই
শান্তি আছে সুখ নাই,
আনন্দ আছে কিন্তু বিলাস নাই।

ধ ৰি ত্ৰী ব ৰু ৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

# বৰষুণ-হেঁপাহ ইত্যাদি

উভতনিৰ বাটত বৰষুণ মৰা দিন
উকা সোণাৰু জোপাৰ তলত সৰি পৰিছিল
দুচকুৰ বাঙ্ময় অনুভৱ।
তিতা চুলিখিনিৰ মাজত কি লুকাই আছিল
ময়ো নাজানো
অথচ,
বতাহে বাৰে বাৰে কোবাইছিল।
জোকাই গৈছিল ছাতিৰ তলৰ ৰঙাবোৰক
আজি
বৰষুণৰ কোববোৰে আঘাত সানিছে
মৌন হৈছে হৃদয়
দুচকুতো বতাহৰ আচোঁৰ
সৰসৰকৈ নামি অহাৰ ছবি
দুচকুৰ ভাষা বৰষুণৰে ভাষা
আঁকৰা সোণাৰুৱে নুবুজিলে একো
এনেকৈয়ে শিল হয় হৃদয়
তথাপিও বৰষুণত মগন হোৱাৰ সপোন
এৰা!
লৈ ফুৰিছোঁ বৰষুণৰ দুচকুত
হেপাহ হৈ বগোৱাৰ সপোন
বৰষুণৰ মাতত প্ৰেম নমোৱাৰ সপোন।



হাবিবা আখতাৰ বেগম
স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

## দুৰ্বাৰ প্ৰেৰণা

নুশুনো দিয়া তোমাৰ
বাঁহীৰ বন্যা
সুৰৰ অন্তৰংগ সোঁত,
চনপৰা পথাৰৰ
শেলুৰৈ পৰা বুকুত,
দুখবোৰে মাৰল বান্ধিছে
জীয়নীয়া উশাহবোৰক
দেহৰ এবকলা
নিঃকিন হ'লেও
দুৰ্বাৰ প্ৰেৰণা পাইছোঁ
বিনিদ্ৰ ৰাতিৰ
নিহালীৰ উমত।

জীৱনৰ কোবাল সোঁতত, অনুভৱৰ বোকোচাত উঠি
বিলীন হৈ যায় স্মৃতিবোৰ
আমি এনেকৈয়ে লগ হওঁ, এনেকৈয়ে এৰাএৰি হওঁ

প্ৰিয়মজ্যোতি শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক, অৰ্থনীতি বিভাগ

## স্মৃতিৰ কেঁচাঘৰ

সময় আগবাঢ়ে
বুকুত মাথোঁ পেলাই থৈ যায়
স্মৃতিৰ পলস,
স্মৃতি পুৰণি হয়
কিন্তু কাহানিও শেষ নহয়
জীৱনৰ কোবাল সোঁতত
অনুভৱৰ বোকোচাত উঠি
বিলীন হৈ যায় স্মৃতিবোৰ
আমি এনেকৈয়ে লগ হওঁ
এনেকৈয়ে এৰাএৰি হওঁ
হেৰাই যাওঁ মাথোন
স্বপ্নীল জীৱনৰ বাটে বাটে।



গায়ত্ৰী বৰা
স্নাতক দ্বিতীয় ষাণ্মাসিক, নৃতত্ব বিভাগ

## সংগ্ৰাম

হে সতীৰ্থ,
একাগ্ৰতাই পিন্ধাই জয়ৰ মালা
জীৱনত কেতিয়াও হাৰ নামানিবা
প্ৰয়োজন মাথোঁ দৃঢ়তাৰ
হতাশাক প্ৰশ্ৰয় নিদিবা
মনোবল অটুট ৰাখা।
হতাশা! সিতো মৃত্যুৰ উপনাম
চেষ্টা হওক তোমাৰ পাথেয়
আৰু উদ্যম হওক সাৰথি
সংগ্ৰামেই হওক তোমাৰ
আত্ম পৰিচয়।

চেষ্টা হওক তোমাৰ পাথেয়, আৰু উদ্যম হওক সাৰথি
সংগ্ৰামেই হওক তোমাৰ আত্ম পৰিচয়।

নী হা ৰি কা দ ত্ত
স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, গাৰ্হস্থ্য বিজ্ঞান বিভাগ

# কবিতা

নামঘৰৰ মণিকূটত এতিয়া
দবা শংখ নাবাজে
প্ৰাৰ্থনাও ওলমি নৰয়
আধুনিকতাৰ পোছাক পিন্ধা এজাক চৰায়ে
বাহ লৈছে ক্ৰমশঃ
মণিকূটৰ মূধচত।
শংকৰ তুমি আছা ক'ত
মাধৱ তুমি আছা ক'ত
তোমালোকৰ অমিয়া স্পৰ্শত
থৰ হৈ পৰিব আপদীয়া সময়
শৰবিদ্ধ হৈ পৰিব নাস্তিকতাবাদী চৰাইজাক
সেয়ে দুঃসময়ক ঠেলি পঠাবলৈ
স্বদেশক ৰক্ষা কৰিবলৈ
তোমালোক সোনকালে আহা।

নামঘৰৰ মণিকূটত এতিয়া
দবা শংখ নাবাজে
প্ৰাৰ্থনাও ওলমি নৰয়

ৰু ণি তা পা য়েং
স্নাতক চতুৰ্থ ষাণ্মাসিক, অৰ্থনীতি বিভাগ

# ক'

ক'
লৃগাঙৰ দিনাখন ঙক ঘৰলৈ আহিবি
যোৰা বিহুত যে তোক মিবুগালোকটো
দিছিলো
লৃগাঙৰ দিনা পিন্ধি আহিবি দেই
মই ৰিঃবি গাছেং মেৰাই
মচাং, এগে পিন্ধি বুকুত মেথনি মাৰি
একেলগে নাচিম।

চঃ মানৰ দিনা তই তুঃলুং বজাবি
তুঃলুঙৰ সুৰে সুৰে মই অঃনে হৈ নাচিম
পঃৰ আপঙৰ মতলীয়া ৰাগীত
ক' ঐ,
ভালপোৱাবোৰ বাকি দিবি
এটা বনৰীয়া ঐনিঃতম কৰি

সোৱণশিৰি অখনেও জানে
ভালপোৱাৰ বেথা, জংকি পানৈৰ বিষাদ
চঃমানৰ শেষত বাঃবু আৰু গাঁৱৰ মানুহবোৰ
যেতিয়া আপঙৰ ৰাগীত মতলীয়া হ'ব
তোৰ হাতত ধৰি গুচি যাম মই
দিচাং মুখৰ নক্ আকুম পানে গাঁৱলৈ।

কু ন্ত লা শ ৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

# শ্বাশ্বত

(১)
তই শংখত ফু দিলেই
সন্ধিয়াবোৰ আঁতৰি ৰাতি হয়
নৈখনত জোনাক ওপঙে
নতুন পুৱাৰ প্ৰত্যাশাৰে...
এই সোণ বুটলা মানুহজনী
পদূলিটো সাৰি যাবি অ'...
পুৱাৰ শেৱালিবোৰ সৰিব নহয়।

(২)
তই শংখত ফু দিলেই
সন্ধিয়াবোৰত এন্ধাৰ নামে।
নৈশব্দত বুৰ যোৱা নদীখনে
চিফুঙৰ বিষাদ সুৰ তোলে...।
ৰাতিবোৰ নহা হ'লে,
জোনজনীয়ে নাকান্দিল হয়।
তই শংখত ফু দিলেই
সন্ধিয়াবোৰক ৰাতিবোৰে
আগুৰে...।

তই শংখত ফু দিলেই
সন্ধিয়াবোৰক ৰাতিবোৰে
আগুৰে...।



নিজৰ স্বাৰ্থৰ কাৰণে নাৰীৰ ওপৰত
যি অত্যাচাৰ কৰিছা তুমি
তেনে এগৰাকী নাৰীৰে পুত্ৰ তুমি।

দি ব্য জ্যো তি মে ধি
স্নাতক তৃতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

# নাৰীৰ কাতৰ অনুৰোধ

মোৰ মনত পুহি ৰাখিছোঁ
এক জ্বলন্ত অগনি
কৰিব বিচাৰোঁ জয়
মই জগত জননী।
কিন্তু খোজ আগবঢ়াব বিচাৰিও
বাৰে বাৰে থমকি ৰৈ যাওঁ,
পুৰুষ ৰূপী দানৱৰ নাৰীৰ অত্যাচাৰৰ
কথা যেতিয়া শুনো।
ক'ত যে শুনো
পুত্ৰই মাতৃক হত্যা কৰা,
পুৰুষৰূপী দানৱে
নাৰীৰ শালীনতা হানি কৰা।
অ' দানৱ এবাৰ চাৰিওফালে
চকু মেলি চোৱা।
আজি সভ্যতা আমাৰ সমাজে
কোন দিশে ঢাল লৈছে।
নিজৰ স্বাৰ্থৰ কাৰণে নাৰীৰ ওপৰত
যি অত্যাচাৰ কৰিছা তুমি
তেনে এগৰাকী নাৰীৰে পুত্ৰ তুমি।
এই জীৱনত নাৰীৰ হকে
তুমি যি অসৎ কৰ্মত লিপ্ত হৈছা,
সেয়েহে এবাৰ মাতৃৰ কাতৰ অনুৰোধ শুনা।
তুমি যাবলৈ বিচৰা অসৎ পথৰ পৰা পিচুৱাই
আমাকো নিৰ্ভয়ে পূৰণ কৰিবলৈ দিয়া জগত জিনাৰ আশা।



আজি দেশ ভক্ত ওলোৱা নাই
সেৱা-পূজা হোৱা নাই
তথাপিতো অসমী আই, আমাক
বেয়া পোৱা নাই।

চু মি লা ক ড়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

# অসমী আই

আমাৰ এই অসম, অতি মৰমৰ অসম
ইয়াতে ল'লো আমি জন্ম
অসমী আই আমাৰ, কিমান যে মৰম।
অসম দেশৰ জনতাই
আজি সকলোৱে ভাবি চোৱাচোন
আজি দেশ ভক্ত ওলোৱা নাই
সেৱা-পূজা হোৱা নাই
তথাপিতো অসমী আই, আমাক বেয়া পোৱা নাই।
কিয় জানো আমাৰ, মন মেলা নাই?
অসম দেশৰ সম্পত্তি চাহ বাগিছা আৰু গছ-গছনি
অসম দেশৰ সম্পত্তি, ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰি
কাজিৰঙা ইয়াতে, জীৱ-জন্তুও ইয়াতে
সা-সম্পত্তিও ইয়াতে
তথাপিতো অসম আজি কিয় দুখীয়া?
অসম দেশৰ সৌন্দৰ্য
সুশোভিত হৈ আছে বহুত সুন্দৰী
গছ-লতা, ফুলেৰে ভৰা
সেউজীয়া বননিৰে ভৰা
তথাপিতো অসম কিয় আজি হোৱা নাই সুন্দৰী?

হেপী দলে
**স্নাতক ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ**

# অপেক্ষা ফাগুনৰ

উন্মনা ফাগুনৰ ধূলিয়ৰী দিন
উদ্দাম আকাশত ৰঙা পলাশৰ পোহৰ
পচোৱাৰ তালে তালে বাজে
সৰাপাতৰ ৰুণজুন
যাযাবৰী বতাহে উৰুৱাই নিয়ে
পৃথিৱীৰ ৰং
ধূসৰ আবেলিৰ শুকান ফাগুন
ধূলিত পোত যোৱা জীৱন
শিমলুৰ তেজৰঙা পাহিৰে
উজাই শান শীতল বেপৰুৱা বিষ
সৰি পৰে দুচকুৰ নীৰ।
বিশাল জলধিত উটি-ভাঁহি যোৱা মোৰ টুলুঙী
ডিঙা
পলে পলে শুকাই যোৱা জীৱনৰ ৰং
তাৰ পাছত বহুতো অসময় ৰাতিৰ
চকুপানী...
জানো, তুমি এতিয়া নাই
অথচ ফাগুন অহাৰ অপেক্ষাত
আজিও বাটচাই ৰওঁ
সোৱণশিৰিৰ পাৰত...।

ধূসৰ আবেলিৰ শুকান ফাগুন, ধূলিত পোত যোৱা জীৱন
শিমলুৰ তেজৰঙা পাহিৰে উজাই শান শীতল বেপৰুৱা বিষ
সৰি পৰে দুচকুৰ নীৰ।

প্ৰিয়ংকা শইকীয়া
**স্নাতক চতুৰ্থ ষাণ্মাসিক, হিন্দী বিভাগ**

# জীৱন

কেতিয়াবা বৰষুণে
কেতিয়াবা ৰ'দে মাতে
কেতিয়াবা ধুমুহা হৈ
কোবাই যায় জীৱনে
তথাপিও মই ভাগৰি নপৰো
জীৱনৰ লগত আৰু যুঁজো।
মই যেতিয়া মৰিম
জ্বলিব এটা মাথোঁ দেহাৰ
মৃত্যু হ'ব এখন হৃদয়ৰ
এবুকু আশাৰ আৰু
হাজাৰ আপোন সপোনৰ।

আশাজ্যোতি দত্ত
**অংশকালীন অধ্যাপিকা, ভূগোল বিভাগ**

# হৃদয়ৰ গান

মৌনতা যদি হৃদয়ৰ অন্য এক গান হয়
তেনে তোমাৰ সেই মৌনতা মোৰ কাম্য।
কোলাহলৰ হাতোৰাত সেই মৌনতাক
হেৰাই যাবলৈ নিদিবা, কিয়নো
ইয়াত যে সাঙোৰ খাই থাকে
যান্ত্ৰিকতাৰ নিষ্ঠুৰ প্ৰলেপ।
বিলাসিতাৰ তুলাচনীত লাহে লাহে
কমি গৈছে অনুভূতি নামৰ পালাখন।
অপ্ৰয়োজনীয় সেই ঐশ্বৰ্যৰ
যি নেকি ৰুদ্ধ কৰিব পাৰে
তোমাৰ হৃদয়ৰ গান।
কলংকৰ কাষৰ টকৌপতীয়া পঁজাটিতে
বাজি উঠিব পাৰে নীড়মুখী পক্ষীৰ গীত
যদি তাত মিলিত হয়
দুটি হৃদয়ৰ গান।

আশা আছে পোহৰ হেৰাই নাযায়।
সেই পোহৰে যেন মানৱতাক
আলোকিত কৰি ৰাখিব মা।

অলকানন্দা বড়ি
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

# মা

মা মা তোমাৰ গৰ্ভৰ পৰা ওলাই এই মায়াময়
সংসাৰ পালোঁ।
ভাবিছিলোঁ এই বৰ্ণিল ধৰিত্ৰীৰ
বুকুত আছে বহুতো আনন্দময় ক্ষণ,
পিছে পল বাগৰিল আৰু ময়ো
প্ৰকৃতিৰ কোলাত ডাঙৰ হৈ গ'লোঁ।
এতিয়া ভাবিছোঁ মা তোমাৰ গৰ্ভৰ
পৰা কিয় ওলালো...
তোমাৰ গৰ্ভতে থকা হ'লে আজিৰ
এই নৰৰূপী দানৱ দেখা নাপালোঁ হয়।
মা মা কিয় আহিলোঁ, ইয়াত আহি যেন লাগে
আমিও এনে নৰৰূপী দানৱৰ বলী হ'ম নেকি?
তোমাৰ গৰ্ভৰ পৰা ওলাই যেন
নিৰাপত্তাহে হেৰুৱালোঁ
আশা আছে পোহৰ হেৰাই নাযায়।
সেই পোহৰে যেন মানৱতাক
আলোকিত কৰি ৰাখিব মা।

জাতি ধৰ্ম সকলোকে সমজ্ঞান কৰি,
ৰাখিছিল সমাজখনিৰ গুৰি ব'ঠা ধৰি,
উচিত বিচাৰ সদায় সকলোৱে পায়,
সকলোৱে কালামৰ জয়গান গায়।

লাকী বৰুৱা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

# আব্দুল কালাম

১৯৩৯ চনত তামিলনাডুত
'ৰামেশ্বৰমত' জন্ম হয় কালাম বাবুৰ
পিতা, ককা, আজোককাৰ নাম লিখি লৈ,
নিজৰ নামটি লিখে তেওঁ অতি সুন্দৰকৈ
দেশৰ উন্নতিৰ হকে নানা কাম কৰি,
নিজৰ কথা ভাবিবলৈ নাপায় আহৰি।

ভাষা জননীৰ তেওঁ সুৱৰ্ণ কমল
'ভাৰত ৰত্ন' উপাধিৰে হয় সমুজ্জ্বল।
জাতি ধৰ্ম সকলোকে সমজ্ঞান কৰি,
ৰাখিছিল সমাজখনিৰ গুৰি ব'ঠা ধৰি,
উচিত বিচাৰ সদায় সকলোৱে পায়,
সকলোৱে কালামৰ জয়গান গায়।
কালামৰ জীৱন দৰ্শন অতি চমৎকাৰ,
নাই একো ধুন-পেচ নাই অহংকাৰ
২০১৫ চনৰ ২৭ জুলাইত
মহান বৈজ্ঞানিক, ৰাষ্ট্ৰপতি নাই
জীৱন নাটৰ সামৰণি মাৰি
আমাক যায় নিঠৰুৱা কৰি।

**Namasya S. Khandayatray**
*B.A. 2nd Semester, Dept. of English*

# *Hunger*

*Under the scorching sun of June.*
*was lying Rahim on his chaarpai.*
*His brown blistered skin was shining*
*As bright as a burning piece of coal.*
*Gathering all his strength, he crawled.*
*To the wooden door of his hut.*
*Pain was arrenfaming all around him,*
*And his eyes talkes, to convey his hunger.*

*Everyday amidst the ears of Ramnagar*
*He struggled. A one-legged creature.*
*Perhaps the broken  bowl in his left hand,*
*was too heavy a thing for him to hold.*
*And the scorrful faces behind the curtains*
*Made his heart sink like a child's heart.*
*There was hunger in his eyes*
*And hatred in the eyes of spectators.*

*Chunu sitting on the sofa.*
*Is ignorant of the hunger Rahim has.*
*And thus, is ignorant of every Rahim in Ramnagar.*
*The picture named 'Hunger' is vibrant & distinct.*
*But  no audience to clap or smile at.*
*Hunger is a river, but silent enough*
*For nobody to hear the sound of its ripples...*

**Kajal Hazarika**
*B.A. 2nd Semester, Dept. of English*

# *Hunger*

*The word itself tells us about the needs of people. Human being a sufferer or needy one. Hunger tells that a human being suffering for getting food. Hunger not only mean to be away from food but also a man who is unable to get something Which he doesnot affort. Being hungry it also means someone may be hungry for wealth People speaks that 'Health is wealh' but none respect this they only run after wealth without mattering about health. Health is the power to achieve the utmost need a man wants. In many ways people may be hungry. Many people also run after others wealth in negative matter or anyhow they tries to get their needs in wrong way. Every negative mind distracts the positive mind.*



***Namasya S. Khandayatray***
*B.A. 2nd Semester, Dept. of English*

# *Woman : An Incomprehensible Statement*

*'There is no chance of welfare of the world unless the condition of women is improved'*
*–Swami Vivekananda*

*On the day of here arrival*
*Her father stopped talking to her mother.*
*Is it not an irony that*
*The origin of the creation*
*Is treated so harshly,*
*When it sees the light*
*As a new creation of Divinity?*
*Is it not a failure to understand her?*

*She was thirteen when she found*
*The reason she had more flesh on her chest*
*Than on any other part of her body.*
*She could feel the Satanic hands*
*Of a distant uncle*
*Sliding like a viper*
*Under the hem of her skirt.*
*Is it not a failure to understand her?*

*She bleeds four days a month*
*And forty eight days a year;*
*But like the forgiving mother Earth*

*She survives as a WOMAN*
*Ever ready to nurture the future generation.*

*Her happiness is in your smile*
*That dazzles like the morning sun*
*Her sadness is in your despair*
*That descends upon the sky of heart*
*Like an ominous dark cloud.*
*But have you ever tried to understand her?*

*She is perennial and relentless*
*Like the flow of blood in human veins*
*Ancient like the Ganges*
*Defies all understanding*
*As she remains forever an enigma,*
*An incomprehensible statement*
*Of Divinity.*



**Priyam Pankhi Saikia**
*B.A. 6th Semester, Dept. of English*

# *Following the Dunes*

*You left me like a lonely traveller*
*in the Thar*
*burried on the ship*
*It is richer than me today for*
*it has the whole sea in its hump and I*
*don't have a drop*
*I know not the road to home*
*The dunes, perhaps take me*
*to some neighbour nation*
*amidst men with*
*dull hair and darker countenance*
*I know not to stop*
*for I still long for a human civilization.*

**Pratiksha Bhuyan**
*H.S. 2nd Year (Arts)*

# *My world*

*'Ma' seems to be a small word*
*but here lies my world*
*'Ma' you are bright and beautiful*
*A ray of sunshine, of hope.*
*You are a symbol of*
*honesty and dignity.*
*Also a source of inspiration*
*You are the clock of patience*
*You are the one who brought me up*
*You are my God.*
*You are everything to me*
*You are the best*
*And the wisest friend*
*With ocean of kindness in heart*
*Which never fades*
*Be with me always 'Ma'.*

**Pratiksha Bhuyan**
*H.S. 2nd Year (Arts)*

# *My grandfather*

*If I am asked about*
*Just one person.*
*I liked a lot*
*My grandfather.*
*He is the loveliest person*
*I have come across in my life*
*He is older in years*
*but younger in mind*
*and the sprit among all family members*
*He is always happy with life*
*I have spent many memorable moments with him*
*He is very freiendly even*
*with my friends*
*Oh! God let my grandfather*
*live with us forever.*



***Sumi Lakra***
*H.S. 2nd Year (Arts)*

# *The little Helpless child*

*There along the edge of a street*
*I met a little child with folded hands.*
*stood quite and still before a temple*
*beside the street*
*Spoke before someone a few soft words,*
*I thought a bit, I thought a bit!*
*What's the reason, of his despair*
*Later when near I came.*
*I saw his eyes, closed and filled with tears.*
*The moment, I understood, he might had lost*
*Or surrounded in misery.*
*He went begging, whoever he met his way*
*To serve him a hand of care.*
*But didn't get any reply*
*He sought before the mighty to take him away.*
*Forever to his land of peace and love.*
*Where he could find his parents and their love.*
*Leaving behind the forgotten land he lives in.*
*Where no hands offer any aid.*
*Although full with charms but remained useless.*
*Struggling all throughout the day*
*He found nothing, except his loneliness*
*In the shady hours of the day*
*He was left alone, with tumbled hands and*
*Beneath the trees, he sat for the entire night*
*Enduring his fate of lost.*



***Jarha Ahmed***
*B.A. 2nd Semester, Dept. of Home Science*

# *Pie in the sky*

*Painful days and dreadful nights!*
*but,*
*One day wake up full*
*of light!*
*No pain, no agony*
*The day was beaming and*
*the radiant sky!*
*Wore my dreamy sleeveless gown*
*with a beautiful crown.*
*Entered the fancy land surrounded*
*by flowers and colours.*
*Flickering stars and magnificent*
*moon.*
*Found an esclator and moved*
*towards the stars*
*Oh! The alarm rang up*
*the same bed and*
*same dress*
*Scare insteadof stars*
*Again the pain, again agony*
*I was dreaming!!*

**निर्माली बरा**
षष्ठ छमाही, हिन्दी विभाग

# विनती

विनती करते है भगवान।
हम सब बालक है
तुमने सारा जगत बनाया
तुमने सूरज चाँद बनाया
तुमने तारों को बरसाया
तुमने फूलों को महकाया
तुमने पानी पावन बनाया
तुम जगत के पालक भगवान
हम पर दया करो भगवान
विनती करते है भगवान।

**रीमा देवी**
षष्ठ छमाही, हिन्दी विभाग

# देश हमारा

भारत देश हमारा है
सब देशों से न्यारा है।
शीश लिय घड़ा हिमालय
करता इसकी रखवाली है
गंगा यमुना की धाराएँ
फेलाती हरियाली है।
कल कल बहते सुन्दर झरने
मीठे गीत सुनाते है,
बरस बरसकर बादल
धरती की प्यास बुझाते है।
शीतल मंद पवन के झोंके
खेती को लहराते हैं
भाँति भाँति के सुन्दर
मीठे गान सुनाते हैं।

**चुमी वेगम**
षष्ठ छमाही, इतिहास विभाग

# अनमोल वचन

पी के दिल में भी झाँककर देखो
खोई हुई गार्लफ्रेंड मिल जाएगी
कभी बेटे से दौस्ती करके देखो
जवानी फिर से दस्तक दे जाएगी
सबसे पहला दोस्त याद करके देखो
माँ की याद आ जायेगी
बुढ़े बाप से दो बातें कर के देखो
एक सुलझी दोस्ती घर मिल जाएगी
क्यों दोस्ती में रिस्ते ढुंढते हो
रिस्तों में दोस्त ढुंढो जिन्दगी बन जाएगी





**कुकि बरा**
षष्ठ छमाही, हिन्दी विभाग

# हिन्दी दिवस

हिन्दी हिन्दु हिन्दुस्थान
कहते हैं सब सीना तान
पल भर के लिए जरा सोचे इंसान
रख पाते हैं हम इसका कितना ध्यान
सिर्फ १४ सितम्बर को ही करते हैं
अपनी राष्ट्र भाषा का सम्मान
हर पल हर दिन करते हैं हम
हिन्दी बोलने वालों का अपमान
१४ सितम्बर को ही क्यों
यादा आता है बस हिन्दी बचाओ अभियान
क्यों भूल जाते हैं हम
हिन्दी को अपमानित करते हैं
खुद हिन्दुस्तानी इंसान
अरे ओ खोये हुए भारतीय इंसान
अब तो जगाओ अपना सोया हुआ स्वाभिमान
उठ खड़े हो करे मिलकर प्रयास हम
दिलायें अपनी मातृभाषा को हम
अन्तःराष्ट्रीय पहचान
ताकि कहे फिर से हम
हिन्दी हिन्दु हिन्दुस्तान
कहते हैं सब सीना तान।

**जुन देउरी**
षष्ठ छमाही, हिन्दी विभाग

# आगे बढ़ो

कल का दिन किसने देखा है,
आज अभी की बात करो।
ओछे सोच को त्यागो मन से,
सत्य की आत्मसात करो।
जिन घड़ियों में हंस सकते हैं,
क्यों तड़पे संताप करे।
सुख-दुःख तो है आना-जाना
कष्टों में क्यों विलाप करे।
हिम्मत कभी न हारो मन की
स्वयं पर अटूट विश्वास रखो
मंजिल खुद पंहुचेगी थम ला
मन में सोच कुछ खास करो।
सोच हमारी सही दिशा पर,
सत्कर्म का संग रथ हो,
दृढ़ निश्चय कर लो
चाहे कितना कठिन पथ हो।
जीवन में एसे उछलों कि,
आसमान को छेद सको।



**संगीता प्रसाद**
षष्ठ छमाही, हिन्दी विभाग

# बेटी

जब जब जन्म लेती है बेटी
खुशियाँ साथ लाती है बेटी
ईश्वर की सौगात हे बेटी
सूबह की पहली किरण है बेटी
तारों की शीतल छाया है बेटी
आंगन की चिड़ियाँ है बेटी
त्याग और समर्पण सिखाती है बेटी
नये नये रिस्ते बनाती है बेटी
जिस घर जाए उजाला लाती है बेटी
बार बार याद आती है बेटी
बेटी की कीमत उनसे पुछो
जिसके पास नही है बेटी।



**माया दे**
*षष्ठ छमाही, हिन्दी विभाग*

## फेरीवाला

*सपने ले लो सपने*
*रोटि के सपने*
*रोजगार के सपने*
*सुनहरे भविष्य के सपने*
*पुष्पक विमान से*
*हर पांच साल में*
*हाथ जोड़ते*
*वह आयेगें...जरूर आयेंगे।*
*आँखो में पिता का शासन माहत्व के काजल सजाके*
*मैं आप हम भीड़ इकटठे करेंगे।*
*मैं तो दूत भगवान के आए हैं।*
*एक लम्बी साँस लेकर सोचेंगे*
*इस बार अच्छे दिन जरुर आयेंगे*
*धुप में बारिश में, लम्बी कतार में*
*संत्रास के डर गो कुचलते*
*मैं आप हम वोट डाले हैं*
*क्योंकि अच्छे दिन आयेंगे...जरुर आयेंगे।*
*आप के कलाइ के घड़ी बरोक*
*चलते रहेंगे*
*और, वही आपको एकदिन नंगा जवाब देंगे।*

**जमुना बरुआ**
*अंशकालीन अध्यापिका, हिन्दी विभाग*

## मुड़्के न देखना

*नदी की तरह तुम भी बहना कभी*
*मुड़के हमें न देखना कभी*
*थक जाओ तो रास्ता छोड़ना*
*पर कभी पीछे न देखना*
*खड़ी हुँ उस पार को जाने*
*तुम्हारे बाहों के नमी को छुने।*
*पर तुम कभी थमना नहीं*
*कूद जाऊगी मैं उस नाव से*
*तुम धीरे से बढ़ना नहीं*
*जाउंगी मैं उस पार मुझे रोकना नहीं*
*तेरी आखों को देख लू कभी*
*एक बार ही सही एक बार ही सही।*





উ প ন্যা সি কা

**পাপৰি গগৈ**
প্ৰাক্তন ছাত্ৰী, পদাৰ্থ বিজ্ঞান বিভাগ

# ইপাৰ সিপাৰ

**ঠন ধৰি উঠা সপোন এটা ঃ**

নিজৰ বুকুৰ ধপ্‌ধপনি তাই নিজেই শুনিলে। দহ বাজি পইত্ৰিশ মিনিট। গা ধুই আহি ঘড়ীটোলৈ চালে। ৰিজাল্ট ওলাবলৈ আৰু পঁচিশ মিনিট বাকী। এই সময়কণ কেনেকৈ পাৰ হয় যেন লাগিল তাইৰ। লগৰ পম্পীক কালিয়ে কৈ থৈছিল তাইৰ ৰোল নম্বৰটো চাই দিবলৈ। কাৰণ দ্বিতীয় ষাণ্মাসিকৰ এমহীয়া বন্ধত তাই ঘৰলৈ গুচি আহিছিল।

তাই হোষ্টেলত থাকে আৰু পম্পী স্থানীয় ছোৱালী। গতিকে ঘৰৰ পৰা সত্তৰ কিলোমিটাৰ দূৰৈত থকা কলেজলৈ গৈ ৰিজাল্ট চাই ঘূৰি আহিবলৈ দিগদাৰ হয় বাবে পম্পীক কোৱাতো ঠিক কৰিছিল। পুনৰ ঘড়ীটোলৈ চালে তাই। সময়বোৰ চমু চাপি আহিছিল। বাৰ সংখ্যাটো আৰু মিনিটৰ কাঁটাডালৰ মাজৰ দূৰত্ব যিমানে কমি আহিল অস্থিৰতা সিমানেই বাঢ়ি আহিল। কি হ'ব? পাবনে মেজৰ বিষয়ত ষাঠি শতাংশ নম্বৰ? পাচক'ৰ্চৰ পৰীক্ষা ভালেই হৈছিল। যোৱাতো পৰীক্ষাতো ভাল হৈছিল অথচ পদাৰ্থ বিজ্ঞানত বেক্ আহিল। এই বেক্ শব্দটোৱে তাইক খুলি খুলি খাইছে। হ'ব নেকি এইবাৰো যোৱাবাৰৰ দৰে? কেইটামান নম্বৰেৰে ফলিয়াবনে সপোনবোৰ। কিমান বেছি নম্বৰ পালে দেউতাক সুখী হ'ব? পৰীক্ষাত নম্বৰ বাঢ়িলে শ্ৰেণীটোত হেড মেডাম আৰু গোস্বামী ছাৰৰ গুৰুত্ব বাঢ়িবনে তাইৰ প্ৰতি? অলেখ প্ৰশ্নই হেতা-উপৰা লগালেহি যিবোৰ ভাবি তাইৰ আগতেও কষ্ট হয়। যদি সঁচাকৈয়ে কিবা এটা বেয়া হয়। নাই তাই ভাবিব নোৱাৰে সেই কথা। গোস্বামী ছাৰৰ চকুত আৰু নগন্য হ'ব নোৱাৰে। মাকৰ পৰা বাৰে বাবে শুনিব নোৱাৰে 'দেউতাৰৰ পইচা পানীত পেলাইছ'। কেনেকুৱা এটা ফলাফলে তাইক সুখী কৰিব তাই নাজানে। মাত্ৰ তাই হাৰি যাব নোৱাৰে।

এঘাৰ বাজিল। ফোনটোলৈ চাবলৈ ভয় লাগিল তাইৰ। কোন মুহূৰ্তত কঁপি কঁপি বাজি উঠিব আৰু সেই কম্পনে কেনেকুৱা বাৰ্তা কঢ়িয়াই আনে ক'বতো নোৱাৰি। তাইৰ আত্মবিশ্বাস নথকা নহয়। কিন্তু তাই পংগু যেন অনুভৱ কৰে মাজে মাজে। সেই বাধা যেন সমাজেই আনে। প্ৰতিবন্ধকতা কিছুমান সমাজেই তৈয়াৰ কৰে। বিচনাখনত তাই এনেয়ে বাগৰি দিলে। ফোনটো বাজি উঠিল। পম্পী নহয় বিদিশাহে।

ঃ হেল্ল' বিদিশা—তাই সঁহাৰি জনালে।

ঃ হেল্ল' অনন্যা, ৰিজাল্ট পালি নেকি?—সিমূৰত বিদিশাৰ ভয়াৰ্ত কণ্ঠ।

ঃ নাই, তই?

ঃ ময়ো পোৱা নাই। তই কাক চাবলৈ কৈছ?

ঃ পম্পীক কৈছিলোঁ। তাই কলেজলৈ আহিছে এতিয়া। হ'ব নহ'লে ৰাখিছোঁ দে। তই যদি সোনকালে পাৱ জনাবি।

ঃ ওঁ।

লাইনটো কাটি দিলে বিদিশাই।

ৰক্তিম দত্ত। সিহঁতৰ কলেজত সোমোৱা বেছিদিন হোৱা নাই। অনন্যাহঁতৰ ডিপাৰ্টমেণ্টত। খুউব চোকা ছাৰজন। বিদিশাৰ জেঠায়েকৰ পুতেক ৰক্তিম দত্ত। ইউনিভাৰচিটিত প্ৰথম পজিচন ৰাখি অহা মানুহ। ইউনিভাৰটি পাছ কৰি আহিয়ে সিহঁতৰ কলেজত সোমাইছে। সেই ছাৰে খুউব ধুনীয়াকৈ অপটিকচ পঢ়ায়। কথা কম কয় ছাৰে। গহীন যদিও বিদিশাৰ জৰিয়তে ছাৰৰ সৈতে সহজ হৈ পৰিছিল সিহঁতকেইজনী।

এঘাৰ বাজি পোন্ধৰ মিনিট যোৱাৰ পাছত পম্পীলৈ ফোন কৰিলে অনন্যাই। এবাৰ দুবাৰ কেইবাবাৰো। তাই ফোন নধৰিলে। ভয় হ'ল অনন্যাৰ। তাইৰ দেউতাকহঁতে বেয়া পোৱা কিবা এটা ৰিজাল্ট হোৱা নাইতো। কিন্তু কলেজৰ বাহিৰত মাত্ৰ পাছ আৰু ফেইলৰ ৰোল নম্বৰবোৰহে দিয়ে। অনন্যাই ফেইলটো নকৰে; তেনেচৰ্তত পম্পীৰ কোনো সঁহাৰি নাই কিয়! ৰিজাল্ট দিয়াৰ আধা ঘণ্টা সময় পাৰ হৈ যোৱাৰ পাছতো।

ৰিজাল্টটো পাবলৈ অনন্যা যিমান আগ্ৰহী দেউতাক তাতোকৈ বেছি আগ্ৰহী আছিল। তাইৰ মাক ঘৰত নাছিল। আপাদেউয়েকৰ ঘৰত আছিল সেয়ে দুবাৰমান ফোন কৰিলে। আইতু পালিনে ৰিজাল্ট? শেষত ৰক্তিম ছাৰলৈকে ফোন কৰাৰ সিদ্ধান্ত ল'লে।

ছাৰৰ মুখত যিটো ৰিজাল্ট শুনিলে, নাম নজনা অনুভূতি এটাত কঁপি উঠিল তাই। হাতৰ পৰা কোনোমতে ফোনটো সৰি নপৰিল। কাষতে বহি থকা দেউতাকে আগ্ৰহেৰে তেতিয়াও সুধিয়ে আছে 'কি হ'ল? কি হ'ল ৰিজাল্ট?'

ঃ পঞ্চাশ শতাংশ পাইছোঁ মেজৰত। অস্ফুট স্বৰেৰে ক'লে তাই দেউতাকক।

ঃকিমান? দেউতাকে শুনিলে যদিও যেন বিশ্বাস কৰিব নোৱাৰি আকৌ এবাৰ সুধিলে।

ঃ পঞ্চাশ শতাংশ পাইছোঁ মেজৰত।

ঃ মেটচত কিমান পালি? দেউতাকৰ মুখখন ম্লান পৰি গ'ল।

ঃ ফিফ্‌টি ছেভেন।

ঃ সেইটোহে ৰিজাল্ট কৰিলি নে আই?

ৰক্তিম ছাৰে হোৱাটছ এপেৰে পঠিয়াই দিয়া মাৰ্কশ্বীটৰ ফটোখন তাই দেখুৱালে। নিজৰ সন্তানক লৈ সপোন দেখা মাক-দেউতাকৰ বাবে এনেকুৱা এখন মাৰ্কশ্বীটে কিমান দুখ কঢ়িয়াই আনিব পাৰে তাই অনুভৱ কৰিলে। দেউতাকৰ মুহূৰ্ততে হতাশ হৈ পৰা চকুহাল সহিব পৰা নাই অনন্যাই। তাইৰ চকু দুটা চলচলীয়া কৰি তুলিলে অপৰাধী ভাৱ এটাই। দেউতাকৰ ওচৰৰ পৰা তাই আঁতৰি আহিল। আপাদেউয়েকৰ ঘৰত আগ্ৰহেৰে ৰৈ থকা মাকক ভনীয়েকে খবৰটো দিলে। ফোনটো চাইলেণ্ট কৰি তাই শুই থাকিল। কথাবোৰ ভাবি ভাবি বিচনাত পৰি থাকোতে টোপনি যোৱাৰ কথা তাই গমকে নাপালে।

আবেলি যেতিয়া সাৰপালে তাইৰ নিজকে আচৰিত লাগিল। এনেকুৱা এটা ৰিজাল্ট কৰিও তাই শুব পাৰিলে।

ঃ ঃ ঃ

**কিছুমান সময় কেতিয়াও অতীত নহয় ঃ**

প্ৰথম ষাণ্মাসিকত থাকোতে তাই কলেজ ইলেকচনত

উঠাৰ সিদ্ধান্ত লৈছিল। সৰুৰে পৰাই অনন্যাৰ ইচ্ছা আছিল আলোচনী এখন নিজে সম্পাদনা কৰি উলিয়াব। নমিনেশ্বন ফৰ্ম জমা দিয়াৰ শেষৰ দিনা গম পালে অনন্যা কোঁৱৰ আনকনটেষ্টত উইনাৰ। মেগাজিন এণ্ড লিটাৰেচাৰ ছেক্ৰেটেৰী। ঘৰত বাধা দিয়া সত্বেও উঠিছিল। খবৰটো জনাইছিল অপ্ৰতিদ্বন্দ্বিতাৰে জিকা কথাটো দেউতাকক। দেউতাকে বিশেষ উৎসাহ দেখুওৱা নাছিল মাত্ৰ পঢ়া ক্ষতি নোহোৱাকৈ সময় মিলাই কামবোৰ কৰিবলৈ কৈছিল। পিছদিনা ৰাতিপুৱা আপাদেউৰ জীয়েকে পেপাৰত অনন্যাৰ নামটো পাই গালি দিছিল। বায়েকে এইবোৰ একেবাৰেই ভাল নাপায়। সময় নষ্ট হয় বুলি ভাবে। কিন্তু অনন্যাৰ ভাল লাগিছিল কলেজ এখনৰ আলোচনীৰ সম্পাদিকা হ'বলৈ পাই।

ছেক্ৰেটেৰী হোৱাৰ পৰা কেইবাটাও আঞ্চলিক দলৰ সৈতে তাই চিনাকি হৈছিল। বহুতো অচিনাকি মানুহ চিনাকি হৈছিল তাইৰ সৈতে। মানুহে তাইক বাটে-পথে দেখিলেও মাতে। এটা কথা তাই অনুভৱ কৰিলে মানুহ ওখ আসন এখনত বহি থকালৈকেহে মানুহে মানুহক গুৰুত্ব দিয়ে। যেই নামিল লগে লগে কমিল।

নতুন বছৰৰ জানুৱাৰী মাহৰ শেষৰফালে আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱ আৰম্ভ হৈছিল সিহঁতৰ কাষৰে কলেজখনত। সিহঁতেও গৈছিল। বিভিন্ন কলেজক প্ৰতিনিধিত্ব কৰি ছেক্ৰেটেৰীৰ মিটিং এখন হৈছিল। অনন্যাই সিহঁতৰ কলেজক প্ৰতিনিধিত্ব কৰিছিল। তাতেই তাই লগ পাইছিল ৰাজনীশক। ৰাজনীশ শইকীয়া। ৰাজনীশ অনন্যাৰ বাবে এনেকুৱা এজন বন্ধু-আত্মীয়, যাক মনৰ সকলোবোৰ কথা ক'ব পাৰে দ্বিধা নোহোৱাকৈ।

যুৱ মহোৎসৱৰ প্ৰথমদিনা লগৰ দুজনীমানৰ লগত অনন্যা গৈছিল ওচৰতে থকা লক্ষীমপুৰ মহাবিদ্যালয়লৈ। চাৰি নম্বৰ ষ্টেজত তৰ্ক প্ৰতিযোগিতাখন চোৱাৰ হেঁপাহত গৈছিলোঁ। কিন্তু তাই বিচাৰি পোৱা নাছিল ষ্টেজটো ক'ত আছে।

ঃ দাদা চাৰি নম্বৰ ষ্টেজটো ক'ত আছে জনাব নেকি? নম্ৰভাৱে ল'ৰাজনক সুধিছিল তাই।

ঃ ক'ব নোৱাৰো দেই। হাঁহি মাৰি মূৰ জোকাৰি কৈছিল ল'ৰাজনে।

খং উঠিছিল অনন্যাৰ। নিজৰ কলেজত ক'ত কি হৈছে নিজেই গম নাপায় বুলি। পাছত আকৌ বেলেগক সুধি চাৰি নং ষ্টেজটো বিচাৰি উলিয়াইছিল অনন্যাই। যেতিয়া তাই গৈ তাত উপস্থিত হৈছিল শেষ হ'বলৈ বেছি সময় নাছিল। প্ৰতিযোগিতাখন শেষ হোৱাৰ পাছতে বিৰতি দিছিল অলপ সময়ৰ বাবে। আছুৰ ল'ৰাবোৰে খোৱা বস্তুৰ যোগান ধৰিছিল কেণ্টিনত। কলেজ ইলেকচনৰ পাছৰ পৰা ছাত্ৰ সন্থাৰ বহুত ল'ৰাৰ লগত চিনাকি হৈছিল তাই। গতিকে ছাত্ৰ সন্থাৰ সম্পাদক প্ৰতাপ দালৈ তাই ফোন কৰিছিল—আগদিনা প্ৰতাপ দাই কৈছিল যে আজি ছাগলী মাংসৰে ভাত দিব। আহিলে সোমাই খাই যাবা। মোলৈ ফোন এটা কৰিলে লৈ আহিম। ফোন এটা কৰিলে অনন্যাই প্ৰতাপ দালৈ। তেওঁ আহি সিহঁতক লৈ গ'লহি। তাত পুনৰ দেখিলে ষ্টেজ বিচাৰি লগ পোৱা ল'ৰাটো। চকুৰে চকুৰে পৰাত অনন্যাই দৃষ্টি আঁতৰাই আনিলে। ভাত খাই আহি সমলয় নামৰ দুই নম্বৰ ষ্টেজত তাইৰ লগৰ নিহাৰিকাই গান গোৱা চাবলৈ আহিলে। জ্যোতি সংগীত গাব। নিহাৰিকা ন নম্বৰত আছে। তাই গোৱালৈ অনন্যা বৈ থাকিল। চাৰি নম্বৰজনে গাই শেষ কৰাৰ পাছত অনন্যাই হাত চাপৰি বজাই কাষৰ চকীখনলৈ চাওঁতেই সেই ল'ৰাজনক তাই পুনৰ দেখিলে। ল'ৰাজন অলপ অপ্ৰস্তুত হ'ল। হয়তো ভবা নাছিল আকৌ লগ পাব বুলি তাইক। তাইও ভবা নাছিল। ল'ৰাজনে সৌজন্যতা সূচক হাঁহি এটা মাৰিলে। বিনিময়ত তাইয়ো।

ঃ তুমি ইয়াৰে নে? ল'ৰাজনেই প্ৰথমে অনন্যাক মাত লগালে।

ঃ ওঁ ইয়াৰেই। উত্তৰত তাই ক'লে। অনন্যাই ভাবিছিল সাধাৰণ ফটোৱা ল'ৰাৰ দৰেই চিনাকি হোৱাৰ মতলব কিজানি। গতিকে ওলোটাই তাই একো নুসুধিলে। কিন্তু তাইক আচৰিত কৰি বেলেগ এটা কথা সি সুধিলে।

ঃ ইয়াতে ওচৰত মেডিকেল নাইবা ফাৰ্মাচী ক'ত আছে ক'বা নেকি?

ঃ ফাৰ্মাচী এখন ওচৰতে আছে। চিভিল হাস্পতাললৈ ইয়াৰ পৰা চাৰি কিলোমিটাৰমান হ'ব। অৱশ্যে নাৰ্চিংহোম আছে বাৰু অলপ দূৰত। কিয়? আপুনি ইয়াৰ নহয় নেকি? অলপ কৌতূহলেৰে তাই সুধিলে।

ঃ নহয় আমাৰ লগৰ এটাৰ অথনি শোভাযাত্ৰাত ঢোল বজাই বজাই আঙুলিত টো উঠিছে। পানী জলা বান্ধিছে এতিয়া। হেণ্ডিপ্লাছ কেইটামান আনিব লাগিছিল। ফাৰ্মাচী ক'ত আৰু কিমান দূৰত অলপ ডিটেইলচত ক'বা নেকি? বিনম্ৰভাৱে ল'ৰাজনে সুধিলে।

ঃ কলেজৰ সন্মুখেৰে যোৱা ৰাস্তাটোৰে গৈ হাইৰে পাব। বাওঁফালে পাঁচ মিনিটমান খোজকাঢ়ি গ'লেই ফাৰ্মাচী এখন পাব। 'ৰাজ ড্ৰাগছ হাউচ' আৰু আগলৈ গ'লে ডাঙৰ নাৰ্চিংহোম দুখনমানো আছে।

ঃ থেংক ইউ। আমি আচলতে যোৰহাটৰ পৰা আহিছোঁ। অথনি তুমি সুধোতে মই নিজেই চাৰি নম্বৰ ষ্টেজটো ক'ত জনা নাছিলোঁ। ল'ৰাজনে গহীন আৰু অমায়িকভাৱে কথাকেইটা ক'লে। বেয়া নহয় যেন লাগিল অনন্যাৰ। চকুযোৰত কোনো চঞ্চলতা নাই। স্থিৰ আৰু গভীৰ।

সাত নম্বৰ ল'ৰাজন ষ্টেজত উঠাৰ লগে লগে ওচৰত বহুজনে কৈ আছিল ই আমাৰ কলেজৰ। হাঁহি এটা মাৰি ল'ৰাজনৰ মুখলৈ চাই পুনৰ ষ্টেজত উঠা ল'ৰাজনলৈ চালে। খুউব দৰদী কণ্ঠেৰে ল'ৰাজনে গালে। গোৱাৰ শেষত হাত

চাপৰি বজাই ওচৰত বহাজনক ক'লে অনন্যাই, 'ভাল গাইছে, গানটো ভালপাওঁ মই'। ল'ৰাজনেও গৰ্বেৰে ক'লে 'কলেজৰ বেষ্ট ছিংগাৰ ই। ময়ো এইটো গান ভালপাওঁ।

ল'ৰাজন বাহিৰলৈ ওলাই গৈ গানগোৱা জনক কিবা এটা ক'লে আৰু আকৌ অনন্যাৰ ওচৰতে বহিল। নিহাৰিকা গান গাবলৈ উঠি যাওঁতে তাই ক'লে এই আমাৰ কলেজৰ বুলি। দুয়োজনে আগ্ৰহেৰে নিহাৰিকালৈ চালে। যথেষ্ট সুন্দৰকৈ গানটো পৰিৱেশন কৰিলে তাই। 'যাউতি যুগীয়া ধনে মোৰ অ'।'

ঃ এই গানটো যে মোৰ বহুত প্ৰিয়। ল'ৰাজনে ক'লে। বিনিময়ত অনন্যাই ধন্যবাদসূচক হাঁহি এটা মাৰিলে। তাই নক'লে যে গানটো তাইৰো প্ৰিয় বুলি।

লগৰজনীয়ে গান গোৱা চোৱাৰ পাছত আৰু দুজনীমান চায়েই অনন্যা উঠি আহিবলৈ ওলালে। ল'ৰাজনক তাই তুমি, আপুনি কি ক'ব ঠিৰাং কৰিব নোৱাৰিলে। নিহাৰিকা, বিদিশা, নেহা, পুনম, ৰ'জী গোটেইকেইজনী একেলগে উঠা দেখি ল'ৰাজনেই মাত লগালে 'যোৱাগৈ নেকি?' মূৰ দুপিয়াই অনন্যাই যাওঁগৈ বুলি ক'লে। বহুত সময় হ'ল নহয়। বৰ্ষাৰ হাতত থকা পাৰ্চটো নিজে লৈ ফোনটো উলিয়াই চালে। চাৰি বাজিছে। ফোনটো আকৌ পাৰ্চত থ'বলৈ লওঁতেই অনন্যাৰ চকুত পৰিল হেণ্ডিপ্লাছ কেইটাৰ ওপৰত। দেৱাশীষৰ কাৰণে কিনা আছিল। যোৱা এপ্ৰিল মাহত। ঢোল বজাই বজাই হাতত টো উঠাৰ কথা ফোনত কৈছিল। সঁচাকৈয়ে পিছদিনা যেতিয়া তাই অৰবিন্দ দাৰ দোকানত অকস্মাৎ লগ পাইছিল হাতত উঠি থকা পানীজলাবোৰ দেখিছিল ৰঙা পৰি আছে। আলফুলে হাতখন দাঙি চুমা এটা দি ক'বলৈ মন গৈছিল 'ভাল হৈ উঠক।' কিন্তু তাই নোৱাৰে তেনে কৰিব। কাহানিও নোৱাৰে। কষ্ট হৈছিল। সেইদিনাই ফাৰ্মাচীৰ পৰা দহটা হেণ্ডিপ্লাছ কিনিছিল তাই দেৱাশীষক দিবৰ বাবে।

উৎপাদন তিথিটো চালে তাই। আঠ মাহ পাৰ হৈছে আৰু দুবছৰ চাৰিমাহ আছে। আকৌ উভতিলে তাই ল'ৰাজনৰ ওচৰত পাই পুনৰ মাতিবলৈ চিন্তা কৰিলে কি বুলি মাতিব। ল'ৰাজনেও তাইৰ ফালে চালে।

ঃ কেইটা লাগিব হেণ্ডিপ্লাছ? তাই চিধা চিধি ল'ৰাজনক সুধিলে।

ঃ দহটামান লাগিব কিজানি। ল'ৰাজনে অলপ আচৰিত হ'ল।

ঃ এইকেইটা লওক বুলি আগবঢ়াই দিলে তাই।

ল'ৰাজনে ল'লে আৰু ধন্যবাদ সূচক কিবা এটা ক'লে। তায়ো সহজ হৈ হাঁহি এটা মাৰিলে।

ঃ কি নাম তোমাৰ? পোনপটীয়াকৈ সুধিলে।

ঃ অনন্যা। অনন্যা কোঁৱৰ। আপোনাৰ? আপুনি বুলি সোধোতে কিবা জড়তা অনুভৱ কৰিলে। কিন্তু ল'ৰাটোৰ গহীন-গম্ভীৰ আৰু সৰল গভীৰ চকুহাল দেখি তুমি বুলিবলৈ



তাইৰ মন নগ'ল।

ঃ ৰাজনীশ শইকীয়া।

হোষ্টেললৈ অহাৰ পাছত যেতিয়া ৰাতি ফেচবুক অন কৰিছিল ৰাজনীশে তাইলৈ ফ্ৰেণ্ড ৰিকুৱেষ্ট এটা দিছিল। লগে লগেই তাই কনফাৰ্ম কৰিলে। ৰাজনীশ এতিয়া তাইৰ ফেচবুক বন্ধু। তায়ো প্ৰথম মেচেজ দিলে 'লগৰজনৰ হাত ভাল হৈছেনে?'

ঃ তুমি ইমান সোনকালে ক'ৰপৰা যোগাৰ কৰি আনিলা সেইকেইটা?

ঃ আছিলেই আগৰ পৰাই—তাই উত্তৰত লিখিলে।

ঃ কি কৰি আছা এতিয়া? ৰাজনীশে সুধিলে।

ঃ কেমেষ্ট্ৰীৰ নোট অলপ লিখিবলৈ লৈছিলোঁ। আপুনি?

ঃ অ'কে লিখা বুলি কৈ ৰাজনীশ অনলাইনৰ পৰা নাইকিয়া হৈ গ'ল।

ৰাজনীশৰ এবাউট চালে অনন্যাই। মাৰ্ঘেৰিটাৰ ল'ৰা। থাকে যোৰহাটত। বয়সত তাইতকৈ আঢ়ৈ বছৰমান ডাঙৰ হ'ব। তৰ্ক শাখাৰ সম্পাদক সি। ভাল ফটোগ্ৰাফীও কৰে কিজানি। তাৰ নামত কেইবাখনো সুন্দৰ স্নেপ দেখিলে অনন্যাই।

ফেচবুক বন্ধ কৰিলে। ন বজাৰ পৰা একেৰাহে এঘাৰ পোন্ধৰলৈ ক্লাছ আছে। তাৰ পাছত যুথ ফেষ্টিভেললৈ যাব। ১২-৩০ বজাত পূজাৰী ছাৰৰ গণিতৰ ক্লাছটো নকৰে।

হোষ্টেলৰ ৰাতিপুৱা ভাতৰ বেল মৰাৰ লগে লগে কাঁহী দুখন লৈ ওলাই গ'ল তলৰ ডাইনিং হললৈ। ৰাতিপুৱা নিজম হৈ থকা হোষ্টেলটো প্ৰাণ পাই যেন উঠিল কাঁহি-বাচন আৰু চেণ্ডেলৰ শব্দত। চিৰিৰে তললৈ নামি আহোঁতে তাই ভাবিলে হেণ্ডিপ্লাছ কেইটা কামত আহিল অন্তত।

ৰাজনীশক যিমান গহীন বুলি ভাবিছিল ঠিক সিমান গহীনো নহয়। মাজে মাজে সি ধেমালিও কৰে দুই-এটা। কেতিয়াবা ৰাতি বাৰমান বজাত ফেচবুকত মেছেজ দি সোধে—'বাইদেউ ইমান ৰাতি অনলাইন যে'। প্ৰত্যুত্তৰত তায়ো কয়—'নিজে পিছে'। ৰাতিপুৱাৰ সময়ত প্ৰায়ে তাই চায় ফেচবুক। হোষ্টেলত শোৱা সদায় দেৰি হয় বাৰমান বাজেগৈ। কেতিয়াবা এক বাজে। বাৰ বজাৰ পাছত 'গুড নাইট' বুলি তাই যদি কয় সি ক'ব বাৰ বাজি গ'ল মানে বেলেগ এটা দিন

আহিল মৰ্ণিং। মনিং কোৱা।

ঃ ‘মৰ্ণিং ৰাতিপুৱা ক’ম’ অনন্যাই কয়।

ঃ ম’বাইল চোৱা এ এম বুলি আছে। ৰাতিপুৱা হ’লেই। উঠি এতিয়া কাম-বন কৰিব লাগে। তাই শুইছেহে লেজী গাৰ্ল।

ঃ মোক ক’বলৈ আহিছে। ৰাতিপুৱা অকল মোৰ বাবে নহয় আপোনাৰ কাৰণেও আহিছে।

ঃ মই সূৰ্যোদয়ৰ পিছতহে ৰাতিপুৱা বুলি মানো। শাস্ত্ৰত চলা মানুহ।

ঃ মোৰ বাবে কিয় নামানে?

ঃ তুমি ছায়েন্সৰ ছোৱালী। বি প্ৰেক্টিকেল।

ঃ ইস হ’ব যাঃ গুড নাইট।

ভাল লাগিছিল অনন্যাৰ ৰাজনীশৰ সৈতে কথা পাতি। সি তাইক বাইদেউ বাইদেউ বুলি জোকায়। ফোন কৰিছিল এদিন সি। অচিনাকি নম্বৰ কাৰণে তাই প্ৰথমে ৰিচিভ কৰা নাছিল। ৰূমমেট বা জনীয়ে ৰিচিভ কৰিছিল দ্বিতীয়বাৰ। তেতিয়া তাই ৰূমত নাছিল।

ঃ অনন্যা তোলৈ কোনোবা ল’ৰা এটাই ফোন কৰিছিল। তোক আহি পালে ফোন কৰিবলৈ কৈছে। বৰ্ণালী বায়ে অনন্যাক ক’লে।

কোনেনো বুলি নম্বৰটো চালে অনন্যাই। একেটা নম্বৰেই ডায়েল কৰিলে পুনৰ তাই। সঁহাৰি নাহিল। আকৌ লগৰ বিদিশাৰ ৰূমলৈ যাওঁতে অলপৰ সময়ৰ পাছত তাইৰ ফোনটো বাজি উঠিল।

ঃ হেল্ল’—তাই সঁহাৰি দিলে।

ঃ হেল্ল’ সিটো মূৰত কোনোবা পুৰুষৰ মাত। গলগলীয়া।

ঃ কোনে কৈছে?

ঃ অনন্যা মই ৰাজনীশ। ইমান ফোন লগাই আছোঁ তোমাক অথনিৰে পৰা।

ঃ অহ মই ব্যস্ত আছিলোঁ অলপ। ভাল নে?

ঃ ছেক্ৰেটেৰী মানুহটো ব্যস্ত থাকিবাই।

হাঁহিছিল তাই। ধেমালি কৰি কথা কয় আৰু তাইক এনেকৈ জোকাই থাকে।

আৰম্ভণি এনেকৈয়ে হৈছিল। খুউব ভাল হৈ পৰিছিল পাছলৈ সিহঁতৰ সম্পৰ্ক। কিন্তু সেই সম্পৰ্কক তাই ‘প্ৰেম’ নাম দিব নোখোজে। ৰাজনীশ তাইৰ এজন ভাল বন্ধু আৰু ভাল ককায়েক। সিমানেই জানে। তাই ভাললগা গুণ কেইটামান তাৰ গাত আছে. ভাল লাগে তাইৰ।

দেৱাশীষৰ ঘৰ অনন্যাহঁতৰ ঘৰৰ পৰা অলপ দূৰত। অনন্যাহঁতৰ ঘৰখনৰ সৈতে দেৱাশীষহঁতৰ ঘৰৰ ভাল সম্পৰ্ক এটা আছে। অহা-যোৱা হয়। সৰুৰে পৰা দেখি অহা সেই ল’ৰাটোৱে যে তাইক পছন্দ কৰিব পাৰে তাই ভবা নাছিল। বয়সত তাইতকৈ সি ডাঙৰ। অনন্যাৰ কেইবাজনী লগৰ ছোৱালী দেৱাশীষহঁতৰ ভাড়া ৰূমত আছিল। সিহঁতে তাইক কৈ থাকে তাৰ কথা আৰু তাইৰো শুনি শুনি ভাল লাগে কিবা এটা। জীৱনত প্ৰথমবাৰৰ বাবে ভাল লাগিছে কাৰোবাক। আৰু তায়ো যে কাৰোবাক ভালপোৱাৰ প্ৰাৰ্থী হ’ব পৰা হ’ল সেয়াকে যেন বুজালে দেৱাশীষে। হাইস্কুলীয়া দিনৰ কথা সেয়া। বিবেকতকৈ হৃদয়ৰ তাগিদা বেছি সেই সময়ত। য’ত হৃদয়ে স্থান পায় তাত বিবেকে স্থান নাপায় তেতিয়া।

গহীন ল’ৰাবোৰ তাই ভাল পায়। দেৱাশীষৰ গহীনতা, সৰু সুৱা ধেমালি তাইক জোকোৱা কথাবোৰ, তাৰ ভাৱনাবোৰ, তীক্ষ্ণ অথচ কৰুণাময় চাৱনি, সৰল মুখখন আমনি কৰে তাইক এইবোৰে। ৰিনিয়ে এদিন আহি তাইক কৈছিলহি দেৱাশীষৰ কথা।

ঃ অনন্যা তোক কথা এটা ক’বলৈ আছে এইফালে আহ। স্কুলৰ প্ৰাৰ্থনা বেল নমৰাৰ বাবে এনেয়ে বাৰাণ্ডাৰ খুঁটা এটাত আউজি থিয় হৈ আছিল তাই। ৰিনিয়ে আহি পায়েই তাইক টানি অনাদি আনিলে।

ঃ কি কথা?

ঃ তোক দেৱ দাই ভালপায় বোলে। কালি তই সিহঁতৰ ঘৰলৈ যাওঁতে সিয়ে তোক থ’বলৈ গৈছিল তেতিয়া পিন্ধা স্প’ৰ্টিংটো তই কেনেকুৱা দেখিছ সুধিছে। বগা আৰু সেউজীয়া ৰং তই ভাল পাৱ বাবেই সেইটো সি কিনিছে। তই যদি বেয়া নাপাৱ ফোন কৰিব বোলে সি তোলৈ। তই কথা পাতিবিনে?

ঃ হেই পাগল। মিছা কথা ক’বলৈ আৰু ঠাই নাপালি?

ঃ সঁচাকৈ কৈছোঁ। ৰিনিয়ে সৰলতাৰে ক’লে।

ঃ দেৱাশীষ দা ইমান ডাঙৰ, মই সৰু হৈ আছোঁ। ভণ্টী বুলি ভাল পায় চাগে তহঁতি ভুল বুজিলি। বাদ দে এইবোৰ। ব’ল প্ৰাৰ্থনা কৰোগৈ। তাইক তেনেকৈ তাইৰ কাষৰ পৰা আঁতৰি আহিলে যদিও মনটো চঞ্চল হৈ পৰিল। এনেকুৱা এটা দিনৰ বাবেই তায়ো ৰৈ আছিল। সুখী মন এটা লৈ তাই প্ৰাৰ্থনা শাৰীত থিয় দিলেহি।





ঃ কি হ'ল অনন্যা ইমান হাঁহি আছা যে অকলে অকলে-দীক্ষাই সোধোতেহে তাই ভাবিলে কথাটো। ইয়াতো কিয় হাঁহিছে তাই। ক'ব নোৱাৰাকৈ হাঁহি এটা কেতিয়া ঢৌ খেলি গ'ল গমেই নাপালে।

দেৱাশীষৰ লগত বহুত সময় কথা নাপাতে যদিও প্ৰায় সদায় পাতে। অলপ সময় হ'লেও দুইটাই দুইটাৰ দিনটোৰ খা-খবৰ লয়। কিন্তু ৰিনিয়ে স্কুলত হোৱা কথাটো কোনোদিন দেৱই কোৱা নাছিল নিজে। সুধা নাছিল তাইকো।

ৰাজনীশে এদিন তাইক সুধিছিল তোমাৰ বয়ফ্ৰেণ্ড আছে নাই? তাই কি উত্তৰ দিব ভাবিছিল বহুত সময়। ৰাতি শোৱাৰ আগে আগে তাই মেছেজ এটা লিখিছিল ৰাজনীশলৈ 'বয়ফ্ৰেণ্ড বুলি আজিলৈকে কোনো নাছিল মোৰ আৰু নহ'বগেও কিজানি। ভাল পাইছিলোঁ এজনক কিন্তু তেওঁৰ এতিয়া বেলেগৰ সৈতে বিয়া ঠিক হৈ আছে। ন বছৰ ডাঙৰ বয়সৰ মোতকৈ। এতিয়া কাকো ভাল নাপাওঁ গতিকে ভালে আছোঁ। মা-দেউতা, পৰিয়াল বান্ধৱীবোৰ মোৰ লগত আছে। গতিকে অকলশৰীয়া নহয় মই। আকৌ কাৰোবাৰ সৈতে ভালপোৱা হ'লে লাইফ পাৰ্টনাৰ হিচাপে পাম আৰু সেইয়া এতিয়াই হোৱাতো বিচৰা নাই। ৰাজনীশে কি বুজিলে সেইয়া অনন্যাই গম নল'লে। ৰাতিপুৱা মেছেজ এটা আহিল তাৰ 'গুড'। এটা মাত্ৰ শব্দ। ওলোটাই তায়ো একো নুসুধিলে।

পাছলৈ কথা পাতি পাতি তাৰ পৰা তাই গম পালে তাৰো দুজনী ছোৱালীৰ সৈতে হৈছিল ভালপোৱা। ক্লাছ টেনত আৰু হায়াৰ ছেকেণ্ডাৰী ছেকেণ্ড ইয়েৰত। দ্বিতীয় গৰাকীয়ে তাক জন্মদিনৰ শুভেচ্ছা নজনোৱাৰ বাবেই এৰা এৰি হ'ল। সামান্য এটা কথাত এৰা-এৰি। হয়তো তাইৰ বাবেহে সামান্য তাৰ বাবে নহ'বও পাৰে। একো নুসুধিলে তাই।

ঃ ঃ ঃ

**ভালপোৱাৰ পোহৰে জীৱনৰ আন্ধাৰ দূৰ কৰে ঃ**

দেউতাকে অনন্যাক লৈ বহুত আশা কৰে। নিজৰ জীৱনটোৰ পৰা তাই কি পাব নাজানে কিন্তু মাক-দেউতাকক সুখ দিব বিচাৰে। ফিল'ছফিত মেজৰ লৈ পঢ়াৰ মন আছিল তাইৰ কিন্তু দেউতাকৰ ইচ্ছা তাইক বিজ্ঞান শাখাত পঢ়ুওৱাৰ। দেউতাকৰ ইচ্ছা পূৰণ কৰিবৰ বাবে নিজৰ ইচ্ছাক বাদ দিলে। প্ৰতিযোগিতাৰ দৌৰত কিন্তু পিছ পৰি গৈছে তাই। কোনেনো নিবিচাৰে ভাল ৰিজাল্ট এটা কৰিবলৈ। কিন্তু অনন্যা পিছ পৰি গৈছে। গোস্বামী ছাৰে ক্লাছত ভাগ্যশ্ৰী আৰু স্মৃতিক গুৰুত্ব বেছিকৈ দিয়ে বুলি লগৰ সকলোৱে ভাৱে। কেতিয়াবা অনন্যাহঁতে কিবা এটা নুবুজিলে যদি কয় - ছাৰ এইটো আকৌ এবাৰ বুজাই দিয়কচোন তেতিয়া ছাৰে স্মৃতিহঁতৰ ফালে চাই কয় ইহঁতক সুধি ল'বা। ইজী বস্তু এইবোৰ। ইহঁতে বুজাই দিব।

ক্লাছত ছাৰহঁতে পঢ়াই থাকোতে মাজত কিবা এটা সুধিলে উত্তৰটো অনন্যা নাইবা আন কোনোবাই যদি দিয়ে ভাগ্যশ্ৰীয়ে লগে লগে মুখলৈ চায়। সেই চাৱনি অনন্যাৰ কিয় জানো সহ্য নহয়। ছাৰৰ ক্লাছত যদি ছাৰে কিবা এটা সোধে ভাগ্যশ্ৰীহঁতেই উত্তৰ দিয়ক বুলি বহি থাকে তেতিয়া ছাৰে অনন্যাহঁতৰ ফালে চাই হাঁহি কয় তোমালোকে একো বুজিয়েই পোৱা নাই নেকি?

কেতিয়াবা গোটেই শিক্ষা ব্যৱস্থাটোৰ ওপৰত অনন্যাৰ খং উঠে। অলৰাউণ্ডাৰ কিয় বিচাৰে বাৰু মানুহে। অনন্যাই পাৰফেক্ট হোৱাতো বিচাৰে। যাৰ য'ত ৰাপ আৰু প্ৰতিভা আছে তাতেই শিক্ষা ল'ব লাগে। মুঠতে পাৰফেক্ট হ'ব লাগে। গান গাই ভাল পোৱাই গান শিকিব লাগে, ছবি আঁকি ভাল পোৱাই ছবি আঁকিব লাগে, বাদ্যযন্ত্ৰ ভালপোৱাই বাদ্যযন্ত্ৰ, অভিনয় ভালপোৱাই অভিনয়, চিলাই, ফ্ৰেব্ৰিক, পাৰ্লাৰ, সাহিত্য, ৰাজনীতি, বোৱা-কটা, খেতি, ফটোগ্ৰাফী একোকে বাদ পৰিব নালাগে। যাৰ য'ত ইচ্ছা তাতেই ৰৈ দিব লাগে। এনে কৰিলে হয়তো নিবনুৱাৰ সংখ্যা বহুত কমিলেহেঁতেন। চাকৰিৰ কাৰণে মুখ মেলি বহি থকা ল'ৰা-ছোৱালীৰ সংখ্যা কমিলেহেঁতেন। কিন্তু অনন্যাহঁত এনে এটা চিষ্টেমত আছে য'ত পৰীক্ষাৰ নম্বৰ, সমাজৰ প্ৰতিপত্তি, গাড়ী, ঘৰ-দুৱাৰ, গ্লেমাৰ এইবোৰে স্থান পায়। য'ত প্ৰতিভা সৃষ্টিশীলতাৰ কোনো স্থান নাই। 'মহৎ' কামবোৰ কৰি মহান হোৱাতকৈ বিখ্যাত হ'ব বিচাৰে। মহানতাতকৈ লৌকিকতাত গুৰুত্ব বেছি। স্বাধীন হৈও অনন্যাহঁত পৰাধীনতাৰ দৰে থাকিব লাগে বদ্‌নামৰ ভয়ত, সমাজৰ ভয়ত। অসহ্য।

মাক-দেউতাকক দুখ দিওতো লাভ নাই। অনন্যাই ভালকৈয়ে জানে দেউতাকৰ সপোনবোৰ। অনন্যাহঁতৰ ছোৱালী তিনিজনী। ল'ৰা নাই। বায়েকে আৰ্টচত পঢ়িছিল অসমীয়াত মেজৰ লৈ। কলেজত একেৰাহে চাৰি বছৰ শ্ৰেষ্ঠ তাৰ্কিক আছিল। কিন্তু এতিয়া তাই বি.এ. পাছ কৰাৰ পাছত নাৰ্চ পঢ়িছে। পঢ়িবলৈ ছীট পাবৰ বাবে আশী হাজাৰ টকা ঘোচ দিব লগা হৈছে। অনন্যাহঁতৰ ঘৰখনৰ বাবে আশী হাজাৰ টকা গোটোৱাতো ডাঙৰ কথা। দেউতাক মজলীয়া বিদ্যালয় এখনৰ শিক্ষক। মাকে বহুত দিন এল.পি. স্কুল এখনলৈ অহা-যোৱা কৰাৰ পিছতো স্কুলখন চৰকাৰী নহ'ল। সৰু সৰু ল'ৰা-ছোৱালী

কেইটামানক প্ৰতিযোগিতাত নমাৰ পাছত কিছু জ্ঞান আৰু দৌৰিবলৈ উৎসাহ দিয়াৰ বাহিৰে মাকৰ আৰু একো লাভ নহ'ল। মাকে মাহীয়েকৰ ঘৰৰ পৰা বায়েকৰ বাবে পইচা অনাৰ কথা অনন্যাই গম পোৱা নাছিল। ফটোগ্ৰাফীৰ ক'ৰ্চ এটা শিকিম বুলি অনন্যাই কওঁতে মাকে কৈছিল 'আই বাদ দে এইবোৰৰ আশা। যিটো পঢ়িছ তাকে ভালকৈ পঢ়। পইচাবোৰ এনেয়ে নাহে নহয়।' অনন্যায়ো ভালকৈ জানে ঠিকাদাৰ মহায়েক আৰু মাহীয়েকে লাগ বুলিলেই অকণো নভবাকৈ কিয় দিব পাৰে হাজাৰ টকা। কিন্তু দেউতাকে নোৱাৰে। কাৰণ মধ্যবিত্ত হৈও তিনিজনী ছোৱালী পঢ়ুৱাই থকা দেউতাকে বুজে টকা তেওঁৰ বাবে এতিয়া কিমান প্ৰয়োজনীয়।

অনন্যাৰ ভাল কেমেৰা এটা কিনি নেদেখা ঠাইবোৰ চোৱাৰ মন আছে। কিন্তু চল্লিছ-পঞ্চাশ হাজাৰ টকীয়া কেমেৰা এটা কিনাৰ কথা তাই ভাবিব নোৱাৰে। সকলো মানুহকে সপোন দেখাৰ অধিকাৰ ভগৱানে নিদিয়ে। যিয়ে নিয়ম ভংগ কৰি সপোন দেখে সি শাস্তিও পায়। সপোনবোৰ বাস্তৱ নোহোৱাৰ শাস্তি।

লেপটপত কল্যাণ দাদাৰ নাইনিতাল, ছিম্‌লা যোৱা ফটোবোৰ চাই থাকোতে তাইলৈ ৰাজনীশে মেচেজ দিলে।

ঃ কি কৰিছা?

ঃ দাদাৰ ছিম্‌লা যোৱা ফটোবোৰ চাই আছোঁ। বহুত ধুনীয়া ঠাই ছিম্‌লা।

ঃ ব'লা যাওঁ। খুউব ফটো মাৰিম দুইটাই। মোৰ কেমেৰাটো লৈ যাম। ৰাজনীশে অনন্যাৰ ভাল লগাবোৰ জানে।

ঃ সপোন নেদেখুৱাব। সকলো মানুহে সপোন দেখিব নোৱাৰে।

ঃ সপোন দেখিব সবেই পাৰে। মাত্ৰ বাস্তৱ কৰিব নোৱাৰে কিছুমানে। আমি পাৰিম।

আৰু একো ক'ব নোৱাৰে তাই। আৱেগত নহয় কিন্তু কিবা এটা নাম নজনা দুখত কান্দিলে তাই। ফোনৰ স্ক্ৰীণত ৰাজনীশৰ নামটো জিলিকি উঠিল। চকুপানী মোহাৰি তাই সহজ হ'বলৈ যত্ন কৰি ৰিচিভ কৰিলে।

ঃ হেল্ল' অনন্যা। একো নক'লা তুমি?

ঃ কি ক'ম? মোক লৈ সপোন নেদেখিব আপুনি।

ঃ কিয় তুমি সপোন দেখাবোৰ মই বাস্তৱ কৰিম বুলি ক'লো বাবে তুমিও মোৰবোৰ বাস্তৱ কৰিব নোৱাৰিম বুলি ভয় খাই গ'লা নেকি। পৰিশোধ কৰিব লাগিব বুলি। সি কৌতুক কৰি হাঁহি ক'লে।

ঃ ওঁ ভয় লাগে। আপোনাক শ্ৰদ্ধা কৰোঁ, ভালপাওঁ। ইয়াক বেলেক এটা ৰূপলৈ লৈ যাব বিচৰা নাই। য'ত দায়িত্ব আৰু প্ৰতিশ্ৰুতি থাকে। আজি আপোনাৰ মোৰ মাজত থকা ভাল সম্বন্ধটো ভাঙি যাব বুলি ভয় লাগে। তাতকৈ এতিয়া থকাৰ দৰেই থাকিব। কোনেও কাৰো সপোন বাস্তৱ কৰিব নালাগে।

ঃ বাহঃ বহুত কথা চিন্তা কৰাচোন তুমি। এনেয়ে তোমাক চায়েন্সৰ মানুহ বুলি নকওঁ নহয়। পুনৰ ধেমালি কৰিলে সি।

ঃ সঁচাকৈ কৈছোঁ মই।

ঃ ময়ো তোমাক সঁচাকৈ কৈছোঁ। কি বুলি ভাবা ভাবি থাকা। ময়ো বিচৰা নাই আমাৰ ভুল বুজা-বুজিখিনি শেষ হোৱাতো। মাত্ৰ তুমি যিবোৰ চিন্তা ভাৱনাৰ মাজত দিন পাৰ কৰা তাৰ পৰা তোমাক উলিয়াই আনিব বিচাৰোঁ। ইমান অসন্তোষত থাকিব নাপায় মানুহ।

ঃ কিন্তু প্ৰেক্টিকেল সেইয়াতো হয়।

ঃ হয়। কিন্তু সেয়া তোমাৰ ফিউচাৰহে। ফিউচাৰৰ কথা ভাবি তুমি এতিয়াৰ সময়বোৰ নষ্ট কৰা। ফিউচাৰ পৰিকল্পনা কৰা, কিন্তু সেইবোৰকে ভাবি নাথাকিবা অনবৰত। প্ৰেজেণ্ট কৰিব লগাবোৰ কৰা। এতিয়া কোৱা নাইনিতাল, চিম্‌লা যাবা নাই মোৰ লগত।

ঃ ধেমালি কৰিছে। মোক ঘৰৰ পৰা নপঠিয়াই এতিয়াই।

ঃ নাই কৰা অ' আকৰিজনী। এতিয়া নহয় নহয়। মই এম. এ. কমপ্লিট কৰি লওঁ। তুমিও বি.এচ.চি. কমপ্লিট কৰি লোৱা তাৰ পাছত। তুমি আকৌ এতিয়া কিতাপ বহি মেলি নাইনিতালত কেনেকৈ ফটো মাৰিবা সেয়া ভাবি নাথাকিবা। অকস্মাৎ তোমাৰ জীৱনত ঘটা ঘটনাবোৰে তুমি চম্ভালিব পৰা হোৱা নাই। ফিউচাৰত হ'বলগীয়াবোৰ কেনেকৈ পাৰিবা। আগৰ পৰাই ভবাৰ কি প্ৰয়োজন? প্ৰথম আহিবলগীয়া পৰীক্ষাটোৰ কাৰণে পঢ়া। তাৰ ৰিজাল্টৰ কাৰণে নহয়।

ঃ ওঁ।

ঃ কিমান পাৰচেণ্ট পাবা কোৱা।

ঃ নাজানো। আগতে পৰীক্ষাটো দি লওঁচোন। তাৰপৰা ক'ম আপোনাক।



ঃ গুড গাৰ্ল। ইমানখিনি বুজি পোৱাটোৱেই বিচাৰিছিলোঁ। এতিয়া তুমি মুখখন ধুই লোৱাগৈ। কান্দিলে তোমাক ভাল নালাগে দেখিবলৈ। হাঁহি থাকিবা। হোৱাটচ্ এপত তোমাক ফটো পঠাইছোঁ চোৱা খুলি। শেষৰ কপি টাইমাৰ দি মৰা, স্পেচিয়েল তোমাৰ কাৰণে।

মুখখন ধুই আহি হোৱাটচ্ এপটো খুলিলে অনন্যাই। ৰাজনীশে তিনিকপি ফটো পঠাই থৈছে। ফটো কেইকপি ডাউনলোড কৰিলে তাই। প্ৰথম কপি ৰাজনীশৰ ককায়েকৰ ছোৱালী গুণগুণৰ। গুণগুণে হাঁহি আছে মৰম লগাকৈ। তলত লিখা আছে ইনচেণ্ট ইজ পিঅ'ৰিটি অৱ চ'ল। দ্বিতীয় কপি ফটো সূৰ্যটো নদীৰ বুকুত প্ৰতিফলিত হোৱাৰ দৃশ্য। তলত লিখা আছে-অ'লৱেজ বি অৰিজিনেল আৰু তৃতীয় কপি ৰাজনীশৰ নিজৰ। গুণগুণৰ সমান একেই সৰলতাৰে চাই আছে। ফটোকপি উঠোতে কেমেৰাটোলৈ চাই আছিল বাবে অনন্যাৰ এনে লাগিছে যেন ৰাজনীশে তাইৰ সন্মুখলৈ আহি চাই আছে। তলত লিখা আছে টাইম টু টাচ দা মুন।

ঃ ঃ ঃ

**মৃত্যুও এক বিলাসিতা, জীৱনৰ বিফলতাই দিয়া ঃ**

বায়েকে এদিন খবৰ দিছিল মাতু বা ঢুকাল। কেনেকৈ সোধাত ক'লে ছুইচাইড। সাধাৰণ শাৰী এখনৰ এটা আগেৰে শেষ কৰি দিলে নিজৰ অসাধাৰণ জীৱন। মাতু বাৰ ঘৰ অনন্যাহঁতৰ ঘৰৰ ওচৰতে। সৰুৰ পৰা দেখিছে সিহঁতে। তেওঁ খুউব মৰমীয়াল আৰু শান্ত আছিল। অনন্যাহঁতে মেট্ৰিক দিয়াৰ সময়তে তেওঁ গ্ৰেজুৱেচন লৈছিল। ঘৰতে থাকি মাষ্টাৰ ডিগ্ৰীও পঢ়ি আছিল। ভায়েক এটা, মাতু বা আৰু মাক-দেউতাক, ককায়েকেৰে তেওঁলোকৰ ঘৰখনো বৰ শান্ত আছিল। অনন্যা হোষ্টেললৈ গুচি অহাৰ এবছৰ পিছতে মাতু বাৰ বিয়া হৈ গৈছিল। অনন্যাৰ দেউতাকে কোৱা মনত আছে মাতু বৰ লক্ষী বোৱাৰী হ'বগৈ। মাতু বাৰ শান্ত স্বভাৱ, নম্ৰতা আৰু সততাইয়ো স্বামীক তলাব নোৱাৰিলে। মাতু বা ধুনীয়াও আছিল দেখাতো। অথচ তেওঁৰ স্বামী পৰগামী। এখন নতুনকৈ আৰম্ভ কৰা সংসাৰ আৰু দুটা পৰিয়ালৰ সুখ থান-বান হৈ গৈছিল সেইদিনা। মাতুবাহঁতৰ শান্ত ঘৰখনত তেতিয়া মৰিশালী সদৃশ নীৰৱতা। ককাকে কপাল চপৰাই কান্দিছিল তাইৰ সলনি মোকে লৈ নগ'লা কিয় ভগৱান? ছোৱালীজনীক জীয়াই থাকিবলৈ নিদিলা কিয়? আই তইনো আমাক ইমান বেয়া পালিনে? আগতে ককাকে গা ধুবৰ বাবে মাতু বাই সদায় গৰম পানী কৰি দিছিল। প্ৰতি দেওবাৰে ককাকে ভালপোৱা মুঠিয়া পিঠা, খিচিৰি, কুকুৰা মাংসৰ সৈতে পিঠাগুৰি এইবোৰ জুতি যোগাৰ কৰিছিল। কোনখন সকামলৈ কোনখন গামোচা নিব, প্ৰতিখন সকামলৈ ধুই থোৱা কামিজ-চুৰিয়াহে পিন্ধিব এইবোৰ মাতু বাই



ঠিক কৰি দিছিল। ককা দহ টকা এটা দিয়ক। কলেজলৈ যাওঁতে দেউতাকতকৈ বেছি ককাকৰ পৰা পইচা খুজি নিছিল। বিহুৰ পিঠা ভাজিলে-পুৰিলে ককাকক কাষতে বহুৱাই লৈছিল। তিলত গুৰ কমিছে নেকি, তেল পিঠাৰ ভিতৰফালটো সিজিছে নাই ইত্যাদি সৰু সুৰা পৰীক্ষা বিলাক কৰোৱাইছিল। নতুন দৰা-কইনাক দিয়া আশীৰ্বাদটো শিকাই দিয়াচোন। বায়েকে ককাকৰ পৰা পইচা লোৱা দেখিলেই ভায়েকে কয় মোক হ'লে নিদিয়ে। তই চুৰিয়া-কাপোৰ ধুই দিলে তোকো দিম। ককাকেও বায়েকৰ ফলীয়া হয়।

অনন্যাক বায়েকে কৈছিল মৰাৰ সময়ত মাতু বা প্ৰেগনেণ্ট আছিল। দুমাহৰ। নিজৰ মাজতে বাঢ়ি অহা নিষ্পাপ প্ৰাণ এটাৰ পিতৃয়ে পাপ কৰিছিল। শাস্তি কণমানিটোকো দি নিজে মুক্তিৰ পথ এটা বাছি ল'লে মাতু বাই। সমস্ত যন্ত্ৰণাৰ পৰা। কোমল মনৰ ছোৱালীজনীয়ে ইমান কঠোৰ এটা সিদ্ধান্ত ল'ব সেয়া হয়তো কোনেও ভবা নাছিল। অনন্যাৰ জানিবৰ মন গ'ল সেই স্বামীয়ে বাৰু এতিয়া সময়বোৰ কেনেদৰে পাৰ কৰিছে যিয়ে দুটা জীৱনক তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলিলে। অনুশোচনাত দগ্ধ হৈ নে উপভোগত মত্ত হৈ জীয়াই আছে তেওঁ? মাতু বাৰ ভিতৰৰ মানুহজনীক হত্যা কৰা স্বামীজন আইনৰ সুৰুঙাৰে বাচি যাব নে শাস্তি পাব? দুটা জীৱন হত্যা কৰা আৰু দুখন ঘৰৰ সুখ কঢ়াৰ বিনিময়ত পাবলগা শাস্তি তেওঁক কোনে দিব? যি দেশত নাৰীয়েই নাৰীক নাৰী দেহ ব্যৱসায়ত জড়িত কৰায়, কেৰাচিন ঢালি জ্বলাই তাত প্ৰকৃত আধুনিকতাৰ পোহৰ পৰিবলৈ বহুদিন বাকী। যি সময়ত মাক হোৱাৰ গৌৰৱত মাতু বা জিলিকি উঠিব লাগিছিল সেই সময়তে আঁতৰি গ'ল সকলোৰে পৰা। সেই নাৰীয়ে বাৰু বুজেনে এগৰাকী পত্নী আৰু এগৰাকী মাকৰ বুকুৰ কথা যাৰ স্বামীক তেওঁ কাঢ়ি ৰাখিলে নাম দিব নোৱাৰা এটা সম্পৰ্কৰে।

উশাহবোৰ গধুৰ যেন লাগিল। বুকুৰ ভিতৰত এটা বিষ অনুভৱ কৰিলে অনন্যাই। দুটা জীৱন শেষ কৰি পেলোৱা, সেইহাল নৰ-নাৰীয়ে বিয়পোৱা বিষে অনন্যাহঁতকো চুই গ'ল।

ঃ ঃ ঃ

**আন্ধাৰ ৰাতিৰ জোনটো হঠাতে হেৰাই গ'ল ঃ**

হাঁহিমুখীয়া, প্ৰাণোচ্ছল অনন্যাজনী হঠাতে সলনি হ'ল। তাই নিজেই অনুভৱ কৰিলে।

ঃ ইমানকৈ নহঁহুৱাবি না। গালখন বিষাই গৈছে অ'।

ঃ ই আচল কথাটো আছেই। তাৰপিছত কি হ'ল শুনা আকৌ। ক্ৰমমেটে পুনৰ আৰম্ভ কৰে। সিহঁত ৰসত ডুবি যায়।

সেইবোৰ দিনৰ লগত আজিৰ দিন ইমান অমিল। বহুদিনৰ মূৰত শব্দ কৰি হাঁহিলে তাই হিচাপ কৰে। এমাহৰ আগতে মায়াবাৰ সৰু ছোৱালীজনীৰ লগত এনেকৈ, বিশদিনমানৰ আগতে ধনদাইৰ কথাত, সৰু নিচাদেউ ঘৰলৈ আহোঁতে কুঁহিয়াৰ কাটি থাকোতে এনেকৈ হাঁহিছিল। তাই এনেকৈয়ে মনত পেলাই থাকে।

কলেজৰ শিক্ষা শেষ হৈছিল। ঘৰলৈ ঘূৰি আহিল একেবাৰে অনন্যা। বাৰন্ন শতাংশ নম্বৰ। বগাব খোজা সপোন এটা নামি আহিল বহু তললৈ। এসময়ত যিমান হেপাহেৰে উচ্চাকাংক্ষাৰ পাখি মেলি দিছিল এতিয়া সিমান হতাশাৰে পাখি দুখন বান্ধিছে। সপোন দেখিব লাগে এটা সীমাৰ ভিতৰতে। তাই হয়তো সীমা চেৰাই গ'ল। ভিৰৰ মাজতো তাই নিসংগ অনুভৱ কৰে। সকলো দৌৰি গ'ল। তাই থাকি গ'ল। ৰাজনীশক অনুভৱ কৰিবলৈ চেষ্টা কৰে সেইবোৰ সময়তে।

অনন্যাহঁতৰ চিনাকি এজন দদায়েক এদিন সিহঁতৰ ঘৰলৈ আহিছিল। সৰু জীয়েকে মেডিকেল এণ্ট্ৰেন্সত পাছ কৰি ডাক্তৰ পঢ়িছে আৰু ল'ৰাই বাংগালোৰত হোষ্টেল মেনেজমেণ্ট পঢ়ি থকাৰ কথা বৰ গৌৰৱেৰে কৈছিল। অনন্যা বাহিৰলৈ ওলোৱা নাছিল। আনকি মাতষাৰ দিবলৈকো।

ঃ এনেয়ে থকাতকৈ ডাঙৰজনীক বিয়াই দি দিয়ক নহ'লে।

এটা উপায় দিছিল তেওঁ বৰ সহজে।

ঃ আমাৰ খুলশালী ল'ৰা এটা আছে। সৰু সুৰা ঠিকা কৰে। মাক-বাপেকহালক লগ এটা লাগে। ছোৱালী দুজনী বিয়া হৈ গ'ল। ঘৰ ধৰা ছোৱালী এজনী লাগে বুজিছে।

'সৰু সুৰা ঠিকা' 'মাক-বাপেকহালৰ লগ', ঘৰ ধৰা ছোৱালী এইবোৰ শব্দৰ মাজত সোমাই থকা প্ৰকৃত অৰ্থটো অনন্যাই অনুমান কৰিব পাৰে। মানুহজনৰ কথাৰ সুৰে সেয়া বুজাত আৰু সহজ কৰি তোলে। নাই পঢ়াৰ দুবছৰৰ পিছতো ক'তো সুবিধা নাপাই ভেঞ্চাৰ স্কুল এখনত শিক্ষকতা আৰম্ভ কৰা, সৰু সৰু ল'ৰা-ছোৱালী কেইটামানক ঘৰতে পঢ়ুওৱা, গাঁৱৰ তিনিজনী মহিলাৰ হতুৱাই কাপোৰ বোৱাই থকা বা নিজেও বোৱা, চাৰিজনী ছাগলী নিজে আপদাল কৰা, এইবোৰ সকলোবোৰক একেলগে এনেয়ে থকা বুলি মানুহজনে বৰ অনায়াসে কৈ দিলে। দেউতাকে কথাষাৰ কেনেদৰে ল'লে তাই বুজিব খুজিলে। নিজকে ভাগ্যবান পিতৃ বুলি ভবা সেই মানুহজনলৈ তাইৰ খং এটা উঠি আহিছিল। মানুহজন গুচি যোৱাৰ পিছত দেউতাকে কৈছিল পদ্মৰ ল'ৰা-ছোৱালীহালে মোক এদিন সকামত দেখিও নামাতিলে। সিহঁত আগৰ দৰে হৈ থকা নাই এতিয়া।

তথাপিও সেইবোৰ মানুহৰ আগতো মূৰ তল কৰিবলগা হ'লেও অনন্যা অসহজ হৈ পৰে।

সন্মুখত এতিয়া অনন্যাৰ জটিল বাট। হেৰাই যোৱা ৰাজনীশৰ হাতখন খেপিয়াই ফুৰে। ইমান আন্ধাৰ তাই সহিব নোৱাৰে।

ঃ ঃ ঃ

**হাউলিব পাৰে, ভাঙিব নোৱাৰে ঃ**

হোষ্টেলত থাকোতে এবাৰ অনন্যাক দেউতাকে ফোন কৰিছিল। 'ডাঙৰ পুথাৰৰ গা বেয়া। পূজা বন্ধত সোনকালে গুচি আহ মাৰৰ লগত পুথাদেউ ওচৰলৈ যাবি।' সঁচাকৈয়ে মই দেউতাকৰ কথামতে সোনকালে আহি পুথাদেউৰ ঘৰলৈ গৈছিলো। ডাঙৰ এনাইদেউৰ ৰঙীয়াল ৰূপটো সিহঁতে সৰুৰে পৰা দেখিছে সেইবাৰৰ ৰূপটো বৰ কৰুণ আছিল। মাকৰ সৈতে তাই গৈ পোৱাৰ লগে লগে এনায়েক উঠি আহিছিল পুথায়েকৰ ওচৰৰ পৰা।

ঃ মামনি তহঁত আহিলি ভালেই কৰিলি। বৰদেউতাকৰ আৰু নাথাকে আৰু। তোক চাবলৈ হেঁপাহ কৰিছিল। ডাঙৰ এনায়েকে মাকক কৈছিল।

মাক গাভৰুতে এসময়ত বৰদেউতাকৰ ঘৰতো থাকি পঢ়িছিল বাবে তেওঁলোকৰ মৰমৰ আছিল।

ঃ এওঁ আগতিয়াকৈ যাওক। মই বেয়া পোৱা নাই। মই নাথাকিলে নহ'লে এওঁৰ বৰ আলৈ-আথানি হ'ব। এনায়েকে শান্তভাৱে কৈছিল আৰু চকুলো টুকিছিল।

সকলোৱে জানিছিল এনাইদেউ পুথাদেউ বৰ সুখী মানুহ। এজন পুতেক উকীল, এজন কলেজৰ লাইব্ৰেৰীয়ান, এজন বন বিষয়া আৰু সৰু জীয়েকজনীও ভাল মানুহৰ ঘৰলৈকে বিয়া দিছে। কিন্তু সেইদিনা মাকে মাজু বৌৱেকৰ বাহিৰে আন কাকো তাত নেদেখিলে। নিজ নিজ অজুহাতেৰে সকলো ব্যস্ত। সময় মিলাইহে আহিব সকলো। এনায়েক পুথায়েকৰ বুকুৰ শূন্যতা সেইদিনা অনন্যাই অনুভৱ কৰিছিল।



কেৱল শৰীৰেৰেই নহয় মনেৰেও দূৰত্ব আছিল বাবে হয়তো সেই শূন্যতাৰ অনুভৱ বেছি তীব্ৰ। চহৰত তিনিটা পুতেকৰ তিনিফালে গজগজীয়া ঘৰ-দুৱাৰ আছে। জীয়েকজনীও ইমান ভাল ঘৰলৈ বিয়া হৈছে। বুঢ়া-বুঢ়ী পুতেকহঁতৰ ওচৰলৈকে গুচি যাব পাৰে। অকলে অকলে পুৰণা ঘৰটোত থাকিনো কি পাইছে তেওঁলোকেহে জানে। লোকদৃষ্টিত এয়াই হয় যদিও অন্তত অনন্যাহঁতে বুজে পুথায়েকৰ স্বাভিমান আৰু এনায়েকেও সেই মান লেখমানো নকমাকৈ মূৰ দাঙি ৰাখে তেওঁক। গাঁৱৰ সোণতলীহেঁন মাটি বিক্ৰী কৰি চহৰত প্ৰকাণ্ড প্ৰকাণ্ড বিল্ডিং সজাই আটাইকেইজন পুতেক এতিয়া ডাঙৰ মানুহ। এনাই আৰু পুথাদেৱে কিন্তু সাধাৰণ হৈ থকাটোকে পছন্দ কৰিলে।

পুথাদেউ ঢুকুৱা আজি প্ৰায় চাৰিবছৰ হৈ গ'ল। এনাইদেও এতিয়াও থাকে তেনেকৈয়ে ৰঙাকৈ সেঁউতা বুলাই লোৱা ফোটটোৰে আগতে বগী শুৱনি মানুহজনী জিলিকি থাকে। এতিয়াও সেই জ্যোতি শেষ হৈ যোৱা নাই। পুৱা গধূলি ধূপ-চাকি জ্বলায় পুথাদেউৰ ডাঙৰ ফটোখনৰ সন্মুখত নাম গায়। শূন্যতা এখিনি পূৰ কৰি থাকে ফটোখনে।

ঃ অকলে থকা সময়ত আপোনাৰ চাগৈ পুথাদেউলৈ খুউব মনত পৰে ন এনাই? অনন্যাৰ ভনীয়েকে এদিন সুধিছিল।

ঃ তেওঁ মোৰ কাষতে থাকে। বুকুৰ গভীৰৰ পৰা মাতটো ওলাই আহিছিল ধীৰে ধীৰে।

হয় অনন্যাইয়ো অনুভৱ কৰে কথাটো। নিজৰ মনক বুজাই ৰখাটোৰেই আটাইতকৈ ডাঙৰ কথা। তায়ো কতবাৰ মিছাকৈয়ে নিজক বুজাইছিল। মিছা সান্ত্বনাৰে। অথচ শেষ পৰ্যন্ত হাৰিব লগা হয়। উচিত-অনুচিত, ভাল-বেয়া, সততা-বিশ্বাসঘাতকতা এইবোৰক কেন্দ্ৰ কৰি নিজৰ মনৰ মাজতে হোৱা যুঁজখনেই আটাইতকৈ ডাঙৰ। অনন্যা এনেকুৱা এজনী ছোৱালী, য'ত ভাল-সত্যৰ জয় হ'লে বাস্তৱে চেপি-খুন্দি ধৰে আৰু বিশ্বাসঘাতকতা-অনুচিতৰ জয় হ'লে হৃদয়ে দহে।

দেউতাকে প্ৰায়ে কৈছিল সিহঁতক, লগ বন্ধু এটা সময়লৈকে, সংসাৰৰ হেঁচাই তাৰ পিছত সকলোকে পিছ পেলায়। অনন্যাৰ ওচৰলৈ সেই সময় খুউব খৰকৈ আহিল। আনকি ৰাজনীশ শইকীয়া নামৰ সপোনৰ ফেৰীৱালাজনো সেই যুঁজতে হেৰাল। ইমান সপোন দি তেওঁ এনেকৈ হেৰাই যাব নালাগিছিল। তাই ভাবে প্ৰতিজন মানুহৰে হয়তো কেইবাটাও ৰূপ থাকে। তাই নজনা ৰূপ এটা সিদিনা প্ৰথম তাই আৱিষ্কাৰ কৰিলে সেইদিনা কেনেকুৱা প্ৰতিক্ৰিয়া দেখুৱাব লাগে তাই নিজেই নাজানিলে। তাৰ পিছত এটা এটাকৈ কেইবাটাও ৰূপ ওলাই গৈ থাকিল। তাই নামানে সেইবোৰ। ভাল বুলিয়েই বিশ্বাস কৰে ৰাজনীশক। কথাষাৰ বুজিবলৈ আপ্ৰাণ চেষ্টা কৰিও নোৱাৰিলে। আন্ধাৰ গলি এটাৰে সি হেৰাই গ'ল। ইচ, আত্মসন্মান এইবোৰ তল কৰিও তাক ওপৰ কৰাৰ চেষ্টা



কৰিছিল কিন্তু নহ'ল সেয়া। মাতু বা আৰু তাইৰ মাজত যিমান সাদৃশ্য আছিল তাতকৈ বেছি সাদৃশ্য তেওঁৰ স্বামী আৰু ৰাজনীশৰ গাত আছিল।

চকু মুদিলে পুৰণা ছবিবোৰ এখন এখনকৈ ভাঁহে। এখন ছবি প্ৰায়ে ভাঁহে। অনন্যাৰ হাতত ধৰি চকুত চকু ৰাখি খুউব আকুলতাৰে কৈছিল "মোক কেতিয়াও এৰি নিদিবা অনন্যা। তুমি মোৰ শেষ ঠিকনা হোৱা। আমাৰ ঘৰখনক, মোৰ মা-দেউতাক তোমাতকৈ সুখেৰে আৰু কোনেও ৰাখিব নোৱাৰে। মোৰ বেয়াখিনিক তোমাৰ ভালখিনিৰে আঁতৰাই দিয়া। তোমাক হেৰুৱাব নোৱাৰো, মই আকৌ আহিম তোমাৰ ওচৰলৈ। খুউব সোনকালেই।" নৈ ঘাটৰ ব্যস্ততাময় কোলাহল অনন্যাৰ কাণত পৰা নাছিল। নৈৰ পানীবোৰ আহিনৰ ফটফটীয়া ৰ'দত জিলিকি আছিল। ইপাৰলৈ যাবলগীয়া ফেৰীখন যাত্ৰীৰে ভৰি পৰিছিল। হৰ্ণ এটা শুনিছিল। ৰাজনীশ সাজু হৈছিল যাবলৈ।

অনন্যা হয়তো ভাগ্যৱান যিয়ে এটা বেয়া ল'ৰাৰ পৰা আটাইতকৈ ভাল ৰূপটোৰে কাষত পাইছিল। এনায়েকৰ দৰে তায়ো প্ৰাৰ্থনা কৰে। আত্মাৰ পোহৰে মনৰ আন্ধাৰ দূৰ কৰিব এদিন।

পিছদিনা মাতু বাৰ ককাকৰ শ্ৰাদ্ধৰ পৰা আহি ৰাতি বহু দেৰিলৈ দুখন ছবি আঁকিলে। প্ৰায় দহ বছৰৰ মূৰত ৰং তুলিকাৰে। নৈৰ বুকুত ডুবিব ধৰা বেলিটো উপভোগ কৰিছে দুটা অবয়ৱে। নৈৰ পাৰতে। আঁকি থকাৰ সময়ত এনে লাগিল সেয়া যেন অনন্যা আৰু ৰাজনীশেই। ৰঙা ৰং সানি তুলিকা ডালেৰে সৰুকৈ লিখিলে 'দা গ'লডেন আৱাৰ'। আনখনত খোলা খিৰিকীৰে আকাশখন দেখা গৈছে। এটা সৰু চৰাই উৰি আছে সীমাহীন নীলাৰ মাজতে। আৰ্ণেষ্ট হেমিংৱেৰ বিখ্যাত বাক্যষাৰি সৰুকৈ তলতে লিখিলে 'এ মেন কেন বি ডেষ্ট্ৰইড, বাত নট ডিফিটেড।'

ৰাতি শুবলৈ যাওঁতে তাই ভাবিলে, স্কুললৈ যাওঁতে ছবি দুখন লৈ যাব। বন্ধাবগৈ। দ্বিতীয়খন পঞ্চম শ্ৰেণীত প্ৰথম পিৰিয়ডত গণিত পঢ়াবলৈ যাওঁতে আঁৰি দিব বেৰত। প্ৰথমখন তাইৰ শুৱনি কোঠাত ৰাখিব।

○○○

১

গ. ল্প. শি. তা. ন

## পলি বৰুৱাৰ তিনিটা গল্প

স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

# ভাগ্যৰ পৰিহাস



'বিপ্লৱ, মোৰ এটাই মাথোঁ শেষ সিদ্ধান্ত। মই তোমাৰ সৈতে বিবাহপাশত আৱদ্ধ হ'ব নোৱাৰিম। এতিয়াই বিয়াত বহি মই মোৰ জীৱনটো ধ্বংস কৰি পেলাব নোৱাৰোঁ। তুমিতো জানা, সপোন দেখি ভালপোৱা ছোৱালী মই আৰু সপোনৰ বাস্তৱ ৰূপত অপৰিসীম তৃপ্তি পাওঁ মই। অ' মানি লৈছোঁ, মই তোমাক এইবোৰ কথা বহু আগতেই ক'ব লাগিছিল। অন্তত আমাৰ আঙুঠি পিন্ধোৱা অনুষ্ঠানটি হৈ যোৱাৰ আগত। নহয়নে বিপ্লৱ? কিন্তু, মোৰ বিশ্বাস, তুমি এতিয়াও মোক ভুল নুবুজা।' ইত্যাদি ইত্যাদি বহু বেহিচাপী কথা কৈ আচৰিত কৰি তুলিছিল মোক সেইদিনা প্ৰিয়াই।

যোৱা মাহত সামাজিক নিয়ম অনুসৰি, সম্পৰ্কেৰে বান্ধি প্ৰিয়াৰ বাওঁহাতৰ অনামিকা আঙুলি শুৱনি কৰি তুলিছিলোঁ মই আৰু আজি হঠাৎ প্ৰিয়াৰ কি হ'ল? মোৰ লগত বিবাহপাশত আৱদ্ধ হ'লে প্ৰিয়াৰ জীৱন ধ্বংস হৈ যাব। এইবোৰ কেনে ধৰণৰ মন্তব্য তুলি ধৰিছে প্ৰিয়াই। মূৰৰ বিকৃতি ঘটা নাইতো? যিজনী ছোৱালীয়ে মোক পাগলৰ দৰে ভাল পাইছিল, জীৱনৰ প্ৰতিটো ঘাট-প্ৰতিঘাট একেলগে পাৰ কৰাৰ সিদ্ধান্ত লৈছিল, সেই একেজনী ছোৱালীৰ আজি কি হ'ল? কিয় তাই বাৰে বাৰে মোক

প্ৰতাৰিত প্ৰেমিকৰ দৰে ব্যৱহাৰ কৰিছে আজি ? কিয় ?

হয়, ঠিকে এই কথাখিনি কৈ থাকোঁতে প্ৰিয়াই উচ্চ স্বৰত কথা কৈছিল, যিজনী ছোৱালীৰ এইটো ৰূপ মই আগতে কেতিয়াও দেখা নাছিলোঁ। মোক আচৰিত কৰি মাজে মাজে তাই মোলৈ চাই তাচ্ছিল্যৰ হাঁহি মাৰিছিল। কোনো সময়ত তাই জোখতকৈও অধিক ফোঁপাইছিল, যেন তাইৰ উশাহ-নিশাহত খুউব কষ্ট হৈছিল। মাজে মাজে প্ৰিয়াৰ কণ্ঠ কঁপি উঠিছিল, যেন ৰুদ্ধ হৈহে পৰিব খুজিছিল তাইৰ কণ্ঠ আৰু যেতিয়া তাই অনামিকা আঙুলিৰ আঙুঠিটো খুলি মোৰ হাতত দিছিল, সৰ্বশৰীৰ তাইৰ কঁপনি উঠিছিল। দুয়োহাত এনেদৰে কঁপিছিল যে সেই মুহূৰ্ততে যেন তাইক পৃথিৱীৰ সমস্ত বাৰ্ধক্যই কোঙা কৰি পেলাইছিল। তাৰ পিছত তাই দৌৰি গুচি গৈছিল মোৰ কাষৰ পৰা। নাই নহয়, মোৰ জীৱনৰ পৰা খৰখোজেৰে।



মোক আচৰিত কৰি মাজে মাজে তাই মোলৈ চাই তাচ্ছিল্যৰ হাঁহি মাৰিছিল। কোনো সময়ত তাই জোখতকৈও অধিক ফোঁপাইছিল, যেন তাইৰ উশাহ-নিশাহত খুউব কষ্ট হৈছিল।

সেইদিনা গোটেই ৰাতিটো মই চাটি-ফুটি কৰি কটাইছিলোঁ। বহু বেনামী দিন, বহু উজাগৰী ৰাতি তাৰ পিছতো মই পাৰ কৰিছিলোঁ। বিপ্লৱী হৈ পৰিছিলোঁ মই। ফঁহিয়াই ফঁহিয়াই চাইছিলো প্ৰিয়াক লগ পোৱাৰে পৰা মোৰ তাইৰ সৈতে কটোৱা প্ৰতিটো পল। বিচাৰি ফুৰিছিলোঁ মোৰ ভুল। কোনখিনিত হৈ গৈছিল মোৰ এনে ভুল, যাৰ বাবে প্ৰিয়াই মোক তাইৰ জীৱনৰ পৰা আঁতৰাই পেলালে। নাই, একো উত্তৰ নাই মোৰ হাতত। হেৰাই গৈছোঁ মই বেয়াকৈ। মন মগজুত অলপো শক্তি নাই মোৰ সুস্থ চিন্তা কৰাৰ। দুৰ্বল, বৰ বেয়াকৈ দুৰ্বল কৰি তুলিলে মোক প্ৰিয়াই।

আজি চাৰি বছৰৰ আগতে ইউনিভাৰ্চিটিত নৰাগতা ছাত্ৰী আছিল প্ৰিয়া, প্ৰিয়া বেজবৰুৱা। যিজনী ছোৱালীৰ মই তেতিয়াই প্ৰেমত পৰিছিলোঁ, মোৰ জীৱনৰ একমাত্ৰ প্ৰথম আৰু শেষ প্ৰেম প্ৰিয়া। অইন দিনত তাইক মই বিচাৰি উলিওৱা নাছিলোঁ। নৱাগতা আদৰণী সভাৰ দিনাই হৈছিল তাইৰ সৈতে মোৰ প্ৰথম দেখা-দেখি। সেইদিনা গাঢ় সেউজীয়া পাটৰ কাপোৰত সোণালী বুটা বছা কাপোৰযোৰে প্ৰিয়াক কৰি তুলিছিল অনন্য সুন্দৰী। চালে চকুৰোৱা প্ৰিয়াৰ গাৰ গঠন। দীঘল কিচ্‌কিচিয়া ক'লা চুলিকোছাই যেন অনবৰতে ঢৌ খেলি ফুৰে। মুখমণ্ডলৰ চাট্‌মৰা সৌন্দৰ্যই বহু পুৰুষৰ আলাসতে হৃদয় জিনিব। ধেনুভিৰীয়া চেলাউৰিযোৰে বহন কৰিছে তাইৰ উজ্জ্বল চকুৰ তাৰুণ্য। ওঁঠৰ হাঁহিটোৱে যেন কঢ়িয়াই ফুৰে সহজ আৰু আপোন আপোন এটা ভাৱ।

প্ৰিয়া যেতিয়া চিনাকি পৰ্বৰ বাবে ষ্টেজলৈ আগুৱাই গৈছিল, এনে লাগিছিল যেন সাইলাখ দেৱী এগৰাকী মোৰ সন্মুখত আৱিৰ্ভাৱ হৈছিল আৰু মই দেৱী মাক অলপো পলম নকৰাকৈ মন প্ৰাণ সঁপি আনন্দ লভিম। সেই মুহূৰ্ততে মোৰ ভাৱনাত যতি পেলাই অকস্মাতে হৈ পৰিছিল এটা ভাললগা ধেমালি। মোৰ লগৰ প্ৰিয়াংক, সিদ্ধাৰ্থহঁতে তাইৰ হাতত এপাহ গোলাপ তুলি তাইৰ ভাললগা কোনো এজন ছিনিয়ৰক প্ৰপ'জ কৰিবলৈ কৈছিল আৰু ইফাল-সিফাল একো নোচোৱাকৈ পোনছাটেই মোৰ ওচৰলৈ আহি প্ৰপ'জ কৰি দিছিল। মুহূৰ্ততে সভাঘৰটো হাত চাপৰিৰে ভৰি পৰিছিল। আনন্দত মতলীয়া হৈ ময়ো তুলি ধৰিছিলোঁ গোলাপ পাহ এটা উঠন বুকুৰ ধন্যবাদসূচক হাঁহিৰে সৈতে। এয়াই আছিল প্ৰিয়াৰ সৈতে মোৰ প্ৰথম চিনাকি।

তাৰ পিছৰ পৰাই প্ৰিয়াক লগ পোৱাৰ মনে মোক উদ্বাউল কৰি তুলিছিল। মন গৈছিল অতি সোনকালেই প্ৰিয়াক হৃদয়ৰ স্বৰ্গীয় শব্দকেইটা জনাবৰ বাবে। অৱশ্যে বহুবাৰ ডিপাৰ্টমেণ্টত মুখামুখি হৈছিলোঁ যদিও কেৱল এটা সৌজন্যসূচক হাঁহিৰ বাহিৰে মাত-বোল কৰাৰ সাহস হোৱা নাছিল, যদিও বন্ধু প্ৰিয়াংকৰ সান্নিধ্যত অতি সোনকালেই মোৰ প্ৰিয়াৰ সৈতে কথা হৈছিল। কাৰণ প্ৰিয়াংকৰ ওচৰ সম্পৰ্কৰ আছিল প্ৰিয়া বেজবৰুৱা।



যিদিনা প্ৰিয়াৰ সৈতে প্ৰথম মোৰ ভালদৰে কথা হৈছিল, অনবৰতে এটা লাজুকভাৱে মোক আমনি কৰি আছিল। বাৰে বাৰে নিজক সংযম কৰিও সহজ হ'ব পৰা নাছিলোঁ মই আৰু প্ৰিয়াও। সেইদিনা নিজকে ধিক্কাৰ দিছিলোঁ মই। বাটে-পথে কত ছোৱালীক জোকাওঁ, কিমান ছোৱালীয়েও মোক প্ৰপ'জ কৰিছে, মই কৰিছোঁ, হ'লেও এনে ভাৱে মোক আমনি কৰা নাছিল। মই সেইদিনা ভালদৰে বুজিছিলোঁ এয়াই হয়তো ভালপোৱা। এইদৰেই বাঢ়ি গৈছিল আমাৰ সম্পৰ্ক গভীৰৰ পৰা গভীৰতলৈ। নাজানো, প্ৰিয়াৰ এনে কি সন্মোহনী শক্তি আছে যে. চালে চাই ৰ'বলৈ মন যায় মোৰ। শুনিলে শুনি থাকিবলৈ মন যায় প্ৰতিটো কথা, অনৰ্গল। অৱশেষত জীৱনে মৰণে আমাৰ একেলগে কটোৱাৰ প্ৰতিশ্ৰুতিক সন্মতি জনাই দুয়োখন ঘৰে আমাৰ বিয়াত মত দিলে। যোৱা মাহত আঙুঠি পিন্ধোৱা অনুষ্ঠানটি হৈ গ'ল আৰু ছয় মাহৰ পিছতে আমাৰ বিয়া।



কিন্তু আমাৰ সকলোবোৰ আশাৰ যতি পেলাই প্ৰিয়া কিয় মোৰ পৰা আঁতৰি গ'ল ? ইমান সহজে, অকাৰণতে জানো খহি পৰিব পাৰে এই বান্ধোন ? ইয়াৰ কাৰণ মই জানিবই লাগিব। যিমানে ভয়ংকৰ সত্য মোৰ বাবে নহওক কিয়, মোক জনাব লাগিব।

তাৰপিছত বহুবাৰ চেষ্টা কৰিও প্ৰিয়াৰ সৈতে সংযোগ হ'ব পৰা নাছিলোঁ। ঘৰৰ মানুহেও মোক আওকাণ কৰি কথা কৈছিল। অৱশেষত প্ৰিয়াংকই মোক সকলো বিৱৰি কৈছিল, যিখিনি কথাই মোৰ বুকুত হাতুৰীৰে এনেদৰেই কোবাই মোক চেপেটা কৰিছিল যে মই আৰু কেতিয়াও পূৰ্বৰ ৰূপ পাব নোৱাৰিম। সেইদিনা প্ৰিয়াৰ প্ৰতি সহানুভূতিত মোৰ মূৰ দোঁ খাই গৈছিল।

নিষ্ঠুৰ ভগৱানে প্ৰিয়াৰ সৈতে খেলিলে জীৱনৰ অন্তিম খেল। আমাৰ আঙুঠি পিন্ধোৱা অনুষ্ঠানটোৰ পিছতে এদিন হঠাৎ প্ৰিয়াৰ গাটো অধিক বেয়া হৈ পৰিছিল। ডাক্তৰৰ ওচৰলৈ লৈ যোৱাৰ পিছত তাইৰ শৰীৰৰ বহু পৰীক্ষা-নিৰীক্ষাৰ অন্তত তাইৰ শৰীৰত অন্তিম পৰ্যায়ৰ ব্লাড কেন্সাৰ ৰোগ ধৰা পৰিছিল। ডাক্তৰে হাতত মাথোঁ তিনিমাহ সময় দি, যিমান পাৰি প্ৰিয়াক সুখী কৰি ৰাখিবলৈ মাক-দেউতাকক কৈ পঠাইছিল আৰু তাৰ পিছত প্ৰিয়াই বাধ্য হৈ খেলিছিল মোৰ সৈতে প্ৰতাৰণাৰ এইখন খেল। য'ত তাই জীৱনৰ পৰা হাৰি মোক জীৱন জীয়াবলৈ শিকাব খুজিছিল। সেয়ে হয়তো সেইদিনা প্ৰিয়াই মোৰ হাতত তুলি দিছিল বিবাহৰ আগৰ প্ৰথম সামাজিক উপহাৰ আঙুঠিটো।

এই সকলোবোৰ মোৰ চকুৰ আগত পৰিস্ফুট হৈ পৰাৰ পিছত, মই বাৰুকৈ ভাগৰুৱা হৈ পৰিছিলোঁ। কি কৰিম, কি নকৰিম ভাবি মই চিঞৰি চিঞৰি কান্দিছিলোঁ আৰু কেতিয়া প্ৰিয়াৰ হাতত বাকী আছিল মাথোঁ এমহীয়া এটা জীৱন। বহু কাতৰ অনুৰোধৰ বিনিময়ত অৱশেষত মই প্ৰিয়াৰ সৈতে এটা মাহ সান্নিধ্যত কটালোঁ। নিজ হাতেৰে তাইক পৰিচৰ্যা কৰিলোঁ। এই কেইদিনতে এহাল দম্পতিৰ দৰে সুখ-দুখৰ সমভাগী হৈ পৰিলোঁ আমি দুয়ো। মই যিমান পাৰোঁ তাইক পৃথিৱীৰ আটাইতকৈ সুখী নাৰী হিচাপে ৰাখিবলৈ চেষ্টা কৰিলোঁ। তাইৰ সুখৰ নিভাঁজ হাঁহিটোৱে মোক অলপ হ'লেও সকাহ দিলে, যদিও মই বুজোঁ সেয়া বিষাদৰ বাহ্যিক উজ্জ্বল হাঁহি।

অৱশেষত আজি প্ৰিয়াক মই সেন্দুৰ পিন্ধালোঁ। সজাই তুলিলোঁ তাইৰ প্ৰিয়ৰঙী গাঢ় সেউজীয়া, মোৰ উপহাৰৰ পাটৰ কাপোৰযোৰেৰে, শেষবাৰৰ বাবে। প্ৰিয়া আৰু মই হৈ পৰিলোঁ পৃথিৱীৰ আটাইতকৈ সুখী পতি-পত্নী। সম্পূৰ্ণ হ'ল আমাৰ যুগ্ম জীৱনৰ সপোন। সেই সময়ত প্ৰিয়াই মোক সাৱটি কান্দিছিল, মই কান্দিছিলোঁ, কান্দিছিল পৰিয়ালৰ প্ৰতিজন সদস্যই। তাৰ পিছত প্ৰায় পাঁচ ঘণ্টা সময় আমি দুয়ো একেলগে কটালোঁ। এইখিনি সময়তে আমি বহু কথা পাতিলোঁ, প্ৰিয়াৰ বহু প্ৰতিশ্ৰুতিত বান্ধ খাই পৰিলোঁ মই। সমগ্ৰ সময়খিনিত মই তাইক বুকুৰ উমেৰে ঢাকি ৰাখিলোঁ আৰু অৱশেষত ৰুদ্ধ হৈ পৰিল প্ৰিয়াৰ কণ্ঠ, চেঁচা পৰি গ'ল প্ৰিয়াৰ শৰীৰ।

অন্তিম ক্ষণত প্ৰিয়াক দিবলৈ মোৰ হাতত একো নাছিল। কঁপালত এটা শেষ চুমা আঁকি তাইৰ শৰীৰটোক বগা কাপোৰেৰে ঢাকি পেলালোঁ। এতিয়া বাকী মাথোঁ শ্মশান যাত্ৰা। স্বামী হিচাপে প্ৰিয়াক ধোঁৱাৰ সৈতে বিলীন কৰি দিয়াৰ। প্ৰিয়াক মুক্তি দিয়াৰ।

—বিপ্লৱ সাঙীখন দাঙি লোৱা। শ্মশান যাত্ৰাৰ সময় হ'ল নহয়। শহুৰ দেউতাৰ কথাষাৰত মোৰ সম্বিৎ ঘূৰি আহিল। ইমান সময়ে মোৰ এনে লাগিছিল যেন বিয়াৰ আনন্দত মই মতলীয়া হৈ আছিলোঁ আৰু যেতিয়া দৰাই কইনা নিয়াৰ পৰ্ব হ'ল, কইনা আৰু কইনাঘৰৰ মানুহৰ বিচ্ছেদৰ কান্দোনেহে মোক আৱেগিক কৰি তুলিলে, তাতে আয়তীসকলেও সোণতে সুৱগা চৰাৰ দৰে, দুখতে আৰু দুখ লগাকৈ যেন ক'ৰবাত গাই আছিল সেই বিয়ানাম ফাঁকি—

ভাইটিয়ে কান্দিছে বিচনাত পৰি
ভণ্টীয়ে কান্দিছে বাৰান্দাত বহি
চেনেহৰ দেউতা কৰো মিনতি
মৰমৰ মা-দেউতা ৰাখা এৰাতি।

○○○



২

# মুক্তিৰ আনন্দ

আজি দহ বছৰ হ'ল, মোৰ আৰু মাধৱৰ বৈবাহিক জীৱন একেলগে কটোৱা। এই দহবছৰ মই এগৰাকী নাৰীক এজন পুৰুষে নিজৰ পত্নীৰ ওপৰত কৰিব পৰা সকলো মানসিক, শাৰীৰিক কষ্ট, অত্যাচাৰ সহ্য কৰিলোঁ। আজি মোৰ নিজৰ ওপৰততহে ধিক্কাৰ জন্মিছে। কিয় এই দহ বছৰত মই এবাৰো মাধৱৰ বিৰুদ্ধে প্ৰতিবাদ নকৰিলোঁ। কিয় মই নিজক মুক্তি দিবলৈ চেষ্টা নকৰিলোঁ। কিয়? কিয়?

মা, তুমি কি ভাবি আছা? মোৰ স্কুললৈ দেৰি হৈছে নহয়। মোক ৰেডি কৰি দিয়া মা। জাহ্নৱী মাজনীৰ হেঁচুকণিততহে মই বাস্তৱ পৃথিৱীখনলৈ ঘূৰি আহিলোঁ। ঠিকেই ইতিমধ্যে আঠ বাজিলেই। অলপ দেৰিৰ পিছতে মাজনীৰ স্কুল বাছেই আহি পাব। মই লৰালৰিকৈ টিফিন ৰেডি কৰি, শনিবাৰৰ তাইৰ স্কুলৰ বগা স্কাৰ্ট-চাৰ্টযোৰ পিন্ধাই কোনোমতে সময় মতে গাড়ীত উঠালোঁ। মোৰ এই স্বভাৱটোৱেই বৰ বেয়া। কিবা ভাৱনাত ডুব গ'লে সহজে আৰু পাৰত উঠিব নোৱাৰোঁ।

মাধৱ আৰু মোৰ জীৱনলৈ জাহ্নৱী আহিছিল আমাৰ বিয়াৰ প্ৰায় পাঁচ বছৰৰ পিছত। মাধৱৰ বাবে মোৰ দুখ আছিল সেইখিনিতে। কাৰণ মই মাধৱক সন্তানৰ পিতৃসুখ দিব পৰা নাছিলোঁ। অৱশেষত বহু ডাক্তৰী পৰীক্ষা-নিৰীক্ষাৰ অন্তত মাধৱৰ পিতৃ হোৱাৰ দুৰ্বলতা ধৰা পৰিছিল আৰু উচিত চিকিৎসাৰ পিছত আমাৰ মাজলৈ পাঁচ বছৰৰ মূৰত আহিছিল জাহ্নৱী মাজনী। কিন্তু মানি লৈছিল নে, তাৰ আগলৈকে মাধৱে, সেইয়া মোৰ দুখ নহ'বও পাৰে বুলি। তাৰ বিপৰীতে মোৰ ওপৰত দুখ জাপি, সি প্ৰতিদিন মোৰ ওপৰত চলাইছিল শাৰীৰিক অত্যাচাৰ।

কিন্তু ইমানতেই জানো শেষ হৈছিল মাধৱৰ অন্ধবিশ্বাস। ওৰ পৰিছিল জানো তাৰ অত্যাচাৰৰ। বৰঞ্চ দিনক দিনে বাঢ়িছিলহে। কেৱল মোৰ ওপৰতে নহয়, এইবাৰ অত্যাচাৰ চলিছিল মাজনীৰ ওপৰতো। কাৰণ, মই জন্ম দিছিলোঁ কন্যা সন্তান, সেয়া হৈছিল মোৰ দুখ আৰু মাজনীয়ে জন্ম লৈছিল কন্যা হিচাপে, সেয়া আছিল তাইৰ দুখ। কাৰণ, মাধৱে বিচাৰিছিল পুত্ৰৰ পিতৃত্বৰে নিজক চিনাকি দিবলৈ।

বাসনা শুনাচোন, ইমান কি চিন্তা কৰি আছা? তুমি চাবা সত্যৰেই জয় হ'ব। তুমি সত্য, তোমাৰ সন্তান জাহ্নৱী সত্য, ভয় কিহৰ? চাবা, মোৰ মনে কৈছে, শেষ শুনানিৰ দিনা আমাৰেই জয় হ'ব। আদালতে আমাক উচিত ৰায় দিব। এজনী শিক্ষিতা ছোৱালী হৈ তুমি কিয় সদায় এনেদৰে অত্যাচাৰৰ বলি হ'বা? তমি মুক্তি পাব লাগিব বাসনা। তোমাক মুক্ত পক্ষী কৰাৰ দায়িত্ব মই লৈছিলোঁ আৰু চাবা মোৰ এই চেষ্টা সফল হ'ব। তুমি মুক্ত মনে বিচৰণ কৰিব পাৰিবা তোমাৰ পৃথিৱীত। জাহ্নৱীক তুমি তেনেদৰে বিচাৰা তেনেদৰেই গঢ়ি তুলিব পাৰিবা বাসনা। কেৱল মাত্ৰ দুটা দিনৰ অপেক্ষা কৰা। ধৈৰ্য ৰাখা বাসনা আৰু মাত্ৰ দুটা দিনৰ পিছতে তুমি হ'ব পাৰিবা মুক্ত নাৰী।

সঁচাই, সিদ্ধাৰ্থৰ কথাই সঁচা হওক। মই তাকে বিচাৰিছোঁ। মাধৱৰ অকাৰণ অত্যাচাৰৰ ওৰ পেলাবলৈ মই মাধৱৰ সৈতে বিবাহ বিচ্ছেদৰ বাবে আদালতৰ ওচৰ চাপিবলৈ বাধ্য হ'লোঁ। টকাৰ বলেৰে মাধৱে বহুদিন মোক আদালতত হাজিৰ কৰালে। টকাৰ বলেৰে উকীল কিনিলে আৰু সেয়ে এটা সত্যক প্ৰতিষ্ঠাপিত কৰিবলৈকে ইমান সময়ৰ প্ৰয়োজন হ'ল।

ইতিমধ্যে আদালতৰ ৰায় আহিল। আদালতে আমাক উচিত ৰায় দিলে। জাহ্নৱী আৰু মোক দিলে এটা নতুন মুক্ত জীৱন। এইসময়ত মই আনন্দত মতলীয়া হৈ পৰিলোঁ। সিদ্ধাৰ্থৰ সহায়ৰ কাৰণে আমি দুয়োজনীয়ে এটা মুক্ত জীৱন পালোঁ আৰু এই সময়ত আপোনা-আপুনি আদালতৰ বিচাৰৰ ওপৰত মোৰ মূৰ দোঁ খাই গ'ল।

○○○



৩

# তাই যে ছোৱালী সেইবাবেই

## মাজনী, আই অ',

ভুল নুবুজিবি আমাক, তোক এযাৰ কথা ক'বলগীয়া আছে। আসঃ কি অসহ্য এই সময়, কি অসহনীয় এটা প্ৰশ্নৰ উত্তৰ বিচাৰি এটা ভয়ানক ৰাতি তাই পাৰ কৰিলে? কেৱল এই কথাষাৰীয়ে ইমান অসুখী কৰি তুলিব বুলি তাই তিলমানেও ভবা নাছিল। কম মৰমেৰে তাই এইখন ঘৰত লালিত-পালিত হৈছে নে? সকলোৰে আলসুৱা তাই। তথাপি তাইৰ সেই দিনাৰ সন্দেহে ঠিক আছিল। মেট্ৰিকত ইমান এটা সুন্দৰ ৰিজাল্ট কঢ়িয়াই অনাৰ পিছতো তাইক কিয় ককায়েকৰ দৰে বাহিৰত পঢ়িবলৈ নপঠিয়ালে। অথচ দেউতাকৰ চৰকাৰী দৰমহা পোৱা চাকৰি এটা থকা স্বত্বেও। তথাপি তাই আমনি কৰা নাছিল। কলেজৰনো কি ভাল-বেয়া? আপোন ভাৱে ল'ব পাৰিলে সকলো ভাল। সেইবুলি তাই ঘৰৰ ওচৰৰে কলেজত পঢ়িলে।

হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা দিলে তাই এইবাৰ। এই দুই-এদিনতে ৰিজাল্ট ওলাব। তাইৰ বিশ্বাস এইবাৰ তাইৰ ভাল ৰিজাল্ট হ'ব। এইবাৰ নিশ্চয় তাই বাহিৰলৈ পঢ়িবলৈ যাব। অনাৰ্চ লৈ পঢ়িব। তাৰপিছত আৰু যিমান পাৰি, সিমান পঢ়িব। চাকৰি কৰিব। মাক-দেউতাকক চাকৰিৰ দৰমহাৰে সকাহ দিব ইত্যাদি ইত্যাদি হাজাৰ ভিন্নৰঙী সপোন।

কিন্তু, কালি ৰাতি তাইক অৱগত কৰোৱা কথা কি বুলি ল'ব তাই। মাক-দেউতাকে তাইৰ ভাল চিন্তা কৰে বাবেই এই কণমান বয়সত তাইক ইমান ডাঙৰ উপহাৰ দিব বিচাৰিছে নেকি? তাইৰ বিয়া। এজন চাকৰিয়াল ত্ৰিশ বছৰীয়া ব্যক্তিৰ লগত। তাইৰচোন ভাবিয়ে কিবা পিঞ্জৰাত বন্দী এজনী নাৰীক বিচাৰি উলিয়াইছে। তেন্তে তাই যে গাঁৱৰ কানাইক প্ৰেমৰ ভাষা শুনাইছিল সেই প্ৰেমৰ নাম কি হ'ব? আৰু কানাইৰ বাঁহীৰ সুৰে যে তাইক বাউলী কৰিছিল, সেই প্ৰেমিকাজনীৰ কি অপমৃত্যু হ'ব?

নাই, সমগ্ৰ ৰাতিটো ভাবিও তাই একো উত্তৰ বিচাৰি নাপালে। পৃথিৱীয়ে পুৱাৰ সংকেত দিয়াৰ পিছতো তাইৰ বাবে এটা নতুন ফৰকাল পুৱা নাহিল। কেৱল তাইৰ কামত ঝংকাৰিত হৈ থাকিল তাইৰ আদৰ্শ, শিক্ষক-দেউতাকে নিজৰ পত্নীক জীয়েকক বুজাবলৈ ব্যৱহাৰ কৰা সেই বাক্যশাৰী —

ভাল দৰা পাওঁতেই তাইক বিয়া দিব লাগিব বুজিছা। তাই যে ছোৱালী, সেইবাবেই।

○○○

১

**কুন্তলা শৰ্মাৰ দুটা গল্প**
স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

# কঁহুৱাৰ বুকুলৈ কিমান দূৰ...



হাবিয়াসবোৰ শেষ হৈ যাব বুলিয়েই সেই দিনটোলৈ ৰৈ আছে তাই। এখন বোৰতী নৈক বাধা দিব পৰা যায়েই বা কেনেকৈ? ফুলবোৰ শুকাই লেৰেলি যায় ঠিকেই, কিন্তু ফাগুনৰ ধূলিয়ৰী লহৰতো গছজোপা হালি-জালি জীয়াই থাকে। নৱ বসন্তৰ প্ৰথমজাক বৰষুণৰ অপেক্ষাতেই নহয়নে?



ধোঁৱাৰ দৰে উৰিবলৈও ই সক্ষম নহয়। ছাঁই হৈ তলতে পৰি ৰয়, আশাৰ জুমুঠিটো জ্বলাই থোৱাই আছিল যে। উশাহবোৰ ধোঁৱা হৈ যাব হয়, হেঁপাহবোৰ হৈ ৰ'ব ছাঁই। এক দুঃসহ যন্ত্ৰণা।

○○○

স্মৃতিবোৰে হাবিয়াসৰ দিগন্তৰ পৰিধি বঢ়ায়। এইবাবেই তাই অপেক্ষাৰত। বৰ্তমানবোৰ কেৱল অতীতহে হয়। অতীতবোৰ ভৱিষ্যতৰ দুৱাৰডলি স্পৰ্শ কৰিবলৈ বৰ্তমানক দেও দি আহিব জানো পাৰে? তথাপি... ? প্ৰেম, মৰম, স্মৃতি এইবোৰক বাধা দি ৰখা যেন সম্ভৱপৰ নহয়েই...অসম্ভৱ তথা দুৰূহ।

—'তই যাবিনে? নে থ'বগৈ লাগিব?

—'নালাগে নিজেই যামগৈ'।

—'সঁচাকৈ ক'। গাড়ীত গৈ আকৌচোন খচকিব লাগিব'।

—'পাৰিম বুলি কোৱা নাই জানো??'

চন্দনক প্ৰয়াসীয়ে অৱশেষত হুকিয়াই গৈ। ইমান খং কিয় হ'ল বুজি নাপায় তাই। নিশ্চুপ হৈ ৰয় চন্দন। তাইলৈ এবোৰো নোচোৱাকৈ উভতি যায় সি। সি বুজে তাইক, তথাপি বুজিবলৈ ভয় কৰে। তাই অভিমানী তথাপি অভিমানবোৰ ভাঙিম বুলি যেন তাই সাহসেই নহয় আজিকালি। সমাজখনৰ খংবোৰ তাই তাৰ ওপৰতে জাৰে। বুজি পায় সি। আঁতৰ হওঁ বুলিও আঁতৰ হ'ব নোৱাৰা এটা সম্পৰ্কত দুয়োটা। অপেক্ষাৰত হাবিয়াসবোৰ বুকুত বান্ধি এটা দিনলৈ কোনেও নাজানে, এই কঁহুৱাৰ বুকুলৈ কিমান দূৰ??

অনুৰণনত অনুভৱে সাৰ পাই সজ্জ্বল দুচকুৰ প্ৰতিচ্ছবি। হাৰ মানিলে অৱশেষত। অতীতবোৰে গৰকিব নোৱাৰিলে বৰ্তমানৰ সপোন ভৱিষ্যতৰ পদূলিক। সমাজ নামৰ প্ৰাচীৰ খনৰ দুয়োপাৰে দুখন অভিন্ন হৃদয়ৰ আস্ফালন। তথাপি নীৰৱ। এক দুৰূহ সত্য। তাই যাবগৈ। অৰূপ শৰ্মাৰ লগত বিয়াৰ দিন ঠিক হ'ল আজি।

কঁহুৱাৰ বুকুলৈ কিমান দূৰ? কিমান দূৰত্বত শেষ হৈ ৰয় সুকুমল জীৱনৰ লাহেদৈ ৰেখা? অঙঠাৰ লেউসেউ হৈ ৰোৱা শীতৰ বতাহজাঁকিত আকোঁৰগোজ জুহালৰ কাঠখৰিডাল ধোঁৱাইছে। একোবাৰ ক'বলৈকে হৈছে, ইমান ধোঁৱা, চকুপানী ওলাই গৈছে। ধোঁৱাৰ দৰে উৰিবলৈও ই সক্ষম নহয়। ছাঁই হৈ তলতে পৰি ৰয়, আশাৰ জুমুঠিটো জ্বলাই থোৱাই আছিল যে। উশাহবোৰ ধোঁৱা হৈ যাব হয়, হেঁপাহবোৰ হৈ ৰ'ব ছাঁই। এক দুঃসহ যন্ত্ৰণা।

শীতৰ সেই ঠেৰেঙা লগা জাৰত ফেৰফেৰিয়া বতাহজাকে সকলোকে কোবাইছিল। নিশ্চুপ হৈ ৰৈছিল চন্দন। চন্দন বৰা। ডিক্ৰংপৰীয়া পথাৰডৰা সাবটি সি থৰ হৈ ৰৈ আছে। এটা সময়ত তাৰ চকুপানীবোৰেও গলিবলৈ আফচোচ কৰিছিল। হুমুনিয়াহে বুকুত খুন্দা মাৰি ধৰিছে। যেনেকৈ আৱেগবোৰ ভেটা দিব খুজিছে, সেই প্ৰাচীৰখনে। তাই যাবগৈ, আজি কাইলৈ নহ'লেও খুউব সোনকালে এদিন।

লাহে লাহে শুকান নৰাৰ পথাৰখন চকুৰে নমনা হৈ আহিছে। এনেকৈয়ে সম্পৰ্কবোৰ আন্ধাৰত অতীত হয়। মনৰ বাকৰিত ঃ কঁহুৱাৰ বুকুলৈ দূৰ মাথোঁ ইমানেই। মেৰুণ ৰঙৰ কঁহুৱা সি।

○○○

২

# এটা কেঁচা চেকাৰ আঁত ধৰি

○○○

ভবামতে কথাবোৰ হৈ গৈ থকা নাই। ভালপোৱা ভাল লগাবোৰত যতি পৰিলগৈ চাগে। যেনেকৈ এতিয়া শুকান ফাগুনৰ ধূসৰ উশাহ। যেন মইজনীও বন্দী হৈ গৈ আছোঁ সূতা ছিগা চেৰেকীৰ পাকত।

দৈনন্দিন পাৰভগা বানত নিজেই নিজৰ আশ্ৰয়। নাৰী মই। কাজলীত সমাজৰ অখজা চেকাৰ ভয়। মাজৰাতিৰ উচুপনিত কেতিয়াবা নিজেই শিঁয়ৰি উঠোঁ। তথাপিও দুহাতত সমাজৰ মেৰপেচ।

মোৰ সপোনতো সোণাৰু ফুলিছিল। মোৰ দুহাততো হালধী সানিছিল। একচত্ৰী আছিলোঁ সপোন ৰাজ্যৰ। ভাল পাইছিলোঁ তাক। নিজতকৈ বহু বেছিকৈ। সঁচাকৈ আৰু সিও যেন ফাগুনৰ আবিৰৰ দৰে ৰঙীণ প্ৰেম।

ঃ এই কি ভাবি আছা, অথনিৰে পৰাহ যে মাতি আছোঁ শুনা নাই নে কিনো? চোৱানা মোক দেউতাই ফ্ৰক আনি দিলে।

ভতিজী উন্মনাৰ মাতত বৰ্তমানলৈ ঘূৰি আহিলোঁ মই।

ঃ খুউব ধুনীয়া লাগিছে। এনেকুৱা ৰঙা চোলা ময়ো পিন্ধিছিলোঁ জানা। ষ্টাইলটো বেলেগ আছিল বাৰু। তুমি পিন্ধা মই ধুনীয়াকৈ ফটো উঠাই দিম হা।

তাইক পঠিয়াই মনত পৰিল দেউতাকে দিয়া ৰঙা চোলাটোৰ কথা। এবাৰ সেইটো পিন্ধাৰ দিনাই ময়ো ৰঙা হৈছিলোঁ। লাজবোৰ বাঢ়িছিল আগতকৈ। সাতদিনৰ মূৰত স্কুললৈ যাওঁতে লগৰবোৰে বৰকৈ জোকাইছিল আৰু সেইদিনাই তাৰ লগত চকুত চকু পৰিছিল। তেতিয়া ওচৰতে কৃষ্ণচূড়াজোপা ফুলি আছিল।

ঘৰৰ সন্মতিতে বিয়াত বহিছিলোঁ। দুবছৰ ডাঙৰ সি মোতকৈ। সেই স্কুলৰ প্ৰেমে কেতিয়াবাই বিদায় মাগিলে। নতুন দৰা নতুন মানুহ নতুন ঘৰ। পুৰণা সেই কৃষ্ণচূড়াৰ কাষত বহা ল'ৰাটোলৈ চেৰেং চেৰেংকৈ মনত পৰিছিল মোৰ ৰভাতলতো। দুচকুৰ প্ৰেম দুচকুতে সীমাবদ্ধ হৈ ৰ'ল।

চাইকেল চলাই বৰ কষ্ট কৰিলোঁ কলেজ পাৰ হোৱালৈকে।

বগা চাদৰত চেকা নলগাত মোক চৰিত্ৰহীনা বুলি অভিশপ্ত কৰা হ'ল। হতবাক মই। উপায়হীন মই। নতুন ঘৰত নতুন বদনাম। নতুন হ'ল জীৱন।

সঁচাকৈ এখন ঘৰৰ সপোন ৰাজ্যৰ নায়িকা আছিলোঁ মই আৰু আজি হাহাকাৰ সেই নোহোৱা চেকাটো লৈ।

আজি শুনিছিলোঁ—তেওঁ হেনো নতুনকৈ বিয়া কৰাব। অথচ্ সন্তানসম্ভৱা মই আৰু মোৰ আকৌ বগা বিচনাৰ চেকাতে সীমাৱদ্ধ তেওঁ।

○○○



# ওভতনি যাত্ৰা

**ৰিকুশ্ৰী চেতিয়া**
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

সকলো কৰ্তব্য সমাপন কৰি এক্ষন্তেকৰ বাবে বাৰাণ্ডাৰ চকীখনত বহি পৰিল অৰুণিমা বৰুৱা। দীঘল-দীঘলকৈ নিশ্বাস এৰি তাই ভাবিলে আজি তাই যাবগৈ। নাইট চুপাৰৰ টিকট কটা হৈ গ'ল। অজানিতে বুকুৰ কোনাবাখিনিত হাহাকাৰ কৰি উঠিল, চকু দুটাও তাইৰ সেমেকি উঠিল।

বছৰ বাগৰাৰ লগে লগে অৰুণিমা মাতৃ হৈছিল এটি কন্যা সন্তানৰ। ছোৱালীজনীক স্কুলত দিবৰ সময় হ'ল। তেওঁলোকে গুৱাহাটীত নিজাকৈ এখন ঘৰো কৰি লৈছিল।



এই কেইদিন ব্যস্ততাৰ মাজত তাইৰ এই যাত্ৰাই তাইৰ বাবে হয়তো আপোন ঘৰখনৰ পৰা বিদায় লোৱা শেষ যাত্ৰা। ভাৱত তন্ময় হৈ থাকোঁতেই অৰুণিমাৰ হঠাৎ চোতালৰ মূৰৰ বকুলজোপাত চকু পৰাত অতীতৰ ল'ৰালি দিনবোৰ মানস পটত ভাঁহিবলৈ ধৰিলে। সৰুতে এদিন তায়ে ৰুইছিল বকুলৰ পুলিটো আৰু আজি ফলে-ফুলে জাতিষ্কাৰ এজোপা প্ৰকাণ্ড গছ। এইখন চোতালৰ প্ৰতিটো ধূলিকণাই তাইক চিনি পাইছিল। লগৰ লগৰীয়াৰ লগত উমলি-জামলি কত যে আনন্দৰ মাজেৰে শৈশৱৰ দিনবোৰ পাৰ কৰিছিল। এইখনেই মৰমৰ ঘৰ যিখন ঘৰত তাইৰ জন্ম, যিখন ঘৰত তাইৰ অতিবাহিত হৈছিল। কাৰো সুখ-দুখৰ প্ৰতি লক্ষ্য নাৰাখি মহাকালৰ বুকুত সময় অবিৰাম গতিৰে ধাৱিত হৈছে। সময় ৰৈ থকা নাই অৰুণিমাৰ বাবেও।

মাক-দেউতাক আৰু অৰুণিমা, ঘৰখনত তিনিটা প্ৰাণী। খেতি-বাতি, দেউতাকে শিক্ষকতা কৰা টকাৰেই ঘৰখন সুন্দৰকৈ চলি যায়। কোনোদিনেই অভাৱৰ সন্মুখীন হোৱা নাছিল। মাক-দেউতাকৰ একমাত্ৰ সন্তান হোৱা হেতুকে যথেষ্ট মৰম-চেনেহৰ মাজত তাই ডাঙৰ দীঘল হৈছিল। কোনো দিনে কোনো কথাতেই তাই মাক-দেউতাকৰ অবাধ্য হোৱা নাছিল। দেউতাকে দেখুৱাই দিয়া সৎ আদৰ্শৰেই অৰুণিমাই জীৱনৰ বাট বুলিছিল। শিক্ষা-দীক্ষা সাং কৰাত উপযুক্ত বয়সত অৰুণিমালৈ বহুতো বিয়াৰ প্ৰস্তাৱ আহিছিল। অৰুণিমাইহে বিয়া নামৰ প্ৰস্তাৱটোত বৰকৈ ভয় খাইছিল কাৰণ বিয়াহে লোকৰ ঘৰ এখনলৈ গুচি যোৱাৰ পিছত মাক-দেউতাক তেনেই নিঠৰুৱা হ'ব। সেই কথা ভাবি তাই মাক-দেউতাকৰ আগত তাইৰ মনৰ কথা ব্যক্ত কৰাত তাইক মৰমেৰে বহুতো বুজনি দিছিল। দেউতাক এজন আত্মনিৰ্ভৰশীল অতি স্বাভিমান ব্যক্তি আছিল। দেউতাকে তাইক কৈছিল আমাৰ কথা চিন্তা কৰি যদি তুমি বিয়াত নবহা আমাৰ মৃত্যুৰ পিছত তোমাক কোনে চাব? তাইয়ে বিয়াত নবহিলে দেউতাকে মৰ্মান্তিক আঘাট পাব সেই কথাও তাইক কৈছিল। এদিন দেউতাকৰ কথা ৰক্ষা কৰিয়েই অৰুণিমা বিয়াত বহিছিল এজন সুযোগ্য পাত্ৰৰ সৈতে। কৰ্মসূত্ৰে বিয়াৰ পিছত অৰুণিমাই স্বামীৰ সৈতে অসমৰ বিভিন্ন ঠাইলৈ বদলি হৈছিল। তাৰ মাজত তাই মাক-দেউতাকৰ খা-খবৰ সঘনাই লৈ আছিল। তাইৰ স্বামীৰো শাহু-শহুৰৰ প্ৰতি অগাধ ভক্তি আছিল। দেউতাকে তাইক এদিন কৈছিল তোমাক বিয়া দি মই নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰিছোঁ। মোৰ পুত্ৰৰ অভাৱ জোঁৱায়েই পূৰণ কৰিছে।

বছৰ বাগৰাৰ লগে লগে অৰুণিমা মাতৃ হৈছিল এটি কন্যা সন্তানৰ। ছোৱালীজনীক স্কুলত দিবৰ সময় হ'ল। তেওঁলোকে গুৱাহাটীত নিজাকৈ এখন ঘৰো কৰি লৈছিল। তেওঁলোকৰ বিয়াৰ কেইবছৰমান পাছতে মাকৰ মৃত্যু হ'ল। মাকৰ মৃত্যু হোৱাত দেউতাক বৰ অকলশৰীয়া হৈ পৰিছিল। কেউফালে আন্ধাৰৰ ঘন কুঁৱলিৰ মাজত সেই সময়ত পোহৰৰ ৰেঙণি হৈ ভুমুকি মাৰিছিল দূৰ সম্পৰ্কীয় এজন কাকয়েকৰ পুতেক। দেউতাকৰ সকলো দায়িত্ব লৈছিল তেঁৱেই। অন্ততঃ অৰুণিমাই অলপ সকাহ লভিছিল। মাকৰ মৃত্যু হোৱাত তাই দেউতাকক তেওঁলোকৰ লগত গুৱাহাটীৰ ঘৰখনত থাকিবলৈ বৰকৈ খাতিৰ কৰিছিল। কিন্তু দেউতাকক কোনো পধ্যেই মান্তি কৰাব নোৱাৰিলে। নিজৰ ঘৰখনতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰিব আৰু চাবলৈ ককায়েকৰ পুতেক বোৱাৰীয়েকো আছেই। অৰুণিমাই বৃদ্ধ বয়সত দেউতাকক সেৱা-শুশ্ৰূষা কৰি আদৰ-যত্ন ল'ম বুলি ভাবিছিল যদিও দেউতাক অমান্তি হোৱাত মনত বেজাৰ পালে আৰু জোৰ নকৰিলে। কাৰণ তাই দেউতাকক ভালকৈ বুজি পায়। আন দহজন ব্যক্তিৰ লগত তেওঁৰ দেউতাকৰ আদৰ্শৰ পাৰ্থক্য আছে। এই ঠাইখনৰ লগত এই ঘৰখনৰ লগত দেউতাকৰ বহু সুখৰ-দুখৰ স্মৃতি জড়িত হৈ আছে।

ছোৱালীজনী স্কুলত দিয়াৰ পিছত অৰুণিমা আজিকালি বৰ ব্যস্ত। প্ৰাইভেট স্কুল, ছুটী কম তাতে আকৌ প্ৰতিযোগিতাৰ দিন। মুঠতে অৰুণিমাই আগৰ দৰে দেউতাকৰ ওচৰলৈ গৈ খবৰ ল'বলৈ আহৰি নাই। তথাপিও ফোনযোগে প্ৰতিদিনে দেউতাকৰ খবৰ ৰাখে। দুদিনমানৰ পৰা দেউতাকে তাইক ফোনত কৈ আছে গাটো ভাল লগা নাই। হাই ব্লাড প্ৰেচাৰৰ লগতে বহু কিবা কিবি ধৰা পৰিছে। অৰুণিমাই ভাবিলে ছোৱালীজনীৰ পৰীক্ষা শেষ হ'লেই তাই দেউতাকক লৈ আহিবগৈ উন্নত চিকিৎসাৰ বাবে। ভাবি থাকোতেই অৰুণিমাই জীৱনৰ আটাইতকৈ মৰ্মান্তিক দুঃসংবাদটো পালে দেউতাক আৰু নাই।

○○○



# চাফিয়া

**কল্যাণী দত্ত**
স্নাতক চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ

চাফিয়া, ক'ত আছ তই? আহিছনে এইফালে? চাফিয়া...চাফিয়া...। বহু দেৰি মাত দিয়াৰ পাছতো চাফিয়া ওলাই নহা দেখি মিষ্টাৰ বৰা অলপ চিন্তিত হ'ল। গোটেই ঘৰটো বিচাৰি শেষ কৰিলে তেওঁ, পিছে চাফিয়াৰ কোনো শুং-সূত্ৰ নাই।

চাওঁ আঁতৰি দিয়ক, গাড়ীত ভালদৰে বঢ়িব নাজানে নেকি? কাষৰ যাত্ৰীজনৰ মাততহে মিষ্টাৰ বৰাই বৰ্তমানলৈ ঘূৰি আহিল। যিজনী ছোৱালীক তেওঁ ইমান বেয়া ব্যৱহাৰ কৰিছিল, ইমান মাৰপিট কৰিছিল, আজি সেইজনী ছোৱালী নোহোৱা হোৱাত ইমান চিন্তিত কিয় তেওঁ?

ডেৰ বছৰ আগৰ কথা। যেতিয়া তেওঁ চাফিয়াক গাঁৱৰ পৰা লৈ আহিছিল ঘৰৰ বন কৰা ছোৱালী হিচাপে, তেতিয়া তাইৰ সাত কি আঠ বছৰ হৈছিল। তেতিয়াৰ পৰাই তাই তেওঁৰ পত্নীৰ প্ৰতিটো কথাই আখৰে আখৰে মানি গৈছিল। কিমান যে চৰ খাইছিল তাই। তথাপি এষাৰো মাত মতা নাছিল চাফিয়াই। তেওঁলোকৰ একমাত্ৰ সন্তান প্ৰেৰণাই কৰা প্ৰতিটো ভুল মূৰ পাতি লৈছিল তাই। প্ৰতিটো বিহুত যেতিয়া প্ৰেৰণাক নতুন নতুন কাপোৰ আনি দিয়ে তেতিয়া কণমাণি চাফিয়াজনীৰ মনটোত কিহৰ আন্দোলন হৈছিল এবাৰো ভাবি চোৱা নাছিল তেওঁ।

মনৰ ইচ্ছাৰে একো কাম কৰিবলৈ দিয়া হোৱা নাছিল চাফিয়াক। সকলো কামতে মাৰধৰ, হকা-বাধাহে পাইছিল তাই। দিনত সকলোকে সন্তুষ্ট কৰি থকা চাফিয়াই ৰাতি হ'লে চট্‌ফটাই উঠিছিল, ভাবি ৰৈছিল পাখি মেলি উৰিব খোজা মনটো কিদৰে বান্ধি থয় তাই? পিছে কাকো কোৱা নাছিল তাইৰ মনৰ কথা। চাফিয়াই মুখ খুলি একো নক'লেও প্ৰেৰণাই কিন্তু বুজি উঠিছিল নিমাখিত চাফিয়াৰ মনৰ বিদ্ৰোহ। সেয়ে হয়তো মাক-দেউতাক নথকাৰ সুযোগতে দুয়োজনী লগ খায় বহু কথাই পাতি পেলায় সিহঁতে।

সেইজনী মৰমৰ চাফিয়া নাইকিয়া হোৱাৰ পাছতো কিন্তু আজি প্ৰেৰণাৰ মুখত দুখৰ ছাঁ অলপো দেখা পোৱা নাই। হয়তো প্ৰেৰণাই চাফিয়াক হেৰুৱাৰ দুখতকৈও চাফিয়াৰ মুক্তিত অধিক সুখী হৈছে।

ইমান বিচৰাৰ পাছতো চাফিয়াক বিচাৰি পোৱা নগ'ল। চাফিয়াক বিচাৰি নোপোৱাৰ কথাটোতকৈ ইমান ডাঙৰ দেৱাল থকা সত্ত্বেও, ইমান ডাঙৰ তলা লগোৱা গেট পাৰহৈ চাফিয়া কেনেদৰে বাউণ্ডেৰী পাৰহৈ গ'ল সেই কথাইহে মিষ্টাৰ বৰাক বেছি চিন্তিত কৰিছে। ভাবি ৰৈছে তেওঁ কোনে চাফিয়াৰ মুক্তিৰ যুদ্ধখন তাইৰ মনত ভৰাই দিলে। প্ৰেৰণাই নেকি?

○○○

আৰক্ষীৰ কাৰ্যকলাপে কোনো নতুন মূৰ নোলোৱাত তেনেকৈয়ে পাৰ হৈছিল দিনবোৰ। সেইদিনাও অত্যাচাৰী পিশাচকেইটাই অত্যাচাৰ চলাই শুই পৰিছিল আৰু সেই সুযোগতে মেৰিণাই ওলাই আহিছিল বাংলাটোৰ পৰা।

# মুক্তি

**জয়শ্ৰী ফুকন**

স্নাতক চতুৰ্থ যাণ্মাসিক, গণিত বিভাগ

উজুটি খাই পৰি মূৰৰ পৰা তেজ সৰসৰকৈ বৈ আহিল মেৰিণাৰ। আজি চল্লিশটা দিনৰ পিছত মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সুযোগটো পাই পুহৰ ঠেৰেঙা লগা ৰাতিৰ শেষ নিশা তাই হাতত সাৰে ভৰিত সাৰে লাহে লাহে দৌৰ দিছিল চহৰখনৰ এক নম্বৰৰ ব্যৱসায়ী দীননাথ চাহাবৰ পুৰণা ফেক্টৰীৰ পৰি থকা বাংলাটোৰ পৰা। কিন্তু অনাহাৰী, লাঞ্চিত, ধৰ্ষিতা থৰক-বৰক খোজত সামান্য শিলতে উজুটি খাই পৰিল মেৰিণা।

মেৰিণা—এজনী যৌৱনত ভৰি দিয়া যোল্ল বছৰীয়া, দীননাথ চাহাবৰ ফেক্টৰীৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী মিনাৰাম পাণ্ডৰ জীয়েক। মিনাৰামৰ দৰে খ্ৰীষ্টান বস্তিটোৰ সকলো পৰিয়ালে দীননাথৰ ফেক্টৰীত খাটি খাই জীৱন নিৰ্বাহ কৰিছিল। চতুৰ্থবৰ্গৰ কৰ্মচাৰী হোৱা হেতু দীননাথৰ ফেক্টৰীৰ নিশাৰ ভাগৰ অনেক কাৰ্যৰ সাক্ষী হয় মিনাৰাম। চাহাবে সেয়ে টকা-পইচা দি মিনাৰামক হাতৰ মুঠিত ৰাখিছিল।

সকলোবোৰ সাধাৰণভাৱেই চলি থকা তেনে এটা ৰাতিত আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি দীননাথৰ ফেক্টৰীৰ সকলো দুই নম্বৰী বেহাক ধৰা পেলাবলৈ সক্ষম হ'ল আৰু পহৰাদাৰ হিচাপে থকা মিনাৰামক কৰায়ত্ত কৰি লক্‌আপত ভৰালেগৈ। সকলো দেখি দীননাথ চাহাবে মিনাৰামৰ মুখ বন্ধ কৰিবলৈ গুণ্ডা বাহিনীৰ হতুৱাই মেৰিণাক অপহৰণ কৰি লৈ গ'ল পুৰণা ফেক্টৰী, আওহতীয়া, চহৰৰ পৰা নিলগৰ বাংলাটোলৈ। আৰু চল্লিশটা দিনলৈকে, ঘটনাৰ কোনো সমাধান নোহোৱালৈকে মেৰিণাক তাতে ৰখা হ'ল। নৰপিশাচহঁতৰ অত্যাচাৰৰ বলি হৈও পিতৃৰ মুক্তিৰ অপেক্ষাত ৰৈ থাকিল মেৰিণা। আৰক্ষীৰ কাৰ্যকলাপে কোনো নতুন মূৰ নোলোৱাত তেনেকৈয়ে পাৰ হৈছিল দিনবোৰ। সেইদিনাও অত্যাচাৰী পিশাচকেইটাই অত্যাচাৰ চলাই শুই পৰিছিল আৰু সেই সুযোগতে মেৰিণাই ওলাই আহিছিল বাংলাটোৰ পৰা।

ভোকে জৰ্জৰিত দেহা, মূৰৰ পৰা বৈ অহা তেজ লৈ, চকুৰে ধুঁৱলি-কুঁৱলি দেখি থৰক-বৰককৈ আগবাঢ়ি ৰাষ্ট্ৰীয় ঘাইপথত উঠিলহি মেৰিণা। শেষ নিশা কুঁৱলিয়ে সকলো ঢাকি পেলাইছে। গোটেই পৃথিৱী শুই পৰিছে, নিতাল-নিস্তব্ধ পৰিৱেশ জয়াল কৰি ফেঁচা এটাই চিঞৰি থৈ পুৰণি বাংলাৰ ফালে হাবিলৈ গুচি গ'ল। হঠাৎ দ্ৰুতবেগী এখন ট্ৰাকে খুন্দিয়াই গুচি গ'ল মেৰিণাক।

ৰাতিপুৱা ৰাস্তাটোত চিটিকি থকা দেখা গ'ল মেৰিণাৰ ক্ষত-বিক্ষত শৰীৰ...।

○○○

# ডেউকা ভগা পক্ষীৰ সংগ বিচাৰি

**ময়ূৰী তামুলী**
স্নাতক দ্বিতীয় যাণ্মাসিক, অসমীয়া বিভাগ

তাই গুচি গ'ল। পৃথিৱীৰ মায়া-মোহ ত্যাগ কৰি। কিন্তু তাৰ বাবে মইতো দায়ী হ'ব নোৱাৰোঁ। যদি হওঁ? ভয় লাগে। কিয় নিশিকিলে তাই সমাজখনৰ সৈতে খোজ মিলাই ভৱিষ্যতৰ সপোন দেখিবলৈ? বৰ্তমানৰ সমাজ ব্যৱস্থাৰ লগত খাপ খাবলৈ কিয় অলপো চেষ্টা নকৰাকৈ গুচি গ'ল স্নেহা। হয়তো তাই ভাবিছিল যে মই তোৰ বান্ধৱী হ'লেও সহায় নকৰিম নতুবা ধৰা পৰাৰ ভয়ত। কিন্তু সমাজখনতো এনেকুৱাই। কাৰো লগত কোনেও সময় অপব্যয় নকৰে। এইবোৰ দেখি-বুজিও তই...তইতো মোতকৈও বেছি জানিছিলি কিয় তই সমাজৰ ৰীতি-নীতি ব্যৱস্থাৰ লগত খাপ খাই জীৱনটোক আনৰ হাতত হেৰাই যাবলৈ নিদিলি? কি লাভ হ'ল তোৰ বা আনৰ বা মা-দেউতাৰ? বা সমাজখনৰ? লাভৰ মূৰত তোৰ লগতে আন দহজনী স্নেহা আজি দুৰ্বল মনৰ হৈ পৰিছে। যাৰবাবে আমি সকলোৱে প্ৰশ্ৰয় দিছোঁ সেইচাম দস্যুক।

এজনী নাৰী হৈ কিয় ইমান অসহনশীল আজি তই? নাৰীতো অমোঘ শক্তিৰ গৰাকী। যি শক্তি আন কাৰো হাততে নাই, তই পাহৰি গ'লি। এনেকৈ যদি তোৰ দৰে নাৰী শক্তি পলায়ন কৰে, বাস্তৱৰ সন্মুখীন হ'ব নোৱাৰে, তেন্তে কি কাৰণে এই শক্তি? তইতো হাজাৰ পক্ষীৰ ডেউকা ভগা এজনী অসহায়...তই শান্তিত বিচৰণ কৰি আছ আৰু মই তই কৰি যোৱা পাপ সাগৰত ডুবি এডিঙি পানীত কক্‌বকাই ফুৰিছোঁ। হাজাৰবাৰ পৰিত্ৰাণ পাবলৈ চেষ্টা কৰিও যেন মই অপাৰগ। ভাগৰি পৰিছোঁ নিজৰ জীৱনৰ কাৰ্যপ্ৰণালীত মন বহুৱাবলৈ। যদিও বহু বছৰৰ আগৰ কথা। তথাপি মই পৰা নাই তাক মনৰ মাজৰ পৰা আঁতৰাই ৰাখিব। কিন্তু মই মনক ভাঙি পৰিবলৈ দিয়া নাই, মই তোৰ দৰে হ'ব নোৱাৰোঁ, মই প্ৰাচীৰ ভাঙিবলৈ শক্তি বান্ধিছোঁ দেহ তথা মনত। অজস্ৰ শক্তি গোটাই বিচাৰোঁ ভেদ কৰিবলৈ নাৰী শক্তি হেলাৰঙে। হয়তো কৰিছোঁও...

আজি যদি তই থাকিলিহেঁতেন হয়তো আমাৰ (তোৰ) দিনতকৈও বেছি দস্যু-দানৱে ভৰি পৰা দেশ দেখিবলৈ পালিহেঁতেন। মই তোৰ অপেক্ষাত আছোঁ আজিও, যাতে তোক মই সাহসী হ'বলৈ শিকাব পাৰোঁ। তইতো সজাৰ বন্দী পক্ষী আছিলি আৰু বৰ্তমান প্ৰজন্ম মুক্ত বিহংগ। পুনৰ মনত পৰে, আমাৰ সেই দিনবোৰলৈ স্মৃতিবোৰে আমনি কৰে। সেই যে আমাৰ লগৰ নমিতা, অনিমাহঁত...তোক বহু কথাই ক'বলৈ আছে। কেতিয়া আহিবি...?

কিন্তু মই মনক ভাঙি পৰিবলৈ দিয়া নাই, মই তোৰ দৰে হ'ব নোৱাৰোঁ, মই প্ৰাচীৰ ভাঙিবলৈ শক্তি বান্ধিছোঁ দেহ তথা মনত। অজস্ৰ শক্তি গোটাই বিচাৰোঁ ভেদ কৰিবলৈ নাৰী শক্তি হেলাৰঙে।

○○○



# জীৱনৰ এক নতুন দিশ

**মনালিছা বৰুৱা**
স্নাতক ষষ্ঠ যাণ্মাসিক, অৰ্থনীতি বিভাগ

ব'হাগ বিহুৰ উৎকণ্ঠা তেতিয়াও মনৰ পৰা আঁতৰি যোৱা নাছিল। ঠায়ে ঠায়ে ব'হাগী মেলা, বিহু সন্মিলনী, ব'হাগী বিদায় বিভিন্ন ঠাইত অনুষ্ঠিত হৈ আছিল। যেন ব'হাগ বিহু পূৰ্ণ গতিত চলি আছিল। গধূলি হ'লে ক'ৰবাত বিহু সন্মিলনী চোৱা, পিছদিনা দিনৰ দিনটো টোপনি মৰা, তাৰ পিছত আকৌ ক'ত ফাংচন আছে তাৰ খবৰ লোৱা ইত্যাদিবোৰ মাজেৰেই লাহে লাহে গ্ৰাম্য জীৱনৰ ব্যস্ততা আহি পৰিছিল।

গাঁওখনৰ বেছিভাগ মানুহ খেতি-বাতিৰ লগত জড়িত। জেঠৰ আৰম্ভণিতে দুই-এজাক বৰষুণ পৰিছিল। লগে লগে সকলোৱে পথাৰৰ কামত ব্যস্ত হৈ পৰিছিল। কঠীয়া সিঁচা আৰু গৰু চৰোৱা কামটো আহি পৰিছিল। দৰিদ্ৰতা, অভাৱ-অনাটনে জুৰুলা কৰা মানুহবোৰে দুবেলা-দুমুঠি খাবৰ বাবে কিমান যে কষ্ট কৰিব লগা হয়। সিহঁতৰ ভাবিবলৈ সময় নাথাকে সিহঁতৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ কি হ'ব। সিহঁতৰ পঢ়া-শুনাৰ দিশবোৰত চকু দিবলৈ আহৰি নাই। দুবেলা দুমুঠি খুৱাব পাৰিলেই, পিন্ধিবলৈ এসাঁজ কাপোৰ দিব পাৰিলেই দায়িত্ব শেষ।

গাঁওখন ৰাতুলৰ বৰ আপোন। বহু কষ্টেৰে, অভাৱ-অনাটনৰ মাজেৰে পঢ়া-শুনা কৰি সি তাৰ কলেজীয়া শিক্ষা সমাপ্ত কৰিছিল। সুখ্যাতিৰে ডিগ্ৰী লৈও উচ্চ শিক্ষাৰ বাবে যাব নোৱাৰিলে দৰিদ্ৰতাৰ কাৰণে। তাৰ পিছতো সি হতাশ হোৱা নাছিল। জীৱনৰ অসম্পূৰ্ণতাক স্বীকাৰ কৰি লৈছিল। তাৰ ডিগ্ৰীৰ উচিত মূল্য বিচাৰি এটা চাকৰিৰ বাবে সি চৰকাৰী অফিচৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিবলগীয়া হৈছে।

অৱশেষত ৰাতুলৰ শ্ৰম সাৰ্থক হ'ল। তাৰ শিক্ষাৰ মূল্য পালে। হঠাতে গাঁৱৰ স্কুলখনৰ এজন শিক্ষকে অৱসৰ গ্ৰহণ কৰাৰ বাবে সুবিধাটো আহি গ'ল। অৱশ্যে ৰাতুলৰ সাফল্যত গাঁৱৰ ৰাইজৰ বহুত সমৰ্থন আছিল। সৰুৰে পৰা অভাৱ-অনাটনত, দুখ-কষ্টৰ মাজেৰে ডাঙৰ-দীঘল হৈছিল। পঢ়িবলৈ এখন টেবুল নাছিল। সেয়ে কোনো দিন সি ৰঙীণ সপোন ৰচা নাছিল। সিহঁতৰ দৰে অভাৱ-অনাটনত জুৰুলা হোৱা, কাহানিও প্ৰসাধন সামগ্ৰীৰ গোন্ধ নোপোৱা মানুহৰ বাবে কি ৰঙীণ সপোন থাকিব পাৰে? তথাপিতো সি হেৰুওৱা নাছিল আত্মচেতনা, মনোবল আৰু ধৈৰ্য। ইয়াৰ আঁৰত আছিল ৰেখাৰ মৰম-ভালপোৱা আৰু অসীম প্ৰেৰণা। ৰেখা তাৰ জীৱনলৈ বহু পলমকৈ আহিছিল যদিও অতি কম সময়ত তাইৰ হৃদয়ৰ মৰম-ভালপোৱাই তাক জীয়াই থকাৰ প্ৰেৰণা দিছিল। সি স্বীকাৰ কৰে যে শেহতীয়াকৈ তাৰ জীৱনত যি পৰিৱৰ্তন ঘটিছে, একমাত্ৰ ৰেখাৰ সঁচা মৰম, ভালপোৱা, আন্তৰিকতা আৰু প্ৰেৰণাৰ বাবে। তাইক নোপোৱা হ'লে সি আজি এখন মুকলি পথাৰৰ মাজৰ অকলশৰীয়া এজোপা গছ হৈ থাকিলেহেঁতেন। যাক উভালি পেলাব নোৱাৰিলেও জোকাৰি জোকাৰি লঠঙা কৰি পেলালেহেঁতেন এজাক কাল ধুমুহাই। ৰেখাৰ বাবেই সি এতিয়া জীয়াই আছে, জীৱনৰ এটা নতুন পথ পাইছে, জীৱনত কিবা এটা কৰাৰ সপোন দেখিছে, আগবাঢ়ি যোৱাত সহায় হৈছে।

ৰাতিপুৱা কাম-বন শেষ কৰি গা-পা ধুই ভাত খোৱাৰ পাছত কৰিবলৈ একো নাথাকেই। বৰ আমনি লগা সময় এইখিনি। শুই থাকিবলৈও ভাল নালাগে। স্কুলীয়া জীৱনটো সঁচাকৈ ভাল আছিল। অন্ততঃ সময়খিনি ব্যস্ত হৈ থাকিব পাৰিছিল। আজিকালি সময়বোৰ নাযাই-নুপুৱায়। কিয় জানো নিজকে বৰ অকলশৰীয়া যেন অনুভৱ হয়। জীৱনত পাই হেৰুওৱাৰ বেদনাবোৰে বৰকৈ আমনি কৰে। বুকুখন কেতিয়াবা ভাঙি-ছিঙি যায়। একেবাৰে নোপোৱাখিনি হৃদয়ে অনুভৱ কৰিব নোৱাৰে, কিন্তু পাই হেৰুওৱা বেদনা বৰ যন্ত্ৰণাদায়ক, সহ্য কৰিবলৈ বৰ টান।

ৰেখাই এইবোৰ কথাকে ভাবি ভাবি অকলশৰে বহি থাকে। অনুভৱ কৰে এখন ভগ্ন হৃদয়ৰ যন্ত্ৰণা, হিচাপ কৰে জীৱনত পোৱা-নোপোৱাবোৰ। ৰেখাৰ নিসংগতা দূৰ কৰি তাইৰ কামত সংগ দিলে ৰাতুলে। ৰাতুলে তাইক সদায় কৈছিল, বুজাইছিল জীৱনৰ অভিজ্ঞতাৰে। জীৱন নামৰ সাগৰখনৰ কথা, কেনেকৈ লক্ষ্যহীন জীৱন ব'ঠাহীন নাৱৰ দৰে



অৱশেষত ৰাতুলৰ শ্ৰম সাৰ্থক হ'ল। তাৰ শিক্ষাৰ মূল্য পালে। হঠাতে গাঁৱৰ স্কুলখনৰ এজন শিক্ষকে অৱসৰ গ্ৰহণ কৰাৰ বাবে সুবিধাটো আহি গ'ল। অৱশ্যে ৰাতুলৰ সাফল্যত গাঁৱৰ ৰাইজৰ বহুত সমৰ্থন আছিল।

বিশাল জলৰাশিৰ মাজত টুলুং-ভুটুং কৰি থাকে, ভৱিষ্যৎ জীৱনৰ কথা। প্ৰেম ইচ্ছানুযায়ী কৰিব নোৱাৰি। ই অজানিতে হৈ যায়। কিন্তু বৰ্তমান প্ৰেমৰ সংজ্ঞা সলনি হ'ল। ই এতিয়া স্বাৰ্থ সিদ্ধিৰ আহিলা। বিনা স্বাৰ্থত কোনেও কাকো ভাল নাপায়। বৰ্তমানৰ মানুহে ভাবি-চিন্তি নিজৰ লাভৰ বাবে প্ৰেমৰ ব্যৱহাৰ কৰে।

ৰেখাই মাথোঁ শুনি যায়। তাইৰ হৃদয়ত এবুকু বেদনা। কিয় জানো তাৰ অনুপস্থিতিত তাইৰ অলপো ভাল নালাগে। তাৰ সৰল মনৰ বুকু স্পৰ্শ কৰি যোৱা বাস্তৱিক চিন্তাধাৰা তাইৰ ভাল লাগে। সি কৈ যায়—'জানা ৰেখা, আজিকালি প্ৰেমৰ ফলশ্ৰুতিত আৰম্ভ হৈছে সংঘাত, বিচ্ছেদ আৰু হত্যাকাণ্ড। ভালপোৱাতো ল'ৰা-ছোৱালীৰ মাজত ফেশ্যন হৈ পৰিছে। স্কুলৰ ডেওনা পাৰ নৌহওঁতেই বা কলেজৰ সময়ত অধিকাংশই ব্যস্ত হৈ পৰে যৌৱনত। সকলো ব্যস্ত হৈ পৰে জীৱনৰ আমেজভৰা নতুন অভিজ্ঞতা সংগ্ৰহত। এইসকলে ডেকা জীৱনৰ বেছিভাগ সময় নষ্ট কৰে প্ৰেমৰ নামত, যাৰ ফল বাৰুকৈয়ে ভুগিব লগা হয় ভৱিষ্যৎ জীৱনত। প্ৰেমক ম'বাইল ফোনে অধিক দ্ৰুতসম্পন্ন কৰি তুলিছে। বেছিভাগ সময় ম'বাইলত কথা পাতি, এছ.এম. এছ কৰি কটাইছে। জীৱনৰ গতিপথ সলনি কৰিছে।'

ৰেখাই ভাবে জীৱনটো এনেকুৱাই। নভবাবোৰ ঘটা নিবিচৰাটো পোৱা, বিচৰাটো নোপোৱা। এইবোৰৰ সমষ্টিয়ে জীৱন। বহুতে কয় জীৱন হেনো বোৱতী নৈৰ দৰে। কিন্তু নৈয়ে কাৰো বাধা নামানে। নিজৰ ইচ্ছামতেই বৈ যায় লক্ষ্যক ধিয়াই। জীৱন কিন্তু তেনে নহয়, লক্ষ্য হয়তো থাকিব পাৰে, কিন্তু নৈৰ দৰে ইয়াৰ গতি সাৱলীল নহয়। জীৱনে যিকোনো বিপদৰ সম্ভাৱনাৰ বুকুত সাৱটি গৈ থাকিবলগীয়া হয় নিজৰ পথেৰে। লক্ষ্য হয়তো থাকিলেও ক'ত, কেনে পৰিস্থিতিৰ সন্মুখীন হয় কোনেও নাজানে। জনাটোৱেই জীৱন।

ৰেখাই প্ৰায়ে মানসিক অস্থিৰতাত ভুগে। কিয় জানো কেতিয়াবা তাইৰ নিজকে এই পৃথিৱীৰ পৰা বিদায় দিবৰ মন যায়। তাই কেইবাবাৰো চেষ্টা কৰিছিল, কিন্তু নোৱাৰিলে। কেনেকৈ জীয়াই থাকে তাই? যদি জীৱনত ক'তোৱেই শান্তি নাই। প্ৰাণ খুলি হাঁহিব নোৱাৰে।

কৈশোৰ পাৰ হৈ যৌৱনত ভৰি নৌদিওঁতেই অভিৰ প্ৰেমত পৰিছিল। বহুত ভাল পাইছিল তাক, নিজতকৈয়ো বেছি, কিন্তু হঠাতে ৰেখাই গম পালে এদিন, অভিৰ তাইৰ বাহিৰেও টাইমপাছ কৰা এগৰাকী আছে। যিয়ে তাইক লগ কৰি বহু কথা শুনাইছিল। তাইক অভিৰ জীৱনৰ পৰা আঁতৰি যাবলৈ ভাবুকি দিছে। অভিয়ে হেনো তাইক বহুত ভাল পায়, দুয়ো দুয়োকে পাহৰিব নোৱাৰে। তাই দুখত ভাগি পৰিছিল। এনে লাগিছিল তাইৰ ওপৰৰ পৃথিৱীখন খহি পৰিছিল। কি কৰে একো ভাবি পোৱা নাছিল। অভিক লগ ধৰি সকলো কথা তাই কৈছিল। অভিয়ে কোনো উত্তৰ দিব পৰা নাছিল। সি লাহে লাহে তাইৰ কাষৰ পৰা আঁতৰি গৈছিল।



অকলশৰীয়া হৈ পৰিছিল ৰেখা। সপোনবিহীন উজাগৰী নিশাবোৰে তাইক বৰ কষ্ট দিছিল। কোনো নাছিল তাইৰ কাষত দুখৰ দিনৰ লগৰী হ'বলৈ। নিসংগতাকে সাৱটি লৈ দুখৰ মাজতে প্ৰতাৰিত হৈ বৰষাই সমগ্ৰ মানুহ জাতিটোৰ প্ৰতিয়ে আস্থা, বিশ্বাস হেৰুৱাই পেলাইছিল। বিচ্ছেদৰ আঘাতত মানুহজনী ইমানেই বিধ্বস্ত হৈ পৰিছিল যে, জীৱনৰ প্ৰতি থকা তীব্ৰ মোহ, প্ৰেম-ভালপোৱাবোৰ হেৰুৱাই পেলাইছিল। কোলাহলপূৰ্ণ পৰিৱেশতো নিজকে নিসংগ অনুভৱ কৰিছিল।

এনেকৈয়ে এদিন তাই ৰাতুলক লগ পাইছিল। তাৰ আগত সকলো কথা খুলি কৈছিল। সি তাইক বুজাইছিল 'প্ৰেমেই জীৱন নহয়। কাৰোবাৰ দ্বাৰা প্ৰতাৰিত হৈ নিজৰ জীৱনটো ধ্বংসৰ গৰাহলৈ ঠেলি নিদিবা। জীৱনটো কেৱল প্ৰেমৰ বাবে নহয়, জীৱনত সদায় নিজ পৰিচয় লৈ গঢ়ি তুলিবলৈ শিকা, অতীতে তোমাক বহুত দুখ দিছে সঁচা, কিন্তু তুমি সেই দুখৰ অতীতক পাহৰি যোৱা। এক নতুন ভৱিষ্যৎ গঢ়ি তোলা।'

অন্ধকাৰ নিশাত যেনেকৈ জোনে পোহৰাই ৰাখে তেনেকৈয়ে ৰাতুলৰ উপস্থিতিয়ে ৰেখাৰ জীৱন পোহৰাই দিছিল। সি তাইৰ দুখবোৰৰ লগত একাত্ম হৈ পৰিছিল। জীৱনৰ দুখজনক ঘটনাটো ঘটি যোৱাৰ পাছত আন কাৰোবাৰ লগত ঘনিষ্ঠতা কৰাৰ সাহস তাইৰ নাছিল। কিন্তু তাই ৰাতুলক আঁতৰাই পঠিয়াব নোৱাৰিলে। দুয়োজনে জীৱনক এটা নতুন ৰূপত গঢ়ি তুলিলে।

○○○

# পখিলাৰ দৰে ঘূৰি ফুৰা
# জুৰিৰ কাহিনী

**পল্লৱী বৰুৱা**
স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

মা মোক খুলি দে, মই ৰিমাহঁতৰ লগত খেলিবলৈ যাওঁ, মোক এৰি দে অ' মা। জুৰিৰ বিননি। 'মাজনী নালাগে তই যাব। কিয় পাগলামি কৰিছ? বুজচোন আমাৰ কথা।' মাকে ক'বলৈ ধৰিলে। কিমান কষ্ট দিয় তহঁতে মোক। কিয় আমাৰ সমাজে মোক অমংগলীয়া বুলি কয় মা? এই জুইয়ে পোৰাৰ দৰে মুখখন লৈ মোক জীয়াই কিয় ৰাখিছ মা? মোৰো খেলিবলৈ মন যায়। তহঁতৰ লগত আবেলি সেই কেন্দুগুৰি গাঁৱৰ কেন্দুজোপাৰ তললৈ যাবলৈ মোৰো মন যাই মা। ভাইটিক যে চবি আঁকিবলৈ শিকাম বুলি কৈছিলোঁ। শিকাবও নাপালোঁ অ' মা। মোক খুলি দে অ' মা। মা চাবি তই, যিদিনালৈকে মই প্ৰতিশোধ নলওঁ, সেইদিনালৈকে মই মুক্তি নাপাম। মা মোৰ নিজলৈকে বহুত পুতৌ জন্মিছে। মা তই শুনিছ নহয় মোৰ কথা? অ' মা মোৰ যে আগৰ ফটো কেইখন দেৱালত ওলোমাই থোৱা আছিল এতিয়াও আছেনে তাতে? তই কিন্তু তাৰপৰা ফটো কেইখন আঁতৰাই নথ'বি দেই। মোকনো কিয় সমাজে অমংগলীয়া বুলি কয়? মোৰতো একো ভুল নাছিল।

'বা তই মনে মনে থাক আলহী আহিছে। তোৰ কথা শুনিলে আলহীৰ আগত আমি লাজ পাব লাগিব।

'ভাইটী অ' ভাইটী শুনচোন মোক দৰ্জাখন খুলি দে অ'। অ' ভাইটী দেউতাৰ পৰা তই পইচা কেইটামান লৈ মোলে ডাঙৰ আইনা এখন আনিবিচোন। নিজক চাবলৈ মোৰো মন গৈছে। মোক সিহঁতে ধ্বংস কৰি পেলালে। সিহঁতৰ এটা এটাকৈ মোৰ ওচৰলৈ আহিছিল আৰু মোক সিহঁতে ব্যৱহাৰ কৰিছিল। বহুত চেষ্টা কৰিছিলোঁ তাৰ পৰা পলাই আহিবলৈ। মোৰ দৰে আৰু দহজনীমান ছোৱালী তাত আছিল। সিহঁতেও যে ইমান কষ্ট পাইছিল। মই কোনোমতে পলাই আহিবলৈ ধৰোঁতে ভাস্কৰে মোৰ গালে এচিড দলিয়াই দিলে অ'। তাক মই কোনোদিনে ক্ষমা নকৰোঁ। মই প্ৰতিশোধ লৈহে এৰিম। নহ'লে মোৰদৰে আৰু কিমানজনী ছোৱালীৰ যে কষ্ট হ'ব। সিহঁতৰ সপোন সপোন হৈয়ে ৰ'ব আৰু সমাজৰ এই শিক্ষিত ভদ্ৰতাৰ মুখা পিন্ধা লোকসকলে অমংগলীয়া বুলি চিৎকাৰ কৰিব।

'অ' জুৰি তই মনে মনে থাক। এজনী মাক হিচাপে তোৰ দুখবোৰ মই বুজি পাওঁ। তোৰ ওপৰত মোৰ দেউতাৰৰ বহুত বিশ্বাস আছে। তই চিন্তা নকৰিবি। তই এদিন মুক্তি পাবি। তোক মই দৰ্জা খুলি দিছোঁ। যা তই সেই ভদ্ৰতাৰ মুখা পিন্ধা ল'ৰাকেইটাৰ ওপৰত প্ৰতিশোধ লগে। আমাৰ আশীৰ্বাদ তোৰ লগত সদায় আছে।

মাকৰ কথামতেই জুৰি বাহিৰলৈ ওলাই গ'ল। তাইৰ মুখখন দেখি সকলোৰে ভয় খালে। পখিলাৰ দৰে নাচি ফুৰা ছোৱালীজনীৰ সেই অৱস্থা হ'ব বুলি কোনেও ভবা নাছিল। অলপ আগুৱাই যাওঁতেই ভাস্কৰ নামৰ লম্পটটোক লগ পালে। জুৰিয়ে সুধিলে—'ভাস্কৰ মোক বহুত ধুনীয়া লাগিছে নহয়নে? তই যে এচিড ঢালিছিলি। মনত আছে নে সেই কথা। আৰু কেইজনীৰ জীৱনৰ ধ্বংস কৰিবি তই? কি অপৰাধ কৰিছিলোঁ মই? তই কেতিয়াও শান্তি নাপাৱ। আজি যেনেদৰে তই মুকলি আকাশৰ তলত ফুৰিছ আৰু মই যেনেদৰে এটা বন্ধ কোঠাত আছোঁ তয়ো থাকিবি। এজনী অমংগলীয়া ছোৱালী হিচাপে শাও দিছোঁ তোক।

জুৰিৰ কথাত কাণসাৰ নকৰি ভাস্কৰ গুচি গ'ল। এনেকৈয়ে বহুত দিন পাৰ হ'ল। আনৰ দৰেই জুৰীয়ে পোৰা মুখখন লৈ ঘূৰি থাকিল। তাই নানা পৰীক্ষা দিলে আৰু এদিন তাই এজনী ডাঙৰ অফিচাৰ হ'ল আৰু সেইদিনাই ভাস্কৰৰ কেন্সাৰ হৈ মৃত্যু ঘটিল। সকলোৰে তাইক সম্বৰ্ধনা জ্ঞাপন কৰিলে আৰু এটা নতুন জীৱন পালে। তাই সেই পোৰা মুখখনৰ পৰাও মুক্তি পালে।

○○○



# মুক্ত পক্ষী আৰু মুক্ত মন

**পম্পী ভাগৱতী**
স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

সেইদিনা হঠাৎ বৰষুণজাক আহি গোটেই পৰিৱেশটো ফৰকাল কৰি তুলিলেহি। সেই বৰষুণত তিতি -বুৰি এজনী ছোৱালী তাইৰ নাম দৃষ্টি, এযোৰ গছৰ ডালতে আহি পৰা উৰণীয়া চৰাইক এটা ছাতি দি দুইটাক বৰষুণজাকৰ পৰা নিতিতাকৈ ৰাখিছে আৰু তাই তিতি জুৰুলি-জুপুৰি হৈ পৰিছে। তাই তিতি জুৰুলি-জুপুৰি হোৱা দেখি তাইৰ দেউতাকে তাইৰ লগতে বৰষুণ জাকত তিতি দুইজনে মিলি আনন্দ কৰিছে।

ছোৱালীজনী অৰ্থাৎ দৃষ্টিৰ দেউতাকো এজন কোমল হৃদয়ৰ লোক। দৃষ্টিয়েই ঘৰখনৰ একমাত্ৰ সন্তান।

চৰাইযোৰ আছিল পাৰ চৰাই। সেই চৰাইযোৰ তাই অতি মৰমেৰে তাই নিজৰ শুৱা কোঠাত মুকলি কৰি ৰাখিল আৰু চৰাইযোৰেও আন কোনো গছ-গছনি বা হাবিলৈ নোযোৱাকৈ তাইৰ লগতে সেই কোঠাটোত আছিল। সেই পাৰযোৰপোৱালি হৈ সিহঁতৰ সংখ্যা বাঢ়ি গ'ল। তেতিয়া দৃষ্টিয়ে দেউতাকক ক'লে—'দেউতা তুমি এটা ধুনীয়া ডাঙৰ সজা লৈ আহিবা।' তেতিয়া দেউতাকে তাইক বুজাই ক'লে যে আমি পশু-পক্ষীক আৱদ্ধ কৰি ৰখাৰ অধিকাৰ আমাৰ নাই আৰু আগৰ পৰা দুটাক আমি মুকলি কৰি ৰখা স্বত্বেও সিহঁতে আন বেলেগ ঠাইলৈ নগৈ আমাক আৰু দুটা পোৱালী দিলে। কেলৈ জানানে? সিহঁত বেলেগ ঠাইলৈ নগ'ল? তাই তেতিয়া দেউতাকৰ মুখলৈ চাই ৰৈ থাকিল আৰু দেউতাকে কৈ গ'ল যে—'আমি পাৰ দুটাক সিহঁতে যেনেদৰে থাকিব বিচাৰে তেনেদৰেই থাকিবলৈ দিলোঁ আৰু মই তোমাক যেনেদৰে যি মন যাই কৰিবলৈ দিওঁ, সিহঁতকো দিছোঁ। সেইবাবে সিহঁতে আমাক সেই পোৱালী দুটা দিছে আৰু আমাৰ লগত আছে। যদি আমি আৱদ্ধ কৰি ৰাখোঁ,তেতিয়া এদিন নহয় এদিন সিহঁত ইয়াৰ পৰা গুচি যাব।

দৃষ্টিয়ে দেউতাকে কোৱা কথা বুজি পাই পাৰ কেইটাক মুকলি কৰি ৰাখিলে আৰু পাৰ কেউটাই নিজৰ সংখ্যা বৃদ্ধি কৰি গৈ থাকিল।

দিন গৈ থাকিল আৰু পাৰৰ সংখ্যাও বাঢ়ি গৈ থাকিল। সময়ৰ লগে লগে তাইৰ কোঠাৰ সন্মুখৰ বাৰাণ্ডাখন পাৰ চৰাই পৰিবলৈ ঠাই নোহোৱা হৈ পৰিল।

○○○



# সিদ্ধান্ত

**স্বপ্না চেতিয়া**
স্নাতক ষষ্ঠ যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ক্ৰিং ক্ৰিং...ফোনটো বাজি উঠিল। নয়নাই ফোনটো ৰিচিভ কৰিলে।

ফোনটোৰ ইমূৰৰ পৰা পুৰুষ এজনৰ মাত এটা ভাঁহি আহিল।

'হেল্ল' নয়না হয়নে'?

নয়নাই ক'লে, হয় কোনে কৈছে বাৰু?

—মই ৰাজীৱ।

নয়নাই থতমত খালে। তাইৰ অনিচ্ছাস্বত্বেও নয়নাৰ পৰিয়ালে ৰাজীৱ নামৰ টেট শিক্ষক এজনৰ লগত বিয়া ঠিক কৰিছে। সেইজন ৰাজীৱে তাইলৈ ফোন কৰিছে।

ৰাজীৱে কোনো সঁহাৰি নাপাই পুনৰ হেল্ল' বুলি ক'লে। নয়নাই আকৌ চক খোৱাৰ দৰে হ'ল। তাইৰ কিঞ্চিতমানো ইচ্ছা নাই, বিয়া হ'বলৈ বা এই সম্পৰ্কত কোনো কথা পাতিবলৈ। নয়নাই ফোনটোৰ সংযোগ বিচ্ছিন্ন কৰি দিলে। ৰাজীৱে ভাবিলে নেটৱৰ্কে আমনি দিছে বুলি।

নয়না পুনৰ ভাৱনাত বিভোৰ হ'ল...

ৰাজীৱে নিশ্চয় তাইৰ লগত বিয়াৰ কথাকে আলোচনা কৰিবলৈ ফোন কৰিছে।

নয়না এইবাৰ স্নাতক ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰী। তাই ছোৱালীজনী একেবাৰে বাস্তৱবাদী। তাই প্ৰতিটো কথাই যুক্তিৰে ভাবি চায়। তাইৰ ইচ্ছা আছিল স্নাতকৰ তিনিটা বছৰৰ পাছত গণমাধ্যমৰ কোনো বিষয় অধ্যয়ন কৰি অসমৰ সাংবাদিকতাৰ জগতখনত কাম কৰিব খুব নিষ্ঠাৰে। সৰুৰে পৰাই তাই ডাঙৰ-দীঘল হোৱা সমাজখনত কেনেকৈ তাইৰ চকুৰ সন্মুখতে ছোৱালীবোৰে স্বাধীনতা পোৱা নাই। কেনেকৈ ছোৱালীয়ে ছোৱালীক সমাজত নিজৰ অধিকাৰ, মানৰ অধিকাৰখিনিৰ পৰা বঞ্চিত কৰি আহিছে, এইবোৰৰ বিপক্ষে তাই থিয় দিব। ইমানবোৰ সপোন ৰচাৰ পাছত নয়নাৰ নিজৰ লগতে এদিন এনেকুৱা হ'ব বুলি তাই কল্পনাও কৰা নাছিল। তাই দেখা মহিলাবোৰৰ দৰে এদিন তায়ো নিজৰ অধিকাৰক বলি দবি লাগিব বুলি ভবাই নাছিল। তাই কিয় ঘৰখনক তাই থকা সমাজখনৰ আগত প্ৰতিবাদ কৰিব পৰা নাই।

আমাৰ সমাজখনত প্ৰতিদিনে শোষণৰ বলি হৈ অহা নাৰীসকল, ন্যূনতম অধিকাৰ ভোগ কৰিবলৈ নোপোৱা নাৰীসকল আজি প্ৰযুক্তিবিদ্যাৰ যুগতো কিয় নিজকে মুক্ত কৰিব পৰা নাই? প্ৰতিদিনে বহু নাৰী সজাগতা সভা, কাকত আদি ওলাইছে কিন্তু কোনোবাখিনিত আমি নাৰীসকলেই নিজেই নিজৰ প্ৰতিবন্ধক হিচাপে থিয় দিছোঁ। কিছুসংখ্যক নাৰী আজি পুৰুষৰ সমানে আগবাঢ়ি গৈছে যদিও কোনোবাখিনিত নাৰীসকলে নিজে বশ্যতা স্বীকাৰ কৰিছে। নিজৰ অধিকাৰৰ হকে মাত মাতিবলৈ এতিয়াও সাহস হোৱা নাই আমাৰ। ৰামায়ণ, মহাভাৰতৰ পাঠ লুটিয়ালেও আমি দেখিবলৈ পাম ভাল নাৰী, সংস্কাৰী নাৰীৰ সংজ্ঞাটো কেনেধৰণে দাঙি ধৰা হৈছে। স্বামীৰ কথা মতেই সকলো মূৰ পাতি লোৱা, নিজৰ ইচ্ছাক স্বামীৰ, পৰিয়াল, সমাজৰ বাবে উছৰ্গা কৰা গৰাকীয়ে হৈছে সংস্কাৰী মহিলা। যেনে—সীতা, দ্ৰৌপদী। এনে হ'লে জানো আমি স্বাধীন হ'ম? পুৰুষৰ ইচ্ছাই কিয় আমাৰ ইচ্ছা?

টক্ টক্... দুৱাৰত কোনোবাই টোকৰ মৰা শব্দ শুনি নয়না বাস্তৱলৈ ঘূৰি আহিল। ইমান দেৰি তাই মনৰ মাজত পাগুলি থকা কথাবোৰ মিছা নহয়। তাই ভাবিলে— তাইৰ ঘৰত তাইৰ অনিচ্ছাস্বত্বেও বিয়া ঠিক কৰা মানুহজন তাইৰ দেউতাক। ঘৰৰ আন সদস্যই মানি ল'লেও তাই মানি নলয়। তাই এতিয়াই সকলোকে কথাবোৰ কৈ পেলাব।

তাই দুৱাৰখন খুলি দেখে মাক ৰৈ আছে। মাকে আহ ভাত খাবৰ হ'ল বুলি মাতি থৈ গ'ল। তাই লাহে লাহে মাকৰ পাছত ডাইনিং হললৈ সোমাই গ'ল। লগতে তাইৰ সিদ্ধান্তটোৰ কথা ঘৰৰ মানুহক বুজাই ক'ব বুলি তাই ভাবি গ'ল।

ৰাণীয়ে কথাখিনি ভিতৰৰ পৰা শুনি আছিল। তাই শোৱাৰ পৰা উঠি বিচনাত বহিলে। তাইৰ কাৰণে যে মাক-দেউতাকে কিমান চিন্তা কৰে। তাইৰ চকুলো নিগৰি আহিল।

# জীৱনৰ অশ্ৰুধাৰ

**মুক্তমল্লিকা গগৈ**
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

আজি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ৰিজাল্ট দিব। ৰাণী পুৱা আনদিনাতকৈ সোনকালে বিচনাৰ পৰা উঠি গৈ গা-পা ধুই গোঁসাই ঘৰত সোমাই বন্তিগছি জ্বলাই প্ৰাৰ্থনা কৰিছে। মাক-দেউতাকেও বিচনাৰ পৰা উঠি গা-পা ধুই ধূপ-ধূনা জ্বলাই বাট চাই আছে কেৱল এঘাৰ বজালৈ। ৰাণীয়ে এখোজ-দুখোজকৈ লগৰ বান্ধৱীৰ লগত স্কুললৈ আগবাঢ়ি গ'ল। অলপ সময় থকাৰ পাছত ছাৰে আহি ৰিজাল্ট ছিটখন লগাই থৈ গ'ল। তাই লৰালৰিকৈ চালে। তাই আচৰিত যে লেটাৰসহ প্ৰথম স্থান লাভ কৰিছে। তাই আনন্দত আত্মহাৰা হৈ সকলোকে এৰি ঘৰলৈ দৌৰি আহিল। মাক আৰু দেউতাকে আশাৰে বাট চাই আছে ৰাণীৰ ৰিজাল্টলৈ। দেউতাকৰ বুজিবলৈ বাকী নাথাকিল, ৰাণীয়ে নিশ্চয় ভালদৰে পাছ কৰিছে।

'মা মই লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছোঁ।' মাকৰ আনন্দতে চকুলো সৰি পৰিল। দেউতাক আনন্দত আত্মহাৰা হৈ ভগৱানক সেৱা কৰিলে। গাঁৱৰ মানুহবোৰ সিহঁতৰ ঘৰলৈ খবৰ ল'বলৈ আহিবলৈ আৰম্ভ কৰিলে। স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ৰাণীৰ ভাল খবৰ পাই তাইক লগ ধৰিবলৈ সিহঁতৰ ঘৰলৈ আহিছে। ৰাণীয়ে সকলোকে বহিবলৈ দিলে। তেওঁলোকে ৰাণীয়ে এতিয়া ক'ত পঢ়িব কি কৰিব এই সম্পৰ্কে দেউতাকক সুধিলে আৰু দেউতাকেও তেওঁলোকৰ পৰামৰ্শ লৈ এখন ভাল কলেজত পঢ়ুৱাবলৈ থিৰাং কৰিলে।

ৰাতি ভাত খাই উঠি ৰাণী বিচনাত পৰিল। দেউতাকে মাকক মাতি আনি ৰাণীৰ পঢ়িবলৈ যোৱা কথাটো আলোচনা কৰিবলৈ ল'লে। ৰাণীক ভাল কলেজত পঢ়ুৱাবলৈ হ'লে কিন্তু সেই মাটি কেইডৰা বন্ধকত দিলে খাবলৈ সিহঁতৰ আকৌ টনাটনি হ'ব। তথাপিও দেউতাকে একমাত্ৰ সন্তানৰ বাবে মাটি কেইডৰা বন্ধকত দিয়াৰ কথাকে ঠিৰাং কৰিলে। মাকে চকুলো টুকিলে দেউতাকৰ কথা শুনি। দেউতাকে মাকক ক'লে মনে মনে থাকিবলৈ, তাই শুনিলে মনত বৰ কষ্ট পাব। যেনেকৈ হ'লেও তাইক আমি কিবা প্ৰকাৰে পঢ়ুৱাবই লাগিব।

ৰাণীয়ে কথাখিনি ভিতৰৰ পৰা শুনি আছিল। তাই শোৱাৰ পৰা উঠি বিচনাত বহিলে। তাইৰ কাৰণে যে মাক-দেউতাকে কিমান চিন্তা কৰে। তাইৰ চকুলো নিগৰি আহিল। ভগৱান তুমি আমাৰ নিচিনা দুখীয়া মানুহক কিয় চকু মেলি নোচোৱা? তাই ৰাতি চিন্তাতে শুব নোৱাৰিলে। দেউতাকে তাইক কিমান কষ্ট কৰি পঢ়ুৱাইছে। তাইৰ অৱস্থা একেবাৰে বেয়া।

ৰাণীহঁতৰ ঘৰৰ পৰিস্থিতি লক্ষ্য কৰি এদিন শিক্ষক-শিক্ষয়িত্ৰীসকলে আলোচনা কৰি ৰাণীৰ পঢ়াৰ ক্ষেত্ৰত সহায় কৰিব বুলি দেউতাকক ক'লে। সেই অনুসৰি তাই কলেজত নামভৰ্ত্তি কৰিলে।

কেইদিনমানৰ পিছত তাই প্ৰথম কলেজলৈ পঢ়িবলৈ যাবলৈ ওলাল। বেগটো হাতত লৈ তাই মাক দেউতাকক সেৱা কৰিলে। দেউতাকে তাইক ভালদৰে পঢ়া-শুনা কৰি জীৱনত আগবাঢ়ি যাবলৈ আশীৰ্বাদ দিলে। তাই গাড়ীখনত উঠি খিৰিকীৰে বাহিৰলৈ চালে। তাইৰ দুচকুত ভাঁহি আহিল মাক-দেউতাকৰ প্ৰতিচ্ছবি। তাই মনে মনে ভাবিলে এতিয়াৰ পৰা ভালকৈ পঢ়া-শুনা কৰি নিজৰ ভৰিৰ ওপৰত থিয় দিব। দেউতাকে জীৱনত তাইৰ কাৰণে কৰা কষ্ট আৰু মাকৰ চকুপানী কেইটোপালৰ মূল্য তাই অথলে যাবলৈ নিদিয়ে। মাক-দেউতাকক তাই এই কষ্টৰ পৰা অব্যাহতি দিব।

○○○



# নাৰী

**ৰিংকুমণি গগৈ**
স্নাতক চতুৰ্থ যাণ্মাসিক
গাৰ্হস্থ্য বিজ্ঞান বিভাগ

অৰুণিমাই টি.ভি.টো অন কৰি সন্ধ্যাৰ বাতৰি চাই আছে। আকুলে কাষৰ ৰুমৰ টেবুলত পঢ়িছে, এ ফ'ৰ এপল, বি ফ'ৰ বল, চি ফ'ৰ কেট। কণমাণি প'লে মাকৰ গাতে বাগৰি খেলি আছে। প'লৰ দেউতাক পলাশ দুমাহ হ'ল টাৱাঙত চাইনা বৰ্ডাৰত ডিউটিত আছে। ভাৰতত বিজেপি চৰকাৰ হোৱাৰ পাছত বিশেষকৈ বৌদ্ধ আৰু দালাই লামা অৰুণাচল ভ্ৰমণলৈ অহাৰ পৰা ভাৰতৰ লগত চীনৰ সম্পৰ্ক বেয়া হৈ পৰিছে। যেন সোনকালেই ভাৰত-চীনৰ মাজত এখন ভয়ংকৰ যুদ্ধ হ'ব। বুকুখন শিঁয়ৰি উঠিল তাইৰ। তেনেতে প'লে কলকলাই হাঁহি মাকৰ গাখীৰ খাবলৈ ধৰিলে। অৰুণিমাই সম্বিত ঘূৰাই টি.ভি.ৰ বাতৰিত দেখিলে এগৰাকী সুন্দৰী মহিলাৰ মৃতদেহ ৰাজস্থানৰ পথত পৰি আছে। কেঁচুৱাটোৱে উপৰ্যুপৰি মাকৰ স্তন পান কৰিছে। হয়তো মৃত মাকৰ স্তনত গাখীৰ নাপাই ভুকুৱাই সি কান্দিছে। মৃত্যু কিম্বা জীৱন নাজানে শিশুৱে। মাকেই শিশুৰ সৰ্বস্ব। এনে দৃশ্য তাই দেখাও নাই, কল্পনাও কৰিব নোৱাৰে। জীৱৰ মৃত্যুত জীৱনৰ সকলো সাধন সম্পদ, দায়িত্ব শেষ হয়। সমাজত থাকি যায় তেওঁৰ জীৱনৰ ভাল-বেয়া গুণৰ প্ৰভাৱ। এইবাৰ তাইৰ মনত অজানিতে আশংকাই কঁপাই তুলিলে। টি.ভি.ৰ বাতৰিটো চাবলৈ ভয় ভয় লাগিছে। বিচনাৰ পৰা উঠি প'লে কি পঢ়িছে চাবলৈ গ'ল। পুনৰ টি.ভি.ৰ নিউজ আজটক্ত দেখিলে টাৱাং সীমান্তৰ ভাৰতীয় সৈনিক। চীনৰ সৈনিক কেইজনমানক ফাকু সানিছে, মিঠাই খুৱাইছে আৰু পৰস্পৰে আকোঁৱালি লৈ বন্ধুত্বৰ ভাৱ বিনিময় কৰিছে। অৰুণিমাৰ মনটো ভাল লাগি গ'ল।

# সন্ধ্যাৰাগ

**বিকি গগৈ**
স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক
গাৰ্হস্থ্য বিজ্ঞান বিভাগ



দুৱাৰখন জোৰকৈ ঠেলি সি ভিতৰলৈ সোমাই গ'ল। ৰাতি বৰষুণত ভালকৈয়ে তিতিলে সি। একোঠলীয়া তাৰ ঘৰখনৰ চাৰিওফালে চালে। কোনো নাই, তাই ওলাই গৈছে চাগৈ। তিতি থকা কাপোৰকেইটা খুলি সি তাৰ মলিয়ন দেহাটোলৈ চালে।

ভোক লাগিছে তাৰ। এচুকত ৰুটি এখন থৈ গৈছে তাই। তাৰ মনটো সেমেকি গ'ল। ৰুটিখনৰ এফাল আজুৰি সি খালে। এফাল তাইৰ কাৰণে থ'ব লাগিব। সি ভাবিলে। ৰুটিখন ভালকৈ ঢাকি সি তাৰ অৱশ দেহাটো পাৰি থোৱা তক্তাখনত পেলাই দিলে। দৰিদ্ৰতাই কোঙা কৰা তাৰ ঘৰ। ভাগ্যৰ বলতহে সি তাইক এই ঘৰখনত পাইছে। মৰমবোৰ তাৰ আকৌ ওলমি উঠিল। অভাৱে কেতিয়াবা তাক হিংসুক কৰি পেলায়। পাছত ভুলবোৰ বুজি সি অনুশোচনাও কৰে। কিন্তু সেই অনুশোচনাই তাইৰ আঘাতবোৰ মচি দিব নোৱাৰে। কিয় এনে হয়। অভাৱে সঁচাকৈ পশুৰ জন্ম দিয়ে। তাৰ মনত পৰে। আজিৰ দৰে এটা বৰষুণৰ দিনতে তাৰ দুৱাৰদলিত জুৰুলীজনী হৈ তাই থিয় হৈছিল। সি তাইক ভিতৰলৈ মাতি আনিছিল। অঘৰী যুৱতী তাই। কোনো পশুৰ আক্ৰমণৰ পৰা হাত সাৰি যেনে-তেনে ওলাইছিলহি তাৰ ঘৰত। ঈশ্বৰৰ আশীষ বাবেই কিজানি সেইদিনা ধৰি কোনোদিন খোৱা-বোৱাৰ বাবে ভাবিব লগা হোৱা নাই তাৰ। তাইয়েই গুচায় তাৰ ভোক। এসাঁজেই হওক, সি খাবলৈ পায়। য'ত-ত'ত কাম কৰি আনি তাই তালৈ ভাতৰ যোগাৰ কৰি থয়। কেতিয়াও নিৰাভৰণ কৰা নাই তাইক সি। তথাপিও সি যেন পশু। তাইৰ ওপৰত সি তাৰ অধিকাৰ জাহিৰ কৰে। তাই যেতিয়া তাৰ ভাতৰ যোগাৰ কৰিব নোৱাৰে, আশ্ৰয়দাতা সেইদিনা হৈ পৰে উগ্ৰ, নিলাজ, শাস্তিদাতা। তাই কান্দোনত ভাগি পৰে। তাই ওলাই যায় কিন্তু ঘূৰি আহে হাতত এমুঠি অন্ন লৈ তাৰ বাবে। সি হেঁপাহ পলুৱায় খায়। কেতিয়াবা সি ভবাৰ প্ৰয়োজনবোধ নকৰে ক'ৰপৰা আহে সেই অন্নভাগ।

হঠাতে তাৰ কোঠাটোৰ এচুকত পৰি থকা তেজলগা কাপোৰখন দেখি উচপ খাই উঠিল সি। কালি ৰাতি কি কৰিলে সি? ৰেল ষ্টেচনত বহি সি ভিক্ষা খুজি থাকোতে তাইক দেখা পাইছিল এজন পুৰুষৰ সৈতে। গাড়ী এখনৰ পৰা নামি আহিছিল তাই। খঙত একো নাই হৈ সি ঘৰলৈ আহি তাইলৈ বাট চাইছিল। তাই আহি পোৱাৰ লগে লগে বেত্ৰাঘাতেৰে তাইক থকা সৰকা কৰিছিল। সি যেতিয়া ভাগৰি পৰিছিল, তাই উচুপি কৈছিল, 'যিদিনা মই কাম নাপাওঁ, আপোনাক খুৱাবলৈ সমৰ্থ নহওঁ, সেইদিনাই মই সিহঁতবোৰৰ ওচৰলৈ যাওঁ। সি উচপ খাই উঠিছিল। তাই ঘৰৰ পৰা ওলাই গৈছিল। সিও খঙত ওলাই গৈছিল।

তেজলগা কাপোৰখন চুই চাই সি ভাবিলে, বৰ দুখ পালে নেকি বাৰু তাই। বাহিৰলৈ চালে সি। তাই ঘূৰি অহা নাই। তাৰ মনটো উচপিচাবলৈ ধৰিলে। কাপোৰযোৰ খপজপকৈ পিন্ধি সি পেণ্টৰ পকেটটো খুচৰি চালে। বস্তুটো ঠিকেই আছে। 'ট টকৈ সি মূৰ তুলি বাহিৰলৈ চালে। বাহিৰত তাই থিয় হৈ আছিল বৰষুণত জুৰুলীজনী হৈ। তাই ক'লে, 'আজি আপোনালৈ একো আনিব নোৱাৰিলো। মোক থাকিবলৈ দিবনে?' সি একো নক'লে। মাথো দৌৰি গৈ তাইক টানি আনিলে আৰু পকেটৰ পৰা তাইলৈ অনা সেন্দুৰ তাইৰ কপালত সানি দি ক'লে 'আজিৰ পৰা তুমি ঘৰৰ মালিকনী হ'লা।' তাই থৰ হৈ তালৈ চাই ৰৈছিল। চকুত আছিল সুখ-দুখৰ এসোপা ৰঙা ৰং।

০০০

# গল্পৰ প্লট বিচাৰি

**ৰশ্মিৰেখা বৰা**
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

বগলীয়ে মাছ ধৰিবলৈ বৈ থকাৰ দৰে নৱনীলে টেবুলত মূৰটো থৈ লিখিবলৈ আৰম্ভ কৰা গল্পৰ নায়িকাক কেনেদৰে আগবঢ়াব ভাবি পোৱা নাই। তেওঁ মনে বিচৰা ধৰণৰ নায়িকাৰ গাত গুণটোও পোৱা নাই। নৱনীলে প্ৰখ্যাত হ'বৰ বাবে বহুতো প্ৰচেষ্টা চলায় আৰু পঢ়ুৱৈসকলক আমোদ দিব পৰা প্লটবোৰ বিচাৰি থাকে। কিন্তু দুই এখন পেপাৰ আৰু দুই এখন আলোচনীৰ বাদে ক'তো তেওঁৰ লেখাবোৰে প্ৰকাশৰ মুখ দেখা নাপায়। সেইবাবে তেওঁৰ পত্নী নৱনীতাই সাত পুৰুষৰ গালি পাৰি কয়— 'সামৰি থোৱাহে তোমাৰ কাগজ-কলম, দুই এটা প্ৰসংগ-সংগতি নাইকিয়া কবিতা লিখি, অৰ্থ-পদাৰ্থ নোহোৱা গল্প, প্ৰৱন্ধ লিখি কবি সাহিত্যিক হ'ব নালাগে। থোৱেহে লিখা-মেলা সামৰি আলু-পিঁয়াজৰ ব্যৱসায় কৰাগৈ। খাবৰ বাবে যে ঘৰত একো এটা বস্তু নাই খবৰ আছেনে তোমাৰ?' হঠাৎ অহা আগ্নেয়গিৰিৰ উদ্‌গীৰণৰ দৰে নৱনীতাৰ খঙটোৱে তাৰ অভাৱী সংসাৰখনৰ কথা মনত পেলাই দিলে আৰু সেয়ে তেওঁ গল্পৰ নায়িকাক সিমানতে সামৰিবলগা হ'ল।

কেইবাঠাইতো মুখ থেকেচা খাই উভতি অহা উপন্যাস এখনৰ পাণ্ডুলিপিটো লৈ নৱনীলে নতুন প্ৰকাশক ৰুবুল হাজৰিকাৰ ঘৰ পালেহি। সি ইতিমধ্যে সাহিত্য জগতখনত ঘূৰি-পকি এটা কথা অনুমান কৰিলে যে নামী প্ৰকাশকে সদায় নামী লেখককহে বেছি গুৰুত্ব দিয়ে। সেয়ে লেখকৰ জগতত নিজৰ পৰিচয় দিবলৈ হ'লে সি নতুন প্ৰকাশকৰ দৰ্জাত টুকুৰিয়াবই লাগিব। সিও তাকে কৰিলে। নৱনীলে তাৰ ঘৰুৱা পৰিস্থিতিৰ কথা ৰুবুলক জনালে। ৰুবুলে বুজি পালে কাৰণ সি সৰুৰে পৰাই নৱনীলৰ লগত চিনাকি। অৱশেষত নৱনীলে এক হাজাৰ টকাত উপন্যাস খনৰ পাণ্ডুলিপিটো বেছি পেলালে। কিয়নো এই সময়ত কেইটামান সৰহীয়া টকাৰ প্ৰয়োজন। উভতি আহোতে নৱনীতাই দিয়া বজাৰৰ লিষ্টখন চাই বজাৰ কৰিলে আৰু সি নিজৰ পছন্দৰ কম দামী হ'লেও শাৰী এখন কিনিলে নৱনীতাৰ বাবে। আজিকালি বস্তুৰ যিহে দাম কোনোমতে টকা দুশ বচাই আনিছে। নৱনীতাৰ হাতত এইটো জমা ৰাখিবলৈ দিব লাগিব। মনতে ভাবিলে সি। নহ'লে যে ৰাস্তাৰ কাষত ঘুমটি দোকানত উলমি থকা ৰজনীগন্ধাৰ পেকেট কেইটাই আৰু মিচিং গাঁওখনৰ চাংঘৰৰ মিঠা ছাই আপঙৰ সুবাসে গোটেই দুশ টকাটো একেবাৰতে শুহি পেলাব।

ঘৰ পাই নৱনীলে নৱনীতাৰ হাতত টোপোলাটো তুলি দিয়াত তাইৰ মুখত এটি মিঠা হাঁহি বিৰিঙি উঠিল। এই হাঁহি সি সদায় বিচাৰে নৱনীতাৰ মুখত। কিন্তু তাৰ ক'তো কৰ্ম সংস্থাপন নথকাৰ বাবেই বৰ্তমান এনে ইমচনেল ফিলিঙচ্‌বোৰ হজম কৰিবলগীয়া হৈছে।

নৱনীল আৰু নৱনীতাৰ বিয়া কৰোৱা দুবছৰেই পাৰ হ'ল। বৰ্তমান সিহঁতৰ সন্তান নাই। আচলতে বিচৰা নাই নৱনীলে। সি কয় কৰ্ম সংস্থাপন এটা আগতে হওকচোন তাৰ পিছত চিন্তা কৰিম এই বিষয়ে। নৱনীতাইয়ো বুজে এই কথা। সেইবাবে নৱনীলে ভাল পায় নৱনীতাক, বহুত ভাল পায়। ভাত কেইটা আনন্দমনেৰে খাই তাই নৱনীলৰ কাষত শুই পৰিল। দিনৰ ঘৰুৱা কাম-বন কৰি ভাগৰি পৰাৰ কাৰণে সোনকালেই টোপনিত ঢলি পৰিল মৰমৰ নৱনীতাজনী।

নৱনীতাই বাগৰ সলাই তাক সাৱটি ধৰিলেহি। তাইৰ মৰমলগা মুখখনত পৰি আমনি কৰি থকা অলকা কেইডাল আঁতৰাই চুলিৰ মাজেৰে লাহে লাহে আঙুলি বুলাই মৰম কৰিলে নৱনীলে। দ্বিতীয় দিনা আৰু এটা পুৱাৰ বাবে প্ৰস্তুতি কেনেকৈ চলাব পৰা যাব ভাবোতেই গল্পৰ নায়িকালৈ মনত পৰিল। চেঃ অলপো আগবঢ়াব পৰা নাই নহয়। নৱনীলৰ মনটো উজ্বলি উঠিল। সি দেখোন তাৰ নিজৰ আৰু নৱনীতাৰ জীৱনৰ সংগ্ৰামবোৰকে লৈয়ে এটা সুন্দৰ প্লট বনাব পাৰিব আৰু লিখি পেলাব নায়িকাৰ আধৰুৱা কাহিনী। নৱনীল বিছনাৰপৰা উঠি আহিল। টেবুলৰ লাইটটো অন কৰিলে আৰু ৰাইটিং পেডত লিখি গ'ল নৱনীল আৰু নৱনীতাৰ সংগ্ৰাম শ্বাশ্বত প্ৰেমৰ কাহিনী।

○○○

# মুক্তি

**হিমাদ্ৰী সোণোৱাল**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

হঠাৎ এটা বিকট চিএঞৰ। নিজম ৰাতি এয়া কিহৰ ৰুল উঠিছে, ঘৰৰ মুধচত বাৰু এইয়া কোনো তাণ্ডৱ নৃত্য নাচিছে। তৃষ্ণাই শুই থকাৰ পৰা বহি লৈ নীৰৱে সকলোবোৰ চাই আছিল। তাই দীপাক আৰু কুঁহিক শুই থকাৰ পৰা জগাই সকলোবোৰ ক'লে। তিনিও একেলগ হৈ বহিলহে মাথোঁ, আকৌ শুনিলে চিএঞৰ-বাখৰ। এইবাৰ কিন্তু সেই চিএঞৰ নহয়। ৰুমী আৰু নিশিতা দুয়োয়ে ভয়ত চিএঞৰিছে। ভাড়া ৰূমত থকা সকলো ছোৱালী আহি ৰুমী, নিশিতাহঁতৰ ৰূমত জুম পাতিলেহি।

তৃষ্ণা, দীপা, কুঁহি আৰু ৰুমী চাৰিওজনী এখন কলেজৰ দ্বাদশ শ্ৰেণীৰ কলা শাখাৰ ছাত্ৰী আৰু নিশিতা হ'ল শিক্ষা বিভাগৰ কিছু ছিনিয়ৰ। তৃষ্ণা, দীপা আৰু কুঁহি তিনিওৱে বাৰ মান বজাত শুইছিলহে মাথোঁ। ৰাতি ১২-৩০ মান বজাত ভাঁহি অহা সৰু ল'ৰা-ছোৱালীৰ মাত, চিএঞৰ, কান্দোন শুনি তিনিও আৰু শুই থাকিব নোৱাৰিলে। এনেকৈয়ে এদিন দুদিন কৰি কেইবাদিনো চলি থাকিল ঘটনাটি। এদিন পুৱা শুই উঠি তৃষ্ণাই হৈ যোৱা ৰাতিৰ ঘটনাবোৰৰ সাৰমৰ্ম বুজিবলৈ চেষ্টা কৰি আছিল আৰু কেতিয়ানো কুঁহিয়ে ফিকা চাহ আনি তাই বহি থকা টেবুলত দি থৈ গ'ল গমেই নাপালে। মালিকৰ ঘৰত আজিৰ পৰা পোন্ধৰ বছৰ ধৰি কাম কৰি অহা জয়া বাই আজি আহি পাই গেট খুলিছিলহে মাথোঁ দীপাই জয়া বাক চিএঞৰিলে। জয়া বাই অহাৰ লগে লগেই তৃষ্ণাই ৰাতি হৈ যোৱা ঘটনাবোৰৰ বিতং বাতৰি জনালে। জয়াবাই কৈ গ'ল দহ বছৰৰ আগৰ কথা—

এয়া এক সত্য ঘটনা। কুঁহিহঁত থকা ৰূমৰ সিটো পাৰে এহাল দম্পতি বাস কৰিছিল (ৰূপা আৰু লোহিত)। তেওঁলোকৰ তিনিজনী ছোৱালী আছিল। এইবাৰ চতুৰ্থ গৰ্ভকীৰ জন্ম হৈছে আৰু তিনি জীৰ পিতৃ লোহিত চতুৰ্থ জীৰ পিতৃ হ'ব বিচৰা নাছিল। তেওঁ বিচাৰিছিল এটি পুত্ৰ সন্তান, তেওঁ কোনোপধ্যে এইটো মানি ল'ব পৰা নাছিল। তেওঁলোকৰ ছোৱালী বিয়া দিলে যৌতুক দিয়া প্ৰথা আছিল আৰু তেওঁ এজন সাধাৰণ কাঠমিস্ত্ৰী আছিল। ছোৱালীকেইজনী দিনক দিনে ডাঙৰ হৈ আহিল আৰু তেওঁৰ চিন্তা দুগুণে বাঢ়ি গ'ল। মিটিৰ-কুটুম্বেও এই বিষয়ক লৈ তেওঁক বহু কিবা কিবি ক'লে আৰু এই তেওঁৰ খং দিনক দিনে বাঢ়িল। এদিনাখন সৰু জী (তিনি বছৰ)শুই থাকোতে তেওঁ অৰ্থাৎ তাইৰ দেউতাক লোহিতে তাইক নিৰ্মমভাৱে কাটি দুচেও কৰিলে। এতিয়া সেই সৰু ছোৱালীটিয়ে আত্মা হৈ চিএঞৰি ফুৰে, কান্দি ফুৰে। তাৰ পাছত ঘৰৰ সকলোৱে লোহিতক এৰি গুচি গ'ল আৰু তেওঁ বিতৃষ্ণাত ভুগিছে, নিজেই অনুতপ্ত লোহিত—এয়া যেন এখন হৃদয় বিদাৰক নাটকহে। য'ত মুখ্য নাট্যকাৰ লোহিত। সৰুতে মা-দেউতাই কৈছিল ভূত আছে ৰাতি বাহিৰলৈ নোলাবা। এতিয়া হয়তো তৃষ্ণাই তাৰে প্ৰমাণ পালে। অবিশ্বাস্য যদিও সত্য। আপুনি বাৰু বিশ্বাস কৰেনে? পৃথিৱীত ভূত-প্ৰেতাত্মা আছে বুলি? এই প্ৰশ্নটি মই পাঠকলৈ থলো। আৰু জানি থওক জীৱনৰ নাটখনি বৰ কষ্টকৰ। দুখ-বেদনা, হাঁহি-কান্দোন, এই জীৱনৰ নাটখনিৰ আমিয়েই অভিনেতা। নিশিতা, কুঁহি, দীপা আৰু তৃষ্ণাই সেই কণমানিৰ আত্মাৰ সদ্‌গতিৰ কাৰণে আজি মাহ-প্ৰসাদৰ শৰাই আগবঢ়াই সকামৰ আয়োজন কৰিলে আৰু তাৰপাছত আৰু তেনে চিএঞৰ কোনোদিনে শুনা নাই।

# *Munni*

***Namashya S. Khandayatray***
*B.A. 2nd Semester, Dept. of English*

*Grawing among the brown Indian kids of Dhubri was Munni; an eight years old girl. The town of Dhubri was the only place she knew about. She spent her entire day in Mrs. Sharma's house. The marbled floor, the plastered and coloured walls, the white rectangular box that gave out cold air with a 'tit tit' and the big red tank where clothes were put and which occasionally shook while turning a round disc, were the things that amazed her. Apart from Mister and Mrs. Sharma she also knew Raj and Payal, who sadly, left the house at seven every morning. By the time they came back, Munni had already left for her hut in the slums.*

*One day while cleaning the floors at Mrs. Sharma's place, Munni with her hands soaked in water asked, 'Memsaheb, why do Raj and Payal didi go out everyday at 7 in the morning but stay at home on Sundays?' Mrs. Sharma replied, 'Raj and Payal go to school. So that, they don't have to work like you.'*

*That evening after returning home, Munni ran to Sailesh Bhaiya's house and asked ''Bhaiya, what does 'Sakool' means?' Sailesh asked Munni to meet him at the bridge the following day.*

*The next day, Munni sneaked to the bridge to meet Sailesh. Sailesh introduced her to a well dressed man in his forties. He was Mr. Rakesh Pratap Sinha. Munni went with Mr. Rakesh to somewhere called Uttamnagar in near Delhi, where she understood not only the meaning of 'Sakool' but also learned to use such words, eventually Mr. Rakesh who was the Principal of Kendriya Vidyalaya, Uttamnagar happened to be a fallen angel who presented Munni with a new definition of FREEDOM. She was free. Free from the sounds of clinking utensils, free from Mrs. Sharma's 'Oye Munni!', free from the bondage with brooms and napkins and free from the old Munni. She was new, young and free in the true sense.*



Hiya remembers this day. A year ago, she was disturbed by a continous hit on the calling bell while taking her siesta.

'Coming...' Hiya shouted to the visitor.

'Why have you been so restless? Is someone dying?', she asked sarcastically seeing her best friend Prachi at her door.

'You are, you are dying', Prachi replied almost screaming when she saw red marks on Hiya's dull face. That day, Navarun was off to Guwahati for some bussiness and it seemed to Prachi the perfect time to save Hiya from this monster in the human form. He hits her everynight when he is back home after office and the previous night was no different. But Hiya never confesses. Perhaps, she thought she cannot. Not even to herself. Five years back, she left her family and PRachi to marry him, after all. All this while she has missed the dancer in her who had once mesmerised everyone with her graceful moves. But she now confined within the four walls of Navarun's house and is not even allowed to hum to the tunes of her favorite songs. That night still haunts her when Navarun dumped and burnt all her dresses because she protested him for not allowing her to visit her ailing mother. When Prachi asked about the red dress she had gifted to Hiya, 'I don't wear it anymore' is what she had to say. But today, Hiya puts on the dress. She has hidden it from Navarun. She decides to wear it today. 'Reaching the police station in an hour,' she sends a text to Prachi.

# The Red Dress

**Priyam Ponkhi Saikia**
B.A. 6th Semester, Dept. of English



# *Freedom*

***Kajal Hazarika***
*B.A. 2nd Semester, Dept. of English*

*Introduction : 'Freedom'*

*It speaks about being free from anything. There is also a line in the preamble- 'Right to Freedom'.*

*Story :*

*Once a little white mouse was running here and there in his home (which is a hole). He was searching food for him. He lived in the house of Mrs. Kapoor.*

*Characters in the story with name :*

*Owner of the house : Mrs. Kapoor*

*The little mouse : Mini*

*Mrs. Kapoor's child : Raju*

*Mrs. Kapoor doesnot like mouse at all so she always takes a stick to beat the mouse and kill the same. While the mouse runs in the house here and there, Mrs. Kapoor runs after him to catch and kill him soon because she gets disturbed. Raju, the small child of six years made the mouse his pet and named him Mini. Mini also accepted that. He lived with him and the boy Raju takes him in his pocket to go for a walk. One day, Mrs. Kapoor after many days caught him and trapped Mini in a small box. Raju cried because he couldn't find Mini anywhere. He also searched in the hole where Mini lived but Mini was not in the hole too. Mrs. Kapoor didn't told what she did with Mini. Mini, the sufferer alone in the box also misses Raju. Raju found Mini no where. He thought that Mini had gone to some where in the nearby house. Looking at Raju, his mother felt guilty and told about what she did with Mini. At once Raju got up from his tears and released Mini from the box. He saw Mini going out of his breath, called a veternary doctor and Mini became healthier again. By seeing Raju and the mouse, Mini, Mrs. Kapoor thought that all the creatures living in the earth needs 'freedom'. There should not be any hatred towards any animal.*

*Conclusion:*

*All man needs to be easy with animals. If we do not harm any animal and provide them their needs they will not harm us too. Every living being deserves freedom.*

# बुरा सपना

**एमी मेहजाफी हुसैन**
*सहकारी अध्यापिका, हिन्दी विभाग*

*दीया चौंकर उठी और घबराहट से इधर उधर देखती रही। सचेत हुई तो पता चला कि उसने बुरा सपना देखा था। दीया को याद आया...माँ ने कहा था ऐसा सपना देखने से कुछ बुरा होता है। वह बहुत डर गई यह सोचकर कि पता नहीं आज क्या होनेवाला है। रात को सपने में देखा कि वह जंगल में घूम रही है। कई कांटेदार जानवर दीया के पीछे आ रहे है। जानवर की कांटे उसे चुभने लगे और वह घायल हो गयी। यह सब याद करते हुए जैसे ही दीया ने अपने हाथों में देखा, कई जगहों पर लाल लाल दाने जैसा दिखा, तो वह और भी डरने लगी। सपनो के अच्छे बुरे प्रभाव पर दीया कभी विश्वास नहीं करती है। यह तो हमारे कर्म पर निर्भर करता है। लेकिन मन कुछ उदास, बेचैन होने लगा। उसने प्रार्थना किया कि आज कुछ भी बुरा न हो। तभी दीया ने सब ओर ठिक से देखा, तो वह जोर से हँसने लगी। मच्छरदानी के अंदर कई मच्छर घुसे हुए है। रात को इन मच्छरों ने मजे से काटा होगा, तभी हाथों में लाल लाल दाने हो गए है। इसलिए उसने ऐसा बुरा सपना देखा। यह भेद खुला तो दीया सारी उदासी पल में भूल गयी।*



अनुभव

# ब्रह्मपुत्र में कुछ यादगार पल

## एमी मेहजाफी हुसैन

सहकारी अध्यापिका, हिन्दी विभाग

सप्ताह भर पहले मैं अपने परिवार सहित शिवसागर के लिए निकली थी। हमने लखिमपूर से ढकुआखाना होकर दिसांग घाट से जाना तय किया। सुबह छह बजे घर से निकल गये और सारे आंठ तक ब्रह्मपुत्र के घाट पहुँचे। हलकी बारिश में झूमती हरियाली, शिरीष सोनारु के लाल-पीले फूल कोमल पंखुड़ियाँ बिछाकर जैसे हमारा स्वागत करने लगे। वहाँ फेरी (छोटी नाव) में नीचे लोग बैठ्कर और उपर गाड़ी, मोटर साइकिल आदि लादकर उस पार ले जाते हैं। कई लोग काम के लिए ओर कई विद्यार्थी पढ़ाई के लिए रोजाना आते जाते हैं। उन्होनें बताया कि कोई आधुनिकीकरण नहीं हुआ यात्रा में। बाढ़ के समय काफी मुश्किलें होती है। यह सोचकर दुख हुआ कि विकाश के योजना तो बनते रहते हैं, पर राजनैतिक स्वार्थ के कारण होता कुछ नहीं। इतनी अवहेलना के कारण नदियां आज दम तोड़ रही है। नाव के भीतर हम बैठ गए और कुछ समय में फेरी लहरों को चीढ़ती चलने लगी। ब्रह्मपुत्र की उफनते पानी को देखते हुए मन आनन्दित हुआ। बड़ी आत्मीयता से बाहे खोलकर स्वागत कर रहा हो जैसे। न जाने कबसे विकाश की कलुषता को धो रहा है ये महानद, फिरभी शांत, निर्मल प्रवाह। वहाँ बैठे लोगों ने सिक्का फेंककर ब्रह्मपुत्र को प्रणाम किया। छोटे बच्चे रोने लगे तो बाहर उनको मछली दिखाये। तभी वहाँ के प्रसिद्ध शिशु (रिवार डोलफिन) डूबकी लगाते, उछलते दिखे ती सभी एक टक देखने लगे। बहुत मनोहर दृश्य है। बच्चे तो खिलखिला उठे। डेढ़ घंटे बाद हम उप पार पहुँचे। एक एक कर सामान उतारे गए, और लोग उतरे। फेरी के कर्मचारी बहुत फुर्ती और सलीके से हर काम करते हैं। वे लोग काभी अनुभवी और कर्मठ भी है। घाट के पास कुछ दुकाने है वहाँ खाने, चाय की व्यवस्था है। साफ सफाई भी है वहाँ पर। कुछ समय वहाँ बैठ्कर हम शिवसागर शहर के लिए गाड़ी से रवाना हुए। फेरी से यह मेरी पहली यात्रा है। बहुत ही मनोरंजक और सुखद लगा। नये अनुभव और खूबसूरत पलों को दिल में संजोकर हम फिर चल पड़े।

## ৰাজা দত্ত

**অংশকালীন অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ**

(১)
দল-সংগঠনৰ অভাৱ নোহোৱা আমাৰ ৰাজ্য অসম
অবৈধ বাংলাদেশী আহি কৰি দিছে জখম
সংগঠনবোৰৰ কথা কিনো ক'বা
কেমেৰাৰ সন্মুখতহে বৰ বৰ কথা
সকলোৱে মিলি ৰাজ্যখন কৰিব এতিয়া হজম।

(২)
মাজনিশা ওলাল ঐতিহাসিক এন আৰ চি
বাহিৰে-ভিতৰে দেখোন চিপাহীয়েই চিপাহী
বাংলাদেশীয়ে লগাইছে ভিৰ
নাম দেখি খুৱাইছে খীৰ
থলুৱাই নাম নেদেখি মাৰিছে ভেকাহি।

(৩)
আমচাঙত চলিল এইবাৰ উচ্ছেদ অভিযান
যাৰ ফলত বহু লোক দুখতে ম্ৰিয়মান
থাকিবলৈ নাই ঘৰ
লঘোণে-ভোকে মৰ
চৰকাৰে বিচাৰিছে ম্যাদী পট্টাৰ খতিয়ান।

(৪)
অসমৰ জ্বলন্ত সমস্যা বানপানী
এইক্ষেত্ৰত চৰকাৰে নলয় বিশেষ আঁচনি
সকলো বস্তুৰে বাঢ়িছে দাম
জীৱনত মই কি কৰিনো খাম
মোডী চৰকাৰে দিয়ে মাথো আশাৰ ৰেঙণি।

## *Namasya S. Khandayatray*

*B.A. 2nd Semester, Dept. of English*

***Aboad of Happiness***
*In the desert of broken dreams and lost hopes*
*An oasis of 'self love' she abruptly discovers*
*A wonderful realization comes greeting her*
*That the bird of Happiness resides nowhere*
*But in the nest of her inner self and hopes.*

## তাজমিন চুলতানা

**স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ**

(১)
আপেলটো মাটিত পৰা সৰু ঘটনাই
নিউটনৰ চিন্তাশক্তিক খোৰাক যোগায়,
বিচাৰিলে তাৰ কাৰণ
উলিয়ালে মধ্যাকৰ্ষণ
ওপৰৰ পৰা বস্তু তললৈকে যায়।

(২)
চলন্ত বস্তুৰে যদি বাধা নাপায়
একেটা বেগতে সি আগুৱাই যায়
যদি কিবা বাধা পায়
বিপৰীত দিশে যায়
নিউটনৰ গতিসূত্ৰ ইবোৰতে পায়।

(৩)
এডৱাৰ্ড জেনাৰ — পুত্ৰ ধৰ্ম যাজকৰ
আৱিস্কাৰ কৰে ছিটা বসন্ত ৰোগৰ,
লণ্ডন চহৰত
বহু মৰে বসন্তত
জেনাৰেহে ছিটা দি প্ৰাণ ৰাখে বহুতৰ।

(৪)
গৰুৰো বসন্ত হয় কৰিলে প্ৰমাণ
পূজ লৈ প্ৰতিষেধক কৰিলে নিৰ্মাণ
ঘৰে ঘৰে ছিটা দিলে
বৰ আয়ে বিদায় ল'লে
চৌদিশে জিলিকিল জেনাৰৰ নাম।

(৫)
সোণাৰীয়ে খালে নে কি মুকুটৰ সোণ
ৰজাৰ সন্দেহ হ'ল, হ'ব পাৰেচোন!
বিচাৰিলে আৰ্কিমিডিছক
কিবা এটা উপায় দিয়ক
আৰ্কিমিডিছে ভাবি ল'লে আহিল মৰণ!

(৬)
চৌবাচ্চাত গা ধোঁওঁতে সমাধান পালে
'ইউৰেকা, ইউৰেকা' বুলি চিঞৰিলে
নিষ্কাসিত জলৰাশি
সিয়েই জোখৰ সাক্ষী
আৰ্কিমিডিছৰ সূত্ৰ জগতে জানিলে।

## ডলি বৰুৱা

**স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ**



(১)

কালৰো কাল বোলে একেবাৰে বিপৰীত কাল
সৰস্বতী পূজা মানে হৈ পৰিল ছোৱালীৰ চাল
ইজনীকে চাবা নে বোলে সিজনীকে চাবা
ল'ৰাহঁত, দেৱী সৰস্বতীক তাতে বিচাৰি পাবা
মেডিয়াইও বাছে সুন্দৰী সৰস্বতী ভালৰো ভাল।

(২)

আমাৰ পখিলী গোটেইজনী বতাহী ৰচকী
কথাত একেবাৰে তাই পৃথিৱীৰ মালিকী
চিনাকি বোলে তাইৰ ধোনীৰ সৈতেহে
চিনেমা কৰে তাই শ্বাহৰুখৰ কথাতহে
আই ঐ দেহী, যেন তাই আদৰ্শৰহে চানেকি।

(৩)

হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ সঁচাই নহয় কোনো পিনে কম
শেহতীয়া 'মিচন চাইনা' চিনেমাই দিলে তাৰে গম
কৰ্ণেল গোস্বামী ৰূপত চিনেমাত ৰুল
মেডিয়াৰ আগত যা তা কৈ কৰিলেও ভুল
কিয় জানো, আৱেগপ্ৰৱণ শিল্পীজন হৈ পৰে কোনো কোনো সময়ত এট'ম ব'ম।

(৪)

মনাই বোলে ভাই, নকৰিবিহে এনে ভুল
তোৰ মাথাত বাজিব মৃদং খোল
বি. এচ.চিত যদি মন আছে কৰা উন্নতি
কেমেষ্ট্ৰি বিষয়ৰ বাদে চিলেক্ট কৰ বেলেগ এটি
নহ'লে জীৱনত বাজিব বিহুৰ পেঁপা আৰু ঢোল।

(৫)

'বাহুবলী' নামৰ চিনেমাখনে দৰ্শকলৈ আনিলে এক জোৱাৰ
বৰ কৰুণ কাহিনী দেৱসেনা বন্দী হোৱাৰ
ৰচিলে ভাৰতত ইতিহাস চিনেমাৰ
ইয়াৰ মূলতে কাহিনী পৰিহাৰ
কাটাপ্পা মামাৰ হাতেৰে বাহুবলীক মৃত্যু কৰোৱাৰ।

(৬)

নৰেন্দ্ৰ মোডীৰ বহু ন ন পৰিকল্পনাৰ ঘোষণা
হয়তো ইতিহাসত নাম পঞ্জীয়নৰ এক বাসনা
ভাষণে প্ৰতি ভাইয়ো অ'ৰ বেহনো বুলি কয়
মুগ্ধ দৰ্শকে একেথৰে চাই ৰয়
মঠ-মন্দিৰ ভ্ৰমি মাজে সময়ে কৰি থাকে তেওঁ পূজা-অৰ্চনা।

## কুন্তলা শৰ্মা

**স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ**

(১)

সৰ্বদাই ল'লে আমাৰ কৃষ্ণগুৰুত হৰণ
শৰ্মাদাই বোলে ললোহে ভজন
হিন্দু-বাংলাদেশী চপাম মই
এন.আৰ.চি. উলিয়াই দেখুৱাম মই
এতিয়া খছৰাত নাম নাইকিয়া ভট্টাচাৰ্যদাৰহে বোলে মৰণ।

(২)

কিনো ক'ম বোপা আসামীজ ভিডিঅ'ৰ কথা
হিৰ'কেই চাবানে হিৰ'ইনকেই চাবা
কোনোবা একেবাৰে চুপাৰমেন
কোনোবাটো আকৌ হেণ্ডিমেন
কথাৰ ওৰটো ল'লে হয় ঘোলা মাথা।

(৩)

বানপানী আহে বানপানী যায়
এম. এল.এ. ছাৰে সাহায্য বিলায়
নিউজ লাইভৰ টি.আৰ.পি. বাঢ়ে
হায়ে বিয়ৈ দৰ্শকে কৰে,
মাজ মূৰকত ৰতনীহে অঘৰী হয়।

# স. ম্পা. দ. কী. য় প্র. তি. বে. দ. ন

## উপ-সভাপতিৰ প্ৰতিবেদন

লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশৰ এখনি অগ্ৰণী নাৰীৰ উচ্চ শিক্ষা কেন্দ্ৰ। প্ৰতিবেদনৰ পাতনিতে কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ; সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ সেইসকল শ্ৰদ্ধাশীল সুধীলৈ, যিসকলৰ ঐকান্তিক প্ৰচেষ্টাত মানৱ সম্পদ বিকাশ সাধনৰ বাটকটীয়াৰূপে পৰিগণিত হৈছে আজিৰ এই মহাবিদ্যালয়খনি। লগতে মাতৃভূমিৰ অস্তিত্ব আৰু গৌৰৱ ৰক্ষাৰ কাৰণে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৈও সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

প্ৰতিবেদনৰ জৰিয়তে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰী, বান্ধৱী আৰু মোক উৎসাহ দিয়া সমূহ শুভাকাংক্ষীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ উপ-সভাপতি পদটো সৰ্ব প্ৰথমবাৰৰ বাবে ঘোষিত কৰা হৈছিল। ২০১৬ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতি পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়লাভ কৰিছিলোঁ। এই মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ সুযোগ দি মোৰ শিক্ষাময় জীৱন অধিক সাৰ্থক কৰিলে।

আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত উদ্‌যাপিত প্ৰতিটো অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাত যিমান দূৰ পাৰিছিলোঁ অন্তঃকৰণেৰে সহায়-সযোগিতা আগবঢ়াইছিলোঁ। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই সৰ্বপ্ৰথমে সৰস্বতী পূজা পালন কৰা হয়। বিগত বছৰৰ দৰে এইবছৰো মহাবিদ্যালয়লৈ বিভিন্ন প্ৰান্তৰ পৰা নতুনকৈ অহা ছাত্ৰীসকলক আদৰণি জনাবৰ বাবে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়, নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ তিথি অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণদেৱৰ স্মৃতি চাৰণ সভা অনুষ্ঠিত হয়। বিগত বৰ্ষবোৰৰ দৰেই এই বছৰো আমাৰ মহাবিদ্যালয়ৰ আটাইতকৈ আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠান ‘মহাবিদ্যালয় সপ্তাহ’ আৰু আমাৰ কাৰ্যকালৰ সময়ছোৱাত শেষৰটো মুহূৰ্ত আছিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত কুচ-কাৱাচ আৰু সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। প্ৰতিটো প্ৰতিযোগিতাতেই ছাত্ৰীৰ অংশগ্ৰহণ আশা কৰাতকৈ বহু বেছি আছিল।

মহাবিদ্যালয় সপ্তাহৰ এই প্ৰতিযোগিতাসমূহত বিচাৰ, পৰ্যবেক্ষক হিচাপে দায়িত্ব পালন কৰি প্ৰতিযোগিতাসমূহৰ সফল অনুষ্ঠিতকৰণত সহায় আগবঢ়োৱা নৰ্থ লক্ষীমপুৰ কলেজৰ স্বপ্নালী চেতিয়া বাইদেউ, নন্দিতা দত্ত বাইদেউ, হেমন্ত শৰ্মা ছাৰ, লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ পদ্ম লোচন দাস ছাৰ, লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ এঞ্জেলা বৰা বাইদেউলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

আমাৰ এই এবছৰীয়া কাৰ্যকালৰ প্ৰতিটো খোজতে সহায় আগবঢ়োৱা আৰু পৰামৰ্শৰে এটা নতুন বাটৰ সন্ধান দিয়া শ্ৰদ্ধাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া, অনিতা ডেকা বৰা বাইদেউ, হিৰণ্য সভাপণ্ডিত ছাৰ, ড° এইচ এম এ ছাহিদ ছাৰ আৰু মহাবিদ্যালয়ৰ শিক্ষকবৃন্দ তথা মহাবিদ্যালয়ৰ এন চি চি গোট আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীসকল তথা ছাত্ৰী বান্ধৱীসকলৰ মনত যদি কিবা আঘাত দিছিলোঁ তাৰবাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয় আৰু ছাত্ৰী একতা সভাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনখনি সামৰণি মাৰিলোঁ।

'জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা।'

**ৰশ্মি হাজৰীকা**
উপ-সভাপতি, ছাত্ৰী একতা সভা

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰাপ্তিৰ পাচুৰ্যৰে স্পৰ্শাতুৰ পলবোৰ
ৰ'দালিৰ পৰশত চকু মেলিলে
শুভ্ৰতাৰ মিচিকিয়া হাঁহিৰে...

জ্ঞাত-অজ্ঞাত অজস্ৰজনলৈ এই প্ৰতিবেদনৰ বুলনিতে জনাইছোঁ অমোঘ শ্ৰদ্ধা যাৰ পৃষ্ঠপোষকতাত নাৰী শিক্ষাই জ্ঞানৰ মন্দিৰ হিচাপে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ গৌৰৱোজ্জ্বল বৰ্তমানৰ উচ্চ শিক্ষাৰ সমন্বয়থলী এই লক্ষীমপুৰ বালিকা মহাবিদ্যালয় গঢ়ি উঠিছে।

দুচকুত অলেখ সপোন, বুকুত হেঁপাহ বান্ধি লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত শোভাকাংক্ষীসকল আৰু ছাত্ৰী বান্ধৱীসকলৰ বিপুল দাবীত প্ৰথম ষাণ্মাসিকতে সাধাৰণ সম্পাদিকা পদৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই সৰ্বাধিক ভোটত জয়লাভ কৰিছিলোঁ। ক্ৰমশঃ সেউজীয়াৰ বুকুত জীপাল হৈ উঠিছিল মোৰ সপোনবোৰ। নীলা নাম ফলকৰ টকুৰাটো যেতিয়া মোৰ সেউজীয়া দুপাত্তাখনত, তেতিয়াই প্ৰতি খোজত উপলব্ধি কৰিছিলোঁ মোৰ নামৰ আগত বা পিছত লাগি থকা সেই বিশেষ বাক্যটোৰ গভীৰতা 'লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা এঞ্জেলা চাংমাই'।

মোৰ এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ত অনুষ্ঠিত কৰা অনুষ্ঠানসমূহ সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। বিগত বছৰটিত কাৰ্যনিৰ্বাহ কৰোতে আপোনালোকৰ মৰম আৰু বিশ্বাসক কিমানদূৰ ৰক্ষণাবেক্ষণ দিব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য। মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে উদ্‌যাপিত সৰস্বতী পূজা, গণতন্ত্ৰ দিৱস, নৱাগত আদৰণি সভা, স্বাধীনতা দিৱস, শিক্ষক দিৱস, শংকৰদেৱৰ তিথি, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আৰু মহাবিদ্যাল সপ্তাহ আদি অনুষ্ঠানসমূহ আটাইতকৈ আকৰ্ষণীয়ভাৱে অনুষ্ঠিত কৰা হৈছিল। তদুপৰি গোবিন বৰদলৈদেৱৰ 'মা' নামৰ অনুষ্ঠানটিত আমাৰ এই নাৰী শিক্ষাৰ কেন্দ্ৰস্থলত অনুষ্ঠিত কৰাৰ বাবে আমাৰ ছাত্ৰীসকল যথেষ্ট উপকৃত হৈছিল। মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানত আমি আমন্ত্ৰণ জনাও এই মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, উপাধ্যক্ষৰ লগতে অধ্যাপক-অধ্যাপিকাসকলক। তেখেতলোকৰ উপস্থিতিয়ে আমাক উৎসাহিত কৰি তোলে প্ৰতিটো খোজতে।

**মোৰ কাৰ্যকালৰ চমু খতিয়ান ঃ**

১। **সৰস্বতী পূজা ঃ** বিদ্যাৰ অধিস্থাত্ৰী দেৱীৰ পূজাভাগ ছাত্ৰী একটা সভাৰ যৌথ প্ৰচেষ্টাত আৰু তত্বাৱধায়কৰ সহযোগত সুন্দৰভআৰে আয়োজন কৰা হৈছিল। পূজাভাগ উলহ-মালহেৰে পালন কৰাত স্থানীয় ভকতবৃন্দৰ সহযোগিতা ও প্ৰেৰণা স্বীকাৰ কৰিবই লাগিব। সেই বিশেষ দিনটোতে কিতাপৰ প্ৰতি আকৰ্ষণ বঢ়োৱাৰ মানসিকতাৰে সতীৰ্থ গ্ৰন্থমেলা তিনিদিনীয়া কাৰ্যসূচীৰে আৰু সকলো ছাত্ৰীৰ মাজত এখনি ফটোগ্ৰাফী প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হৈছিল।

২। **নৱাগত আদৰণি সভা ঃ** মহাবিদ্যালয়লৈ অহা নৱাগতসকলক আনুষ্ঠানিকভাৱে আদৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰিছিলোঁ নৱাগত আদৰণি সভা। সভাৰ সভাপতিত্ব কৰিছিল অধ্যক্ষ ড° সুৰজিৎ ভূঞা ছাৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল ড° অঞ্জনজ্যোতি চৌধুৰী, পৰিচালনা সমিতিৰ সভাপতি বন্তি গগৈ হাওবৰা বাইদেউকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি।

৩। **প্ৰতিষ্ঠা দিৱস ঃ** মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসটি ১৬ আগষ্ট, ২০১৭ তাৰিখে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৰ লগতে ছাত্ৰীসকলৰ সহযোগিতাত পালন কৰা হৈছিল।

৪। **শিক্ষক দিৱস ঃ** শিক্ষাগুৰুসকলক অন্তৰৰ পৰা সেৱা জনোৱাৰ উদ্দেশ্যে পালন কৰা শিক্ষক দিৱসৰ কাৰ্যসূচীত আমাৰ সহযোগিতা কৰা ছাত্ৰীসকলক ধন্যবাদ জনোৱাৰ উপৰি চিৰনমস্য শিক্ষাগুৰুসকলক মই মোৰ সেৱা জনাইছোঁ।

৫। **শংকৰদেৱৰ তিথি ঃ** গুৰুজনাৰ এই বিশেষ অনুষ্ঠানটি আমি পালন কৰিছিলোঁ অতি উলহ-মালহেৰে। ছাত্ৰীসকলৰ মাজত বৰগীত আৰু দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। প্ৰতিযোগিতাত বিচাৰ পৰ্যবেক্ষক হিচাপে দায়িত্ব পালন কৰা চন্দ্ৰমা দিহিঙীয়া বাইদেউলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

৬। **যুৱ মহোৎসৱ ঃ** শিৱসাগৰ মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ছজনীয়া এটি দলে অংশগ্ৰহণ কৰি আমালৈ গৌৰৱ কঢ়িয়াই আনিছিল। দুটাকৈ গীতত ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত গায়ত্ৰী চেতিয়াই গৌৰৱ কঢ়িয়াই আনিছিল।

আশা কৰিছোঁ পৰৱৰ্তী সময়তো যুৱ মহোৎসৱত পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ উপৰিও পূৰ্বৰ দৰে স্থান লাভ কৰিবলৈ সক্ষম হওক।

৭। **মহাবিদ্যালয় সপ্তাহ ঃ**

'এই পৃথিৱী এক ক্ৰীড়াংগন
ক্ৰীড়া হ'ল শান্তিৰ প্ৰাংগন।'

ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ অন্যতম মঞ্চ হ'ল মহাবিদ্যালয় সপ্তাহ। ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ কেন্দ্ৰস্থল হিচাপে আমি অনুষ্ঠিত কৰা এই মহাবিদ্যালয়ৰ সপ্তাহটিত ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সদস্যাই নিজ নিজ বিভাগসমূহ সুন্দৰকৈ চলাই নিছিল। তাৰ মাজতে গণৰাজ্য দিৱসটিও সুকলমে সম্পন্ন হয়। সাংস্কৃতিক শোভাযাত্ৰা, কুচ-কাৱাজ আদি প্ৰতিযোগিতাত ছাত্ৰীসকলৰ সহযোগিতাই আমাক উৎসাহিত কৰি তুলিছিল।

মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা, অভাৱ-অনাটন সম্পৰ্কে ছাত্ৰী একতা সভাই অধ্যক্ষ মহোদয়ক জনোৱা অনুৰোধমৰ্মে প্ৰায়বোৰ সমস্যাই সমাধান হৈ উঠিছে। কেণ্টিন, ছাত্ৰীসকল বহিব পৰাকৈ গছৰ তলত বেঞ্চ, শ্ৰেণীকোঠাৰ সন্মুখত ডাষ্টবিন, বাথৰুম মেৰামতি, ছাত্ৰী জিৰণী কোঠাৰ মেৰামতি ইত্যাদি বিভিন্ন সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছিলোঁ।

যিহেতু কামৰ শেষ নাই, গতিকে ইমান কম সময়ত এই গুৰু দায়িত্বভাৰ পালন কৰোঁতে যদিও বহুতো আশা পূৰণ নহ'ল তথাপিও পৰৱৰ্তী সময়ত যাতে সকলোবোৰ সমস্যাই সমাধান হয় তাৰেই কামনা কৰিলোঁ। বিভিন্ন অনুষ্ঠানসমূহ তদাৰক কৰোঁতে আৰু খুব তৎকালীনভাৱে কিছুমান কাৰ্য অনুষ্ঠিত কৰোঁতে শাৰীকিভাৱে অসুস্থ হৈ পৰিলেও কোনো দিনেই হাৰ মনা নাছিলোঁ।

এবছৰীয়া কাৰ্যকালত যদিও সকলোৰে পৰা প্ৰশংসা আৰু ইতিবাচক মন্তব্য পাইছিলোঁ তথাপিও কেতিয়াবা কিছুমান বিশেষ কথাই আঘাত নিদিয়া নহয়। নিজা বিচাৰ-বিবেচনা আৰু অধ্যক্ষ মহোদয়ৰ লগতে অধিকাংশ শিক্ষকৰ সন্মতি পোৱাৰ পাছতো কেতিয়াবা সমস্যাই লগ নেৰে, তেতিয়া সহ্য কৰাতো টান হৈ পৰে। যদিও কেৱল মহাবিদ্যালয়ৰ স্বাৰ্থত নীৰৱে সহ্য কৰোঁ। প্ৰত্যেকজন শিক্ষাগুৰুৱেই আমাৰ বাবে জ্ঞানৰ পোহৰে আলোকিত কৰিব খোজা জ্ঞানৰ পূজাৰী। সকলোকে কেৱল শ্ৰদ্ধা কৰোঁ। কিন্তু মনত খু-দোৱাই থকা কিছুমান কথা অৰ্থাৎ সঁচাক সঁচা বুলি কোৱা মিছাক মিছা বুলি কোৱাৰ মোৰ সেই স্বাভাৱটোৰ কাৰণে কেতিয়াবা দুই-এজন শিক্ষাগুৰুৰ সৈতে মতানৈক্যও সৃষ্টি হৈছিল।

সি যি কি নহওক, অত্যধিক লিখাৰ প্ৰয়োজন অনুভৱ কৰা নাই। মই কি কৰিলোঁ কি কৰা উচিত আছিল সেয়া সময়ে ক'ব। মোৰ কামেই মোৰ পৰিচয়। মহাবিদ্যালয়খন সৰ্বাংগ সুন্দৰ কৰি তোলাৰ অদম্য হেঁপাহ মনত পুহি ৰাখিছিলোঁ। প্ৰতিবেদনৰ শেষত এই মহাবিদ্যালয়ৰ বাবে অকণমান সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক মোৰ শতকোটি প্ৰণাম আৰু কৃতজ্ঞতা জনালোঁ। কাৰ্যকালত মোক প্ৰতিটো খোজত সাহস দিয়া মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, শুভাকাংক্ষীসকল, লগতে শাৰীৰিক আৰু মানসিকভাৱে সহায় কৰা সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে সৰ্বঅপৰাধ মৰিষণৰ হেতু সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচৰাৰ লগতে মোৰ কাৰ্যকালত আধৰুৱা হোৱা কাৰ্যখিনি নৱনিৰ্বাচিত সাধাৰণ সম্পাদিকাৰ হাতত অৰ্পণ কৰিলোঁ।

সেউজীয়াৰ বুকুত মোৰ অজ্ঞাতেই পাৰ হোৱা প্ৰতিপল সময়েই হ'ল হৃদয়ৰ নিৰ্ভিত কোণৰ সপোনবোৰৰ পূৰ্ণতা। এজাক ৰঙীণ নাৰীৰ সপোনৰ স্থল এই সেউজীয়াবোৰ। সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু উত্তৰোত্তৰ কামনাৰে...

'জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা।'

**এঞ্জেলা চাংমাই**

সাধাৰণ সম্পাদিকা, ছাত্ৰী একতা সভা

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিক মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিছোঁ, যিসকলৰ প্ৰচেষ্টাত উজনি অসমৰ নাৰী শিক্ষাৰ অন্যতম অনুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে প্ৰাণ পাই উঠে। জ্ঞানৰ মুকুতা বুটলিবলৈ লক্ষীমপুৰ বালিকা মহাবিদ্যালৰ দৰে এখনি আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানত সুযোগ পোৱাতো অতি গৌৰৱৰ কথা। এনে এখন মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্যা হিচাপে গুৰু দায়িত্ব বহন কৰিবলৈ মোৰ সৌভাগ্য ঘটিছিল। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় প্ৰমুখ্যে চিৰপূজ্য শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দৰ লগতে বান্ধৱীসকললৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ২০১৬-২০১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকাৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ ছাত্ৰী জিৰণী কোঠা বিভাগৰ দায়িত্ব গ্ৰহণ কৰোঁ। ১৭ জানুৱাৰী, ২০১৭ তাৰিখে ছাত্ৰী একতা সভাৰ নৱনিৰ্বাচিত সদস্যাসকলে এক নতুন উদ্যম লৈ কাৰ্যভাৰ গ্ৰহণ কৰোঁ। মনত সাহসেৰে মহাবিদ্যালয়খনি সৰ্বতো প্ৰকাৰে সুন্দৰ কৰাৰ লক্ষ্য লৈ নতুন কৰ্মপন্থা গ্ৰহণ কৰিম বুলি নিজকে প্ৰস্তুত কৰিলোঁ। মহাবিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ অনুষ্ঠান হৈছে মহাবিদ্যালয় সপ্তাহ। ২৩ জানুৱাৰী, ২০১৮ তাৰিখৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে এই মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ছাত্ৰী জিৰণী কোঠাৰ বিভিন্ন প্ৰতিযোগিতা যেনে-চালাড, মেহেন্দী, ছিলাই, ভেশচন, ফেব্ৰিক, পুষ্পসজ্জা, ৰংগুলি আদিৰ উপৰিও অতি আকৰ্ষণীয় কইনা আৰু সাজপাৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যাও আছিল যথেষ্ট। সাজপাৰ প্ৰতিযোগিতাত সৰ্বপ্ৰথমবাৰৰ বাবে দুটা পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল, যেনে-পৰম্পৰাগত সাজপাৰ আৰু পশ্চিমীয়া সাজপাৰ।

## প্ৰতিযোগিতাসমূহৰ ফলাফল আছিল এনেধৰণৰ ঃ

**কইনা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ধৃতি বনিয়া

দ্বিতীয় ঃ চাৰনিন ইছলাম

তৃতীয় ঃ ফাৰহান আহমেদ

**যি মন যায় প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ৰিকুশ্ৰী চেতিয়া

দ্বিতীয় ঃ ধৰিত্ৰী বৰুৱা আৰু হেমলতা মিলি,
জুমা নেওগ (দলীয়)

তৃতীয় ঃ কংকনা ৰাজখোৱা আৰু জ্যোতিস্না হাজৰিকা

**ৰংগুলি প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ মেঘা পাটিৰ

দ্বিতীয় ঃ মিনাক্ষী শইকীয়া

তৃতীয় ঃ কৃষ্ণা দেৱী

**মেহেন্দী প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ চাহৰিন ইছলাম

দ্বিতীয় ঃ লক্ষীজ্যোতি শইকীয়া

তৃতীয় ঃ গীতাশ্ৰী গগৈ

**চালাড প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিউতি ৰয়

দ্বিতীয় ঃ পিতিমণি বড়ো

তৃতীয় ঃ গীতাঞ্জলি গুপ্তা

**ৰূপসজ্জা প্ৰতিযোগিতা ঃ**

**মিছ লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ঃ** কুমকুম চেট্ৰি

দ্বিতীয় ঃ উদ্দীপনা শইকীয়া

তৃতীয় ঃ হিৰোস্মিতা কেওঁট

বেষ্ট স্মাইল ঃ বেদশ্ৰী ফুকন

বেষ্ট ফিট্‌নেচ ঃ দেৱলক্ষী গগৈ

বেষ্ট লুক ঃ পূজা বৰা

বেষ্ট এটিটিউড ঃ উদ্দীপনা শইকীয়া

বেষ্ট কেটৱাক ঃ চেহনাজ বেগম

**ফেব্ৰিক প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ চাহৰিন ইছলাম

দ্বিতীয় ঃ হিমালী গগৈ

তৃতীয় ঃ ৰুণু চাংমাই

**ফুলসজ্জা ঃ**

প্ৰথম ঃ চুমাৰাণী বছুমতাৰী

দ্বিতীয় ঃ জিন্নত পাৰবিন ববি

তৃতীয় ঃ ৰুণু চাংমাই

**চিলাই প্ৰতিযোগিতাঃ**

প্ৰথম ঃ জয়শ্ৰী পাৰে

দ্বিতীয় ঃ কাস্মিৰী হাজৰিকা

তৃতীয় ঃ গৰিস্মা খাউণ্ড।

**ডলি বৰুৱা**
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা, ছাত্ৰী একতা সভা

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিক মই অশেষ শ্ৰদ্ধা আৰু প্ৰণাম জ্ঞাপন কৰিছোঁ, যিসকলৰ প্ৰচেষ্টাত উজনি অসমৰ নাৰী শিক্ষাৰ অন্যতম অনুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয় গঢ় লৈ উঠি অসমৰ এখন আগশাৰী মহাবিদ্যালয় হিচাপে পৰিগণিত হয়। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় প্ৰমুখ্যে চিৰপূজ্য শিক্ষাগুৰুসকল, বিভাগীয় উপদেষ্টা, কৰ্মচাৰীবৃন্দৰ লগতে বান্ধৱীসকললৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত ৰাজনীতিৰ প্ৰতি বিশেষ জ্ঞান নথকাৰ পিছতো বান্ধৱী আৰু শুভাকাংক্ষীসকলৰ আগ্ৰহত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়লাভ কৰিছিলোঁ। তৰ্ক আৰু আলোচনা বিভাগৰ দায়িত্বভাৰ গ্ৰহণৰ পাছত কাৰ্যকালৰ চমু খতিয়ান ঃ

ক) সৰস্বতী পূজা ঃ বিগত বৰ্ষৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত সৰস্বতী পূজাভাগ পালন কৰা হয়।

খ) নৱাগত আদৰণি সভা ঃ নতুন ছাত্ৰীসকলক আদৰণি জনোৱাৰ অৰ্থে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়।

গ) শিক্ষক দিৱস ঃ শিক্ষা গ্ৰহণ কৰাৰ সময়ছোৱাত প্ৰকৃত শিক্ষা দিওঁতা শিক্ষাগুৰুসকলক অন্তৰৰ পৰা সেৱা জনোৱাৰ উদ্দেশ্যেৰে এই অনুষ্ঠানটি পালন কৰিলোঁ।

ঘ) শংকৰদেৱৰ তিথি ঃ এই অনুষ্ঠানটিও আমি অতি উলহ-মালহেৰে পালন কৰিছিলোঁ।

ঙ) মহাবিদ্যালয় সপ্তাহ ঃ মানৱ জীৱনত কেৱল পঢ়াৰ শিক্ষাই সৰ্বস্ব নহয়। শাৰীৰিক, মানসিক দিশৰ উন্নতিৰ বাবে প্ৰয়োজন সাপেক্ষে অন্যান্য কিছু দিশে যথেষ্ট সহায় কৰে। লগতে যুৱ প্ৰজন্মৰ মাজত সুপ্ত হৈ থকা প্ৰতিভাসমূহৰ বিকাশ সাধনত এই অনুষ্ঠানটিয়ে অতি আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে সকলো ছাত্ৰীয়ে যাতে প্ৰতিটো প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰে তাৰ বাবে বিশেষ ধ্যান ৰাখিছিলোঁ। মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ ২৬ জানুৱাৰী, ২০১৭ আৰু ২৭ জানুৱাৰী, ২০১৭ তাৰিখে অনুষ্ঠিত হয়।

**ফলাফলসমূহ ঃ**

১। আকস্মিক বক্তৃতা ঃ

প্ৰথম ঃ গৰিমা দত্ত
দ্বিতীয় ঃ পলি বৰুৱা
তৃতীয় ঃ স্বপ্না চেতিয়া

২। বক্তৃতা ঃ

প্ৰথম ঃ নমস্যা খান্দায়াত্ৰে
দ্বিতীয় ঃ গৰিমা দত্ত
তৃতীয় ঃ স্বপ্না চেতিয়া

৩। তৰ্ক

প্ৰথম ঃ প্ৰেৰণা নাথ
দ্বিতীয় ঃ কল্যাণী দত্ত
তৃতীয় ঃ গৰিমা দত্ত

৪। কুইজ

প্ৰথম ঃ ইংৰাজী বিভাগ
দ্বিতীয় ঃ পদাৰ্থ বিজ্ঞান বিভাগ
তৃতীয় ঃ ৰাজনীতি বিজ্ঞান বিভাগ

শেষত এই এবছৰীয়া কাৰ্যকালত অজানিতে কৰা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ লগতে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

**পাপৰি চুতীয়া**
তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা, ছাত্ৰী একতা সভা

# আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ হকে অলেখ শ্ৰম আৰু ত্যাগ স্বীকাৰ কৰা সকলো ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে কৃতজ্ঞতা জনাইছোঁ সেইসকল ব্যক্তিক যাৰ আৰ্থিক-কায়িক মানসিক অৰিহণাৰে পৰিপুষ্ট হৈ আমাৰ মহাবিদ্যালয়খন আজি এই পৰ্যায়ত উপনীত হ'বলৈ সক্ষম হৈছে। সেইসকল মহান ব্যক্তিলৈ মই পৰম শ্ৰদ্ধা, ভক্তি নিবেদন কৰিছোঁ। লগতে ২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া বাবে মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, ভণ্টী, বাইদেউ আৰু বান্ধৱীসকলক আৰু মহাবিদ্যালয়ৰ নিৰ্বাচনী কমিটীৰ শ্ৰদ্ধাৰ বিষয়ববীয়াসকলক প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

১৭ জানুৱাৰী, ২০১৭ তাৰিখটো মোৰ মনত চিৰ সেউজীয়া হৈ ৰ'ব। এই দিনটোতে ২০১৭ বৰ্ষৰ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ দৰে অতি উচ্চপৰ্যায়ৰ শিক্ষানুষ্ঠানটিৰ আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰা বিগত বছৰৰ সামগ্ৰিক দিনপঞ্জী শেষ জীৱনৰ এক গুৰুত্বপূৰ্ণ আৰু চিৰস্মৰণীয় অধ্যায়।

কাৰ্যকালৰ আৰম্ভণিতে সৰ্বপ্ৰথমে সৰস্বতী পূজা পালন কৰোঁ। আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰা মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ ২৩ জানুৱাৰী, ২০১৮ তাৰিখৰ পৰা ৩০ জানুৱাৰী, ২০১৮ তাৰিখলৈ অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ খেলসমূহক পৰিচালনা কৰাত কোনো ধৰণৰ অসুবিধা পোৱা নাছিলোঁ। আন্তঃক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ ক্ষেত্ৰত উৎসাহ-উদ্দীপনা আৰু প্ৰতিটো পদক্ষেপতে উপদেষ্টা শ্ৰীযুত জয়ন্তজিৎ বৰদলৈ ছাৰক মোৰ ফালৰপৰা অশেষ কৃতজ্ঞতা আৰু আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

লগতে পণজিৎ বৰগোহাঁই ছাৰকে ধৰি আমাৰ মহাবিদ্যালয়ৰ বহুকেইজন শিক্ষাগুৰুলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহত সহায় কৰা মোৰ মৰমৰ বান্ধৱী মেঘা, লক্ষীপ্ৰিয়া, দিপ্তী, নিমিষা, পম্পী, ৰীতিমাই তেওঁলোকলৈয়ো অশেষ ধন্যবাদ থাকিল। তেওঁলোকৰ সহায় কেতিয়াও পাহৰিব নোৱাৰিম।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱা কৰ্তব্যৰ খাতিৰত বা অজানিতে হোৱা ভুলৰ বাবে সকলোৰে পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয় আৰু ছাত্ৰী একতা সভাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ একলম সামৰিছোঁ।

'জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা।'

## মহাবিদ্যালয় সপ্তাহত আমাৰ বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ

**Badminton (Single)**
Champion : Dipashree Dutta
Runner-up : Rashmi Saha

**Badminton (Double)**
Champion : Dipashree Dutta, Jyotishma Hazarika
Runner-up : Anne Deori, Banashree Dutta

**Chess :**
Champion : Monisha Panging
Runner-up : Jimli Borah

**Carrom (Single) :**
Champion : Jublee Bordoloi
Runner-up : Pinkumoni Dutta

**দীপজ্যোতি দেউৰী**
আন্তঃক্ৰীড়া বিভাগৰ সম্পাদিকা, ছাত্ৰী একতা সভা

# বহিঃক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিলৈ প্ৰণাম জনাইছোঁ যিসকলৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খন গঢ় লৈ উঠিল।

ঐতিহ্যমণ্ডিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ বিংশ বৰ্ষৰ ছাত্ৰী একতা সভাৰ বহিঃক্ৰীড়া শাখাৰ সম্পাদিকাৰ দায়িত্বভাৰ মোক দিয়াৰ বাবে মই সকলোকে ধন্যবাদ জনাইছোঁ।

ছাত্ৰীসকলৰ মাজত থকা প্ৰতিভাবোৰ বিকাশৰ অৰ্থে পাৰ্যমানে চেষ্টা চলোৱাৰ লগতে ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ যত্ন কৰিছিলোঁ। বিভাগীয় অধ্যাপক ড° এইচ এম এ ছাহিদ ছাৰৰ তত্বাৱধানত আৰম্ভ হৈছিল মোৰ কাৰ্যকাল। ছাত্ৰী একতা সভাই আয়োজন কৰা বিভিন্ন অনুষ্ঠান যেনে-সৰস্বতী পূজা, নৱাগত আদৰণি সভা, শংকৰদেৱৰ তিথি ইত্যাদিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলোঁ। ইয়াৰ লগতে ছাত্ৰীসকলক বহিঃ ক্ৰীড়া বিভাগৰ প্ৰতি আগ্ৰহী কৰাইছিলোঁ আৰু ছাত্ৰীসকলেও নিজ পাৰদৰ্শিতাৰে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰীসকলৰ লগতে শিক্ষাগুৰুসকলৰ আগ্ৰহো আছিল যথেষ্ট। সেয়েহে শিক্ষাগুৰুসকলৰ মাজতো এখন প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বহিঃ ক্ৰীড়া বিভাগৰ খেলসমূহৰ শুভ আৰম্ভণি অনুষ্ঠানটি সকলোৰে সহায়-সহযোগিতাত সুকলমে হৈ যোৱাৰ পাছতে আৰম্ভ হৈছিল বিভাগীয় প্ৰতিযোগিতাসমূহ। তাৰ ফলাফলসমূহ আছিল এনেধৰণৰ—

**Long Jump :**
1st : Junali Borah
2nd : Bishnupriya Doley
3rd : Deepjyoti Deori

**High Jump :**
1st : Nabanita Dutta
2nd : Junali Borah
3rd : Junali Pawe

**100 Mtr. race :**
1st : Jun Tamuli
2nd : Munmi Changmai
3rd : Swapnali Chetia

**200 Mtr. race :**
1st : Munmi Changmai
2nd : Jun Tamuli
3rd : Utpala Konwar

**400 Mtr. race :**
1st : Jun Tamuli
2nd : Munmi Changmai
3rd : Ritimai Pegu

**Jebline :**
1st : Sakuntala Taid
2nd : Jun Tamuli
3rd : Sakuntala Pegu

**Discus :**
1st : Karishma Taw
2nd : Mamoni Pegu
3rd : Sakuntala Taid

**Shotput :**
1st : Jun Tamuli
2nd : Pllabi Borah
3rd : Sakuntala Taid

**Tug of war :**
Winner : Department of Mathematics
1st runners up : Department of Zoology
2nd runners up : Department of Education

**Cricket :**
Winner : Department of History
Runners up : Department of Assamese

**Kabadi :**
Winner : Department of Zoology
Runners up : H.S. 1st Year

**Marathan :**

| | | |
|---|---|---|
| 1st | : | Monalisha Mili |
| 2nd | : | Jun Tamuli |
| 3rd | : | Mamda Sonowal |
| 4th | : | Monalisha Kuli |
| 5th | : | Rikushree Chetia |
| 6th | : | Hiranya Sonowal |
| 7th | : | Rita Doley |
| 8th | : | Manjana Payeng |
| 9th | : | Sarnali Narah |
| 10th | : | Anupama Payeng |

কাৰ্যকালৰ প্ৰতিটো কাৰ্য সুচাৰুৰূপে আগবঢ়াই নিয়া ছাহিদ ছাৰৰ লগতে সকলো ছাৰ-বাইদেউ, দাদা সকলোকে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

'জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা।'

**ডিম্পী বৰুৱা**
বহিঃ ক্ৰীড়া শাখাৰ সম্পাদিকা, ছাত্ৰী একতা সভা

# সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ বুলনিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ যিসকলৰ ত্যাগ, চেষ্টা আৰু সাহসৰ বিনিময়ত বৰ্তমান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে এখন স্ত্ৰী শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে সফলতাৰ সাঁকো বগাবলৈ সক্ষম হৈছে। লগতে সেইসকল ত্যাগী বক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ যিসকলে দেশ, স্বজাতি তথা সাহিত্য, সংস্কৃতিৰ হকে যুঁজ দি স্বৰ্গগামী হ'ল। কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সমূহ ছাত্ৰীলৈ।

প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সাহিত্য দিশৰ লগত জড়িত দিশসমূহত ছাত্ৰীসকলক আগুৱাই নিবলৈ। যুটীয়াভাৱে কাৰ্যভাৰ গ্ৰহণ কৰি সাহিত্য আৰু আলোচনী শাখাৰ দিশসমূহ আগবঢ়াই নিবলৈ সুবিধা হৈছিল যদিও সকলো কাম সফল হৈ নুঠিছিল। তথাপিও আমি চেষ্টা কৰিছিলোঁ আমাৰ কাৰ্যকালত কোনো কাম বাদ পৰি নাযাওঁক।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সদস্য হিচাপে ছাত্ৰী একতা সভা আৰু মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণত সহায়-সহযোগিতা আগবঢ়াইছিলো।

**কাৰ্যকালৰ চমু খতিয়ান ঃ**

১৭.১.২০১৭ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত সাহিত্য আৰু আলোচনী শাখাৰ প্ৰথম কাৰ্যসূচী আছিল নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰাৰ। প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰাত সকলো সময়তে আমাক দিহা-পৰামৰ্শ আগবঢ়োৱা সাহিত্য আৰু আলোচনী শাখাৰ তত্বাৱধায়ক কুসুম্বৰ চেতিয়া ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

১২ আগষ্ট, ২০১৭ তাৰিখে অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° মুচফিক আৰা তৈয়ব বাইদেউৰ দ্বাৰা প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰা হয়। ইয়াৰ জৰিয়তেই বাইদেউক গুৰু দায়িত্ব বহন কৰি প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহ মহাবিদ্যালয়ৰ আৰু ছাত্ৰী একতা সভাৰ কাৰণে এক গুৰুত্বপূৰ্ণ কাম। ২৩ জানুৱাৰী, ২০১৮ তাৰিখৰ পৰা মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। ছাত্ৰীসকলৰ সহায়-সহযোগিতাত সাহিত্য আৰু সুকুমাৰ কলা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাৰ ফলাফলসমূহ এনেধৰণৰ—

**পূৰ্বে প্ৰস্তুত চিত্ৰাংকন প্ৰতিযোগিতাঃ**

**স্থিৰচিত্ৰ-**

প্ৰথম ঃ লক্ষীজ্যোতি শইকীয়া
দ্বিতীয় ঃ অনু কুমাৰী
তৃতীয় ঃ পাৰবিন ববি

**কাৰ্টুন-**

প্ৰথম ঃ লক্ষীজ্যোতি শইকীয়া
দ্বিতীয় ঃ অনু কুমাৰী

**প্ৰতিকৃতি-**

প্ৰথম ঃ লক্ষীজ্যোতি শইকীয়া

দ্বিতীয় ঃ গিফ্‌টপ্ৰিয়া নৰহ

**লেণ্ডস্কেপ-**

প্ৰথম ঃ লক্ষীজ্যোতি শইকীয়া

দ্বিতীয় ঃ তাজমিন চুলতানা

তৃতীয় ঃ পাৰবিন ববি

**তৎকালীন চিত্ৰাংকন প্ৰতিযোগিতাঃ**

**স্থিৰচিত্ৰ-**

প্ৰথম ঃ জেচমিন গগৈ

দ্বিতীয় ঃ গিফ্‌টপ্ৰিয়া নৰহ

তৃতীয় ঃ লক্ষীজ্যোতি শইকীয়া

**কাৰ্টুন-**

প্ৰথম ঃ লক্ষীজ্যোতি শইকীয়া

দ্বিতীয় ঃ ধৰিত্ৰী বৰুৱা

তৃতীয় ঃ দুলুৰাণী বৰগোহাঁই

**লেণ্ডস্কেপ-**

প্ৰথম ঃ লক্ষীজ্যোতি শইকীয়া

দ্বিতীয় ঃ কুন্তলা শৰ্মা

তৃতীয় ঃ দুলুৰাণী বৰগোহাঁই

**অসমীয়া কবিতা আবৃত্তিঃ**

প্ৰথম ঃ প্ৰবীণা বৰা

দ্বিতীয় ঃ গীতালি তামুলী

তৃতীয় ঃ প্ৰেৰণা নাথ

**ইংৰাজী কবিতা আবৃত্তিঃ**

প্ৰথম ঃ নমস্যা এছ. খণ্ডায়াত্ৰেয়

দ্বিতীয় ঃ তাচমিন আহমেদ

তৃতীয় ঃ কুন্তলা শৰ্মা

**হিন্দী কবিতা আবৃত্তিঃ**

প্ৰথম ঃ স্মৃতি অধিকাৰী

দ্বিতীয় ঃ কুন্তলা শৰ্মা

তৃতীয় ঃ নমস্যা এছ. খণ্ডায়াত্ৰেয়

**অসমীয়া বাতৰি পঠনঃ**

প্ৰথম ঃ পলি বৰুৱা

দ্বিতীয় ঃ মনচুম লেখাৰু

তৃতীয় ঃ হাবিবা বেগম

**ইংৰাজী বাতৰি পঠনঃ**

প্ৰথম ঃ নমস্যা এছ. খণ্ডায়াত্ৰেয়

দ্বিতীয় ঃ তনুজা ৰহমান

তৃতীয় ঃ তাচমিন আহমেদ

**প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাঃ**

প্ৰথম ঃ অৰ্থনীতি বিভাগ

দ্বিতীয় ঃ গাৰ্হস্থ্য বিজ্ঞান বিভাগ

তৃতীয় ঃ ইতিহাস আৰু উদ্ভিদ বিজ্ঞান বিভাগ

**পূৰ্বে প্ৰস্তুত কবিতাঃ**

প্ৰথম ঃ জয়শ্ৰী ফুকন আৰু নমস্যা এছ. খণ্ডায়াত্ৰেয়

দ্বিতীয় ঃ পলি বৰুৱা

তৃতীয় ঃ ধৰিত্ৰী বৰুৱা

**পূৰ্বে প্ৰস্তুত লিমাৰিকঃ**

প্ৰথম ঃ কুন্তলা শৰ্মা

দ্বিতীয় ঃ পলি বৰুৱা

তৃতীয় ঃ নমস্যা এছ. খণ্ডায়াত্ৰেয়

**পূৰ্বে প্ৰস্তুত চুটিগল্পঃ**

বিচাৰকৰ বিশেষ বঁটা পলি বৰুৱা।

**পূৰ্বে প্ৰস্তুত প্ৰবন্ধঃ**

প্ৰথম ঃ পলি বৰুৱা

দ্বিতীয় ঃ মনালিচা বৰুৱা

**পূৰ্বে প্ৰস্তুত ৰস ৰচনাঃ**

বিচাৰকৰ বিশেষ বঁটা পলি বৰুৱা।

**তৎকালীন প্ৰবন্ধঃ**

প্ৰথম ঃ স্বপ্না চেতিয়া

দ্বিতীয় ঃ ইন্দ্ৰাণী খাউণ্ড

তৃতীয় ঃ ইন্দিৰা দলে

**তৎকালীন চুটিগল্পঃ**

প্ৰথম ঃ কুন্তলা শৰ্মা

দ্বিতীয় ঃ পল্লৱী বৰা

তৃতীয় ঃ স্বপ্না চেতিয়া আৰু নমস্যা এছ. খণ্ডায়াত্ৰেয়

**তৎকালীন লিমাৰিকঃ**

প্ৰথম ঃ কুন্তলা শৰ্মা

দ্বিতীয় ঃ নমস্যা এছ. খণ্ডায়াত্ৰেয়

তৃতীয় ঃ কল্যাণী দত্ত

**তৎকালীন অসমীয়া কবিতাঃ**

প্ৰথম ঃ জয়শ্ৰী ফুকন

দ্বিতীয় ঃ কল্যাণী দত্ত

তৃতীয় ঃ স্বপ্না চেতিয়া

**তৎকালীন ইংৰাজী কবিতাঃ**

প্ৰথম ঃ নমস্যা এছ. খণ্ডায়াত্ৰেয়

দ্বিতীয় ঃ কাজল হাজৰিকা

তৃতীয় ঃ প্ৰিয়ম পংখী শইকীয়া

**শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীঃ পলি বৰুৱা**

মহাবিদ্যালয়ত যথেষ্ট সংখ্যক ছাত্ৰী থকাৰ পাছতো প্ৰতিযোগিতাৰ বাবে আগবাঢ়ি অহা ছাত্ৰীৰ সংখ্যা আছিল তেনেই সীমিত। এইটো আছিল মহাবিদ্যালয়খনৰ বাবে দুখৰ কথা। সকলো ছাত্ৰী সাহিত্য আৰু সুকুমাৰ কলা প্ৰতিযোগিতাৰ বাবে আগবাঢ়ি নহাত বহুকেইটা প্ৰতিযোগিতা বাদ পৰি ৰৈছিল।

মহাবিদ্যালয়ৰ আলোচনী খনেই মহাবিদ্যালয়ৰ পৰিচয় বহন কৰে। মহাবিদ্যালয় সপ্তাহত যিদৰে ছাত্ৰীসকলে সহায় আগবঢ়াইছিল তাৰ তুলনাত আলোচনীত সেইদৰে সঁহাৰি জনোৱা নাছিল। আলোচনীখনৰ বাবে জাননী জাৰি কৰা হৈছিল যদিও ব্যক্তিগতভাৱে লেখা বিচাৰিবলগা হ'ল।

এইক্ষেত্ৰত আমি আছিলোঁ অনভিজ্ঞ। সকলো কাম কৰাৰ আগতে তত্ত্বাৱধায়ক কুসুম্বৰ চেতিয়া ছাৰৰ পৰামৰ্শ ল'বলগীয়া হৈছিল। ছাৰৰ উপদেশ, মৰম, শাসনৰ পৰিণতিত আৰু অসমীয়া বিভাগৰ ছাৰ, বাইদেউসকলৰ অনুপ্ৰেৰণাত আলোচনীখন প্ৰকাশৰ গুৰুত্বপূৰ্ণ কাৰ্যটি কৰিবলৈ আগবাঢ়ি আহিলোঁ।

অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষাগুৰুসকলৰ মৰম, সাহস আৰু উপদেশৰ ফলশ্ৰুতিতে আলোচনীখন প্ৰকাশ কৰিবলৈ সাহস কৰিলোঁ আৰু বিভিন্ন কামত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা আৰু অশেষ শ্ৰদ্ধা নিবেদিছোঁ। ছাত্ৰী একতা সভা, ছাত্ৰী নিবাস, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, সকলো দিশতে কাষে কাষে থকা মোৰ বান্ধৱীসকলৰ ওচৰত কৃতজ্ঞতা যাচিছোঁ। আমাৰ কাৰ্যকালত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা।

**পূজা ভূঞা, জয়শ্ৰী পাৰে**
সাহিত্য আৰু আলোচনী শাখা সম্পাদিকা, ছাত্ৰী একতা সভা

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ যিসকলৰ ত্যাগ, চেষ্টা আৰু সাহসৰ বিনিময়ত বৰ্তমান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে এখন স্ত্ৰী শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে সফলতাৰ সাঁকো বগাবলৈ সক্ষম হৈছে।

কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ সেইসকল ব্যক্তিলৈ যিসকলে মোৰ কাৰ্যকালত মোৰ সকলো কামতে দিহা-পৰামৰ্শ আগবঢ়াই মোক সহায়ৰ হাত আগবঢ়াইছিল। অভিজ্ঞতা নাছিল এইক্ষেত্ৰত, তত্ত্বাৱধায়কছাৰৰ দিহা-পৰামৰ্শেৰে মোক কামবোৰ কৰি যোৱাত সহায় কৰিছিল। তেওঁলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষাগুৰুসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৈও মই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সদস্য হিচাপে ছাত্ৰী একতা সভা আৰু মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণত সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

**কাৰ্যকালৰ চমু খতিয়ান ঃ**

মহাবিদ্যালয় সপ্তাহ মহাবিদ্যালয়ৰ আৰু ছাত্ৰী একতা সভাৰ কাৰণে এক গুৰুত্বপূৰ্ণ কাৰ্য। সাতদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহৰ ২৬ জানুৱাৰীৰ দিনা শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতা আছিল যদিও আন্তঃমহাবিদ্যালয়ৰ শৰীৰ চৰ্চা প্ৰতিযোগিতাখনি আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ বাবে শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতাসমূহ আগতীয়াকৈয়ে অনুষ্ঠিত কৰা হৈছিল।

ছাত্ৰীসকলৰ সহায়-সহযোগিতাত শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাৰ ফলাফলসমূহ আছিল এনেধৰণৰ—

**যোগ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ধৰিত্ৰী বৰুৱা
দ্বিতীয় ঃ শিৰ্শা শইকীয়া
তৃতীয় ঃ প্ৰিয়াংকী পেগু
চতুৰ্থ ঃ স্তুতি মিলি
পঞ্চম ঃ বিষ্ণুপ্ৰিয়া নৰহ

আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ত হোৱাৰ বাবে প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিব পৰা নগ'ল। সেইবাবে এখন প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ পৰা আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাৰ বাবে পাঁচজনীয়া এটা দল পঠিওৱা হ'ল।

মহাবিদ্যালয়খনত শৰীৰ চৰ্চাৰ প্ৰতি ছাত্ৰীসকলৰ অনীহা

দেখি মাজে মাজে ভাগি পৰিছিলোঁ। আজাদ হাজৰিকা ছাৰৰ সাহস, অনুপ্ৰেৰণাৰ বাবে ছাৰলৈ কৃতজ্ঞতা জাপন কৰিছোঁ। মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিছাৰিছোঁ। সদৌ শেষত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা।

## সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

Lakhimpur Girls' College has been a temple of education as well as a platform to showcase different curricular activities for millions of girls. I am as a student of Lakhimpur Girls' college feel blessed to be a part of this prestigious institution. These three years have been very educative as well as joyous. I also got this opportunity to be the Social Service Secretary of the college and work for the welfare of the same. I have always been eager to serve people, and this desire has been fulfilled to an extent by being a member of the college union body. I am very thankful to my teachers and peers, who were always there to guide me. In these three years, I have gained a lot of confidence and become socially active. Being a secretary, gave me confidence to stand out and speak in public. I learned to take stand and work in a group. Working for the college brought out my leardership quality and increase my management skills. The teachers are very co-operative. They are always ready to hear out any kind of problems and help us to find the suitable solution. Over all Lakhimpur Girls' College is like a second family to me which is going to be a very important and memorable part of my life. Here I also express my gratifude to my friends and juniors for believing me and giving me a chance to serve them. The following activities were being conducted with teacher-in-charge and college authorities under my surveillance-

**1. Essay competition:**

| | | |
|---|---|---|
| 1st Prize | : | Sunsuni Borah |
| 2nd Prize | : | Mayuri Tamuli<br>Tanuja Rehman<br>(B.Sc. 6th Semester,<br>Dept. of Chemistry) |
| 3rd Prize | : | Monalisha Boruah<br>(B.A. 6th Semester,<br>Dept. of Economics) |

**2. Social Service competition :**

| | | |
|---|---|---|
| 1st Prize | : | Dept. of Chemistry and<br>Dept. of Mathematics |
| 2nd Prize | : | Dept. of Hindi,<br>Political Science and Education |
| 3rd Prize | : | Dept. of Economics,<br>Physics and Philosophy |
| Special Prize | : | H.S. 1st Year |

| **Best worker** | **:** | |
|---|---|---|
| 1st Prize | : | Borosha Bezboruah,<br>Dept. of Chemistry<br>Puja Devi, Dept. of Chemistry |
| 2nd Prize | : | Hemalata Mili, Dept. of Zoology<br>Pompy Gogoi,<br>Dept. of Assamese. |

**Lipika Chetia**
Social Service Secretary
Lakhimpur Girls' College Students Union

## List of Ex-Editors
## Lakhimpur Girls' College Magazine
## North Lakhimpur (1982 - 2017)

| | |
|---|---|
| 1982 - 1983 : | Ms. Ranjana Konwar |
| 1983 - 1984 : | Ms. Bharati Hazarika |
| 1984 - 1985 : | Ms. Swapna Saikia |
| 1985 - 1986 : | Ms. Mayashri Goswami |
| 1986 - 1987 : | Ms. Nandita Saikia |
| 1987 - 1988 : | Ms. Seemarani Phukan |
| 1988 - 1989 : | Ms. Surabhi Borah |
| 1989 - 1990 : | Ms. Miju Hazarika |
| 1990 - 1991 : | Ms. Purabi Saikia |
| 1991 - 1992 : | Ms. Babyjyoti Baruah |
| 1992 - 1993 : | Ms. Shakuntala Borpatra |
| 1993 - 1994 : | Ms. Nanu Bharali |
| 1994 - 1995 : | Ms. Dulumoni Gogoi |
| 1995 - 1996 : | Ms. Sanjiva Boruah |
| 1996 - 1997 : | Ms. Smita Hazarika |
| 1997 - 1998 : | Ms. Sikharani Gogoi |
| 1998 - 1999 : | Ms. Pallavi Phukan |
| 1999 - 2000 : | Ms. Banti Mahanta |
| 2000 - 2001 : | Ms. Jamini Boruah |
| 2001 - 2002 : | Ms. Jipulina Gogoi |
| 2002 - 2003 : | Ms. Hemalakhi Gogoi |
| 2003 - 2004 : | Ms. Sunpahi Morang |
| 2004 - 2005 : | Ms. Rijum Phukan |
| 2005 - 2006 : | Ms. Dipsikha Duari |
| 2006 - 2007 : | Ms. Rajashree Bora |
| 2007 - 2008 : | Ms. Sangeeta Pawe |
| 2008 - 2009 : | Ms. Deepasri Borpatra Gohain |
| 2009 - 2010 : | (Not published) |
| 2010 - 2011 : | Ms. Priyanka Borgohain |
| 2012 - 2013 : | Ms. Junmoni Neog |
| 2013 - 2014 : | Ms. Pankhi Bharali |
| 2014 - 2015 : | Ms. Susmita Bora |
| 2015 - 2016 : | Ms. Papori Gogoi |
| 2016 - 2017 : | Ms. Nabanita Konch |